# আধুনিক অসমীয়া ব্যাকৰণ

(ভাষাবিজ্ঞানসন্মত)

A.D.P. COLLEGE LIBRARY ★ NAGAON : ASSAM
Acc.no.
Dt

Library Copy.
Principal
A.D.P. College
Nagaon : Assam

**বিশ্ববিদ্যালয় অনুদান আয়োগৰ ' লঘু গৱেষণা আচঁনিৰ অধীনত '**
**প্ৰস্তুত কৰা হৈছে**

***( Final Report of the Project )***

**- No.F.5-156/2005-06 (MRP/NERO) /2171**

A.D.P. COLLEGE LIBRARY NAGAON : ASSAM
R1
Acc.no.
Dt 23/4/2012

Acc. No.
Date

ডঃ ৰজিতা কলিতা
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় , নগাওঁ
অসমীয়া বিভাগ

২০০৭

Principal
A.D.P. College
Nagaon : Assam

# Modern Assamese Grammar
( ON MODERN LINGUISTICS)

**( Final Report of the Project )**
**- No.F.5-156/2005-06 (MRP/NERO) /2171**

**Dr. Rajita Kalita**

**A.D.P. College, Nagaon**
**Assamese Department**
**2007**

# আধুনিক অসমীয়া ব্যাকৰণ
## ( আধুনিক ভাষাবিজ্ঞান সন্মত ব্যাকৰণ )
## পাতনি

অসমীয়া ভাষাত পৰম্পৰাগত আৰু ভাষাবিজ্ঞানৰ গাঁঠনিক (Structural Linguistics) ধাৰাৰ কেইখনমান ব্যাকৰণৰ বাহিৰে আধুনিক ভাষাবিজ্ঞান সন্মত ভাবে প্ৰকৃত ব্যাকৰণ লিখা হোৱা নাই । সেইবাবে আধুনিক ভাষাবিজ্ঞান সন্মত এখনি ব্যাকৰণ অসমীয়া ভাষাত প্ৰণয়ন কৰিবলৈ নিতান্ত আৱশ্যক অনুভৱ কৰা কাৰণে আমাৰ এই প্ৰচেষ্টা। অন্ততঃ অসমীয়া ভাষাত এখনি পূৰ্ণাঙ্গ স্বৰূপাৰ্থত অভিধান প্ৰণয়নৰ বাবেই আধুনিক ভাষাবিজ্ঞানসন্মত অসমীয়া ব্যাকৰণৰ অভাৱ দূৰ কৰাৰ আৱশ্যক হৈছে। অসমীয়া ভাষাত শব্দকোষ জাতীয় কেইবাখনো সৰু ডাঙৰ অভিধান ব্যক্তিগত প্ৰচেষ্টাত, কোনো অনুষ্ঠানৰ যোগেদি নাইবা চৰকাৰী ভাৱে প্ৰণয়ন কৰি প্ৰকাশ কৰিলেও সেই অভিধানবোৰ অসমীয়া ভাষাৰ বৈশিষ্ট্য প্ৰকাশক যথাৰ্থ অভিধান হৈ পৰা নাই। প্ৰকৃততে একোখনি অভিধান (Dictionary) ভাষাটোৰ সম্পূৰ্ণ অৰ্থগত স্বৰূপ প্ৰকাশক হৈ উঠিব লাগে। সেই কাৰণে আধুনিক ভাষাবিজ্ঞানসন্মত অভিধান প্ৰণয়ন (Lexicography) ভাষাবিজ্ঞানৰেই এটি জটিল শাখা ৰূপে স্বীকৃত হৈ পৰিছে । বৰ্তমানৰ অভিধানত ভাষাটোৰ ভাষিক স্বকীয় বৈশিষ্ট্য সমূহ জতুৱা বৈশিষ্ট্য আৰু সাঙ্গতিক ভাৱ প্ৰকাশক বৈশিষ্ট্যসমূহ যথাযথ ভাৱে সমন্বয়সাধনৰ যোগেদি ভাৱ বা অৰ্থ প্ৰকাশ পাব পৰাকৈ প্ৰণয়ন কৰিব লাগে । আধুনিক ভাষাবিজ্ঞানৰ আলমত এইখিনি সমন্বয় সাধন কৰি অভিধান প্ৰণয়ন কৰিব নোৱাৰিলে অভিধান খনিয়েই আধৰুৱা হৈ পৰে, আৰু যথাযথ অৰ্থ প্ৰকাশ ক্ষমতা থকা প্ৰকৃত অভিধান ( Dictionary ) হৈ উঠিব নোৱাৰে। সেইবাবে এখন ভাষাবিজ্ঞানসন্মত অসমীয়া অভিধান প্ৰণয়ন কৰিবলৈ যথাবিহিত ভাবে সাজু হৈ প্ৰথম স্তৰত এখনি 'ভাষাবিজ্ঞানসন্মত আধুনিক অসমীয়া ব্যাকৰণ' ৰচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। এইখন ভাষাবিজ্ঞানসন্মত ভাৱে ৰচনা কৰা বৰ্ণনাত্মক (Descriptive) অসমীয়া ব্যাকৰণ।

আধুনিক ভাষাবিজ্ঞানী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ডঃ ভগৱান মৰলে ব্যাকৰণখনি প্ৰস্তুত কৰণৰ ক্ষেত্ৰত, সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ দিয়া বাবে তেখেতৰ ওচৰত ঋণী হৈ ৰ'লো। লগতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড ঃ চৰিফউদ্দিন আহমেদে লঘু গবেষণা আচঁনিৰ (Minor Research Project) কামখিনি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহায়ৰ হাত আগবঢ়োৱা বাবে মই তেখেতক এই সুযোগতে কৃতজ্ঞতা জনালো ।

০৪/১২/২০০৭

ডঃ ৰজিতা কলিতা
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
অসমীয়া বিভাগ
২০০৭

## অসমীয়া স্বৰধ্বনি আৰু উচ্চাৰণ ঃ

| | | | | | |
|---|---|---|---|---|---|
| a | for | অ | | (/ ɒ /) | as *o* in Eng. '*lock*', '*got*', '*dog*'. |
| a' | " | অ' | ' | (/ɔ/) | as *o* in Eng. '*port*', '*fort*', |
| ā | " | আ | া | (/ a /or /a/) | as *u* in Eng. '*but*', '*cut*'. |
| i | " | ই | ি | (/ i /) | as *i* in Eng. '*bit*', '*sit*' |
| ī | " | ঈ | ী | (/ i /) | as short / *i* / in As. |
| u | " | উ | ু | (/ u /) | as *u* in Eng '*put*' |
| ū | " | ঊ | ূ | (/ u /) | as short / *u* / in As. |
| ṛ | " | ঋ | ৃ | (/ri /) | as *ri* in Eng. '*fridge*', '*friction*' |
| e' | " | এ' | ে' | (/ e /) | as *e* in Eng. '*met*', '*pen*', '*bell*' |
| e | " | এ | ে | (/ ɛ /) | as *a* in Eng '*man*', '*can*' |
| o | " | ও | ো | (/ o /) | as *o* in Bengali '*lok* / *lo:k* / *person, world.*' |
| ai | " | ঐ | ৈ | (/ɔi/) | dipthong |
| au | " | ঔ | ৌ | (/ɔu /) | dipthong |

## অসমীয়া ব্যঞ্জনধ্বনি আৰু উচ্চাৰণ ঃ

| Voiceless | | | | Voiced | | | | Nasal | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| k | for | ক | / k / | g | for | গ | / g / | | | | |
| kh | for | খ | /kh/ | gh | for | ঘ | /gɦ/ | ŋ | for | ঙ | / ŋ / |
| c | for | চ | /s/ | j | for | জ | / z / | | | | |
| ch | for | ছ | /s/ | jh | for | ঝ | / $z^h$ / | ñ | for | ঞ | /ỹ/ |
| ṭ | for | ট | /t/ | ḍ | for | ড | /d / | | | | |
| ṭh | for | ঠ | / *th* / | ḍh | for | ঢ | /*d*ɦ / | ṇ | for | ণ | / *n* / |
| t | for | ত | / *t* / | d | for | দ | / *d* / | | | | |
| th | for | থ | / *th* / | dɦ | for | ধ | / *d*ɦ/ | n | for | ন | / *n* / |
| p | for | প | / p / | b | for | ব | / b / | | | | |
| ph | for | ফ | / ph / | bh | for | ভ | / bɦ/ | m | for | ম | / m / |
| | | | | y | for | য | / z / | | | | |
| | | | | r | for | ৰ | / r / | ṃ | for | ং | / ŋ / |
| | | | | l | for | ল | / l / | | | | |
| | | | | w | for | ৱ | / w / | | | | |
| | | | | y | for | য় | / j / | | | | |
| | | | | ḍ | for | ড় | / ṛ / | | | | |
| | | | | ḍh | for | ঢ় | / ṛh / | | | | |
| h | for | হ | /ɦ/ | | | | | | | | |
| s | for | স | / x / or /s/ in conjuncts. | | | | | | | | |
| ṣ | for | ষ | / x / /s/ " " | | | | | | | | |
| ś | for | শ | / x / /s/ " " | | | | | | | | |

# আর্ন্তজাতিক ধ্বনি লিপি

| | | |
|---|---|---|
| / : / | : | after a symbol denotes length of the sound indicated by it. |
| / ə / | : | 'Shĕwā', the neutral vowel – a central vowel as in Hindi रतन /rʌtən/ gem. |
| / ~ / | : | on the top of a vowel indicates nasalised pronunciation. |
| / I / | : | the small vertical bar /I / beside a stop shows that is unexploded */PI, tI, kI/.* |
| / ɔ / | : | It is a low-mid, rounded back vowel representing Assamese অ' as in *ma'h* (< mahiṣa), buffalo; *caitra* > *caitta* > *ca't*, /*sɔt*) the last month of Asamese year.English o in port fort . |
| / ɒ / | : | It is a low-mid, back, open vowel; a kind of vowel / ɔ / without lip-rounding, as the sound of *o* as in English *hot*, *lot*, (/hɒ:*t*, lɒ:*t*/). |
| / *a* / | : | it is a low, open central or back guttural vowel, the sound of a in the Eng *arm* /*a:*(r)*m*/ –, *father* /*fa:ð*ə(r)/, Assamese, ā*mi* /*a:mi*/ we. |
| / **a** / | : | it is a low, open, front palatal vowel, as the initial sound of 'i' in Eng *blind*, /blaɪ*nd*/ , *pine*/*paɪn*/. Assamese, *kakāi*, /kɔkai/ elder brother, *bhāgya* /bhaigɒ/ fate, fortune. |
| / ɜ / | : | a central vowel, as in English *bird* /bɜ:*d*/, *her* /hɜ:(r)/ |
| / *i* / | : | high, front, unrounded vowel as *ee* in English *seen* /si:*n*/), Assamese *din* /*d*i:n/, day, *dīna* /*d*i:*n*/ poor. |
| / ɪ / | : | high, front, retracted vowel, brought down very near high mid position, Eng. i as in *pit* /phɪ*t*/. |
| / Ĭ / | : | 'semivowel or consonantal i', the old value of Skt य. |
| / **u** / | : | high, back, rounded vowel, as *u* in Eng. *put* /pu*t*/ |
| / *e* / | : | high, mid, front unrounded vowel, as *e* in Eng. *men* /me*n*/. Assamese *deś* /*d*e:*x*/ land, country, *cetan* /se*t*ɔ*n*/ sense, consciousness. |
| / ɛ / | : | low, mid, front unrounded vowel, as *a* in Eng. *mat* /mɛt/, *lad* /lɛd/, Assamese *keval* /kɛbɒl/ only, *betā* /bɛ*ta:*/ son. |
| / æ / | : | low mid half open unrounded vowel as *e* in Bengali *kena* /kænɔ/ why. |
| / ʌ / | : | central (or rather a low-mid back vowel), found in Eng. as in *but* /bʌ*t*/; *sun* /sʌ*n*/ *enough* /inʌf/ |
| / **o** / | : | high-mid, back vowel, rounded, Assamese *lok* /lo:k/, *śok* /xo:k/ |
| / x / | : | velar spirant, unvoiced as in Persian *khe* 'خ', German *ch* in *ich* I, Kuru<u>kh</u> <u>*kh*</u>. Assamese Velar spirant sound of শ, ষ, স as in সোণ *soṇ* /xo:*n*/ gold, শতেক, *śɔtek* (/xɔtek/), ষাড় (সাৰ) /x*a:r*/. |
| / **v** / | : | voiced denti-labial fricative = English *v*, |
| / *v* / | : | voiced bilabial fricative, it is the common Indian value of the अन्तस्थ व Assamese ৱ। |
| / ω / | : | bilabial semi-vowel or 'consonantal u' (= ŭ) as in Eng *wet*, *win*, *weather*. |
| / *ħ* / | : | a whispered unvoiced h = Persian 'he ح', the so-called 'Emphatic h' of Arabia. |
| / **h** / | : | unvoiced glottal fricative, 'unvoiced *h*', the *h* sound of English as in ***hat***, ***happy***, This is the Skt. visarga: the unvoiced aspirated sounds [kh, *th*, ṭh, ph] |
| / ɦ / | : | it is voiced glottal fricative, or 'voiced *h*' as in English, *behind*, *perhaps*; Skt ह. |
| / **p** / | : | bilabial unvoiced unaspirated stop. Skt प. |
| / $p^h$ / | : | it is unvoiced bilabial slightly aspirated stop. English *p* in *pick* /$p^h$ɪkⁱ / |
| / **ph** / | : | The same, strongly aspirated bilabial stop. Skt. फ, Assamese ফ as. *phani* /phɔ*ni*/. |

/ **b** / : it is voiced bilabial unaspirated stop. Skt ब, Assamese ব (b)
/ **bɦ** / : it is bilabial voiced murmured stop. As *bhāt* /bɦ̤a:t/, *bhīm* /bɦ̤ɪ:m/
/ **m** / : bilabial nasal, English m, Skt. म
/ *t* / : unvoiced, alveolar, unaspirated stop. Assamese ট or ত /t/ Eng. *t* in *better* /be*t*ə(r)/. It is the Vedic alveolar sound.
/ *th* / : Alveolar, slightly aspirated stop. Skt थ, As. থ or ঠ, English *t* in *tip* /*th*ip/, *tap* /*th*æp/ .
/ *d* / : alveolar, voiced, unaspirated stop. It is the Vedic alveolar sound. Assamese দ or ড, দাক or ডাক(/*da*:k/); italic *d* in English is of same value.
/ *dɦ̤* / : alveolar, voiced marmured stop, Assamese *dhākani* /*dɦ̤a*:kɔ*nī*/ lid. Assamese ধ or ঢ।
/ *n* / : alveolar nasal Stop Assamese ন or ণ, It is also the Vedic sound.
/ **c** / : unvoiced palatal stop. It is old sound of Skt च।
/ **ch** / : the same aspirated = the old sound of Skt छ।
/ **c͡ʃ** / : palatal affricate, unvoiced = West Bengali চ
/ **c͡ʃh** / : unvoiced aspirated palatal affricate = West Bengali ছ
/ **ç** / : unvoiced palatal fricative = the old value of Indo-Iranian palatal unvoiced sound.
/ **ñ** / : palatal nasal = Skt. ञ
/ **ɟ** / : voiced palatal stop. = Skt ज
/ʄʒ/ : palatal affricate, voiced = Bengali জ
/ʄʒɦ/ : voiced palatal affricate = Bengali ঝ
/ **k** / : unvoiced velar stop = Assamese k ক, English *k* sound, as *k* in *book* /bu:k/.
/ **kh** / : unvoiced slightly aspirated velar stop. English sound in *cap* /khæp/, *king* /khɪŋ/
/ **kh** / : unvoiced strongly aspirated velar stop. = Skt ख, Assamese খ (kh)
/ **g** / : voiced unaspirated velar stop = Skt ग, Assamese গ English g in *go* /gəu/
/**gɦ̤**/ : velar murmured stop. Assamese ঘৰ *ghar* /gɦ̤ɒ:r/ house
/ **ŋ** / : Velar nasal = Assamese ঙ /ŋ/ ং Anuswar. *ng* in Englsh, *sing* /sīŋ/
/ **d͡ʒ** / : voiced supra-alveolar or palatal affricate, as in English *judge* = /d͡ʒʌd͡ʒ/
/ **ð** / : voiced interdental fricative = *th* in English *this* /ðīs/ *then* /ð*e*n/
/ **ĕ** / : 'semivowel e' the Bengali য় as in মায়া /m*aĕa*/, but Skt माया /maĭa:/
/ **f** / : unvoiced denti-labial spirant heard in English for f.
/ **l** / : lateral, 'clear l' as l in English *long* /lɒ:ŋ/, Assamese ল
/ **ɫ** / : 'dark l' or velarised l, as in English *well* / wɛɫ /, *bill* / biɫ /
/ **!** / : 'cerebral !' = vedic ळ
/ **l̩** / : 'vocalic *l*' = Skt. ऌ , like the *l* in English *bottle* /bɒ*t*l̩/
/ **ɳ** / : retroflex or cerebral nasal = Skt ण
/ **n̩** / : 'vocalic n' as in English *button* /bʌ*t*n̩/
/ **m̩** / : 'vocalic m' as in English *bottom* /bɒ*t*m̩/
/ **ɲ** / : palatal nasal = Skt. ञ
/ **ɸ** / : high-mid front vowel, rounded = the German ö as in *schön* /ʃɸ:n/, French *eu* as in *peu* /pɸ/
/ *r* / : alveolar trilled, voiced = English r, Assamese ৰ (r)
/ **ṛ** / : flapped r or so-called 'cerebral r' = Bengali ড়, Hind ड़, in Assamese 'cerebral r (ড়)' is absent.in Assamese .
/ **r̩** / : 'vocalic r' = Skt ঋ

| | | |
|---|---|---|
| **/ s /** | **:** | dental or alveolar sibilant or fricative = English s, the sound of Assamese c, ch = alveolar fricative s. |
| / ʃ / | : | palatal sibilant = English s, sh, Persian Svin ش |
| / ʃ̣ / | : | cerebral or retroflex sibilant = Skt. ष |
| / ṭ / | : | retroflex or cerebral unvoiced stop = Skt. ट |
| / ṭh / | : | retroflex or cerebral unvoiced aspirated stop = Skt.ठ |
| / ḍ / | : | voiced cerebral or retroflex stop = Bengali ড, Skt ड, |
| / ḍɦ̤ / | : | voiced cerebral or retroflex murmured stop = West Bengali ঢ, Skt ढ, |
| **/ t /** | **:** | unvoiced inter-dental stop = Bengali ত, |
| **/ th /** | **:** | unvoiced interdental aspirated stop = Bengali থ |
| **/ d /** | **:** | voiced interdental stop = Skt. द Bengali দ |
| / dɦ̤ / | : | voiced inter-dental murmured stop = Skt ढ Bengali ধ |
| / ʦ̬ / | : | alveolar affricate, unvoiced = East Bengali চ |
| / s / | : | alveolar fricative unvoiced = Assamese sound of च |
| / t͡ʃ / | : | Supra-alveolar or palatal affricate, unvoiced = English *ch* as in *church* /t͡ʃɜ:t͡ʃ/ |
| / z / | : | alveolar voiced fricative = English z, Persian j |
| / ʒ / | : | voiced palatal fricative = French j, Persian ĵ |
| / θ / | : | Inter-dental unvoiced fricative = English *th* in *thin* /θin/ *thank* /θæŋk/, Arabic ث |
| / ? / | : | the 'glottal stop' |

**( Dr. S.K. Chatterjee, ODBL, 1986, pxxviii)**

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| | পাতনি | I |
| | স্বৰধ্বনি আৰু উচ্চাৰণ | II |
| | ব্যঞ্জনধ্বনি আৰু উচ্চাৰণ | II |
| | আন্তৰ্জাতিক ধ্বনি লিপি | III-V |
| প্ৰথম অধ্যায় ঃ — | | ১ - ১৭ |
| ০.১ | বাক আৰুভাষা | ১ |
| ০.২ | ব্যাকৰণ | ১ |
| ০.৩ | অসমীয়া ভাষাৰ স্বতন্ত্ৰতা | ১ |
| ০.৪ | ধ্বনি আৰু আখৰ | ২ |
| ১.০ | অসমীয়া বৰ্ণমালা আৰু উচ্চাৰণ | ৩ |
| ১.১ | স্বৰধ্বনি | ৩ |
| ১.১.২ | অসমীয়া স্বৰধ্বনি | ৫ |
| ১.১.৩ | অসমীয়া বৰ্ণ আৰু আখৰৰ স্বৰূপ | ৬ |
| ১.১.৪ | অ আৰু অ’ | ৬ |
| ১.১.৫ | আ | ৮ |
| ১.১.৬ | ই, ঈ | ৯ |
| ১.১.৭ | উ, ঊ | ৯ |
| ১.১.৮ | এ, এ’ | ৯ |
| ১.১.৯ | ও | ১০ |
| ১.১.১০ | দ্বিস্বৰ | ১০ |

| | | | |
|---|---|---|---|
| | ২.০ | অসমীয়া ভাষাৰ ব্যঞ্জন | ১১ |
| | ২.০.১ | অসমীয়াত উচ্চাৰণ নথকা সংস্কৃতৰ আখৰ | ১৩ |
| | ২.০.২ | অসমীয়া ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ | ১৩ |
| | ২.০.৩ | অসমীয়া স্পৰ্শ ধ্বনি | ১৩ |
| | ২.০.৪ | নাসিক্য বৰ্ণ | ১৫ |
| | ২.০.৫ | উষ্ম ধ্বনি | ১৫ |
| | ২.০.৬ | অন্তঃস্থ বৰ্ণ | ১৬ |
| | ২.০.৭ | অনুস্বাৰ ং আৰু বিসৰ্গ ঃ | ১৭ |
| | ২.০.৭ | চন্দ্ৰবিন্দু | ১৭ |
| দ্বিতীয় অধ্যায় ঃ — | | | ১৮ - ২০ |
| | ২.১ | শব্দ | ১৮ |
| | ২.২ | সাৰ্থ শব্দ | ১৮ |
| | ২.৩ | সৰ্গ | ১৯ |
| | ২.৪ | অৰ্ধ শব্দ | ২০ |
| তৃতীয় অধ্যায় ঃ - | | | ২১ - ২৮ |
| | ৩.০ | সাৰ্থ | ২১ |
| | ৩.১ | বিশেষ্য | ২১ |
| | ৩.২ | নাম সাৰ্থৰ পুৰুষ | ২৪ |
| | ৩.৩ | বিশেষণ | ২৫ |
| | ৩.৪ | ক্ৰিয়া বাচক সাৰ্থ | ২৮ |

| | | |
|---|---|---|
| চতুৰ্থ অধ্যায় ঃ — | | ২৯ -৩৩ |
| ৪.১ | নাম বা বিশিষ্টবাচক | ২৯ |
| ৪.২ | গণ্য | ৩০ |
| ৪.২.১ | গণ্যৰ বিভাগ | ৩০ |
| ৪.২.২ | জৈৱ | ৩০ |
| ৪.৩.৩ | জন্তু | ৩১ |
| ৪.৩.৪ | জলচৰ | ৩১ |
| ৪.৩.৫ | খগচৰ | ৩২ |
| ৪.৩ | অজৈৱ | ৩২ |
| ৪.৪ | সম্বন্ধবাচক শব্দ | ৩৩ |
| ৪.৫ | সম্বন্ধবাচক শব্দৰ পুৰুষ নিৰ্দেশক | ৩৩ |
| ৪.৬ | অমূৰ্ত শব্দ | ৩৩ |
| পঞ্চম অধ্যায় ঃ— | | ৩৪-৫৮ |
| ৫.০ | ধাতুআৰু ক্ৰিয়া | ৩৪ |
| ৫.১ | ধাতু | ৩৪ |
| ৫.২ | ক্ৰিয়া | ৩৮ |
| ৫.৩ | সহায়কাৰী ক্ৰিয়া | ৪১ |
| ৫.৪ | ক্ৰিয়াৰ নঞাৰ্থক | ৪১ |
| ৫.৫ | ক্ৰিয়াৰ কাল | ৪৩ |
| ৫.৬ | ক্ৰিয়াৰ দশা | ৪৫ |
| ৫.৭ | পূৰ্ণতাসূচক দশা | ৪৮ |

| | | |
|---|---|---|
| ৫.৮ | ক্ৰিয়াৰ ভাব-ৰূপ | ৪৯ |
| ৫.৩ | কাৰক আৰু কাৰৰ চিন | ৫৩ |
| ষষ্ঠ অধ্যায় ঃ— | | ৫৯-৮১ |
| ৬.১ | নাম সাৰ্থৰ পুৰুষ নিৰ্দেশক | ৫৯ |
| ৬.২. | সম্বোধন পদৰ পুৰুষ নিৰ্দেশক | ৬২ |
| ৬.৩ | বৰ্গীকাৰক | ৬৩ |
| ৬.৩.১ | গণ্য পদৰ বৰ্গীকাৰক | ৬৩ |
| ৬.৩.২ | অগণ্য পদৰ-বৰ্গীকাৰক | ৬৪ |
| ৬.৩.৩ | থুপ নিৰ্দেশক বৰ্গীকাৰক | ৬৫ |
| ৬.৪ | মুক্ত সৰ্গ | ৬৬ |
| ৬.৪.১ | সুনিৰ্দিষ্ট কাৰ | ৬৬ |
| ৬.৪.২. | সঙ্গসূচক | ৬৭ |
| ৬.৪.৩. | নিমিত্তাৰ্থক | ৬৭ |
| ৬.৪.৪. | সীমিতকাৰ | ৬৭ |
| ৬.৫ | বদ্ধসৰ্গ | ৬৮ |
| ৬.৫.১ | সংযোগাত্মকঅন্তৰ্ভুক্তিকাৰ | ৬৮ |
| ৬.৬ | অনিদেৰ্শক সৰ্গ | ৭০ |
| ৬.৬.১ | মিতিকাৰ | ৭০ |
| ৬.৬.২ | ভাবৰূপসূচক সৰ্গ | ৭০ |
| ৬.৬.৩ | ইতৰাৰ্থক সৰ্গ | ৭২ |

| | | | |
|---|---|---|---|
| | ৬.৬.৪ | লিঙ্গসূচক সৰ্গ | ৭২ |
| | ৬.৬.৫ | বহুত্বাৰ্থী সৰ্গ | ৭৪ |
| | ৬.৬.৬ | পূৰ্ণতাবোধক সৰ্গ | ৭৬ |
| | ৬.৭ | ভবিষ্যত কাল ? আকাঙ্ক্ষাসূচক সৰ্গ | ৭৯ |
| | ৬.৮ | সম্বন্ধী সংযোজক | ৮০ |
| সপ্তম অধ্যায় ঃ — | | | ৮২ - ৮৮ |
| | ৭.০ | জতুৱা ঠাঁচ | ৮২ |
| | ৭.১ | বিপৰীতাৰ্থক শব্দ | ৮৪ |
| | ৭.২ | সমধ্বনি সূচক শব্দ | ৮৪ |
| | ৭.৩ | সমৰূপ শব্দ | ৮৬ |
| অষ্টম অধ্যায় ঃ — | ৮.০ | গঠনকাৰী সৰ্গ | ৮৯ -৯৫ |

## ০.১ বাক আৰু ভাষা ঃ

বোধশক্তি থকা মানুহ নামৰ জীৱটোৰ ভাব বিনিময় সহজাত প্ৰবৃত্তি।দৈনন্দিন জীৱনত মানুহে ভয়, আনন্দ, সুখ-দুখ, খং, প্ৰীতি, ক্ষোভ, আদি মনৰ বিভিন্ন ভাব, মুখৰ মাত বা দৈহিক ভঙ্গি আদিৰে প্ৰকাশ কৰে । বাগঙ্গৰ যোগেদি ধ্বনি উচ্চাৰণ কৰি পাৰস্পৰিক ভাবে মনৰ ভাবানুভূতি বিনিময় কৰা পদ্ধতিয়ে চেতনা থকা মানুহৰ প্ৰধান উপায় । বাগঙ্গৰ যোগেদি ধ্বনি উচ্চাৰণ কৰি ভাব বিনিময় কৰা পদ্ধতিটোৱেই ভাষাবিজ্ঞানত বাক (Speech) কোৱা হয় । এটি বিশেষ পৰিৱেশত শাৰীৰিক, মানসিক, অৱস্থা অনুযায়ী গোষ্ঠী সাপেক্ষে বিশেষ বাক এবাৰহে মাথোন ব্যক্ত হ'ব পাৰে, অবিকল একে বাক দুবাৰ ব্যক্ত হ'ব নোৱাৰে ।

এখন সমাজৰ মানুহে যাদৃচ্ছিকভাবে মানিলোৱা কিছুমান বাকধ্বনিৰ সহায়ত বিশেষ ভাব বা অৰ্থ প্ৰকাশ কৰিব পৰাকৈ কিছু মান শব্দ গঢ়ি লয় আৰু সেই শব্দবোৰ গোষ্ঠীসাপেক্ষে কিছুমান বাক গঠনৰীতিৰ যোগেদি প্ৰণালীবদ্ধভাবে ব্যৱহাৰ কৰে । এনেকৈ প্ৰণালীবদ্ধ, বিশিষ্ট ৰীতিমতে গঢ়ি লোৱা সুসংহত, সুবিন্যস্ত, অথচ গোষ্ঠীসাপেক্ষ ভাবপ্ৰকাশৰ প্ৰণালী-টোৱেই ভাষা (Language)।

গতিকে বাক (Speech) আৰু ভাষাৰ (Language) মাজত সূক্ষ্ম পাৰ্থক্য আছে। বাক মৌখিক (Vocal) বাহ্যিক প্ৰকাশ। ই বাকধ্বনিৰ (Speech -Sound) প্ৰতীকৰ যোগেদি এবাৰহে ব্যক্ত হ'ব পাৰে, অবিকল ৰূপত একাধিকবাৰ ব্যক্ত হ'ব নোৱাৰে, প্ৰতিবাৰত কিছু নহয় কিছু প্ৰভেদ উচ্চাৰণত আৰু ভাবৰ গুৰুত্বদানত (Emphasis) দেখা যাবই, আনহাতে ভাষা (Language) প্ৰকৃতাৰ্থত প্ৰণালীবদ্ধ অভ্যাসৰ সমষ্টি (A set of habits) যাদৃচ্ছিকভাবে গ্ৰহণকৰা ধ্বনি প্ৰতীক আৰু তাৰ লিপি চিহ্নৰ আশ্ৰয়ত ভাব বিনিময় কৰা ভাষা এটি পদ্ধতি মাথোন। ভাষা প্ৰকৃতাৰ্থত সুশৃঙ্খল আৰু বিধিশাসিত। আনহাতে বাক (Speech) বহুক্ষেত্ৰত বিধিমুক্ত হ'ব পাৰে।

ভাষা (Language) সদায় বাকৰ দ্বাৰা পুষ্টি লাভ কৰে। আন কথাত ক'বলৈ হ'লে বাক (Speech) অৰ ক্ৰম পৰিৱৰ্তনে সময়ত ভাষাকো চোৱেগৈ, ভাষাৰো পৰিৱৰ্তন সাধন কৰিব পাৰে। কোনো অঞ্চল বিশেষত সেই অঞ্চলৰ বস-বাসীৰ বাক (Speech) এ অৰ্থাত্ কথিত ৰূপে সেই অঞ্চলত একোটি বা একাধিক উপভাষা (Dialect) সৃষ্টি কৰিব পাৰে। কেতিয়াবা ৰাজনৈতিক, সাংস্কৃতিক, বাণিজ্যিক, যোগাযোগ বা যাতায়তৰ সন্ধিস্থল হৈ পৰাত সেই অঞ্চলৰ উপভাষাই সাহিত্যত খোপনি লোৱাত সৰবৰহী ভাষাত পৰিণত হ'ব পাৰে। তেতিয়া দেশখনৰ বেচি অঞ্চলৰ লোকে মানি ল'লে সেইভাষাই মান্যভাষা বা সাধুভাষা হব পাৰে। সময়ত সেই ভাষাই দেশখনৰ ৰাজ্য ভাষাও হ'ব পাৰে।

## ০.২ ব্যাকৰণ ঃ

মহাভাষ্যৰ প্ৰণেতা পতঞ্জলিৰ মতে 'ব্যাকৰণ' শব্দটোৰ বুত্পত্তি এনে ধৰণৰ – 'ব্যাক্ৰিয়তে অনেন ইতিব্যাকৰণম্' (পস্পশাহ্নিক, ছেদ ১২৬) অৰ্থাত ইয়াৰ দ্বাৰা ( শব্দ, প্ৰকৃতি - প্ৰত্যয় - বিভক্তি ইত্যাদি) বিশ্লেষণ কৰা হয়, এয়েই ব্যাকৰণ। বেদৰ দিনৰে পৰা ভাৰতত ভাষাৰ বিশ্লেষণ বুজাবলৈ এই ব্যাকৰণ শব্দটো ব্যৱহাৰ হৈ আহিছে। ইংৰাজী Grammar শব্দটোৰ প্ৰতিশব্দৰূপে 'ব্যাকৰণ' শব্দ চলি আহিছে। গতিকে কোনো ভাষাৰ গঠন প্ৰক্ৰিয়াৰ সুশৃঙ্খলা লগাই, সুবিন্যস্ত ভাবে, য'ত ভাষাটোৰ গাঠনিক দিশৰ বিশ্লেষণ দাঙি ধৰে তাকেই **ব্যাকৰণ** বোলে। অসমীয়া ভাষাটোৰ বিষয়ে সুশৃঙ্খলা লগাই বিশ্লেষণ কৰা পুথিয়েই - অসমীয়া ভাষাৰ ব্যাকৰণ। পৃথিৱীৰ কোনো ভাষাৰ ব্যাকৰণ যথাৰ্থ পূৰ্ণাঙ্গ ব্যাকৰণ নহয়, আনকি মহৰ্ষি পাণিনিৰ 'অষ্টাধ্যায়ী' ব্যাকৰণ খনিও যথাৰ্থ পূৰ্ণাঙ্গ ব্যাকৰণ নহয়।

## ০.৩ অসমীয়া ভাষাৰ স্বতন্ত্ৰতা ঃ

অসমীয়া ভাষাৰ ভাষিক বৈশিষ্ট্যবোৰৰ গূঢ় বিশ্লেষণ কৰিলে বহুতো সত্য তথ্য উদ্ধাৰ কৰিব পাৰি। অসমীয়া ভাষাৰ বৈশিষ্ট্য বোৰেই অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ সাক্ষী। এই স্বতন্ত্ৰতাও অসমীয়া ভাষাৰ জন্মৰ প্ৰসূতিগৃহৰ আদি মাতৃ স্বৰূপ **প্ৰাচ্য প্ৰাথমিক প্ৰাকৃতৰ** পৰাহে লাভ কৰিছে । পাণিনিৰ লৌকিক সংস্কৃত বা পুব ভাৰতৰ মাগধী প্ৰাকৃত বা মাগধী অপভ্ৰংশৰ পৰা বৈশিষ্ট্যপূৰ্ণ অসমীয়া ভাষাটো জন্ম হোৱা নাই। ( Its Origin and Substratum , Dr.Bhagaban Maral, Chapter I .)

পৃথিৱীৰ উন্নত ভাষা-সাহিত্য সমৃদ্ধ ভাষা পৰিয়াল হৈছে ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল। এই পৰিয়ালৰ ইন্দো-ইৰানী শাখাৰ ভাৰতীয় আৰ্যভাষাই ভাৰতত থিতাপি লওঁতে প্ৰাক আৰ্য অস্ট্ৰিক দ্ৰাবিৰী সকলৰ সান্নিধ্যত সময়ৰ সোঁতত সাংস্কৃতিক আৰু ভাষিক পৰিৱৰ্তন ঘটে। আৰ্য সকলৰ ভাষা সংস্কৃতি ভাৰতীয়কৰণৰ (Indianised) ফলত মূল ইন্দো ইৰানীয় প্ৰাচীন ভাষাৰ বৈশিষ্ট্যৰ পৰা কিছু আতঁৰি আহে । সেইবাবেহে বেদবোৰৰ ভাষাত বহুতো উপভাষা পোৱা যায়। বেদৰ মাজত পোৱা আৰ্য ভাষাৰ আনটি শাখা ইৰানী ভাষাৰ **আৱেস্তাত** পাৰ্থক্য লক্ষ্য কৰা যায়। বৈদিক কালতেই জন-সাধাৰনৰ মাজত

কেইবাটাও আঞ্চলিক উপভাষা তথা **প্ৰাথমিক প্ৰাকৃত** গঢ়ি উঠে। খৃষ্টপূৰ্ব ৬ ষ্ঠ - ৫ ম শতিকা মানত জন সাধাৰনৰ কথিত ভাষা বেদৰ ভাষাৰ পৰা ভালেখিনি আঁতৰি আহে, ফলত বেদৰ মন্ত্ৰ তেওঁলোকৰ বাবে অবুজ হৈ পৰে। পাণিনিৰ পূৰ্ববৰ্ত্তী আপিশলি, কাশ্যপ, গাৰ্গ্য, শাকটায়ন, শাকল্য, গালৱ আদিকৰি কেইবাজনো ঋষিয়ে বেদৰ ভাষা সংৰক্ষ ণৰ বাবে ব্যাকৰণ লিখে। তাৰ পিচত মহৰ্ষি পাণিনিয়ে ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলত গঢ়ি উঠা জনসাধাৰণৰ কথিত ৰূপত চলি থকা উদীচ্য **প্ৰাথমিক প্ৰাকৃত**ৰ ভাষাকেই সংস্কাৰ কৰি বেদৰ ভাষাৰ ওচৰ চপাকৈ আৰু বেদৰ ভাষা বিকৃত হোৱাৰ পৰা সংৰক্ষণ কৰিবলৈ যথাবিহিত ব্যৱস্থালৈ এখন ব্যাকৰণ লিখে। এইখনেই 'অষ্টাধ্যায়ী' পৃথিৱী বিখ্যাত ব্যাকৰণ ।

জনসাধাৰণৰ কথিত ৰূপৰ উদীচ্য প্ৰাথমিক প্ৰাকৃত সংস্কাৰ তথা মাৰ্জিত কৰি ( Standardised ) **মান্যভাষা** ৰূপে ভাষাটো গঢ়ি লোৱাত সাহিত্যৰ ভাষা হৈ পৰে, এই ভাষাটোৱেই **'ভাষা'** নামে খ্যাত হয়। পিচলৈ ইয়েই বৈদিক আৰ্যভাষাৰ পৰৱৰ্তী ৰূপে লৌকিক সংস্কৃত নাম পায়। ইয়েই সাহিত্যৰ ভাষা ৰূপে চলি আহিছে । প্ৰতীচ্য আৰু প্ৰাচ্য প্ৰাথমিক প্ৰাকৃত ভিন ভিন ঠালত বিভক্ত হৈ ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন প্ৰাকৃত ৰূপে বিস্তৃত হৈ পৰে । প্ৰাথমিক প্ৰাকৃতৰ উদীচ্য শাখাৰ পৰা পাণিনিৰ হাতত সংস্কৃত ভাষা ৰূপে গঢ়ি উঠাৰ দৰে অন্যান্য প্ৰাকৃতবোৰৰ পৰাও সময়ৰ সোঁতত ভাৰতৰ অঞ্চলভেদে বিভিন্ন পালি আৰু প্ৰাকৃত বোৰ গঢ় লৈ উঠে। প্ৰাচ্য প্ৰাথমিক প্ৰাকৃতৰ পৰাও ভাৰতৰ উত্তৰ-পূৰ অঞ্চলত 'কামৰূপ প্ৰাকৃত' জনসাধাৰনৰ ভাষা ৰূপে প্ৰচলিত হয়। **সংস্কৃত ভাষাৰ মাতৃ যেনেকৈ আৰ্য ভাষাৰ ভাৰতীয়কৰণ হোৱা উত্তৰ পশ্চিম ভাৰতত** প্ৰচলিত উদীচ্য প্ৰাথমিক প্ৰাকৃত ঠিক তেনেকৈ কামৰূপ প্ৰাকৃতৰ মাতৃও হৈছে আৰ্যভিন্ন অস্ত্ৰিক, দ্ৰাবিৰী ভাষাৰ সান্নিধ্যত ভাৰতীয়কৰণ হোৱা পূবভাৰতত প্ৰচলিত প্ৰাচীন আৰ্যভাষাৰ **প্ৰাচ্য প্ৰাথমিক প্ৰাকৃত**।

সংস্কৃত ভাষা প্ৰকৃতাৰ্থত প্ৰাকৃত সমূহ বা নব্যভাৰতীয় আৰ্যভাষা সমূহৰ যথাযথ মাতৃ নহয়, ভগ্নী স্বৰূপাহে । কিন্তু এইটো ঠিক পাণিনিৰ ভাষাই সাহিত্যৰ ভাষা হৈ পৰাত সকলোবোৰ প্ৰাকৃত তথা নব্যভাৰতীয় আৰ্য ভাষা সমূহত বিস্তৰ প্ৰভাব পৰে। প্ৰভাব পৰা বাবে মাতৃত্বৰ দাবী কৰিব নোৱাৰে। তামিল-তেলেগু আদি দ্ৰাবিৰী মূলৰ ভাষাবোৰত সংস্কৃতৰ বিস্তৰ প্ৰভাব পৰিছে, সেইবোৰ ভাষাত চকু কৰিলেই সংস্কৃত শব্দৰ পয়োভৰ দেখা পোৱা যায়। সেই বুলি তামিল ভাষা, তেলুগুভাষা, বা মালায়ালম ভাষা, সংস্কৃত ভাষাৰ পৰা ওলোৱা বুলি কোনোবাই দাবী কৰিব পাৰিবনে? হিন্দী, বঙলা, অসমীয়া, আদি ভাষাত সংস্কৃত মূলৰ শব্দ যেন লাগিলেও সেইবোৰ প্ৰকৃততে আৰ্য শব্দ (Aryan word ) হে ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো- ইৰানী শাখাৰ **আৰ্য শব্দহে**। মূল মাতৃৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা বা গ্ৰহণ কৰা। সেইবোৰো নিজ নিজ ভাষাৰ বৈশিষ্ট্য অনুযায়ী সজাই পৰাই গ্ৰহণ কৰা শব্দ। এই ব্যাকৰণত অসমীয়া ভাষাৰ বৈশিষ্ট্য হিচাপে যিবোৰ ধ্বনিগত, ৰূপগত, বাকবিধিগত, শব্দগত, সুৰলহৰ, সম্বন্ধীয় বিশেষত্ব আলোচনা কৰা হৈছে - সেইবোৰেই অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ কথা ফট্ফটীয়াকৈ নিৰ্দেশ কৰিছে।

## ০.৪ ধ্বনি আৰু আখৰ ঃ

## ধ্বনি ( Phonemes )ঃ

পাৰিপাশ্বিক জগতখনত বিভিন্ন বস্তুৰ ঘহনি লাগি বা পৰস্পৰ আঘাত কৰাত বা জীৱ-জন্তু, চৰাই - চিৰিকতিৰ মাতত যিবোৰ শব্দ হয় সেইবোৰ নৈসৰ্গিক শব্দ (Sounds) কিন্তু মানুহে সুখ-দুখ আদি মনৰ ভাব প্ৰকাশ কৰিবলৈ বাগ্‌যন্ত্ৰৰ যোগেদি যিবোৰ ধ্বনি উচ্চাৰণ কৰা হয় সেইবোৰ ভাষিক ধ্বনি। কাৰণ সেইবোৰ ধ্বনি বা শব্দ উচ্চাৰণ কৰি মনৰ বিভিন্ন ভাবানুভূতি প্ৰকাশ কৰে। এনে ভাবানুভূতি প্ৰকাশক ধ্বনি সমষ্টিৰ আটাইতকৈ ক্ষুদ্ৰ একোটা ধ্বনি গোট থাকে, এনে ক্ষুদ্ৰ গোটটোকেই **ধ্বনিম্ বা বিশিষ্ট ধ্বনি** কোৱা হয়। ভাষা একোটাৰ যাদৃচ্ছিকভাৱে গ্ৰহণ কৰা অৰ্থময় শব্দৰ আটাইতকৈ ক্ষুদ্ৰ বিশিষ্ট ধ্বনি বা ধ্বনিম্ ভাষাটোৰ প্ৰকাশৰ দিশেৰে মুল বা প্ৰধান।

মৰম অসমীয়া ভাষাৰ অৰ্থযুক্ত শব্দ। ইয়াত *ম্‌+ অ+ ৰ্‌+ অ+ ম* তিনিটা মুল ধ্বনি আছে, যেনে - *ম, অ, ৰ* এই তিনিটা ধ্বনিকেই '*ম*' দুবাৰ, '*ৰ*' একবাৰ '*অ*' দুবাৰ ব্যৱহাৰ কৰি '*মৰম*' শব্দটো গঢ়ি লোৱা হৈছে। এই শব্দটোৱে এটি বিশেষ অৰ্থ অৰ্থাত্ স্নেহ বা চেনেহ বুজোৱা হৈছে। গতিকে *ম, অ,* আৰু *ৰ* একোটা **বিশিষ্ট ধ্বনি**। সদৃশ (Indential) **পৰিৱেশত** (Environment) অৰ্থভেদ লক্ষ্য কৰি এনে বিশিষ্ট ধ্বনিবোৰ নিৰূপণ কৰিব পাৰি। যেনে - '*কল*' আৰু '*কাল*' শব্দ দুটাৰ *ক* আৰু *ল* ধ্বনি দুটাৰ মাজত প্ৰথমটোত *ক অ ল - 'অ' আৰু ক আ ল - 'আ'* দুটা স্বৰধ্বনি আছে ***ক - ল*** একেটি পৰিবেশৰ শব্দত *অ* আৰু *আ* ভিন্ন দুটা স্বৰধ্বনি বৰৱহাৰ হোৱাত দুয়োটা শব্দৰ ভিন ভিন অৰ্থ প্ৰকাশ কৰা হৈছে। গতিকে একেটি পৰিবেশত *অ* আৰু *আ* প্ৰয়োগ হৈ অৰ্থভেদ কৰি ভিন্ন শব্দ সৃষ্টি কৰা কাৰণে *অ* আৰু *আ* দুটা বিশিষ্ট ধ্বনি। এনেকৈয়ে সদৃশ পৰিবেশত ভাষা এটাৰ বিশিষ্ট ধ্বনি নিৰ্ণয় কৰা হয়। অসমীয়া ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জন বৰ্ণৰ বিশিষ্ট ধ্বনিবোৰ ইদৰে নিৰ্ণয় কৰা হৈছে ।

## আখৰ ঃ

মনৰ ভাব প্ৰকাশক বাকৰ লগত জৰিত থকা ধ্বনি বা বিশিষ্ট ধ্বনিবোৰ যাদৃচ্ছিকভাবে গঢ়ি লোৱা হয়। ভাষা অনুযায়ী বিশিষ্টধ্বনি ভিন্ন হ'ব পাৰে। কিন্তু একোটি প্ৰধান ভাষাত ভাব প্ৰকাশক ধ্বনিবোৰ নিৰ্ণয় কৰি সেইবোৰ চক্ষুৰ দৃষ্টিৰে চাব পৰাকৈ লিখিত ৰূপত কিছুমান ধ্বনিৰ প্ৰতীক বা লিপি গ্ৰহণ কৰা হয়। সেইবোৰকে সেইভাষাৰ লিখিত ৰূপৰ আখৰ কোৱা হয়। আখৰ বোৰো ভাষা সাপেক্ষে যাদৃচ্ছিকহে। অসমীয়া ভাষাৰ আখৰবোৰ পৰম্পৰা ৰূপে পোৱা প্ৰাচীন ভাৰতীয় লিপিহে। আখৰ শব্দটো আৰ্য ভাষাত ব্যৱহাৰ হোৱা অক্ষৰ বা Syllable বুজোৱা শব্দৰ পৰা অহা শব্দ। ব্যঞ্জন ধ্বনি বোৰৰ লগত একোটি স্বৰ যুক্ত হৈ থাকে বাবে সেই ব্যঞ্জন বোৰক আখৰ বা শব্দাংশ বুজোৱা অক্ষৰ বা Syllable শব্দৰ সাৰ্থকতা আনি দিয়ে।

## ১.০ অসমীয়া বৰ্ণমালা আৰু উচ্চাৰণ ঃ

মানুহৰ মনৰ ভাব প্ৰকাশক যিবোৰ শব্দ (words) উচ্চাৰণ কৰি পাৰস্পৰিক ভাবানুভুতি যোগাযোগৰ আশ্ৰয় লোৱা হয়, সেইবোৰ শব্দ বিশ্লেষণ কৰিলে কিছুমান বাক ধ্বনিৰে গঠিত হোৱা দেখা যায়, সেইবোৰ ধ্বনি দুই প্ৰকাৰৰ ঃ

১। স্বৰ ধ্বনি আৰু ২। ব্যঞ্জন ধ্বনি

বাগঙ্গৰ সঞ্চালন কৰি অন্য কোনো ধ্বনিৰ সহায় নোলোৱাকৈ স্বয়ংপূৰ্ণ আৰু পৰিস্ফুটভাবে যি বোৰ ধ্বনি উচ্চাৰিত হ'ব পাৰে আৰু যিবোৰক আশ্ৰয় কৰি আনধ্বনি প্ৰকাশিত হ'ব পাৰে - তেনে ধ্বনিকেই **স্বৰধ্বনি** (Vowels) বুলি কোৱা হয় । যেনে - ই, এ' এ, আ, অ, অ', ও, উ ইত্যাদি।

স্বৰধ্বনিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গোট বা বিশিষ্ট ধ্বনি (Phonemes) বোৰৰ লিখন পদ্ধতিৰ বাবে যিবোৰ প্ৰতীক চিহ্ন যাদৃচ্ছিকভাবে গঢ়ি লোৱা হয়, সেই বোৰ থুপ কৰি একেখন ফলাতে আলোচনা কৰাৰ সুবিধা কৰিলে সেই ফলাক **স্বৰবৰ্ণমালা** বুলি কোৱা হয়। অসমীয়া ভাষাত 'অ' ৰে আৰম্ভ কৰা ফলাখনক স্বৰবৰ্ণ বুলি কোৱা হয় ।


যিবোৰ বাকধ্বনি অন্য কোনো ধ্বনিৰ সহায় নোলোৱাকৈ নিজে স্পষ্টৰূপে উচ্চাৰিত হ'ব নোৱাৰে আৰু সাধাৰণতে স্বৰধ্বনিৰ আশ্ৰয় নোলোৱাকৈ স্পষ্টৰূপে উচ্চাৰিত হ'ব নোৱাৰে তেনে ধ্বনিকেই **ব্যঞ্জন ধ্বনি** (Consonant) বুলি কোৱা হয়। যেনে - প্, ফ্, ক্, গ্ ইত্যাদি ধ্বনিবোৰ প্ৰকৃষ্টভাবে উচ্চাৰণ কৰিবলৈ ধ্বনিবোৰৰ লগত স্বৰ ধ্বনি নিতান্তই উচ্চাৰণ কৰিব লাগিব। যেনে ঃ- *প (প্ + অ), পা (প্ + আ), কি (ক্ + ই ), কু (ক্ + উ ),* ইত্যাদি।

ব্যঞ্জন ধ্বনিবোৰৰ বিশিষ্টধ্বনি (Phonemes) সমূহৰ প্ৰতীক চিনবোৰ থুপ কৰি যিখন ফলা গঢ়ি তোলা হয়, তাকেই **ব্যঞ্জন বৰ্ণমালা** বুলি কোৱা হয়। ক ফলাত থকা বৰ্ণসমূহেই ব্যঞ্জনবৰ্ণ।

গতিকে ভাষা এটি পঢ়িবলৈ বা লিখিবলৈ যিবোৰ ধ্বনি চিহ্ন ব্যৱহাৰ কৰা হয়, সেই বোৰৰ সমষ্টিকেই সেইভাষাৰ বৰ্ণমালা (Alphabet) কোৱা হয় ।

## ১.১. অসমীয়া স্বৰধ্বনি ( Assamese Vowels )

| | | সন্মুখঅৱস্থিত Front প্ৰসৃত Spread | কেন্দ্ৰীয় central বা পশ্চ back | পশ্চ অৱস্থিত back ৰৰ্তুল rounded |
|---|---|---|---|---|
| উচ্চ সংবৃত | high closed | ই (ঈ) / i / | | উ (ঊ) / u / |
| উচ্চমধ্য অৰ্ধ সংবৃত | high-mid, half closed | এ' / e / | | ও / o / |
| নিম্নমধ্য অৰ্ধ-বিবৃত | low-mid, half open | এ / ɛ / | | অ' / ɔ / |
| নিম্ন অৰ্ধ-বিবৃত অবৰ্তুলৌষ্ঠ্য | low, half open unrounded | | অ / ɒ / | |
| নিম্ন বিবৃত | low open | | আ / a / | |




ক) মুখবিবৰত জিভাখনে সন্মুখৰ ফালে ওপৰলৈ উঠি জিভাগ্ৰৰে আগতালুৰ কঠিন অংশৰ ওচৰত অৱস্থান কৰে, ইতিমধ্যে মুখখন জাপখোৱাত ওঠ দুটা দীঘলীয়া প্ৰসৃত হৈ পৰে , তেতিয়া নিৰ্গত শ্বাসবায়ু জিভাগ্ৰৰে বাধা দিয়াত ই / i / স্বৰ উচ্চাৰিত হয় । তেনেকৈ ক্ৰমান্বয়ে মুখখন অলপ মেল খাবলৈ ধৰাত উচ্চ-মধ্য অৱস্থাত এ’ / e / উচ্চাৰিত হয় । তাৰ অলপ তলত নিম্নমধ্য অৱস্থাত এ / ɛ / উচ্চাৰিত হয়। জিভাখন আগুৱাই সমুখলৈ আহি জিভাগ্ৰৰে নিৰ্গত শ্বাসবায়ু সংযত কৰি উচ্চাৰণ কৰা বাবে ইহঁতক সন্মুখ স্বৰ (Front vowels) বুলি কোৱা হয়। এইবোৰক তালব্য ধ্বনি বুলিও কোৱা হয়।

খ) তেনেকৈ জিভাখনৰ পিচৰফাল ওপৰলৈ উঠি পশ্চতালুৰ কোমল অংশৰ প্ৰায় ওচৰ চাপে, ওঁঠ দুটা ঘূৰণীয়া বৰ্তুলাকাৰহৈ পৰে, প্ৰবাহিত শ্বাসবায়ু জিভাৰ প্ৰায় পশ্চ অংশই বাধা দিয়াত উচ্চ পশ্চ বৰ্তুলৌষ্ঠ্য উ / u / উচ্চাৰিত হয়। এনেকৈ জিভাখন অলপ নামি একে বৰ্তুলাকাৰ ওঠ কৰি ৰাখি ও /o / আৰু তাৰ অলপ তলত একে ধৰণে অ’ /ɔ / স্বৰ উচ্চাৰণ কৰা হয় । জিভাখন পিচফালে থাকি উ /u / , ও / o / আৰু অ’ / ɔ / স্বৰধ্বনি কেইটি উচ্চাৰিত হোৱা বাবে এই কেইটা স্বৰধ্বনিক পশ্চস্বৰ (Back vowels) কোৱা হয়। জিহ্বামূলৰ পৰা উচ্চাৰিত হোৱা কাৰণে ইহঁতক কণ্ঠ্যস্বৰ (Guttural vowel) বুলিও কোৱা হয়। মুখখন প্ৰায় মেল খোৱাত জিভাখন তলত শায়িত হৈ পৰে। পশ্চ-কেন্দ্ৰীয় অৱস্থাত নিৰ্গত শ্বাস বায়ু বাধাপ্ৰাপ্ত হৈ নিম্ন অৰ্ধবিবৃত অবৰ্তুলৌষ্ঠ্য অ / ɒ / উচ্চাৰিত হয়।

গ) মুখখন মেল খোৱাত জিভাখন তলত পৰি থাকে, কেন্দ্ৰীয় অৱস্থানত জিভাখন থকাত প্ৰবাহিত শ্বাস বায়ু বাধাপ্ৰাপ্ত হৈ বিবৃত হৈ আ /ɑ / স্বৰ উচ্চাৰিত হয়। উক্ত অৰ্ধবিবৃত অ /ɒ / আৰু বিবৃত আ /ɑ / দুয়োকে কণ্ঠ্যস্বৰ বুলি কোৱা হয়।

ঘ) কেন্দ্ৰীয় নিম্ন বিবৃত কণ্ঠ্য আ /ɑ / স্বৰৰ উপৰি বিশেষ পৰিৱেশত সন্মুখ, বিবৃত, নিম্ন তালব্য আ / a / স্বৰধ্বনি অসমীয়াত উচ্চাৰণ কৰা হয়। সন্মুখত জিভা খন ৰাখি এই আ / a / ধ্বনিটোনিম্ন, বিবৃত উচ্চাৰণ কৰা হয় কাৰণে তালব্য আ/ a / (Palatal) কোৱা হয়। কিন্তু অসমীয়াত সদৃশ পৰিবেশত (Identical enviroments ) এই ধ্বনি কেন্দ্ৰীয় বা পশ্চ আ / ɑ / স্বৰৰ লগত বিৰোধ নাই। গতিকে ই অৰ্থগত ভাবে অপ্ৰাসঙ্গিক (phonemically irrelavent ) উচ্চ সন্মুখ সংবৃত ই / i / বা এ’ /e / স্বৰধ্বনিৰ সান্নিধ্যত থকা আ/ a / স্বৰ সাধাৰণতে তালব্য আ / a / হয়। যেনে - কাঁইট / kãit /, পাইন /pain/ এবিধ গছ, ককাই /kɔkai/। কিন্তু অসমীয়াত ককা /kɒkɑt/, বাট /Bɑt/, ভাত /Bhɑt/ ইত্যাদি শব্দত কণ্ঠ্য আ /ɑ / ধ্বনি উচ্চাৰণ হয় ।

গতিকে নিম্ন বিবৃত সন্মুখ তালব্য আ /a / আৰু কেন্দ্ৰীয় বা পশ্চ কণ্ঠীয় আ /ɑ/ সদৃশ পৰিবেশত বিৰোধ নাইবাবে

দুটা বিশিষ্ট ধ্বনি (**Phonemes** ) হিচাপে গ্ৰহণ কৰা নহয়। বিশিষ্ট পৰিবেশত উচ্চাৰিত হোৱা নিম্ন, বিবৃত সন্মুখ তালব্য /a/ অসমীয়াত **Phonemic** নহৈ **Phonetic** হে বুলি বুজিব লাগিব। গতিকে অসমীয়াত নিম্ন, বিবৃত কেন্দ্ৰীয় বা পশ্চ কণ্ঠ্য . আ /*a*/ ধ্বনিটোহে বিশিষ্ট ধ্বনি (**Phoneme**)। ভিন্ন পৰিবেশত উচ্চাৰিত হোৱা সন্মুখ, নিম্ন বিবৃত, তালব্য আ' (/ a /) আৰু কেন্দ্ৰীয় বা পশ্চ কণ্ঠ্য আ /*a*/ বিশিষ্ট ধ্বনি (**Phoneme**) টোৰ পৰিবেশ সাপেক্ষে অন্য ধ্বনি **Phonetic** ৰ ৰূপ মাথোন।

**১.১.২ অসমীয়া স্বৰধ্বনি ( Assamese Vowels )**

অসমীয়া স্বৰধ্বনিৰ আখৰ ১১টা । কিন্তু বিশিষ্ট ধ্বনি ৮ টাহে ।

/ ই / / i / উচ্চ, সন্মুখ, সংবৃত প্ৰসৃতৌষ্ঠ্য স্বৰ,
/ এ' / / e / উচ্চমধ্য, সন্মুখ, অৰ্ধপ্ৰসৃতৌষ্ঠ্য অৰ্ধসংবৃত স্বৰ,
/ এ/ / ɛ / নিম্নমধ্য সন্মুখ অৰ্ধ বিবৃত অৰ্ধবিবৃতৌষ্ঠ্য স্বৰ,
/ আ / / *a* / নিম্ন, কেন্দ্ৰীয় বিবৃত স্বৰ,
/ অ / /ɒ/ নিম্ন, পশ্চ বা কেন্দ্ৰীয়, অৰ্ধ বিবৃত অবৰ্তুলৌষ্ঠ্য স্বৰ,
/ অ' / / ɔ / নিম্ন মধ্য পশ্চ, অৰ্ধ বিবৃত অৰ্ধ বৰ্তুলৌষ্ঠ্য স্বৰ,
/ ও / / o/ উচ্চমধ্য, পশ্চ, অৰ্ধ সংবৃত অৰ্ধ বৰ্তুলৌষ্ঠ্য স্বৰ,
/ উ / / u / উচ্চ, পশ্চ, সংবৃত বৰ্তুলৌষ্ঠ্য স্বৰ

<u>অসমীয়া স্বৰধ্বনি আখৰৰ প্ৰয়োগ</u> ঃ–

| ধ্বনি | আখৰ | উপআখৰ | |
|---|---|---|---|
| ই | ই , ঈ | ি, ী | যেনে - কি ,কী |
| এ' | এ, এ' | ে, ' | যেনে - কে' |
| এ | এ | ে | যেনে - কে |
| আ (/ আ' / ) | আ | া, া' | যেনে - কা |
| অ | <u>অ</u> | - | যেনে - <u>ক</u>/ <u>শ</u> / <u>স</u> |
| অ' | অ ,অ' | –' | যেনে - ক' |
| ও | ও | ো | যেনে - কো |
| উ | উ ,ঊ | ু, ূ | যেনে - কু ,কূ |

ঋৃ, (/ ṛ / ) আৰু ঐ (/ ə:i/) আৰু ঔ(/ə:u/) দ্বিস্বৰ আখৰ কেইটা ধৰি অসমীয়া স্বৰবৰ্ণৰ আখৰৰ সংখ্যা১১টা।

<u>অসমীয়াত উচ্চাৰণ নথকা সংস্কৃতৰ আখৰ</u> ঃ–

সংস্কৃতৰ অবিকৃত আ (হ্ৰস্ব বা দীৰ্ঘ), / ই / i /, উ / u / এই তিনিটা আখৰ আৰু উচ্চাৰণৰ বাহিৰে বাকীবোৰ আখৰ ব্যৱহাৰ হ'লেও সংস্কৃত ভাষাৰ উচ্চাৰণ অসমীয়াত নাই। সংস্কৃতৰ প্ৰথম হ্ৰস্ব *অ* আখৰটো অসমীয়াত *অ* ৰূপে দুটা ভিন্ন *অ* / ɒ / আৰু অ'/ ɔ / উচ্চাৰিত হয়। তেনেকৈ সংস্কৃতৰ *এ* সন্ধ্যক্ষৰ *আই* /ai / নহৈ অসমীয়াত দুই প্ৰকাৰে এ' /e / বা এ /ɛ / ৰূপে উচ্চাৰিত হয়। আকৌ সংস্কৃতৰ *ও* সন্ধ্যক্ষৰ *আউ* /*au*/ অসমীয়াত মৌলিক স্বৰ ও/o / ধ্বনিৰূপে উচ্চাৰিত হয়। তেনেকৈ সংস্কৃতৰ দীৰ্ঘ সন্ধ্যক্ষৰ *ঐ* /a:i / অসমীয়াত হ্ৰস্ব *ঐ অ' ই* /ɔi / আৰু দীৰ্ঘ সন্ধ্যক্ষৰ *ঔ* /ə:u/ অসমীয়াত হ্ৰস্ব *ঔ অ'উ* / ɔu / ৰূপে উচ্চাৰণ কৰা হয়। সংস্কৃতৰ '*অ*' আখৰটো সংস্কৃত ভাষাত হ্ৰস্ব '*অ*' ৰূপে উচ্চাৰণ হয়। সংস্কৃতত '*অ*' দীৰ্ঘ হ'লে 'আ' আখৰটোৰ দীৰ্ঘ উচ্চাৰণ বুজায়। ঋ, ঋৃ, ৯, দীৰ্ঘ ৯ অসমীয়াত উচ্চাৰণ নাই, আৰু হ্ৰস্ব 'ঋ' বাহিৰে বাকী বোৰ দীৰ্ঘ 'ঋৃ', দীৰ্ঘ ৯, অসমীয়াত ব্যৱহাৰ নহয়। ঈ, ঊ সংস্কৃতৰ দীৰ্ঘ উচ্চাৰণ অসমীয়াত নাই। অসমীয়াত *ই* , *ঈ* আৰু *উ*, *ঊ* - অৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণ অৰ্থগত (Phonemic) নহয় অৰ্থাৎ হ্ৰস্ব বা দীৰ্ঘ উচ্চাৰণৰ পাৰ্থক্যই সংস্কৃত বা দ্ৰাবিৰী ভাষাৰ দৰে অসমীয়া ভাষাত শব্দৰ অৰ্থ ভেদ নকৰে। কেৱল সংস্কৃত ভাষাৰ হ্ৰস্ব দীৰ্ঘ থকা শব্দৰ অৰ্থ ভেদ থকা বাবে অসমীয়াত দীৰ্ঘ *ঈ*, দীৰ্ঘ *ঊ* সংস্কৃত শব্দৰ বানানত ব্যৱহাৰ কৰা হৈছে। অৰ্থ ভেদ নকৰা ঘৰুৱা শব্দত দীৰ্ঘৰ ঠাইত হ্ৰস্ব ব্যৱহাৰ কৰিলেও অসমীয়াত ভুল হ'ব বুলি নধৰাটোহে সমীচীন হ'ব।

## ১.১.৩ অসমীয়াত ৱৰ্ণ আৰু আখৰৰ স্বৰূপ ঃ —
## ক . স্বৰৱৰ্ণমালা ঃ

অসমীয়া ভাষা নৱ ভাৰতীয় আৰ্যভাষা। প্ৰাচীন ভাৰতীয় আৰ্যভাষাত ব্যৱহাৰ হোৱা শব্দৰূপে ভাৰতীয় বাহ্মীলিপিৰ পৰা প্ৰাকৃতৰ মাজেদি উদ্ভৱ হোৱা আখৰৰ লিপি চিন অসমীয়াত ব্যৱহাৰ কৰা হৈছে। সংস্কৃত আৰু প্ৰাকৃত ভাষাত ব্যৱহাৰ হোৱা লিপিটোৱেই অসমীয়াতো পৰম্পৰাৰূপে সোমাই পৰিছে। কিন্তু সেই সকলোবোৰ আখৰৰ উচ্চাৰণ সংস্কৃত ভাষাত উচ্চাৰণৰ লগত একে হৈ থকা নাই। কিছুমানৰ ধ্বনি পৰিৱৰ্তন হৈছে, কিছুমানৰ ধ্বনি একেবাৰে উচ্চাৰণ কৰা নহয়, কিছুমান আকৌ নতুন ধ্বনি সৃষ্টি হৈছে। স্বৰ আৰু ব্যঞ্জনৰ উভয়ৰ ক্ষেত্ৰত এই কথা খাটে।

ব্যঞ্জনধ্বনি বোৰ অকলে সুকীয়াকৈ উচ্চাৰণ কৰি চিনাকি দিলে এটি স্বৰধ্বনিৰ আশ্ৰয় লৈহে উচ্চাৰণ কৰি পৰিচয় দিব পাৰি । অসমীয়াত সাধাৰণতে '*অ*' ধ্বনি উচ্চাৰণ কৰিহে পৰিচয় দিয়া হয় । ব্যঞ্জনধ্বনিৰ পিচত '*অ*' ধ্বনি নাথাকিলে হসন্ত নামৰ এই '্' চিন দিয়া হয়। যেনে - ক্ + অ > ক, গ্ + অ > গ , ইত্যাদি। ব্যঞ্জনৰ অন্ত্য '*অ*' ধ্বনি উচ্চাৰণ হ'লে ব্যঞ্জনটোৰ তলত '_' এই চিন বহুৱাই 'অ' / ɒ/ উচ্চাৰণৰ ব্যৱস্থা কৰিব পাৰি। যেনে - বাৰ - কিন্তু বাৰ, তেৰ, এঘাৰ , পোন্ধৰ , সোতৰ, ওঠৰ, শ, মৰাশ ইত্যাদি ।

ব্যঞ্জনবৰ্ণৰ লগত অন্য স্বৰধ্বনি যোগ হ'লে স্বৰধ্বনি বোৰৰ সংক্ষিপ্তৰূপ বা উপাখৰ সাধাৰণতে ব্যৱহাৰ হয়। যেনে- আ = া (কাৰ ), ই = ি (ইকাৰ ), ঈ = ী (ঈকাৰ ), উ = ু (উকাৰ) (কু, খু , গু, ৰু, হু ), ঊ = ূ (ঊকাৰ) (কূ,গূ ,ৰূ,হূ ), ঋ = ৃ (ঋকাৰ) (কৃ, খৃ, গৃ, হৃ), এ = ে (একাৰ) (কে, গে, হে , ৰে), ঐ = ৈ (ঐকাৰ) (কৈ, গৈ, ৰৈ, হৈ ), ও = ো (ওকাৰ) (কো, গো, হো, ৰো), ঔ = ৌ (ঔকাৰ) (কৌ, গৌ, হৌ, ৰৌ) ইত্যাদি।

## ১.১.৪ স্বৰবৰ্ণৰ উচ্চাৰণ ঃ
## ১.১.৪ অ আৰু অ'

**অ -**

সংস্কৃত ভাষাত *অ* আখৰটো হ্ৰস্ব *আ* হে। ই দীৰ্ঘ উচ্চাৰণ হ'লে দীৰ্ঘ *আ* হয়। কিন্তু অসমীয়াত ই হ্ৰস্ব *আ* নহয় -এটি সুকীয়া উচ্চাৰণৰ সুকীয়া আখৰ। ইংৰাজী Law, all, lock আদি শব্দৰ aw, a, o, উচ্চাৰণৰ দৰে সাধাৰণ আ উচ্চাৰণ হয়। ই অসমীয়াত দুই প্ৰকাৰে উচ্চাৰিত হয়।

(i) উক্ত ইংৰাজী শব্দকেইটিৰ aw, a, o, ধ্বনি /ɒ/ ৰ দৰে *কল, গল* আদি শব্দৰ 'অ' / ɒ/ ধ্বনিটো উচ্চাৰিত হয়। অসমীয়াত *অ* ধ্বনিটো সুকীয়া হ্ৰস্ব স্বৰ *অ*/ /ধ্বনিটো নিম্ন, পশ্চ, অৰ্ধবিবৃত, অবৰ্তুলৌষ্ঠ্য (withou tlip rounding)

(ii) কিন্তু ইংৰাজী port, fort আদি শব্দৰ মাজৰ 'o' ধ্বনিটোৰ দৰে অসমীয়া গ'ল, ব'ল, হ'ল, ম'হ , চ'ত আদি শব্দৰ মধ্যৱৰ্তী *অ'* ধ্বনিটোৰ হ্ৰস্ব উচ্চাৰণ কৰা হয়। এই ধ্বনিটো *অ'* আখৰেৰে লিখা হয়। অসমীয়াত এই ধ্বনিটো নিম্ন মধ্য, পশ্চ, অৰ্ধবিবৃত, অবৰ্তুলৌষ্ঠ্য (with lip-rounding) স্বৰ ।

স্বৰসঙ্গতি (Vowel - harmony) ৰ বাবে শব্দৰ পৰৱৰ্তী শব্দাংশত উচ্চস্বৰ ই (-i), উ (-u), থাকিলে আগৰ 'অ' ধ্বনিটো সাধাৰণতে *অ'*/ ɔ /ৰূপে উচ্চাৰিত হয়। অৱশ্যকৰণীয় স্বাভাৱিক এই ৰীতিটো বিজ্ঞাত (predictive) বুলি বুজিব পাৰি। ইয়াৰ উপৰি পৰৱৰ্তী শব্দাংশত য়-কাৰ থাকিলেও আগৰ *অ*/ ɒ / ধ্বনি *অ'*/ ɔ / ৰূপে উচ্চাৰিত হয়। যেনে -

বল - বলি / bɒl - bɔli /
তল - তলি / tɒl - tɔli /
পল - পলু / pɒl - pɔlu /
সৰ - সৰু / xɒr - xɔru /
সত্ - সত্য / xɒt - xɔtjɒ /
পখ - পক্ষ / pɒkh - / pɔkhjɔ / ইত্যাদি ।

সাধাৰণতে নঞৰ্থক বুজোৱা আদ্যক্ষৰ অ পৰৱৰ্তী শব্দাংশত ই বা উ থাকিলেও অ /ɒ / উচ্চাৰণ কৰা হয় । যেনে

অতল /ɒtɒl /
অ-ভাব / ɒbh*a*b /

অ-স্থিৰ / ɒsthir /
অ-নিয়ম /ɒ niyɔ m /
অ-সাৰ /ɒxar /
অ-ঘটন /ɒ ghɒtɒn /
অ-পূৰ্ণ / ɒpurnɒ /
অ-চ্যুত / ɒsyutɒ /, কিন্তু নাম বুজালে অন্ত্য 'অ' লুপ্ত হৈ অচ্যুত / ɒsyut/ হয় ।

অসমীয়াত সাধাৰণতে শব্দৰ অন্ত্য 'অ' উচ্চাৰণ কৰা নহয়, হলন্ত ৰূপে উচ্চাৰিত হয়। কিন্তু কিছু মান প্ৰাকৃতজ শব্দৰ অন্ত্য 'অ' উচ্চাৰণ আৱশ্যক হৈ পৰে। যেনে -

(ক) সৰ্বনাম জাত পৰিমানবাচক শব্দ- *কত, যত, তত, অত* যথাক্ৰমে / kɒ tɒ, zɒ tɒ, tɒ tɒ, ɒ tɒ / ৰূপে উচ্চাৰিত হয়। কিন্তু স্থানবাচক শব্দত অন্ত্য *অ* উচ্চাৰণ নহয় ।/ kɔt, zɔt , tɔt , ɔt / যথাক্ৰমে *ক'ত, য'ত, ত'ত অ'ত* ৰূপে উচ্চাৰিত হয় ।

(খ) কিছুমান সংখ্যাবাচক শব্দত অন্ত্য অ উচ্চাৰণ হয়। যেনে -

এঘাৰ / egharɒ/
বাৰ / barɒ /
তেৰ / terɒ /
চৈধ্‌ / sɔidhɒ/
পোন্ধৰ/ pondh ɒ rɒ /
ষোল / xolɒ /
সোতৰ/ xotɒrɒ/
ওঠৰ / oth ɒrɒ /
ন / nɒ: /
শ / xɒ: /

(গ) aha, ata, awa লুপ্ত হৈ গঢ়ি উঠা শব্দ কিছুমানৰ অন্ত্য অ/ ɒ / উচ্চাৰণ হয়। যেনে -

কাছ / kasɒ/ (কচ্ছপ > কচ্ছঅঅ ) পল / pɒ lɒ / মাছ ধৰা সজুঁলি
পাৰ / pa rɒ / (পাৰাৱত > পাৰৱঅ )
গাধ / gadhɒ/ (গৰ্দভ > গদ্দহ )

(ঘ) আকাঙ্খা বাচক (volition) বুজোৱা - *ব*, - *ইব* সৰ্গত অন্ত্য *অ* উচ্চাৰণ কৰা হয়। যেনে -

কৰিব / kɔribɒ/
খাব / kha bɒ /
যাব / za b ɒ / ইত্যাদি ।

(ঙ) কিছুমান সংযুক্ত বৰ্ণৰ অন্ত্য অ অসমীয়াত উচ্চাৰণ কৰা হয়। যেনে -

উৎস / utsɒ / কিন্তু / utxɒ / নহয়
বিভৎস / bibh ɒtsɒ / কিন্তু /bibhɒ txɒ / নহয়
ভক্ত / bhɒktɒ /
বংশ / bɒŋx ɒ/
পূৰ্ব / purbɒ/
শুক্ৰ / xukrɒ /

(চ) *য়* - কাৰান্ত শব্দৰ অন্ত্য 'য়' ৰ অ উচ্চাৰণ হয়। যেনে -

দেয় / dejɒ / বিধেয় / bidhejɒ /

কিন্তু *বিষয়, উপায়, ন্যায়, অন্যায়,* আদি শব্দত অন্ত্য অ উচ্চাৰণ কৰা নহয়।

(ছ) *ঢ়* - অন্ত্যক্ষৰৰ শব্দত অন্ত্য অ উচ্চাৰিত হয়। যেনে - *দৃঢ়, গাঢ়, মূঢ়, ৰূঢ়* যথাক্ৰমে -
/ drirhɒ /, / garhɒ /, / murhɒ /, / rurh ɒ/

(জ) তৎসম শব্দৰ আৰম্ভণত ঐ বা ঔ থাকিলে শব্দটোৰ অন্ত্যক্ষৰৰ অ উচ্চাৰিত হয়। যেনে -

তৈল / tɔilɒ / - কিন্তু তেল্ / tel /
পৈল - / pɔilɒ / মৌন / mɔunɒ / যৌন / zɔunɒ /
গৌণ / gɔunɒ / যৌগ / zɔug / তেনেকৈ বিধৌত / bidhɔutɒ /

(ঝ) সমাসবদ্ধ শব্দৰ আদ্যশব্দ অ কাৰান্ত হৈ থাকে । যেনে -

জনসমাজ্ /zɒnɒxɒmaz/
জনগণ / zɒnɒgan /
গণতন্ত্ৰ /gɒnɒtɒntrɒ/
জনসাধাৰণ /zɒnɒxadharɒn/ ইত্যাদি ।

(ঞ) ঋ কাৰৰ পাচত থকা তৎসম শব্দৰ ব্যঞ্জনৰ পাচত অ উচ্চাৰণ হয় । যেনে - মৃগ, তৃণ, কৃশ, কৃষ, সুদৃঢ় ইত্যাদি।
/mrigɒ /, /trinɒ/, /krixɒ /, /krixɒ /, /xudrihɒ /

(ট) কিছুমান শব্দৰ সাধাৰণতে অন্ত্য অ উচ্চাৰণ হয় । যেনে - ওখ, /okhɒ /, পাখ / pakhɒ / ইত্যাদি।

১.১.৫ আ —

নিম্ন, বিবৃত, সন্মুখ, *আ* / a / ধ্বনিৰ আৰু নিম্ন, বিবৃত, কেন্দ্ৰীয় বা পশ্চ কণ্ঠ্য *আ* /*a* / স্বৰধ্বনি অসমীয়া ভাষাতো তালব্য উপযুক্ত পৰিবেশত উভয়কে উচ্চাৰণ কৰা হয়।

১(ক) আৰু (খ) চিত্ৰত দেখুৱা ধৰণে অসমীয়া ভাষা *আ* ধ্বনিটো নিম্ন, বিবৃত, কেন্দ্ৰীয় বা উন্মুক্ত কণ্ঠ ধ্বনি আ / *a* / কোৱা হয়। ধ্বনিসূচক লিপ্যন্তৰ হ'লে *আ* / *a* / হয়। আচলতে জিভাখন মুখৰ ভিতৰত নিম্ন অৱস্থাত ৰৈ থাকি মুখখন উন্মুক্ত বা বিবৃত কৰি কেন্দ্ৰীয় বা পশ্চভাগৰ পৰা উচ্চাৰণ হয় বাবে আ / *a* / ধ্বনিটোক নিম্ন, বিবৃত, কেন্দ্ৰীয় কণ্ঠ্য /*a* / ধ্বনি কোৱা হয়। যেনে -

*কাল* / k*a*l / time সময় বা যম, মৃত্যু
*গাল* / g*a*l / cheek মুখমণ্ডলৰ গাল ইত্যাদি

নিম্ন, বিবৃত, কণ্ঠ্য কেন্দ্ৰীয় বা পশ্চ *আ* / *a* / স্বৰটোৰ উপৰি নিম্ন, বিবৃত আৰু সন্মুখৰ ফালে উচ্চাৰণ কৰা তালব্য আ /a/ ধ্বনিও বিশেষ বিশেষ পৰিবেশত অসমীয়াত উচ্চাৰণ কৰা হয়।

আ' / a / স্বৰধ্বনি উচ্চাৰণ কৰোঁতেমুখখন উন্মুক্ত বা বিবৃত বা খোল খোৱা বাহ্যিক আকাৰ লয় । জিভাখন একেবাৰে নিম্ন অৱস্থাত থাকি সন্মুখ ভাগ আগলৈ আগুৱাই উপৰলৈ উঠি এই ধ্বনি *আ* উচ্চাৰণ হয়। জিভাৰ আগঅংশ ওপৰলৈ তুলি ই, এ উচ্চাৰণ কৰোঁতে নিম্ন, বিবৃত আৰু সন্মুখ *আ'* / a / ধ্বনি তালুৰ লগত সম্পৰ্কিত হৈ পৰে। সেইবাবে এই *আ'* / a / ধ্বনিক তালব্য আ' / a / কোৱা হয়। যেনে -

কায়দা / kaid*a*: /
ভাগ্য / bhaigɔ: /
মাল্য / mailɔ: /
সাখ্য / xaikhɔ:/ ইত্যাদি

ইংৰাজী ভাষাতো এই তালব্য / a / ধ্বনি লক্ষ্য কৰিব পাৰি। যেনে - (L.A.E. Dictionary - by Hornby)

| | | |
|---|---|---|
| blind | / blaind / | |
| kind | / kaind / | race, species, sort |
| pine | / pain / | a kind of tree |
| vile | / vail / | mean wicked, low |
| fine | / fain / | nice |
| nice | / nais / | fine, pleasant |
| night | / nait / | dark hours between the sun set and sun rise |

কিন্তু অসমীয়া উচ্চাৰণত হ্ৰস্ব বা দীৰ্ঘ *আ* জিভাখনিৰ অৱস্থান অনুযায়ী অন্য এক প্ৰকাৰে উচ্চাৰিত হয়। জিভাখনৰ মাজভাগ বা পিচভাগ উপৰলৈ উঠি *আ* ধ্বনি উচ্চাৰণ কৰিলে সাধাৰণতে কণ্ঠ্য *আ* / *a* / বুলি কোৱা হয়। এই ধ্বনিটো নিম্ন, বিবৃত, কেন্দ্ৰীয় বা পশ্চ, কণ্ঠ্য, *আ* / *a* / সাধাৰণতে অসমীয়াত ব্যবহাৰ হয়। যেনে -

ভাত / bh*a*t / - rice
ঘাট / gh*a*t / - ghāt

পিতা / pit$a$: / - pitā father
কাল / k$a$ l / - time
কক া / kɔk$a$ / / kɔk$a$:/ কিন্তু ককাই / - kɔkai /

ইংৰাজীতো কণ্ঠ্য আ আছে

father /f$a$:d̄$a$: (r)/
art / $a$:r t /
path / p$a$: /
mart / m$a$:t /
mars / m$a$:z /

মামা māmā, / m$a$:m$a$: / কিন্তু momāi বা m ɔ māi হ'লে /momai/ বা / m ɔmai / উচ্চাৰণ হ'ব।

১.১.৬ ই, ঈ - i, ī ( / i /) উচ্চ, সন্মুখ, সংবৃত, প্ৰসৃতৌষ্ঠ্য স্বৰ। হ্ৰস্ব-দীৰ্ঘ অসমীয়াত অৰ্থান্তৰ সৃষ্টিকাৰক নহয়, অৰ্থাৎ অসমীয়া ভাষাত স্বৰবৰ্ণৰ হ্ৰস্ব বা দীৰ্ঘ উচ্চাৰণৰ ওপৰত শব্দৰ অৰ্থ নিৰ্ভৰ নকৰে। আখৰ হ্ৰস্ব থাকিলেও উচ্চাৰণ দীৰ্ঘ হ'ব পাৰে। সি (চিলাই কৰি ) উচ্চাৰণ সী (xi:) হয়। আৰু দীৰ্ঘ আখৰ থাকিলেও হ্ৰস্ব উচ্চাৰণ কৰা হয়। যেনে - সীতাই (xit$a$: ) দীৰ্ঘ ঈ হ'লেও অসমীয়াত হ্ৰস্ব ই উচ্চাৰণ হয়। সাধাৰণতে শব্দৰ দৈৰ্ঘ্যৰ ওপৰত তাৰ অন্তৰ্গত স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘ নিৰ্ভৰ কৰে। এক শব্দাংশত থকা হ্ৰস্ব স্বৰ বা দীৰ্ঘ স্বৰৰ আখৰ থাকিলেও কেতিয়াবা উচ্চাৰণ অসমীয়াত হ্ৰস্ব স্বৰ দীৰ্ঘ হৈ পৰে। যেনে-

দীনদৰিদ্ৰ (dindɔridrɔ )
সি গ'ল , ইয়াত সি ( xi: gɔl)
হে বলি (bɔli: ), হে মাধবী (m$a$:dhɔbi:) ইত্যাদি ।

১.১.৭ উ, ঊ u, ū / u /

উচ্চ, পশ্চাত, সংবৃত, বৰ্তুলৌষ্ঠ্য স্বৰ। হ্ৰস্বতা বা দৈৰ্ঘ্য অসমীয়াত অৰ্থ ভেদক (Phonemic) নহয় অৰ্থাত্ অসমীয়াত হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণৰ ওপৰত শব্দৰ অৰ্থ ভেদ নহয়। কিন্তু পৰিৱেশ ভেদে হ্ৰস্ব স্বৰ দীৰ্ঘৰূপে বা দীৰ্ঘ স্বৰ হ্ৰস্বৰূপে উচ্চাৰণ হ'ব পাৰে। সম্বোধনত অন্ত্য উ বা ঊ সাধাৰণতে দীৰ্ঘ উচ্চাৰণ হয়। যেনে -

হে যদু, ইয়াত অন্ত্য উ দীৰ্ঘ, তেনেকৈ কালু, দীৰ্ঘ ঊ উচ্চাৰণ হয়।

যিহেতু অসমীয়াত হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণত শব্দৰ অৰ্থ ভেদ নহয়, হ্ৰস্ব বৰ্ণৰ ব্যবহাৰেই প্ৰশস্ত হোৱা উচিত। দেশী- বিদেশী অসংস্কৃত মূলৰ শব্দৰ বানানত হ্ৰস্ব স্বৰ ব্যৱহাৰ যোগ্য হ'লেও সংস্কৃত শব্দৰ হ্ৰস্ব, দীৰ্ঘৰ অৰ্থভেদ হয়। গতিকে আৰ্য শব্দৰ হ্ৰস্ব, দীৰ্ঘ অবিকল প্ৰয়োগ হোৱা দেখা যায়। কিন্তু যিবোৰ একেবাৰে অসমীয়া ঘৰুৱা হৈ পৰিছে, সেইবোৰত হ্ৰস্ব স্বৰ ব্যৱহাৰ কৰিব পাৰি। ভুল বুলি কোৱাৰ একো যুক্তি নাথাকে, ভাষাৰ একো অন্যায় নহয়। বৰঞ্চ সাধাৰণ লোকৰ লিখাত সহায়কহে হ'ব।

১.১.৮ এ', এ ঃ / e / আৰু এ /ɛ /

এ' - উচ্চ-মধ্য (High-mid) সন্মুখাবস্থিত (front), অৰ্ধ সং বৃত, (half-close), ইংৰাজী pen, men আদি শব্দৰ মধ্যৱৰ্তী e ধ্বনিৰ দৰে অসমীয়াত এই ধ্বনিৰ উচ্চাৰণ হয়। অসমীয়াত এই *এ'*/e /ধ্বনি তদ্ভৱ শব্দৰ একাধিক ধ্বনিৰ মিলনোত্পন্ন ধ্বনিহে । যেনে -

কহিত কইত ক'ত কঅ'ত / kɔ it /
তহিত তইত ত'ত তঅ'ত / tɔ it /

কিন্তুকেইটামান বিশেষ সংস্কৃত শব্দৰ *এ* আখৰৰ উচ্চাৰণ অসমীয়াত *এ'* /e / হয়। যেনে -

দেশ /দ এ' স / মেঘ /ম এ' ঘ / অৱশেষ /অ ব অ স এ' স /
শেষ / স এ' স / বা / x এ' x/ বেশ / ব এ' স / চেতন / চ এ' ত অন /

এ /ɛ / নিম্নমধ্য (**Low -mid**), সন্মুখাবস্থিত (front) অৰ্ধবিবৃত (half -open), এই ধ্বনিটোৱেই অসমীয়াত সচৰাচৰ ব্যৱহাৰ হোৱা স্বৰ ধ্বনি। ইংৰাজী (man ) শব্দৰ মধ্যৱৰ্তী a ধ্বনিৰ প্ৰায় অনুৰূপে ব্যৱহাৰ হয়। যেনে -

এটা, খেৰ, বেটা, পেট, ইত্যাদি। /ɛta:/, /khɛr/, /bɛta:/, /pɛt/

কোনো শব্দৰ পৰৱৰ্তী শব্দাংশত উচ্চস্বৰ সন্মুখ 'ই' / i / বা পশ্চ 'উ' / u / থাকিলে আগৰ শব্দাংশত থকা নিম্ন মধ্য অৰ্ধবিবৃত এ /ɛ / স্বৰ সাধাৰণতে এ' / e / হৈ পৰে। পৰৱৰ্তী শব্দাংশত ই বা উ উচ্চস্বৰ ধ্বনি থকা বাবে শব্দৰ আদিতে থকা এ /ɛ / ধ্বনি এ' / e / হৈ পৰা অসমীয়াত স্বাভাবিক। যেনে -

| | | | | |
|---|---|---|---|---|
| বেটা | /bɛta:/ | কিন্তু | বেঁটী | /beti:/ |
| ভেক | /bhɛk/ ভেকোলা /bhɛkola/ | কিন্তু | ভেকুলি | /bekuli:/ |
| পেট | /pɛt/ | কিন্তু | পেটুলা | /petula:/ |
| এটা | /ɛta:/ | কিন্তু | এটি | /eti / |
| জেঠা | /zɛtha:/ | কিন্তু | জেঠী | /zethi:/ |

পৰৱৰ্তী শব্দাংশত উচ্চস্বৰ সন্মুখ 'ই' / i / বা পশ্চ 'উ' / u /,থাকিলে আগৰ শব্দাংশত থকা 'এ' /ɛ / ধ্বনি সাধাৰণতে উচ্চস্বৰ ধ্বনিৰ প্ৰভাৱত উচ্চ-মধ্য অৰ্ধ সংবৃত ধ্বনি এ' / e / হৈ পৰাটো বিজ্ঞাত (predictive) বাবে লিখাত এই বিভিন্নতা হে প্ৰকাশ্য হৈ নপৰে। উচ্চাৰণত এই বিভিন্নতা আহি পৰে।

১.১.৯ ও / o / স্বৰ ঃ (**phoneme**) উচ্চ-মধ্য, (high -mid), পশ্চাৱস্থিত (back), অৰ্ধসংবৃত, (half -closed), হ্ৰস্ব বা দীৰ্ঘস্বৰ ধ্বনিৰূপে উচ্চাৰিত হ'ব পাৰে। যেনে -

| | | | |
|---|---|---|---|
| ভোগ | / bhog / | মোহ | / mo:h / |
| লো | / lo: / | পো | / po: / |
| খোজ | / khoz / | মোল | / mo:l / |
| লোণ | / lo:n / | সোলা | / xo:la: / |
| চোকা | / soka: / | ওৰ | / o:r / |

## ১.১.১০ দ্বি স্বৰ ঃ

অসমীয়াত ব্যৱহাৰ কৰা ঐ আৰু ঔ দুটা দ্বিস্বৰ সংস্কৃত স্বৰবৰ্ণমালাৰ পৰা গ্ৰহণ কৰা হৈছে । অসমীয়া ভাষাত অনেক দ্বিস্বৰ (dipthongs) বা ত্ৰিস্বৰ (tripthong) বা চাৰিটা স্বৰ থকা (tetraphthongs) বাৱহাৰ হ'ব পাৰে। অথচ সংস্কৃতৰ বৰ্ণমালাত থকা বাবে এই দুটা দ্বিস্বৰ অসমীয়া ভাষাৰ বৰ্ণমালাৰ তালিকাত স্থান পাইছে। কিন্তু অসমীয়াত ই হঁতৰ উচ্চাৰণ *ঐ অ'ই* আৰু *ঔ অ'উ* হয়। সংস্কৃতৰ দৰে দীৰ্ঘ দ্বিস্বৰ যথাক্ৰমে / a:i / আঃই আৰু / a:u /আঃউ এই দুটাৰ বাহিৰে অন্যান্য দ্বিস্বৰ বা ত্ৰিস্বৰ বা তাতো অধিক স্বৰ থকা শব্দত স্বৰবৰ্ণসমূহ একেলগে ওচৰাওচৰিকৈ ব্যৱহাৰ কৰিয়েই পৰিবেশন কৰা হয়। বেলেগ আখৰ গঢ়ি লোৱা হোৱা নাই। এই দুটা দ্বিস্বৰ অসমীয়া বৰ্ণমালাৰ পৰা আঁতৰালেও অসমীয়া ভাষাৰ বিশেষ অনিষ্ট নহয়। সংস্কৃত শব্দতহে আচহুৱা যেন লাগিব পাৰে। যেনে - নৈ - ন'ই, দৈ - দ'ই, বৌ - ব'উ, মৌ - ম'উ ইত্যাদি ।

সংস্কৃত বা আৰ্য ভাষাত উচ্চাৰণমতে *ঐ* আৰু ঔ দীৰ্ঘ দ্বিস্বৰ, অৰ্থাত্ ইহঁতৰ প্ৰথম আ ধ্বনিটো উভয়তে দীৰ্ঘ, আন্তৰ্জাতিক লিপিমতে আ' ই /a:i / আৰু আ'উ / a:u / অৰ্থাত ঐ আ' ই > আ'ই। গতিকে ঐ + অ হলে আই > আয় হয়। নৈ - নাই + অক > নায়ক, গৈ - গাই + অক > গায়ক, তেনেকৈ আৰ্য ভাষাত ঔ ধ্বনিৰ উচ্চাৰণ ঔ > আউ হ'ব। নৌ + ইক > নাউ + ইক > নাৱ + ইক > নাৱিক, অসমীয়াত নাবিক উচ্চাৰণ হয। ভৌ+উক > ভাউ +উক> ভাৱ+উক> ভাবুক, ইত্যাদি। অসমীয়া ভাষাত অব্যৱহৃত এনে ধ্বনিৰ পৰা উদ্ভৱ হোৱা শব্দবোৰ আৰ্যভাষাৰ পৰা ধাৰ কৰা শব্দৰূপে গ্ৰহণ কৰিলে সংস্কৃত ভাষাৰ বিশেষ জটিলতাৰ মায়াজালত আৱদ্ধ নোহোৱাকৈ থাকিব পাৰি ।তেতিয়া অসমীয়া ভাষাৰ বৈশিষ্ট্যবোৰৰ গুৰুত্ব বাঢ়িব।

## ২.০ অসমীয়া ভাষাৰ ব্যঞ্জন (Consonants ) বৰ্ণবোৰ ঃ

অসমীয়া ভাষাৰ ব্যঞ্জন ৰ্বণ আৰু আখৰ সংস্কৃত বৰ্ণমালাৰ পৰা গ্ৰহণ কৰা। যি বোৰ ধ্বনি অন্য ধ্বনিৰ সহায় নোলোৱাকৈ নিজে পৰিস্ফুট ভাৱে উচ্চাৰিত হ'ব নোৱাৰে, সেইবোৰ ধ্বনিকেই **ব্যঞ্জন ধ্বনি** কোৱা হয়। ক্ ধ্বনিটো পিচৰ অ, আ, আদি ধ্বনি উচ্চাৰণ নকৰাকৈ উচ্চাৰণ কৰিব নোৱাৰি। ক্+আ>কা, ক্+অ >ক, ক্+ই >কি ইত্যাদি। কিন্তু অসমীয়াত বিশিষ্ট ধ্বনি **২৩ টাহে। অসমীয়া ভাষাৰ বিশিষ্ট** ব্যঞ্জন বৰ্ণৰ ধ্বনি সমূহ আৰ্ন্তজাতিক লিপি চিহ্ন সহ দেখুওৱা হ'ল। উচ্চাৰণৰ স্থান অনুযায়ী বৈশিষ্ট্যখিনি প্ৰকাশক লক্ষণবোৰৰ সৈতে তলত দিয়া ধৰণে উল্লেখ কৰা হ'ল।

| | |
|---|---|
| / প / / p / | অল্পপ্ৰাণ, অঘোষ ঔষ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ফ / / ph / | মহাপ্ৰাণ, অঘোষ ঔষ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ব / / b / | অল্পপ্ৰাণ, সঘোষ ঔষ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ভ / / bɦ / | সঘোষ ঔষ্ঠ্য ভোভেৰীয় স্পৰ্শ বৰ্ণ |
| / ত / / t / | অল্পপ্ৰাণ, অঘোষ দন্তমূলীয় স্পৰ্শ বৰ্ণ |
| / থ / / th / | মহাপ্ৰাণ, অঘোষ দন্তমূলীয় স্পৰ্শ বৰ্ণ |
| / দ / / d / | অল্পপ্ৰাণ, সঘোষ দন্তমূলীয় স্পৰ্শ বৰ্ণ |
| / ধ / / dɦ / | সঘোষ ভোভেৰীয় দন্তমূলীয় স্পৰ্শ বৰ্ণ |
| / ক / / k / | অল্পপ্ৰাণ, অঘোষ কণ্ঠ্য স্পৰ্শ বৰ্ণ |
| / খ / / kh / | মহাপ্ৰাণ, অঘোষ কণ্ঠ্য স্পৰ্শ বৰ্ণ |
| / গ / / g / | অল্পপ্ৰাণ, সঘোষ কণ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ঘ / / gɦ / | সঘোষ ভোভেৰীয় কণ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ঙ / / ŋ / | অনুনাসিক কণ্ঠ্য স্পৰ্শ বৰ্ণ |
| / ন / / n / | অনুনাসিক দন্তমূলীয় স্পৰ্শ বৰ্ণ |
| / ম / / m / | অনুনাসিক ঔষ্ঠ্য স্পৰ্শ বৰ্ণ |
| / চ / / s / | অল্পপ্ৰাণ, অঘোষ দন্তমূলীয় উষ্ম বৰ্ণ |
| / জ / / z / | অল্পপ্ৰাণ, সঘোষ দন্তমূলীয় উষ্ম বৰ্ণ |
| / ৰ / / r / | অন্তঃস্থ, দন্তমূলীয়, কম্পিত বৰ্ণ |
| / ল / / l / | অন্তঃস্থ, দন্তমূলীয় পাৰ্শ্ব বৰ্ণ |
| / য় / / y / / j / | অন্তঃস্থ, তালব্য অৰ্ধ স্বৰবৰ্ণ |
| / ৱ / / l / | অন্তঃস্থ ঔষ্ঠ্য অৰ্ধস্বৰ |
| / স / / x / | কণ্ঠ্য অঘোষ উষ্ম স্বৰ |
| / হ / / ɦ / | কণ্ঠ্য সঘোষ উষ্ম স্বৰ |

**কিন্তু** অসমীয়া ভাষাৰ উপৰিও উক্ত **২৩ টা** বিশিষ্ট ধ্বনিৰ প্ৰতীক হিচাপে সংস্কৃতভাষাৰ ব্যঞ্জনবৰ্ণ ফলাৰ আখৰ বোৰ ব্যৱহাৰ কৰা হয় বাবে অসমীয়াত ব্যৱহৃত আখৰৰ সংখ্যা অসমীয়া বিশিষ্ট ধ্বনিতকৈ বহুত বেচি ।

| **অসমীয়া বিশিষ্ট ধ্বনি** | **অসমীয়া আখৰ** | |
|---|---|---|
| / প / | প | ঔষ্ঠ্য |
| / ফ / | ফ | ,, |
| / ব / | ব | ,, |
| / ভ / | ভ | ,, |
| / ত / | ত, ট | আটাইকেইটা ধ্বনি দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ হয় |
| / থ / | থ, ঠ | দন্তমূলীয় |
| / দ / | দ, ড | দন্তমূলীয় |
| / ধ / | ধ, ঢ | দন্তমূলীয় |
| / ক / | ক | কণ্ঠ্য |
| / খ / | খ | কণ্ঠ্য |

| | | |
|---|---|---|
| / গ / | গ | কণ্ঠ্য |
| / ঘ / | ঘ | কণ্ঠ্য |
| / ঙ / | ঙ, ং | কণ্ঠ্য |
| / ন / | ন, ণ | দন্তমূলীয় নাসিক্য উচ্চাৰণ |
| / ম / | ম | ঔষ্ঠ্য নাসিক্য উচ্চাৰণ |
| / চ / | চ, ছ, সংযুক্ত শ, ষ, স | দন্তমূলীয় উচ্চাৰণ |
| / জ / | জ, ঝ, য, হ্য | দন্তমূলীয় উচ্চাৰণ |
| / ৰ / | ৰ, ড় (ৰ-কাৰ, ৰেফ্ ) | দন্তমূলীয় তৰল স্বৰ |
| / ল / | ল | পাৰ্শ্বিক দন্তমূলীয় তৰল স্বৰ |
| / য় / | য় | তালব্য অৰ্ধ স্বৰ |
| / ৱ / | ৱ | ঔষ্ঠ্য অৰ্ধ স্বৰ |
| / স / বা / *x* / | শ,ষ,স (ৰেফ্ আৰু ং অনুস্বাৰ আৰু অন্যান্য স্বৰধ্বনিৰ লগত যুক্ত 'শ, ষ, স' ৰ উচ্চাৰণ ) কণ্ঠ্য অঘোষ উষ্মবৰ্ণ | |
| / হ / | হ | কণ্ঠ্য সঘোষ উষ্মবৰ্ণ |

ড়, ঢ়, ক্ষ, এঃ, ঃ, ঁ এই কেইটা আখৰ ধৰি অসমীয়া ব্যঞ্জনবৰ্ণৰ আখৰৰ সংখ্যা ৪১ টা ।

সংস্কৃত বৰ্ণমালাখনৰ আখৰ বোৰকেই অসমীয়াতো ব্যৱহাৰ কৰা হয়। সংস্কৃতত 'ক'ৰ পৰা 'ম' লৈকে ২৫ টা বৰ্ণক স্পৰ্শ বৰ্ণ (stops বা occlusive) বোলে। ইহঁতৰ উচ্চাৰণৰ স্থান অনুযায়ী ক - বৰ্গ কণ্ঠ্য বৰ্ণ, চ - বৰ্গ তালব্য বৰ্ণ, ট - বৰ্গ মূৰ্ধন্য বৰ্ণ, ত - বৰ্গ দন্ত্য বৰ্ণ, আৰু প বৰ্গ ঔষ্ঠ্য বৰ্ণ, হ, শ, ষ, স, উষ্ম বৰ্ণ আৰু য, ৰ, ল, ৱ অন্তঃস্থ বৰ্ণ কোৱা হয়।

| | অঘোষ | | সঘোষ | | | | |
|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ স্থান | অল্পপ্ৰাণ | মহা প্ৰাণ | অল্পপ্ৰাণ | মহাপ্ৰাণ | অনুনাসিক | উষ্মৱৰ্ণ | অন্তঃস্থ |
| ক বৰ্গ - কণ্ঠ্য | ক /k/ | খ /*kh*/ | গ /*g*/ | ঘ /*gh*/ | ঙ /*ŋ*/ | হ /*h*/ | |
| চ বৰ্গ - তালব্য | চ /*ts*/ | ছ /*sh*/ | জ /ʤ/ | ঝ /ʤ*h*/ | এঃ /ʃ/ | শ /*s*/ | য় /*j*/ |
| ট বৰ্গ - মূৰ্ধন্য | ট /t/ | ঠ /*th*/ | ড /d/ | ঢ /*dh*/ | ণ /*n*/ | ষ /*s*/ | |
| ত বৰ্গ - দন্ত্য | ত /t/ | থ /*th*/ | দ /d/ | ধ /*dh*/ | ন /*n*/ | স /*s*/ | |
| প বৰ্গ - ঔষ্ঠ্য | প /*p*/ | ফ /*ph*/ | ব /*b*/ | ভ /*bh*/ | ম /*m*/ | | ৱ /*w*/ |

অন্তঃস্থ বৰ্ণ - য, ৰ, ল, ৱ এই চাৰিটা বৰ্ণ স্পৰ্শ বৰ্ণ আৰু উষ্ম বৰ্ণৰ অন্তঃ অৰ্থাৎ মাজত উচ্চাৰণ কৰা হয় বাবে অন্তঃস্থ বৰ্ণ কোৱা হয়। ৰ বৰ্ণৰ উচ্চাৰণ কৰোঁতে জিভাৰ আগভাগ কম্পিত কৰি দন্তমূলত আঘাত কৰিলে কম্পিত স্বৰ উচ্চাৰণ হয়। এই কম্পনজাত trilled ধ্বনিক তৰল অৰ্ধস্বৰ liquid কোৱা হয়। 'ল' ধ্বনিটো তৰল অৰ্ধস্বৰ liquid, জিভাৰ আগভাগ ঠেপেচা কৰি মুখৰ দন্তমূলত স্পৰ্শ কৰি থাকি জিভাৰ দুয়োকাষেদি বায়ু প্ৰবাহ নিৰ্গত কৰি ধ্বনি সৃষ্টি কৰিলে এই ধ্বনি উচ্চাৰিত হয়। জিভাৰ দুয়োকাষেৰে বায়ু নিৰ্গত হৈ ধ্বনি সৃষ্টি কৰা বাবে এই ধ্বনিক পাৰ্শ্বিক lateral ধ্বনি কোৱা হয়। 'ৰ' আৰু 'ল' দন্তমূলীয় ধ্বনি।

## ২.০.১ অসমীয়াত উচ্চাৰণ নথকা সংস্কৃতৰ আখৰ ঃ

চ ,ছ,জ ,ঝ , ঞ - তালব্য স্পর্শ বর্ণ, কিন্তু অসমীয়াত চ আৰু জ দন্তমূলীয় উষ্ম ধ্বনিৰূপে উচ্চাৰণ কৰা হয় । ছ, ঝ আৰু ঞ ৰ অসমীয়াত সংস্কৃতৰ দৰে উচ্চাৰণ নহয়। ঞ বর্ণৰ অসমীয়া উচ্চাৰণ য়ঁ দৰে হয় ।

(ট ,ঠ ,ড ,ঢ ,ণ - দন্ত্য আৰু মূর্ধন্য স্পর্শ বর্ণ, কিন্তু উভয়ে অসমীয়াত ত, থ, দ, ধ, ন দন্তমূলীয় স্পর্শ ধ্বনিৰূপে ত ,থ ,দ ,ধ ,ন) উচ্চাৰণ কৰা হয়। গতিকে দেশী বিদেশী শব্দৰ মূর্ধন্য আখৰ বোৰ মূর্ধন্য আখৰেৰে নিলিখি ত - বর্গৰ আখৰ বোৰকেই দন্তমূলীয় আখৰ হিচাপে ব্যৱহাৰ কৰা উচিত। কাৰণ ত - বর্গৰ আখৰ মূলত দন্তমূলীয়হে আছিল। বর্তমানো দন্তমূলীয় উচ্চাৰণ কৰা হয় ।

ক্ষ (ক্ + ষ্ ) - সংস্কৃতীয়া উচ্চাৰণ নাই , অসমীয়াত 'খ্য' উচ্চাৰণ কৰা হয় ।

হ্য (হ্ + য় ) - অসমীয়াত 'জ্য ' বা জ্জহে উচ্চাৰণ হয় ।

ড় — অসমীয়াত উচ্চাৰণ কৰা নহয় , ই মূর্ধন্য তাৰিত অঘোষ অল্পপ্রাণ ধ্বনি। flapped ৰূপে উচ্চাৰিত হয়।

ঢ় - মূর্ধন্য তাৰিত কম্পিত ঘোষ মহাপ্রাণ 'ৰ্' বা ' ৰ্হ ' ৰূপে উচ্চাৰণ কৰা হয়।
যেনে — পঢ়া - পৰ্হা ৰেফযুক্ত ৰ্হ আখৰেৰে ঢ় ধ্বনি লিখিব পৰা যায় ।

তেনেকৈ ব্যঞ্জনবর্ণৰ লগত ব্যঞ্জন বা স্বৰধ্বনি যোগ হ'লে ব্যঞ্জনবর্ণৰ সংক্ষিপ্তৰূপ বা উপাখৰ ব্যৱহাৰ হয়। যেনে ৰ্ + অন্য ব্যঞ্জন ´, ৰেফ হৈ ব্যঞ্জনটোৰ ওপৰত লিখা হয়। যেনে -ৰ্ + ক = র্ক, ৰ + প = র্প, কিন্তু ব্যঞ্জনটোৰ পিচত ৰ থাকিলে ৰকাৰ হৈ ব্যঞ্জনটোৰ তলত লিখা হয়। যেনে - ক্ + ৰ = ক্ৰ , গ্ + ৰ = গ্ৰ , ত্ + ৰ = ত্ৰ , জ্ + ৰ = জ্ৰ, ত্ + ৰ্ + উ = ত্ৰু , শ + ৰ + উ = শ্ৰু , ক + ঋ = কৃ, হ + ঋ = হৃ , শ + ৰ + ঊ = শ্ৰূ । তেনেকৈ ব্যঞ্জনে ব্যঞ্জনে যুক্ত হ'লেও ব্যঞ্জনৰ উপাখৰ কিছুমান লগ লাগে। যেনে - হ + য় কাৰ হ্য (উচ্চাৰণ কিন্তু ভিন্ন হৈছে জ্জ উচ্চাৰিত হৈছে ) যেনে - উহ্য, কিন্তু উচ্চাৰণ উজ্জ হৈছে। জ + ঞ = জ্ঞ (উচ্চাৰণ গ্য), যেনে - জ্ঞানী, বিজ্ঞ। হ + ম = হ্ম, ব্ৰহ্মা, ব্ৰাহ্মণ, ক + ষ = ক্ষ, যেনে - বৃক্ষ, ৰুক্ষ, ভক্ষণ ইত্যাদি, ঞ + জ = ঞ্জ, ৰঞ্জন, ভঞ্জন ইত্যাদি।

## ২.০.২ অসমীয়া ব্যঞ্জন বর্ণৰ উচ্চাৰণ ঃ

## ২.০.৩ অসমীয়া স্পর্শ ধ্বনি ঃ

মুখবিবৰৰ দন্তমূল, তালু, জিহ্বামূল, আদিত জিভাখনৰ কোনো অংশই স্পর্শ কৰি নাইবা ভিতৰৰ পৰা নির্গত বায়ুধ্বনি প্রবাহ ওঠ দুটা লগ লাগি আবদ্ধ কৰি ৰাখি আকৌ মুকলি কৰি দিয়াত যিবোৰ ধ্বনি বিস্ফোৰিত হোৱাৰ দৰে উচ্চাৰণ হয়, সেইবোৰ ধ্বনিক স্পর্শধ্বনি plosives or stops কোৱা হয়। অসমীয়াত স্পর্শধ্বনি তিনি প্রকাৰৰ আছে। ঔষ্ঠ্য বর্ণ, দন্তমূলীয় বর্ণ আৰু কণ্ঠ্য বর্ণ। স্পর্শবর্ণ বোৰৰ অঘোষ (অল্পপ্রাণ আৰু মহাপ্রাণ), সঘোষ (অল্পপ্রাণ আৰু ভোভেৰীয়) আৰু অনুনাসিক বা নাসিক্য ধ্বনি আছে। তলৰ চিত্রত উক্ত বর্ণবোৰৰ উচ্চাৰণ স্থানসহ ধ্বনি গুণ বোৰ দাঙি ধৰা হৈছে ।

| উচ্চাৰণ স্থান | অঘোষ | | সঘোষ | | |
|---|---|---|---|---|---|
| | অল্পপ্রাণ | মহাপ্রাণ | অল্পপ্রাণ | ভোভেৰীয় | অনুনাসিক |
| ঔষ্ঠ্য বর্ণ | প / p / | ফ / ph / | ব / b / | ভ / bh / | ম / m / |
| দন্তমূলীয় বর্ণ | ত / *t* / | থ / *th* / | দ / *d* / | ধ / *dh* / | ন / *n*/ |
| কণ্ঠ্য বর্ণ | ক / k / | খ / kh / | গ / g / | ঘ / gh / | ঙ /ŋ / |

ঔষ্ঠ্য বৰ্ণৰ অঘোষ অল্পপ্ৰাণ প / p /, মহাপ্ৰাণ ফ / ph /, সঘোষ অল্পপ্ৰাণ ব / b /, ভোভেৰীয় ভ / bh /, আৰু অনুনাসিক ম / m / এই পাচঁটা বৰ্ণ।

দন্তমূলীয় বৰ্ণৰ অঘোষ অল্পপ্ৰাণ ত / *t* /, মহাপ্ৰাণ থ / *th* /, সঘোষ অল্পপ্ৰাণ দ / *d* /, ভোভেৰীয় ধ / *dh* /, অনুনাসিক ন / *n*/ এই পাচঁটা বৰ্ণ ।

কণ্ঠ্যবৰ্ণৰ অঘোষ অল্পপ্ৰাণ ক / k /, মহাপ্ৰাণ খ / kh /, সঘোষ অল্পপ্ৰাণ গ / g /, ভোভেৰীয় ঘ / gh /, আৰু অনুনাসিক ঙ / ŋ / এই পাচঁটা বৰ্ণ, মুঠতে অসমীয়াত স্পৰ্শবৰ্ণ পোন্ধৰটা।

লক্ষ্য কৰিবলগীয়া এই যে সংস্কৃতৰ দৰে বৰ্গৰ চতুৰ্থ বৰ্ণ সঘোষ মহাপ্ৰাণ বৰ্ণ নহয়, এই বৰ্ণবোৰ ভ, ধ, ঘ প্ৰকৃততে ভোৰ্ভোৰীয় বৰ্ণ, কাৰণ সঘোষ ধ্বনি মহাপ্ৰাণ aspirated উচ্চাৰণ কেতিয়াও হ'ব নোৱাৰে, তেনে স্থলত ধ্বনিটো ভোৰ্ভোৰীয় বা murmured ধ্বনিৰূপেহে উচ্চাৰিত হ'ব পাৰে। এইটো বিশেষকৈ ভাৰতীয় বিশেষত্ব। আৰ্য ভাষাত তালব্য চ- বৰ্গৰ চ, ছ একে উচ্চাৰণৰ, অসমীয়াত দুয়োৰে উচ্চাৰণ স্পৰ্শবৰ্ণ নহৈ দন্তমূলীয় উষ্মবৰ্ণ অঘোষ / চ / বা / *s* /, ধ্বনি হয়। জ আখৰটোৰ ধ্বনি সঘোষ দন্তমূলীয় উষ্মবৰ্ণহে উচ্চাৰণ কৰা হয়। ঝ আৰু ঞ আখৰৰ সংস্কৃত উচ্চাৰণ অসমীয়াত নাই। ঞ আখৰটো অসমীয়াত / ỹ / / ȷ̃ /ৰূপে উচ্চাৰণ হয়। গতিকে তালব্য ধ্বনিৰ সলনি চ আৰু ছ দন্তমূলীয় উষ্মধ্বনি চ /s / আৰু জ - আখৰটো দন্তমূলীয় ঘোষ উষ্ম জ / z / ৰূপে উচ্চাৰণ কৰা হয়।

অসমীয়া ব্যাকৰণত সংস্কৃত ভাষাৰ পৰা গ্ৰহণ কৰা তিনিটা বৰ্গ **তালব্য, মূৰ্ধন্য আৰু দন্ত্যবৰ্গৰ আখৰ থাকিলেও প্ৰকৃত সংস্কৃত উচ্চাৰণ অসমীয়া ভাষাত নাই**। বঙলা, হিন্দী, ভাষাৰ অনুকৰণত বৰ্ণমালাত ঠাই দিয়া হৈছে। অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য বৰ্গ দুটাৰ দন্ত্য আৰু মূৰ্ধন্য উচ্চাৰণৰ সলনি দন্তমূলীয় (alveolar) উচ্চাৰণহে আছে। অসমীয়া ব্যঞ্জনবৰ্ণ ফলাত যিটো দন্ত্যবৰ্গ বুলি সংস্কৃত ব্যাকৰণৰ মতে উল্লেখ কৰিছে, প্ৰকৃততে সেইবোৰ দন্ত্য বৰ্ণ নহয়। সেইটো বৰ্গ দন্তমূলীয় ধ্বনিৰ উচ্চাৰণ থকা বৰ্গহে। অসমীয়া ভাষাত ত, থ, দ, ধ, ন প্ৰকৃততে দন্তমূলীয় উচ্চাৰণৰ বৰ্ণহে। এই দন্তমূলীয় উচ্চাৰণ ইন্দো ইউৰোপীয় পৰিয়ালৰ ভাষাত আছে আৰু বেদ বা আদি প্ৰাচীন আৰ্যভাষাত ব্যৱহাৰ আছিল। প্ৰাচীন আৰ্যমূলৰ পৰা পৰম্পৰাৰূপে, উত্তৰ পুব ভাৰতৰ অসমীয়া ভাষাত এই দন্তমূলীয় ধ্বনি প্ৰচলিত হৈ আহিছে। উত্তৰ - পশ্চিম ভাৰতৰ উদীচ্য প্ৰাথমিক প্ৰাকৃতত দ্ৰাবিৰী ভাষাৰ প্ৰভাৱত প্ৰাচীন আৰ্যভাষাৰ দন্তমূলীয় ত - বৰ্গৰ ধ্বনিবোৰ দন্ত্য আৰু মূৰ্ধন্য নামৰ দুবিধ বৰ্ণলৈ পৰিবৰ্তিত হয়। মহৰ্ষি পাণিনিয়ে 'অষ্টাধ্যায়ী' ত এই দন্তমূলীয় বৰ্ণবোৰক দন্ত্য আৰু মূৰ্ধন্য নাম দি দুবিধ বৰ্গ কৰি ব্যাকৰণ সন্মত কৰিলে। পৰৱৰ্তীকালত পাণিনিৰ সংস্কৃত ভাষাৰ যোগেদি এইবোৰ সাহিত্যত প্ৰচলিত হৈ পৰে। দন্তমূলীয় ধ্বনি দন্ত্য আৰু মূৰ্ধন্য কৰা কাৰণে পাণিনিৰ ব্যাকৰণত ণত্ব আৰু ষত্ববিধিৰ সংযোজন ঘটে। প্ৰকৃততে এনেবোৰ বিধি অসমীয়া ভাষাত অনাৱশ্যক। কেৱল পৰম্পৰাৰূপে সংস্কৃত শব্দ ধাৰ কৰি গ্ৰহণ কৰোঁতে শব্দটোৰ বানানত অৰ্থৰ খেলি - মেলি নহ'লে অসমীয়া উচ্চাৰণ মতে আখৰ জোঁটনি কৰিলেও অসমীয়াত ভুল হ'ব নোৱাৰে। কাৰণ অসমীয়া ভাষা সংস্কৃত ভাষানহয়, সংস্কৃতঅসমীয়া ভাষাৰ জননীও নহয়। সংস্কৃতৰ পৰা অসমীয়া ভাষা জন্ম লাভ কৰা নাই। গতিকে এটা বেলেগ ভাষাৰধাৰ কৰা শব্দ অসমীয়া উচ্চাৰণ মতে গ্ৰহণ কৰাত বাধা থাকিব নোৱাৰে। অসমীয়া উচ্চাৰণ মতে লিখিলে ভুল বুলি কোৱাৰ থলো নাথাকে। ভুল শুদ্ধ সদায় আপেক্ষিক। বঙলা বা হিন্দি ভাষাত সংস্কৃতৰ তালব্য, দন্ত্য, মূৰ্ধন্য বৰ্গৰ ধ্বনি আছে বাবে এই বৰ্ণবোৰ সংস্কৃতৰ দৰে ব্যৱহাৰ কৰাত বানানৰ বিশেষ খেলি-মেলি নাথাকে। সেইবাবে বঙলাত বা হিন্দিত ব্যৱহাৰ হৈ আহিছে। কিন্তু অসমীয়াত এই তিনিটা বৰ্গৰ উচ্চাৰণ নাই।

আনহাতে বঙলা, হিন্দি আদি ভাৰতীয় ভাষাত অসমীয়াৰ দৰে দন্তমূলীয় ধ্বনি নাই। ইংৰাজী বা আন ইন্দোইউৰোপীয় ভাষা পৰিয়ালৰ দন্তমূলীয় উচ্চাৰণ থকা শব্দ গ্ৰহণ কৰিলে বঙলা, হিন্দি ভাষাত দন্তমূলীয় ধ্বনি নাই বাবে বাধ্য হৈ মূৰ্ধন্য বৰ্ণেৰে Transliterate কৰে। তাকে অনুসৰণ কৰি অসমীয়া ভাষীয়েও ইংৰাজী দন্তমূলীয় T.D.N. মূৰ্ধন্য আখৰেৰে লিখিবলৈ ধৰে। অসমীয়া ভাষাত খাচ দন্তমূলীয় ত - বৰ্গৰ আখৰবোৰ আছেই। আচল বৰ্ণ এৰি অন্য আখৰেৰে লিখাৰ কিবা আৱশ্যক আছে বুলি ভাবিব নোৱাৰি।

অসমীয়াত ঔষ্ঠ্যবৰ্ণ ব, ভ, ম, দন্তমূলীয় দ, ধ, ন, আৰু কণ্ঠ্য গ, ঘ, ঙ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ কেইটা উচ্চাৰণ কৰোঁতে বাগঙ্গৰ কণ্ঠনলীত থকা ঘোষতন্ত্ৰীৰ (vocal chords) কম্পন হয়, আৰু নিৰ্গত হোৱা শ্বাসবায়ু ধ্বনিযুক্ত হৈ বাহিৰলৈ ওলাই আহে। এনেবোৰ ধ্বনিকেই ঘোষধ্বনি (voiced) বোলে। আনহাতে বৰ্গ তিনিটাৰ প্ৰথম আৰু দ্বিতীয় বৰ্ণ ওষ্ঠ্য প, ফ, দন্তমূলীয় ত, থ, আৰু কণ্ঠ্য ক, খ উচ্চাৰণ কৰোঁতে কণ্ঠনলীত থকা ঘোষতন্ত্ৰীৰ (vocal chords) কম্পন স্বাভাৱিক নিঃশ্বাসৰ

দৰে অনুভূত হয়। সেইবাবে এইবোৰ ধ্বনিক অঘোষ (voiceless) ধ্বনি কোৱা হয়। উচ্চাৰণ পদ্ধতিৰ দিশেৰে বৰ্গ তিনিটাৰ প্ৰথম আৰু দ্বিতীয় বৰ্ণকেই শ্বাসবৰ্ণ (Breath Sounds বা Tenues বা voiceless বা unvoiced) আৰু তৃতীয়, চতুৰ্থ আৰু পঞ্চম বৰ্ণক ঘোষবৰ্ণ (voiced Sounds) বা নাদবৰ্ণ (Mediae) কোৱা হয়। এই বৰ্গ তিনিটাৰ দ্বিতীয় বৰ্ণ অৰ্থাত্ ওষ্ঠ্য ফ, দন্তমূলীয় থ, আৰু কণ্ঠ্য খ, বৰ্ণ কেইটা উচ্চাৰণ কৰোঁতে হ জাতীয় ধ্বনি প্ৰাণ বা নিশ্বাস (aspiration) যোগে ধ্বনিত হয়, এইবাবে এই ধ্বনি বোৰক মহাপ্ৰাণ (aspirated) ধ্বনি কোৱা হয়।

আনহাতে বৰ্গ তিনিটাৰ প্ৰথম আৰু তৃতীয় বৰ্ণ অৰ্থাত্ ওষ্ঠ্য প, ব দন্তমূলীয় ত, দ আৰু কণ্ঠ্য ক, গ উচ্চাৰণ কৰোঁতে হ জাতীয় ধ্বনি প্ৰাণ বা নিঃশ্বাস (aspiration) নাথাকে, এইবাবে এই ধ্বনি বোৰক অল্পপ্ৰাণ (unaspirated) ধ্বনি কোৱা হয়। আনহাতে বৰ্গ তিনিটাৰ চতুৰ্থ বৰ্ণ অৰ্থাত্ ওষ্ঠ্য ভ, দন্তমূলীয় ধ, আৰু কণ্ঠ্য ঘ বৰ্ণ কেইটা সংস্কৃত ভাষাৰ অনুকৰণত ঘোষ মহাপ্ৰাণ ধ্বনিৰ অৰ্ন্তভুক্ত হৈ আহিছে। আধুনিক ভাষাবিজ্ঞানত নিৰ্ণীত হৈছে যে কোনো ঘোষ (voiced) ধ্বনি মহাপ্ৰাণ (aspirated) হ'ব নোৱাৰে। তেনেহ'লে ঘোষ ধ্বনিটো ভোৰ্ভোৰীয় (murmured) ৰূপে উচ্চাৰিত হয়। সেইকাৰণে এই ব্যাকৰণত ভ, ধ, ঘ বৰ্ণ কেইটা ভোভোৰীয় বা (murmured) বৰ্ণ ৰূপে বিভাগ কৰা হৈছে।

## ২.০.৪ নাসিক্য বৰ্ণ ( Nasal Sounds) ঃ

প্ৰতি বৰ্গৰ শেষৰ বৰ্ণটি অথাত্ ম, ন, ঙ বৰ্ণ তিনিটাক অনুনাসিক উচ্চাৰণ হয় বাবে নাসিক্য ধ্বনি ৰূপে পৰিচিত। এই নাসিক্য বৰ্ণ কেইটাৰ ম ধ্বনি উচ্চাৰণ কৰাৰ সময়ত ওঁঠ দুটা জাপ খাই ন উচ্চাৰণ কৰোতে দাঁতৰ মূলত জিভা খনিয়ে স্পৰ্শ কৰি থাকি আৰু উচ্চাৰণ কৰোতে কণ্ঠৰ অংশ বিশেষত আলজিহ্বাই বাধা দি কণ্ঠনলীৰে নিৰ্গত হোৱা ধ্বনিত বায়ু বাধা প্ৰাপ্ত হৈ নাসিকা বিবৰেদিও শ্বাস ওলাই যোৱাৰ লগে লগে মুখবিবৰৰ বাধা আঁতৰি যায় আৰু তেতিয়া মুখ আৰু নাকেৰে একেলগে শ্বাসবায়ু নিৰ্গত হোৱাত যি ধ্বনি সৃষ্টি হয় তেনে ধ্বনিকেই নাসিক্য বৰ্ণ বা অনুনাসিক বৰ্ণ বোলে ।

ঔষ্ঠ্য নাসিক্য ধ্বনি উচ্চাৰণ হওঁতে ওঠ দুটা জাপ খাই বাধাৰ সৃষ্টি কৰে। তেতিয়া নাসিকা বিবৰ মুকলি থকাত সেই বিবৰেদি শ্বাসধ্বনি বাহিৰ হোৱাৰ লগে লগে ওঠ দুটাৰ বাধাও মুকলি হৈ মুখেৰেও ধ্বনি প্ৰবাহিত হৈ ঔষ্ঠ্যনাসিক্য ধ্বনি সৃষ্টি কৰে। 'ম' ধ্বনি ওষ্ঠ্যনাসিক্য ধ্বনি।

তেনেকৈ জিভাই দন্তমূলত নিৰ্গত বায়ু বাধা দি থাকোঁতে নাসিকা বিবৰেদি ধ্বনি বাহিৰ হোৱাৰ লগে লগে জিভাৰে দিয়া দন্তমূলৰ বাধাও মুকলি হৈ মুখ আৰু নাকেৰে ধ্বনিত বায়ু নিৰ্গতহৈ দন্তমূলীয় নাসিক্য বৰ্ণ ৰ সৃষ্টি হয়। 'ন'- দন্তমূলীয় বৰ্ণৰ নাসিক্য ধ্বনি।

কোমল তালু বা আলজিভাৰ অংশত নিৰ্গত বায়ু বাধাপ্ৰাপ্ত হৈ নাসিকা বিবৰেদি শ্বাস বায়ু ওলাই যোৱাৰ লগে লগে আলজিভাত হোৱা বাধাও মুকলি হৈ মুখ আৰু নাকেৰে শ্বাস বায়ু নিৰ্গত হৈ সৃষ্টি হোৱা ধ্বনিক কণ্ঠ্য নাসিক্য ধ্বনি কোৱা হয়। কণ্ঠ্যবৰ্গৰ 'ঙ' ধ্বনি কণ্ঠ্য নাসিক্য বৰ্ণ। এই ঙ ধ্বনিটো অসমীয়াত অনুস্বাৰ ং ৰূপেও ব্যৱহাৰ হয়।

## ২.০.৫ উষ্ম ধ্বনি ( Spirant আৰু fricatives ) ঃ
## চ /*s*/, জ / *z* /, হ / *h* / আৰু, স / *x* /

উপৰি উক্ত স্পৰ্শবৰ্ণ বোৰৰ বাহিৰে অসমীয়া ভাষাৰ ঘোষতন্ত্ৰী কম্পিত কৰি নিঃশ্বাসাশ্ৰয়ী কেইটিমান ধ্বনি ব্যৱহাৰ কৰা হয়। এইবোৰ ধ্বনি যিমান সময়লৈ শ্বাস থাকে সিমান সময়লৈ দীঘলীয়া কৰি উচ্চাৰণ কৰিব পাৰি। যেনে - আহ্ আহ্ হ্ হ্...... হ ধ্বনি, উহ্ হ্ হ্। ই চ্ চ্ চ্....চ ধ্বনি, স জ্ জ্ জ্....জ ধ্বনি, ই ধ্বনি অনুনাসিক আৰু স্বৰধ্বনিৰ বাহিৰে স্পৰ্শবৰ্ণ বোৰ এইদৰে দীঘলীয়াকৈ উচ্চাৰণ কৰি থাকিব নোৱাৰি। গতিকে যি বোৰ ধ্বনি জিভাখনিৰ অংশ বিশেষে মুখবিবৰৰ কোনো অংশ বিশেষত অৱস্থান লৈ কেৱল নিঃশ্বসিত ধ্বনি সংযত কৰি যিবোৰ ধ্বনি উচ্চাৰণ কৰা হয় - তাকেই উষ্মধ্বনি কোৱা হয়। উষ্ম শব্দৰ অৰ্থটোৱেই হৈছে নিঃশ্বাস। ইংৰাজীত spirants বা fricatives বোলে।

সংস্কৃতৰ তালব্য শ, মূৰ্ধন্য ষ, আৰু দন্ত্য স, sibilants ধ্বনিবোৰ এই উষ্মধ্বনিৰ উত্কৃষ্ট উদাহৰণ। এনেকৈ যিবোৰ ধ্বনি উচ্চাৰণ কৰিলে কণ্ঠৰ ঘোষতন্ত্ৰীৰ কঁপনি সম্ভুতধ্বনি বাৰুকৈ অনুভূত হয় - সেইবোৰ নিঃশ্বাস আশ্ৰিত উষ্ম ধ্বনিক আধুনিক ভাষাবিজ্ঞানত **fricatives** বোলে। সংস্কৃতৰ শ,ষ, স sibilants ইয়াৰ উত্কৃষ্ট উদাহৰণ। অসমীয়া ভাষাত অসমীয়া উচ্চাৰণৰ দন্তমূলীয় অঘোষ অল্পপ্ৰাণ চ /*s*/, ঘোষ অল্পপ্ৰাণ জ / *z* / আৰু কণ্ঠ্য ঘোষ হ / *h* / ধ্বনিবোৰ উচ্চাৰণ

কৰোঁতেও ঘোষতন্ত্ৰীৰ শ্বাসজনিত কঁপনি অনুভৱ কৰা যায়। সেইবোৰ চ, জ, হ অসমীয়া ভাষাৰ fricatives বৰ্ণ। আকৌ অসমীয়া ভাষাত আচুতীয়া উচ্চাৰণৰ জিহ্বামূলৰ পৰা উচ্চাৰিত হোৱা কণ্ঠ্য অঘোষ স / *x* / ধ্বনি আছে, এই ধ্বনিটো উচ্চাৰণ কৰিলে শ্বাসধ্বনিৰ দৰে সাধাৰণ ঘোষতন্ত্ৰীৰ কঁপনিহে অনুভৱ কৰা যায়। সেইবাবে আধুনিক ভাষাবিজ্ঞানত অসমীয়া স /*x*/ . ধ্বনিটোকহে যথাযথ spirant উষ্ম বোলা হৈছে। বাকী চ / *s*/, জ/ *z* /, হ / *h* / ধ্বনি কেইটাক fricatives কোৱা হয়। অসমীয়া ভাষাত চ /*s*/, জ /*z* /, হ / *h* / আৰু স / *x* / বৰ্ণকেইটাহে প্ৰকৃত পক্ষে যথাৰ্থ উষ্ম ধ্বনি। এইবোৰৰ উচ্চাৰণত সংস্কৃত আৰু অসমীয়া উচ্চাৰণৰ বিৰোধ থকা বাবেই অসমীয়া আখৰ জোঁটনিত খেলি মেলি লক্ষ্য কৰিব পাৰি। আমাৰ আগৰ পণ্ডিত সকলে এনেবোৰ বৈশিষ্ট্যলৈ যথাযথ মনোযোগ দিয়া নাছিল যেন লাগে।

## ২.০.৬ অন্তঃস্থ বৰ্ণ

## য়, ৱ, ৰ, ল

স্পৰ্শ বৰ্ণ আৰু উপৰি উক্ত উষ্ম বৰ্ণৰ মাজত বা অন্তঃ হোৱা কাৰণে য, ৱ, ৰ, আৰু ল ধ্বনিকেইটাক অন্তঃস্থ বৰ্ণ বোলা হয়। য আখৰটো সংসকৃত উচ্চাৰণৰ অৰ্ধস্বৰ ধ্বনিহে। কিছুমান প্ৰাকৃতত বিশেষকৈ কামৰূপ প্ৰাকৃতত সংস্কৃত তালব্য বৰ্গৰ বৰ্ণবোৰ দন্তমূলীয় উষ্ম ধ্বনি (fricative) হিচাপে ব্যৱহাৰ হ'বলৈ ধৰে।

**য / j /** বৰ্গীয় সঘোষ অল্পপ্ৰাণ 'জ' বৰ্ণটো অন্তঃস্থ 'য' ধ্বনিটোৰ প্ৰাকৃতিক উচ্চাৰণ য (জ) অৰ লগত একে ধৰণৰ উচ্চাৰণৰ ধ্বনি হৈ পৰে। সংস্কৃতীয়া 'য' আখৰটোৰ উচ্চাৰণৰ লগত বিৰোধ হোৱাত সংস্কৃতীয়া উচ্চাৰণ ৰক্ষা কৰিবলৈ পুৰণিকালত বিশেষকৈ প্ৰাকৃত যুগত আৰু বঙলা ভাষাত 'য' আখৰটোৰ তলত এটা ফুট দি 'য়' আখৰ সৃষ্টি কৰা হয়। এই 'য়' আখৰটিৰ উচ্চাৰণহে সংস্কৃতৰ অন্তঃস্থ 'য'। এই আখৰৰ উচ্চাৰণ সংস্কৃত বা অসমীয়া ভাষাৰ অৰ্ধস্বৰ (Semi vowel) ব্যঞ্জনৰ বৰ্ণমালাত য / j / উচ্চাৰণৰ ইঙ্গিত দিব পৰা ফুট থকাআখৰটোহে উল্লেখ থকা ভাল। 'য' আখৰটি তালব্য অৰ্ধস্বৰ হিচাপে বৰ্ণমালাত নাৰাখি কেৱল সংস্কৃত আখৰ চিনাকিত ৰখাই সমীচীন হ'ব।

ৱ বৰ্ণটো ঔষ্ঠ্য অন্তঃস্থ অৰ্ধস্বৰ। পুৰণি অসমীয়া পুথি, তামৰ ফলিত বহুক্ষেত্ৰত বৰ্গীয় 'ব' বৰ্ণৰ দৰে লিখা হৈছিল। বৰ্তমান অসমীয়াতো বহুক্ষেত্ৰত বৰ্গীয় 'ব' ৰূপে ব্যৱহাৰ হয়। যেনে - কবি, কবিতা, বেদ, বৰ্ণ ইত্যাদি ।
অন্তঃস্থ অৰ্ধস্বৰ 'ব' / *w* / আখৰটি যুক্তাক্ষৰতো ব্যৱহাৰ হৈ আহিছে। যেনে - দিত্ব, স্বত্ব, দাসত্ব, ইত্যাদি। এইবোৰ শব্দত যিটো ব্যঞ্জনবৰ্ণৰ পিচত ৱ যুক্ত হয় - উচ্চাৰণ কৰোঁতে সেই ব্যঞ্জন বৰ্ণটো দি ত্বৰূপে উচ্চাৰিত হয়। যেনে - দিত্ব - দইত্‌ত্অ, দাসত্ব-দআসঅত্‌ত্অ, পক্ক- পঅক্‌ক্অ ইত্যাদি ।

অসমীয়াত বহুক্ষেত্ৰত শ্ৰুতিধ্বনিৰূপে অৰ্ধস্বৰ 'ৱ' ব্যৱহাৰ হয়। যেনে - সেৱা, প + আ - প'ৱা পোৱা, তেনেকৈ খা + আ > খআ > খোৱা , হ + আ > হআ > হোৱা, যা + আ > যআ > যোৱা ইত্যাদি।

বিদেশী শব্দত *w* আখৰটো থাকিলে অসমীয়া ৱ বৰ্ণেৰে লিখা হয় । Railway ৰে'লৱে, Edward এ'দৱাৰ্দ, Wordsworth ৱাৰ্দচ্‌ৱাৰ্থ্, ইত্যাদি ।
ল - **/ *l* /** এটি দন্তমূলীয় অন্তঃস্থ বৰ্ণ। জিভাৰ আগভাগ দন্তমূলত স্পৰ্শ কৰি ৰাখি জিভাখনৰ দুয়ো কাষেৰে ঘোষতন্ত্ৰীৰ মাজেৰে নিৰ্গত হোৱা শ্বাসবায়ু ওলাই গ'লে ল - / *l* / ধ্বনি উচ্চাৰণ হয়। যেনে - লোক, লাভ, লোকচান ইত্যাদি।
ৰ - **/r /** এটি কম্পনজাত দন্তমূলীয় অন্তঃস্থ বৰ্ণ । জিভাৰ আগভাগ একাধিকবাৰ কপাঁই দন্তমূলত আঘাত কৰিলে এই ধ্বনি সৃষ্টি হয় । ইয়াক কম্পিত অন্তঃস্থ বৰ্ণ কোৱা হয়। বঙলা আৰু ইংৰাজী ৰ ধ্বনিতকৈ অলপ পাৰ্থক্য থকা লক্ষ্য কৰিব পাৰি । ৰ আৰু ল ধ্বনি দুটা অৰ্ধস্বৰ, তৰল ধ্বনি liquid ও বোলে। এই ধ্বনি কেইটাৰ অন্তৰ্নিহিত অ ধ্বনিটো বাদ দিলে ই = য়্, উ = ৱ্, ঋ = ৰ্ আৰু ঌ = ল্ স্বৰধবনি হৈ পৰে। ব্যঞ্জন আৰু স্বৰধ্বনি উভয় ৰূপে ব্যৱহাৰ হ'ব পাৰে।

## ২.০.৭ অনুস্বাৰ (ং) আৰু বিসৰ্গ ( ঃ)ঃ

এই দুয়োটাকে সংস্কৃত ভাষাত 'অযোগবাহ' বৰ্ণ বুলি কোৱা হয়, কাৰণ অন্য স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ সৈতে যোগ নহৈ সুকীয়াকৈ ব্যৱহাৰ হৈ পূৰ্ববৰ্তী স্বৰধ্বনিৰ আশ্ৰয়ত নিজৰ কাৰ্য বহন কৰে মাথোন। স্বৰবৰ্ণমালা আৰু ব্যঞ্জনমালাৰ বাহিৰৰ ধ্বনি অসমীয়াত কণ্ঠ্যবৰ্গৰ অনুনাসিক 'ঙ' বৰ্ণৰ উপাখৰ ৰূপে ং অনুস্বাৰ ব্যৱহাৰ হয়। সংস্কৃত 'ঙ' ধ্বনিটো হিন্দী আৰু উত্তৰ ভাৰতত 'ন্' আৰু দক্ষিণভাৰতত 'ম্' ৰূপেব্যৱহাৰ হয়। অসমীয়াত অনুস্বাৰেই কণ্ঠ্য অনুনাসিক 'ঙ' বৰ্ণ।
যেনে - বাংলা - অসমীয়াত বঙলা, ৰং — ৰঙ্, চং -চঙ্, ইত্যাদি ।

বিসৰ্গ প্ৰকৃততে উষ্ম অঘোষ কণ্ঠ্য 'হ' / *h* / ধ্বনি। ইয়াৰ সংযোগত অল্পপ্ৰাণ ধ্বনিবোৰ মহাপ্ৰাণ ধ্বনিলৈ ৰূপান্তৰিত হ'ব পাৰে। কিন্তু সাধাৰণ 'হ' / *h* / ধ্বনিটো ঘোষ, কণ্ঠ্য (voiced) উষ্মবৰ্ণ। বিসৰ্গ ধ্বনিৰ উচ্চাৰণ আঃ! উঃ! আদি বিস্ময় বুজোৱা শব্দৰ শেষৰ স্বৰধ্বনিৰ লগে লগে উচ্চাৰিত 'হ' / *h* / ধ্বনিত উপলব্ধি কৰিব পাৰি। পূৰ্বস্থিত স্বৰধ্বনিক অৱলম্বন কৰি বিসৰ্গ উচ্চাৰিত হোৱাত পূৰ্বস্বৰৰ উচ্চাৰণ স্থান অনুসৰি বিসৰ্গৰো উচ্চাৰণ স্থানৰ পৰিৱৰ্তন হয়। আ, ম, উ আদি কণ্ঠ্যস্বৰৰ পিচত থকা বিসৰ্গ কণ্ঠ্যৰূপে উচ্চাৰণ হয় ; ই, এ আদি তালব্য স্বৰৰ পিচত থকা বিসৰ্গ সদায় তালব্য ধ্বনিৰূপে উচ্চাৰণ কৰা হয়। এনেকৈ উচ্চাৰণ কৰোঁতে বিসৰ্গৰ অঘোষ কণ্ঠ্য 'হ' / *h* / ধ্বনিটোৱে পূৰ্বস্থিত স্বৰবৰ্ণৰ ধ্বনিটোৰ অনুৰূপে উচ্চাৰণত অনুৰণন কৰে - প্ৰলম্বিত হব পাৰে । অৰ্থাত একেৰাহে শ্বাস থকা পৰ্যন্ত 'হ' / *h* / ধ্বনিটো উচ্চাৰণ হৈ থাকিব পাৰে। যেনে - উঃ! উ হ্ হ্ হ্ ......হ্া, ইঃ ! ই স্ স্ স্ ......স্ ( স / *x* / )।

## ২.০.৮ চন্দ্ৰবিন্দু ঃ

স্বৰধ্বনিবোৰ উচ্চাৰণৰ সময়ত মুখখন উন্মুক্ত হৈ থাকে। বাগঙ্গৰ শ্বাসনলীৰে শ্বাসবায়ু প্ৰবাহিত হৈ মুখেৰে নিৰ্গত হয়। কোনো স্বৰধ্বনিৰ উচ্চাৰণৰ স্থানত নিৰ্গত বায়ু জিভাৰ কোনো অংশেৰে বা ওঠ দুটাই বাধা দিয়াৰ লগে লগে যদি শ্বাসবায়ু মুখ আৰু নাকেৰে বাহিৰ ওলাই আহে আৰু মুখেৰেও ওলাই আহে তেতিয়া সেই স্বৰধ্বনিটো অনুনাসিক ধ্বনিযুক্ত হৈ পৰে। প্ৰতিটো স্বৰবৰ্ণই ইদৰে নাসিকা বিবৰেৰেও শ্বাসবায়ু নিৰ্গত কৰাত নাসিক্য ধ্বনি হব পাৰে। অসমীয়াত এনে অনুনাসিক লিখোঁতে চন্দ্ৰবিন্দু ব্যৱহাৰ কৰা হয়। অসমীয়াত সকলো বিলাক স্বৰধ্বনিয়ে অনুনাসিক হ'ব পাৰে। যেনে - আ -আঁ, ই -ইঁ, উ -উঁ, এ - এঁ, ও - ওঁ ইত্যাদি। ইংৰাজী, হিন্দি, আদি ভাষাতকৈ অনুনাসিক ধ্বনিৰ ব্যৱহাৰ অসমীয়াত অৰ্থসাপেক্ষ (phonemic) কিয়নো একে সদৃশ পৰিবেশত ( identical environment ) অত অনুনাসিক ধ্বনিৰ ব্যৱহাৰ অসমীয়া ভাষাত দেখা যায়। যেনে - আচল -আঁচল, সাজ - সাঁজ, শো - সোঁ, তেও - তেওঁ ইত্যাদি।

# ২. দ্বিতীয় অধ্যায়
# শব্দ, সাৰ্থ, সৰ্গ, অৰ্ধ সৰ্গ

## ২.১ শব্দ (Word) ঃ

মানুহে পৰিদৃশ্যমান জগতৰ দেখা - নেদেখা, অনুভৱ কৰা, কল্পনা কৰি অনুভৱ কৰা বস্তু, স ম্পদ, ভাব -চিন্তা, পঞ্চজ্ঞানেন্দ্ৰিয়ৰে অনুভৱ কৰা সকলোকে পৰিচয় জ্ঞাপন কৰিবলৈ বাক ধ্বনিৰ আশ্ৰয়ত এক বা একাধিক ধ্বনি উচ্চাৰণ কৰি পাৰস্পৰিক ভাব বিনিময় কৰিবলৈ চেষ্টা কৰা হয়। এনেকৈ দেখা - নেদেখা মূৰ্ত- অমূৰ্ত বস্তু আদিক এক বা একাধিক ধ্বনি বা ধ্বনিসমষ্টিৰে পৰিচয় জ্ঞাপন কৰা ভাষিক বাক্যৰ মুক্ত অথচ আটাইতকৈ ক্ষুদ্ৰ অৰ্থযুক্ত অংশটোকেই সাধাৰণতে শব্দ Word বোলে। এনে শব্দ Word বাস্তৱ জগতৰ বস্তুৰে বস্তুৰে ঘৰ্ষণত সৃষ্টি হোৱা বিভিন্ন ধ্বনিৰ বা শব্দতকৈ (Sound) বেলেগ। কিয়নো প্ৰাকৃতিক (Natural) শব্দবোৰৰ কোনো অৰ্থ নাথাকে, আনহাতে মানুহৰ মুখনিসৃত ভাষিক শব্দবোৰৰ মাজত বিশেষ বিশেষ অৰ্থ নিহিত হৈ থাকে। উচ্চাৰণৰ ক্ষেত্ৰতো অঞ্চল বিশেষে বিভিন্ন হ'ব পাৰে।

## ২.২ সাৰ্থ (Contentives) ঃ

এনে ভাষিক শব্দই উচ্চাৰণৰ লগে লগে বা লিখিত ৰূপত চকুৰে দেখাৰ লগে লগে শব্দটোৱে একোটা ভাব, একোখন ছবি মনৰ মাজত জগাই তোলে, শুনোতাজনে বা পঢ়োঁতাজনে সেই শব্দবোৰ সহজে বুজি উঠে। কিন্তু যদি মুখেৰে বিশৃঙ্খল ভাবে ধ্বনি উচ্চাৰণ কৰি বা লিখা অৱস্থাতো ভাব প্ৰকাশ কৰিব নোৱাৰা ধ্বনি প্ৰতীকৰ সমষ্টিকে বিশৃঙ্খল আখৰ জোঁটনিৰে লিখে - তেতিয়া সেইবোৰ ভাষিক শব্দ হ'ব নোৱাৰে। তাতে আকৌ শব্দ বুলি বাস্তৱৰ ধ্বনি পুষ্ট শব্দৰ লগত সমৰূপ হৈ পৰাত দ্ব্যৰ্থক (Ambiguous) হৈ পৰে। গতিকে যিবোৰ শব্দই মানুহৰ মনত একোটি ভাব, একোখন চিত্ৰ, অৰ্থাৎ একোটি বা একাধিক অৰ্থ জগাই তুলিব পাৰে, সেইবোৰ শব্দকেই ভাষাবিজ্ঞানত আলোচনাৰ সুচলতাৰ অৰ্থে সাৰ্থ (Contentives) কোৱা হৈছে। এইবোৰেই অভিধানত সন্নিৱিষ্ট হৈ থাকে। গতিকে ভাষা এটিৰ ব্যাকৰণগত সাৰ্থ সমূহহে ভাষিক সামৰ্থ্য (Linguistic Competence) আৰু বাক্ ব্যৱহাৰ (Performance) অত আৱশ্যক হয়। ব্যাকৰণত সুশৃঙ্খল আৰু সুবিন্যস্ত কৰি সাৰ্থবোৰৰ স্বৰূপ নিৰ্ণয় কৰা হয়।

গতিকে সাৰ্থ (Contentive) বিভিন্ন দিশৰ পৰা লক্ষ্য কৰিলে ইয়াক অন্তঃগঠনৰ স্থিৰতা (Internal Stability) আৰু বহিচৰণৰ সক্ষমতা (External mobility) থকা সঠিক সাৰ্থ (Contentive) বুলি কব পাৰি। ভাষাবিজ্ঞানেই এনে সঠিক ৰূপকেই অৰ্থবহ ভাষিক গোট (Contentive) হিচাপে বিশ্লেষণৰ সমল কৰি লৈছে। গতিকে

১ সাৰ্থ ধ্বনিগত আকাৰ থকা পূৰ্ণ গোট। (Physical unit )

২ সাৰ্থ বাক বিন্যাসৰ ব্যাকৰণগত উপাদান সমৃদ্ধ অপৰিহাৰ্য গোট ।

৩ সাৰ্থবোৰ মূলতঃ অৰ্থবহ (Meaningful )

৪ প্ৰধানকৈ সাৰ্থবোৰ অন্তঃগঠনৰ স্থিৰতা আৰু বহিৰ্চৰণৰ সক্ষমতা থকা ভাষিক গোট ।

সাৰ্থ শব্দটো বিভিন্ন ব্যাকৰণবিদ্ ভাষাবিজ্ঞানী আৰু দাৰ্শনিক পণ্ডিতসকলে 'Full word', 'Content word', 'bone', 'Auto-Semantic word', 'Lexical word', আদি শব্দ ব্যৱহাৰ কৰিছে। সাৰ্থহে ভাব প্ৰকাশৰ বাক্যৰ সুনিৰ্দিষ্ট পদ হ'ব পাৰে। অৰ্থহীন ধ্বনি বা ধ্বনিসমষ্টি শব্দৰূপে ব্যৱহাৰ কৰি পদ গঢ়িলেও তেনেবাক বা বাক্য নিৰৰ্থক হ'ব । well- formed বাক্যহে ভাষাবিজ্ঞানৰ বিচাৰ্য বিষয়। ব্যাকৰণৰো বিশ্লেষণৰ সামগ্ৰী।

সাৰ্থ শব্দটোৰ মাজত কিছুমান অৰ্থগত উপাদান (components) অন্তৰ্নিহিত হৈ থাকে। বাক বা ভাষাত এইবোৰ লক্ষণযুক্ত সাৰ্থ ব্যৱহাৰ হওঁতে প্ৰসঙ্গ সঙ্গতি মতে বিভিন্ন সৰ্গ গ্ৰহণ কৰে। সৰ্গৰ ব্যৱহাৰত সাৰ্থৰ অৰ্থৰ বিকাশ ঘটে, কেতিয়াবা অৰ্থৰ পৰিৱৰ্তন ঘটায়। তেনে প্ৰসঙ্গ সঙ্গতিয়েহে যথাযথ ভাব ধাৰণা বা অৰ্থখিনি পৰিস্ফুট কৰে।

গতিকে সাৰ্থৰ মাজত অন্তৰ্নিহিত হৈ থকা অৰ্থগত উপাদান বোৰেহে আন আন সৰ্গৰ সহায়ত বাক গঠনৰ প্ৰকাৰ্য সমাধা কৰে। উদাহৰণ হিচাপে *মানুহ* এটি সাৰ্থ (Contentive)। এই *'মানুহ'* সাৰ্থৰ অৰ্থগত উপাদানবোৰ বিচাৰিলে আমি পাম - মানুহ নামৰ জীৱ জ্ঞান বুদ্ধি থকা প্ৰাণীটোৰ চিনাকি হব , [+ গণ্য (Countable) + প্ৰাণী, + নৃ (+HUM), ± পুং (±MASC) ± বহুবচন (±PLUR)] বৰ্গীকাৰ, আৰু বাক্যব্যৱহাৰত পুৰুষ আৰু কাৰক নিৰ্দেশক সংযুক্ত হৈ পৰে।

ককাই শব্দটোৰ মাজত আছে - মোৰ / আমাৰ বৰভাই + নৃ + পুং - বহুবচন। তেনেকৈ *'বৰলা'* সাৰ্থৰ মাজত আছে বিশ্বজনীন ভাব উপাদান(Components) এনে ধৰণৰ হব + নৃ + পুং +বয়স্ক - বহুবচন- বিবাহিত।

ইয়াৰ বিপৰীত 'চিৰকুমাৰী' সাৰ্থৰ ভাব উপাদান এনে ধৰণৰ —

চিৰকুমাৰী + নৃ + বয়স্ক - পুং - বিবাহিত।

'বৰলা' সাৰ্থৰ লগত বৰ্গীকাৰ জন নিৰ্দেশক আৰু

'চিৰকুমাৰী' সাৰ্থৰ লগত বৰ্গীকাৰ 'জনী' যোগ হব পাৰে।

এনেকৈ সাৰ্থবোৰ ব্যাকৰণগত আৰু ভাষাগত উপাদান লিঙ্গ, বচন, কাৰক, পুৰুষ আৰু বিশেষ বিশেষ অৰ্থত নিৰ্দেশক সৰ্গ গ্ৰহণ কৰি পূৰ্ণভাব প্ৰকাশক হৈ গঢ়ি উঠে ।

## ২.৩ সৰ্গঃ (Functors)

ভাবৰ আদান - প্ৰদানত ভাষা - ভাষীয়ে কেৱল সাৰ্থ তথা ভাষিক মুক্তৰূপৰ উল্লেখেৰে মনৰ সম্পূৰ্ণ ভাব প্ৰকাশ কৰিব নোৱাৰে। ভাব প্ৰকাশক বাক্য এটি গঢ়িবলৈ সাৰ্থৰ লগত যিবোৰ মুক্ত বা বদ্ধৰূপ ব্যৱহাৰ কৰি পূৰ্ণভাব প্ৰকাশ কৰা হয় সেই মুক্ত বা বদ্ধৰূপ বিলাকেই অৰ্থক্ষেপক বা সৰ্গ (Functors)। ভাব গঠনত ভাবৰ সঙ্গতি ৰাখি বাক্যত ব্যৱহৃত সাৰ্থৰ পূৰ্ণতাৰ প্ৰকাশৰ বাবে এই সৰ্গ বা অৰ্থক্ষেপকবোৰে নিৰ্দিষ্ট কিছুমান প্ৰকাৰ্য (Function) সাধন কৰে। তেনে প্ৰকাৰ্য Function অনুযায়ী সৰ্গবোৰক বিভাগ কৰা হয়। ভাষাবিজ্ঞানী দাৰ্শনিকসকলে এই সৰ্গবোৰকেই Functor Form-words, Flesh-forms, Meaning-alternants, Function-Words, Empty-words, Pseudo-Words, Grammatical-words, Structure-words আদি বিভিন্ন নামেৰে বুজোৱা হৈছে। সংস্কৃত ব্যাকৰণত থকা ব্যৱহাৰৰ দিশেৰে তথাকথিত প্ৰত্যয় তথা তদ্ধিত, কৃত্ প্ৰত্যয়, বিভক্তি, শব্দবিভক্তি আৰু ক্ৰিয়া বিভক্তি, বিভিন্ন অনুপদ, অব্যয় শব্দ, সৰ্বনাম আদিকেই আধুনিক ব্যাকৰণত সি বোৰৰ প্ৰকাৰ্য Functions অনুযায়ী সৰ্গৰ অৰ্ন্তভুক্ত কৰা হৈছে। ব্যাকৰণত দুই প্ৰকাৰৰ সৰ্গ আছে

(ক) মুক্তসৰ্গ (Free Functors)

(খ) বদ্ধসৰ্গ (Bound Functors)

মুক্তসৰ্গ বোৰ এনেধৰণৰ -

১. পুৰুষ নিৰ্দেশক (person deixis)
   সলনি বা বিকল্প সূচক ( Substitutes) তথা ব্যাকৰণত উল্লেখিত পুৰুষ বুজোৱা মুক্তসৰ্গ।
   যেনে - মই,তই,তুমি, সি, সিহঁত, তাই, ই, (স্ত্ৰী), সেই, সৌ ইত্যাদি।
   এইবোৰ সাৰ্থ নহয়।
২. মিতিবাচক (Quantifiers) প্ৰত্যেক, কিছু , কিছুমান, চেৰেক, কোনোবা, অলপ, অলপমান, কম, তাকৰ, বহু , সৰহ , বেচি, নানা, নানান, গোটেই , আটাই
৩. নিৰ্দিষ্ট বাচক ( Determiners) এই, সেই, সৌ
৪. সম্বোধনৰ পুৰুষ নিৰ্দেশক (Person markers of vocative terms) হেৰা, হেৰি, হেৰৈই
৫. সংযোজক (Conjunctive) আৰু
৬. বিযোজক (Disjunctive) বা, নাইবা, অথবা
৭. চৰ্তসাপেক্ষ যোজক(Hypothetical Conjunctives)যদি, তেন্তে
৮. অনুৰূপ
৯. অনুকাৰ
১০. ক্ৰিয়াভাবী সৰ্গ (Modal markers)
১১. সীমিতকাৰ (Limiters)

বদ্ধসৰ্গ বোৰ এনেধৰণৰ -

১. বিভিন্ন বৰ্গীকাৰক (Classifiers) যেনে -

ক) গণ্য বৰ্গীকাৰক sortal,

খ) অগণ্য বৰ্গীকাৰক mensural,

গ) থুপ বৰ্গীকাৰক multitude

২.   বহুত্ব নিৰ্দেশক ( Plurality deixis) বোৰ, বিলাক, হঁত, সকল, লোক
৩.   লিঙ্গ নিৰ্দেশক (Gender deixis) আ, ঈ, নী, অনী, উনী
৪.   দশা নিৰ্দেশক (Aspect markers)
৫.   কাৰক নিৰ্দেশক (Relational markers) এ, ক, ৰ, ত
৬.   দৃঢ়তাবাচক সৰ্গ (Emphatic) হে
৭.   ভুক্তিবাচক সৰ্গ (Inclusive) ও
৮.   সম্বন্ধপদৰ পুৰুষ নিৰ্দেশক (Person-markers of Kinship terms) আই, (এ)ৰ, এৰা, এক
৯.   ক্ৰিয়াৰ পুৰুষ নিৰ্দেশক (Person-markers of verb) ওঁ, অ, আ, এ
১০.  পূৰ্ণতা বাচকযোজক (Conjunctive) ই, ইলে, ইলত
১১.  গঠনকাৰী সৰ্গ- Formatives (ক) নাম বাচক
(খ) ক্ৰিয়া বাচক

## ২.৪ অৰ্ধ সৰ্গ ( seudo - Functors) ঃ

অসমীয়া ভাষাত ইংৰাজী over, above, under, out, outside, in, inside, side, before, after, preposition বোৰৰ দৰে শব্দ আছে। যেনে - উপৰি, ভিতৰ, বাহিৰ, তল, কাষ, কিনাৰ, আগ, পাচ, মাজ আৰু লগ। এইবোৰ অসমীয়াত সাৰ্থ নহয়। অথচ ইহঁতৰ লগত কেইটামান বিশেষ কাৰক নিৰ্দেশক যোগ কৰি বাক্যত ব্যৱহাৰ কৰা হয় ঘৰৰ **উপৰত**, কোঠাৰ **ভিতৰত**, **মাজত**, স্কুলৰ **বাহিৰত**, টেবুলৰ **তলত**, নাদৰ **কিনাৰত** বা **কাষত**, বাকচৰ **কাষত**, ঘৰৰ **আগত**, বাৰীৰ **পাচত**, মাকৰ **লগত** ইত্যাদি অধিকৰণৰ ৰূপত ব্যৱহাৰ হৈ আহিছে। **ভিতৰৰ পৰা বাহিৰলৈ**, **তলৰ পৰা ওপৰলৈ**, **আগে - পাচে**, লগে - ভাগে, মাজে - সময়ে আদি কাৰক নিৰ্দেশক ব্যৱহাৰ হৈ আহিছে। সেইকাৰণে এনেবোৰ সৰ্গক অৰ্ধসৰ্গ seudo - Functors বোলা হয়।

# তৃতীয় অধ্যায়

## ৩.০ সাৰ্থ ( Contentives )

বিশেষ বা স্বতন্ত্ৰ বস্তু, পদাৰ্থ ,জীৱ, মনৰ ভাব,পদাৰ্থৰ কাৰ্য,আদি প্ৰকাশ কৰিব পৰা মানুহৰ মুখৰ পৰা প্ৰকাশ পোৱা এক বা একাধিক ধ্বনি বা ধ্বনিসমষ্টি বা সেইবোৰ লিপিচিনেৰে লিখা ৰূপকেই সাধাৰণতে শব্দ (words) বুলি কোৱা হয় । সেই শব্দবোৰ উচ্চাৰণ কৰাৰ লগে লগে এক বা একাধিক বিশেষ ভাব প্ৰকাশ পায় কাৰণে সিহঁতক সাৰ্থ (Contentives ) বোলে। অসমীয়া বাক্যৰ ভাব প্ৰকাশত ব্যৱহাৰ হোৱা এনে সাৰ্থ (Contentives) বোৰক প্ৰধানকৈ তিনি প্ৰকাৰে আলোচনা কৰিব পাৰি । যেনে - (১) বিশেষ্য, (২) বিশেষণ, আৰু (৩) ক্ৰিয়া ( ধাতু আৰু ক্ৰিয়া পদ ব্যৱহাৰ)।

## ৩.১. বিশেষ্য ঃ

বিশ্বজগতত দেখা পোৱা, দেখা নোপোৱা, দৃশ্যজগতৰ সকলো বস্তু , গেছীয় বা জলীয়, ভাবৰ সূচক কল্পিত কথা - ভাব, স্থিতি থকা বা স্থিতি নথকা, প্ৰাণী বা অপ্ৰাণীৰ পৰিচয় জ্ঞাপক, সাৰ্থকে বিশেষ্য বুলি কোৱা হয, সেই কাৰণে নাম মাত্ৰ **বিশেষ্য** বুলি কোৱা হয়। আমি চকুৰে দেখা, কাণেৰে শুনা, দৃশ্যমান জগতৰ জীৱ, প্ৰাণহীন বস্তু, বিভিন্ন গুণ, ক্ৰিয়া, ঘটনা, অনুভব কৰা, সং ঘাত, সুখ-দুখ, আদি বাস্তৱ জগতৰ সামগ্ৰী এইবোৰক বিশেষ বিশেষ নামেৰে পৰিচয় লাভ কৰিবলৈ বা পৰিচয় কৰি দিবলৈ ব্যৱস্থা কৰো। বিশেষ ভাবে চিনাকি পাব পৰা নামবোৰকেই **বিশেষ্য** বুলি কোৱা হয়। জগতৰ বুকুত আকাশে, সাগৰে, মাটিত অনেক জীৱ-জন্তু , গছ-গছনি কীট- পতঙ্গ, থকাৰ উপৰিও অগণন প্ৰাণী আছে , অগণন বস্তু বাহানি আছে , এই সকলোৰে নিজৰ-নিজৰ আকাৰ, প্ৰকৃতি, বৰণ আদি বিভিন্ন, এই আটাইৰে পৰিচয় লাভৰ বাবে মানুহে সিবোৰৰ পৰিচয় সূচক নামেৰে অভিহিত কৰে, জাতি অনুযায়ী জীৱজগতৰ প্ৰাণীবোৰক নাম দি বিভাজন কৰে, জন্তু নামেৰে চাৰিঠেঙীয়া ঘৰচীয়া বা বনৰীয়া প্ৰাণীবোৰক **বাঘ, সিংহ, শিয়াল, হাতী, জিৰাফ, জেব্ৰা, কুকুৰ, মেকুৰী, আদি নামেৰে পৰিচয় জ্ঞাপক নাম দিয়ে। তেনেকৈ জগতৰ মানুহৰ নাম, নৈ, বিল, পৰ্বত - পাহাৰ** আদিৰ নাম, ঘৰত ব্যৱহাৰ হোৱা প্ৰতি বস্তুৰে পৰিচয় জ্ঞাপক নাম, সমাজত ব্যৱহাৰ হোৱা দৈনন্দিন ব্যৱহাৰ্য বস্তু তথা সম্পত্তি আদিৰ বিশিষ্টকৈ চিনিব পৰা নামবোৰকেই **বিশেষ্য** কোৱা হয়।

এনে নাম শব্দ বহু প্ৰকাৰৰ পাব পাৰো। নাম শব্দটোৱে বুজোৱা বা সুচোৱা বাস্তৱৰ বস্তুৰ আকাৰ, প্ৰকৃতি, বৰণ অনুযায়ী সেইবোৰক বিভাজন কৰি বিভাগ বোৰ কৰা হয়। মুঠতে নাম শব্দৰ নিম্নলিখিত প্ৰকাৰ কেইটিৰে বিভাজন কৰিব পাৰি - (১) জাতিবাচক বা প্ৰাণীবাচক (২) সংজ্ঞাবাচক (৩) বস্তুবাচক (৪) গুণবাচক (৫) ক্ৰিয়াবাচক (৬) ভাববাচক (৭) সম্বন্ধবাচক (৮) সমষ্টিবাচক (৯) পৰিমানবাচক (১০) জোখবাচক

### (১) জাতিবাচক ঃ

পৃথিৱীত বসবাস কৰা বিভিন্ন প্ৰাণীয়ে মাটি, পানী, আকাশত বিচৰণ কৰে। এই প্ৰাণীবোৰক বিভিন্ন জাতি বা শ্ৰেণীত ভাগ কৰা হয়। জাতিবাচক নাম বুজোৱা শব্দবোৰক জাতিবাচক বিশেষ্যৰ অৰ্ন্তভুক্ত কৰিব পাৰি। যেনে - **মানুহৰ নাম** - যদু , মধু, হিন্দু, মুচলমান, খৃষ্টিয়ান, ইহুদি আদি ধৰ্মীয় লোকৰ নাম ইত্যাদি।

মানুহ এবিধ জীৱ বা প্ৰাণী। প্ৰাণীৰ থাকিবলগীয়া অৰ্থগত উপাদান (Component) বোৰ বিশেষকৈ লিঙ্গ, বচন মানুহ নামৰ জীৱৰ লগত জৰিত।

### বহুত্বাৰ্থী ঃ

এক বা একাধিক বুজাবলৈ বিশেষ্যৰ পাচত এক বুজোৱা কিছুমান সৰ্গ আৰু একাধিক বুজাবলৈ কিছুমান বহুত্ববোধক সৰ্গ ব্যৱহাৰ কৰা হয়। মানুহ বুলিলে পৃথিৱীৰ সমগ্ৰ মানৱ জাতিৰ মানুহকেই বুজোৱা হয়। গতিকে জাতিবাচক সাৰ্থই সেই জাতিৰ সামগ্ৰিক গোটবোৰকেই বুজায়। কিন্তু মানুহটো বা মানুহজন বুলিলে বিশেষ এজন ব্যক্তিক বুজায়। একাধিক 'মানুহ' বুজাবলৈ বহু ত্ববাচক সৰ্গ **বোৰ, বিলাক, হঁত, সকল,** লোক ব্যৱহাৰ হয় - মানুহবোৰ, মানুহবিলাক (দ্ৰষ্টব্য - **৬.৬.৫ বহুত্বাৰ্থী সৰ্গ** )

জৈৱ হ'লে দুইভাগত ভগাব পাৰি - (ক) মানৱ (Human বা+ নৃ), (খ) জন্তু বা পশু - নৃ, (Non human) মানৱ হ'লে কিছুমান বিশেষ লক্ষণ নিহিত হৈ থাকে ( ±পুং) লিঙ্গ Gender), ± বহুবচন(Number), ±পুং(লিঙ্গ) ± বয়স্ক

+ নৃ শব্দৰ পৰিচয় দিলে + HUM ± MALE ± PLUR ± AUDLT
কিন্তু পশুত হলে - নৃ, (Non human)
লিঙ্গ ( ±পুং) আৰু বচন ( ±বহুবচন), বয়স্ক (±বয়স্ক ) ।

বাঘ শব্দৰ পৰিচয় জ্ঞাপক + ANIM ± MALE ± PLUR ± AUDLT

জন্তু বা পশুৰ ক্ষেত্ৰত সাধাৰণতে পুং বুজাবলৈ *মতা* আৰু স্ত্ৰী বুজাবলৈ *মাইকী* সৰ্গ ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি সংস্কৃত ভাষাৰ আদৰ্শত পশুবাচক শব্দটোৰ পাচত *ঈ, বা নী, অনী বা ইনী* আদি সৰ্গ যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। (দ্ৰষ্টব্য — ষষ্ঠ অধ্যায় ঃ লিঙ্গ বাচক সৰ্গ )

## (২) সংজ্ঞাবাচক ঃ

যি পদে কোনোবিশেষ ব্যক্তি নাইবা বিশিষ্ট নদী, পৰ্বত, চহৰ, নগৰ, বস্তু আদিৰ নাম বুজায় তাক সংজ্ঞাবাচক বিশেষ্য বোলে। যেনে - জৱহৰলাল নেহৰু, গোপীনাথ বৰদলৈ, ৰাম, হিমালয় , চাহাৰা, মৃণাল, ৰহিলা ইত্যাদি ।

## (৩) বস্তুবাচক ঃ

অজৈৱ (Inanimate) বস্তুৰ নাম বুজোৱা পদক বস্তুবাচক বিশেষ্য বোলে। যেনে - মাটি, কাঠ , সোণ, লোণ, ৰূপ, তাম, সীহ , ঘৰ ইত্যাদি। বস্তুবাচক জীৱহীন বস্তুৰ বাস্তৱ আকাৰ, প্ৰকৃতি, আৰু কাৰ্য অনুযায়ী নিৰ্দিষ্টকৈ চিনাকি পাবলৈ তেনে শব্দৰ লগত জৰিত কিছুমান বিশিষ্ট সৰ্গ বা অৰ্থক্ষেপত যোগ কৰা হয়। যেনে -

পানী - পানীখিনি, পানীটোপা
মাটি - মাটিদোখৰ, মাটি দৰা
সোণ - সোণলদা, সোণ টুকুৰা
তক্তা - তক্তাখন
ঘৰ - ঘৰখন
লোণ - লোণফেৰা

উপৰি উক্ত বস্তুবাচক শব্দবোৰৰ আকৃতি, প্ৰকৃতি, বা কাৰ্যৰ চিনাকি পাবলৈ কিছুমান সৰ্গ যোগ কৰা হৈছে।
ষষ্ঠ অধ্যায়ৰ বৰ্গীকাৰৰ (Classifiers ) শিতানত আলোচিত হৈছে ।

## (৪) ক্ৰিয়াবাচক বিশেষ্য ঃ

কোনো ধাতুৰ পাচত নাম গঠনকাৰী সৰ্গ লগ লাগি নাম শব্দ গঢ়ি উঠে, তাক ক্ৰিয়াবাচক বিশেষ্য বোলে। যেনে - শয়ন, ভোজন, গমন, মৰণ, ভ্ৰমণ, কৰণ, ইত্যাদি। ক্ৰিয়াবাচক বিশেষ্য ধাতুৰ পৰা উত্পন্ন হয়। যেনে - ধাতুৰ পিচত কিছুমান সৰ্গ যোগ হৈ ক্ৰিয়াবাচক বিশেষ্য গঠন কৰা হয়। যেনে - √ গম্ + অন = গমন, কৰ +ওঁতা= কৰোঁতা ইত্যাদি। ইয়াত অন, ওঁতা সৰ্গ যোগ হয়। (পঞ্চম অধ্যায় ঃ ক্ৰিয়াবাচক, দ্ৰষ্টব্য )

## (৫) ভাববাচক ঃ

যি কোনো ভাব বুজোৱা বিশেষ্যক ভাববাচক বিশেষ্য বোলে। যেনে -
সুখ - দুখ, তৃপ্তি, সন্তোষ ইত্যাদি ভাববাচক বিশেষ্যবোৰ অমূৰ্ত ।

## (৬) গুণবাচক ঃ

যি পদে কেৱল গুণ বা দোষৰ পৰিচয় জ্ঞাপক নাম বুজায় তাক গুণবাচক বিশেষ্য বোলে । যেনে -
সাধুতা, সৰলতা, সুন্দৰতা বা সৌন্দৰ্য, গভীৰতা, ইত্যাদি, বিশেষণৰ পৰা উদ্ভৱ হোৱা অমূৰ্ত গুণবাচক বিশেষ্য ।

## (৭) সম্বন্ধবাচক ঃ

এজনৰ লগত আন এজনৰ বংশগত বা সামাজিক সম্বন্ধ বুজোৱা শব্দকে **সম্বন্ধবাচক** বিশেষ্য বোলে। মানুহ সামাজিক জীৱ। গতিকে জন্ম লাভ কৰি য়ে বংশৰ লোক সকলৰ লগত বসবাস কৰাৰ উপৰি সাংস্কৃতিক ভাবে জীৱন যাপন কৰোঁতে সমাজৰ ব্যক্তি সকলৰ লগত সম্বন্ধ ৰাখি চলিবলগীয়া হয়। তেনে ক্ষেত্ৰত মানুহৰ দুই প্ৰকাৰে সমাজৰ লোকৰ মাজত সম্বন্ধ সংৰক্ষিতহয়। (ক) বংশগত, (খ) সমশাৰীৰ ব্যক্তিসকল (গ) সাংস্কৃতিক বা সামাজিক

## ( ক) বংশগত ঃ

বংশগত সম্বন্ধত তেজৰ লগত জৰিত উপৰি পুৰুষৰ পৰা উত্তৰ পুৰুষৰ ব্যক্তিসকল

| পুং | স্ত্ৰী | পুং | স্ত্ৰী |
|---|---|---|---|
| আজোককা | আজো আইতা, আজো বুঢ়ীআই | ভাই | ভনী |
| ককা | আইতা, | জেঠা,জেঠপা | জেঠী |
| পিতা | আই | পো | জী |
| ককাই | বাই | নাতি | নাতিনী |
| খুৰা | খুৰী | পৰিনাতি | পৰিনাতিনী |

## (খ) সমশাৰীৰ ব্যক্তিসকলঃ

| | |
|---|---|
| দাদা, ককাই | বৌ, নবৌ |
| ভাই | ভাই বোৱাৰী |
| ভিনিহি | বাই |
| বৈনাই | ভনী |

## ( গ) সাংস্কৃতিক বা সামাজিকঃ

| | |
|---|---|
| পেহা | পেহী |
| জেঠা | জেঠী |
| মামা, মোমাই | মামী |
| শহুৰ | শাহু |
| পৈ | ঘৈণী |
| দেওৰ | ননন্দ |
| জোৱাঁই | জীয়ৰী |
| বৰজনা, বৰবোপাই | জা, বৰআই |
| ভাগিন | ভাগিনী |
| ভতিজাপো | ভতিজা জী |
| তাৱৈ | আমৈ |

ইয়াৰ উপৰি খুলশালি, জেশাহু ইত্যাদি।

অসমীয়া সমাজত প্ৰচলিত সম্বন্ধবাচক সাৰ্থবোৰৰ ব্যৱহাৰত সুকীয়া বৈশিষ্ট্য আছে । সম্বন্ধীয় ব্যক্তিজনৰ জন্মগত সামাজিক সম্বন্ধ, জ্যেষ্ঠ নে কনিষ্ঠ, মান্য, সমনীয়া, বা তুচ্ছ বা ঘৰুৱা, অসমীয়া ভাষাত সম্বন্ধবাচক সাৰ্থৰ লগত পুৰুষ অনুযায়ী কিছুমান পুৰুষ নিৰ্দেশক চিন যোগ কৰা হয়। যেনে -

মোৰ পিতাই (আই), তোৰ পিতাৰ (ৰ), তোমাৰ পিতাৰা (ৰা), তাৰ পিতাক (ক) এই পদ্ধতি অসমীয়া ভাষাত আচুতীয়া বৈশিষ্ট্য। ( দ্ৰষ্টব্য ঃ সম্বন্ধবাচকৰ পুৰুষ নিৰ্দেশক )

## (৮) সমষ্টিবাচক ঃ

সমষ্টিৰ নাম বুজোৱা পদক সমষ্টিবাচক বিশেষ্য বোলে। যেনে - সমাজ, সমিতি,পৰিষদ, ৰাইজ, সংঘ, সংস্থা, ইত্যাদি। বৰ্গীকাৰ খন, খনি সমাজখন, সমিতিখন আৰু সংঘটো, সংস্থাটো হব। (সৰ্গ শিতানত আলোচনা কৰা হৈছে)

## (৯) পৰিমান বাচক ঃ

কিছুমান বস্তু গণিব নোৱাৰি তেনে অগণ্য বস্তুৰ পৰিমানহে বুজাব পাৰি, সেই পৰিমান বুজোৱা সাৰ্থবোৰক পৰিমানবাচক বিশেষ্য বোলে। যেনে - কুইণ্টল, গ্ৰাম, কিলোগ্ৰাম, মোন, সেৰ, লিটাৰ ইত্যাদি।

## (১০) জোখবাচক ঃ

পদাৰ্থ কিছুমানৰ দীঘ, পুতল, ওখ, চাপৰ আদিৰ জোখ বুজোৱা শব্দবোৰ জোখবাচক শব্দ । ইঞ্চি, ফুট, গজ, মিটাৰ, কিলোমিটাৰ, মাইল, একৰ, কালি, ইত্যাদি।

## ৩.২ নাম সাৰ্থৰ পুৰুষ ঃ

*পুৰুষ* বোৰ প্ৰচলিত ব্যাকৰণ বোৰত সংস্কৃত ব্যাকৰণৰ অনুৰূপে **সৰ্বনাম** (pronoun) কোৱা হৈছে। কোনোবাখন সংস্কৃত ব্যাকৰণত 'প্ৰতি নাম' শব্দটোও ব্যৱহাৰ কৰা হৈছে। নাম বা বিশেষ্য সাৰ্থৰ সলনি ব্যৱহাৰ হয় বুলি এই শব্দ দুটাৰ প্ৰয়োগ কৰিছে। বিশ্বৰ সকলো লোকে '*মই*' বুলি নিজক ইঙ্গিত কৰিব পাৰে , '*তই*' বুলি তুচ্ছাৰ্থত আন লোকক ইঙ্গিত কৰিব পাৰে। তেনেকৈ '*তুমি*', '*সি*', '*তাই*', '*ই*', '*ইহঁত*', '*সিহঁত*' বুলি বক্তাই আন আন লোকক ইঙ্গিত কৰিব পাৰে কাৰণে সকলো মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হয় বুলি সকলো নাম বা বিশেষ্যকেই বুজাব পাৰে অৰ্থত **সৰ্বনাম** (pronoun) শব্দটো ব্যৱহাৰ কৰিছে। নাম বা বিশেষ্য (Noun) শব্দই নিৰ্দিষ্ট *সূচক* (Referent) এটিকহে বুজায়। এটা বিশেষ্য শব্দ উচ্চাৰণ কৰাৰ লগে লগে কওঁতাৰ বা শুনোতাৰ মনৰ মাজত সূচক ৰূপে কেৱল এটি বস্তু , এটি ছবি, এটি ভাবৰ ছবিহে ভাহি উঠে। সেইটোৱেই সেই নাম বা বিশেষ্য শব্দটোৰ *সূচক* (Referent)। কিন্তু **মই, তই, তুমি, সি, তাই,** ইত্যাদি শব্দৰ অৰ্থগত স্থায়ী সূচক এটি নিৰ্দিষ্ট হৈ নাথাকে, প্ৰতিবাৰত প্ৰসঙ্গমতে সেইবোৰ সূচকৰ পৰিৱৰ্তন হয় ।

এইবোৰ প্ৰসঙ্গ সঙ্গতি ৰাখি বাক্যত ব্যৱহাৰ হয় আৰু অন্যান্য সাৰ্থবোৰৰ অৰ্থ বুজাত সহায় কৰে। যিবোৰে বাক্যত বা ভাব বিনিময় পদ্ধতিত ব্যৱহৃত হৈ সাৰ্থবোৰৰ (Contentives) অৰ্থ প্ৰকাশ কাৰ্য (Function) সাধন কৰি বক্তব্য বুজাত সুগম কৰে, সেইবোৰক **সৰ্গ** আখ্যা দিয়া হয়। যিহেতু সৰ্বনাম বুলি কোৱা শব্দবোৰে বাক্যত ব্যৱহাৰ হওঁতে কোনো স্থিৰ সূচক এটি (Referent ) ইঙ্গিত কৰিব নোৱাৰে তেনে শব্দবোৰ প্ৰকৃতপক্ষে **সৰ্গ**হে , বিকল্পৰ প্ৰকাৰ্য (Function) সাধক **সৰ্গ**। পৰিবেশ বা অৱস্থাৰ সঙ্গতিত (Context of situation ) একেটা শব্দই আন বেলেগ সূচকৰ বিকল্প বা সলনিৰূপে ব্যৱহাৰ হব পাৰে কাৰণে এইবোৰক **বহুমুখী সূচক** (Referentially versatile ) বুলি কোৱা হয়।

ব্যাকৰণগত 'পুৰুষ' (Persons) শিতানত কথোপকথনৰ অংশীদাৰ কওঁতা আৰু শুনোতাই প্ৰধান, প্ৰকৃততে এই দুইটাই পাৰস্পৰিক ভাববিনিময়ৰ মুখ্য অংশীদাৰ, আন সকলো অৰ্থাত্ কথোপকথনত উল্লেখ কৰা সকলো কথা বা ব্যক্তিয়ে তৃতীয় পুৰুষৰ।

ইয়াত লক্ষ্য কৰিব লগীয়া কথা যে কথোপকথৰ অংশীদাৰ কওঁতা আৰু শুনোতা আৰু যাৰ বিষয়ে কোৱা হয় এই সকলো বোৰেই **বিশিষ্ট** আৰু **নিৰ্দিষ্ট** (Deictic)। **কাৰোবাৰ বা কিবাৰ সলনি (অৰ্থাত্ Substitution) প্ৰকাৰ্য (Function) টোতকৈ এইক্ষেত্ৰত নিৰ্দিষ্টতাৰ (Deixis) ভাব বা প্ৰকাৰ্য (Function) বেচি মৌলিক, বেচি স্পষ্ট, বেচিমুখ্য।**

সেইবাবেই আধুনিক ভাষাবিজ্ঞানী সকলে সৰ্বনামৰ অন্তৰ্গত বিকল্প বা Substitutes বোৰক নিৰ্দেশক সৰ্গ (Deictic Functors) অৰ শাৰীত ৰাখিছে।

কথোপকথনৰ সঙ্গতিত অংশ লোৱা পুৰুষ নিৰ্দেশক বোৰক তিনি ভাগত ভগাব পাৰি।

ক) **কওঁতাই** কথোপকথনৰ **মুখ্য ভুমিকা** গ্ৰহণ কৰে। Ego বা 'অহং' - 'মই' হৈছে - **মুখ্য অংশকাৰী**। **'ইয়াত'** আৰু **'এতিয়া'** ঘটা কাৰ্যকেই কওঁতাই নিজৰ লগত সঙ্গতি ৰাখি শুনোতাৰ লগত উচ্চ - নীচ, ডাঙৰ - সৰু, মান্য আদি ভাবৰ সমাবেশ ঘটাই কথাখিনি প্ৰকাশ কৰে। **কথোপকথনত বক্তাই প্ৰধান ভুমিকা গ্ৰহণ কৰে বাবে প্ৰথম পুৰুষ** (First Person) **কওঁতাজন নিৰ্দিষ্ট**, গতিকে **নিৰ্দেশক (Deictic ) প্ৰথম পুৰুষ।**

খ) সন্মুখত থকা যিলোক বা লোক সকলক সম্বোধন কৰি কওঁতাই কথাবোৰ কৈ যায় আৰু শুনোতাই শুনি থাকে - **সেইজন বা সেই সকল শ্ৰোতাকেই দ্বিতীয় পুৰুষ (Second Person)** কোৱা হয়। কওঁতাজনৰ লগত শ্ৰোতাৰ বা শ্ৰোতা-সকলৰ সৰু ডাঙৰ উচ্চ - নিম্ন সম্পৰ্ক অনুযায়ী দ্বিতীয় পুৰুষক **তিনিটা** ভাগত ভগোৱা হৈছে।

| | |
|---|---|
| Status I | **মান্য**, বক্তাৰ মনত মাননীয়, সন্মানীয়, *আপুনি,* (তিৰ্যক ৰূপ ) *আপোনা* |
| Status II | **সামান্য তথা সমান**, বক্তাৰ সমতুল্য, *তুমি,* (তিৰ্যক ৰূপ ) *তোমা* |
| Status III | **তুচ্ছ**, ঘৰুৱা, বক্তাৰ মনত তুচ্ছ , *তই* (তিৰ্যক ৰূপ ) *ত, তো* |

গ) শ্ৰোতা সকলক লক্ষ্য কৰি কওঁতাই কোনোবা ব্যক্তি কিবা বস্তু বা প্ৰসঙ্গ অনুযায়ী কোনো কথা - ঘটনা দুই প্ৰকাৰে বৰ্ণনা কৰে। **প্ৰথম** উল্লিখিত কোনো ব্যক্তিৰ বা ব্যক্তিসকলৰ অৱস্থান। **দ্বিতীয়তে** যদি ব্যক্তি হয়, তেতিয়া বক্তাৰ মানত আৰু সমাজত মান্য ব্যক্তি, তেনে ব্যক্তিৰ লিঙ্গ অৱস্থান আদিৰ আভাস দিবলৈ নিৰ্দিষ্ট পুৰুষ নিৰ্দেশক ব্যৱহাৰ কৰে। দ্বিতীয় পুৰুষৰ দৰেই উল্লিখিত ব্যক্তিৰ

| | |
|---|---|
| Status I (A) | **অতি মান্য**, অতি সন্মানীয় ব্যক্তি, এখেত - এখেতসকল, তেখেত - তেখেতসকল |
| Status I (B) | **মান্য**, সন্মানীয় ব্যক্তি, এওঁ - এওঁলোক, তেওঁ - তেওঁলোক |
| Status II | **সামান্য** বা **সমান** ব্যক্তি, সি - তাই - সিহঁত |
| Status III | **তুচ্ছ** বা অতি পৰিচিত, ঘৰুৱাব্যক্তি, ই - এই - ইহঁত - |
| Non Status | যথা সন্মানীয়, মান্য, সামান্য নোহোৱা অন্যান্য জৈৱ -অজৈৱ, কথা - |

কাহিনি আদি। কওঁতাৰ লগত সম্পৰ্ক ৰাখি **উল্লিখিত ব্যক্তিৰ জ্যেষ্ঠতা, সমানতা আৰু তুচ্ছতা আদি ভাব প্ৰকাশ কৰা অসমীয়া পদ্ধতিটো ভাৰতীয় আৰ্যভাষা সমূহৰ মাজত একক, Unique**।

## ৩.৩ বিশেষণ ঃ

যিবোৰ সাৰ্থই অইন কোনো নামবাচক বিশেষ্য, বা ক্ৰিয়া বা অন্য সাৰ্থৰ গুণ, দোষ, পৰিমান, অৱস্থা আদি বিশেষ ভাবে বুজায় অৰ্থাৎ নাম, ক্ৰিয়া, বা অইন সাৰ্থৰ দোষ, গুণ বুজায় সাৰ্থ পদটোৰ বিশেষত্ব প্ৰকাশ কৰে - তাকেই বিশেষণ বোলে। যেনে - ***ৰঙা*** ফুল, ***বৰ ৰঙা*** কাপোৰ, ***অতি সুন্দৰ*** দৃশ্য, **দীঘল** বাট, ইত্যাদি ।

***ৰামৰ*** ঘৰ, ***আমাৰ*** পদুলি, আদিৰ বিশেষণ স্থানীয়, কাৰণ 'ঘৰ' আৰু 'পদুলি' সাৰ্থ দুটা সম্বন্ধ কাৰকৰ ৰূপ ***'ৰামৰ'*** আৰু ***'আমাৰ'*** পদ দুটাৰে আচুতীয়া কৰি প্ৰকাশ কৰিছে।

বিশেষণ তিনি বিধ ঃ

১. নামপদৰ বিশেষণ - ***ৰঙা, বগা, ধুনীয়া, সুন্দৰ***
২. বিশেষণীয় বিশেষণ - ***বৰ*** ৰঙা, ***বৰ*** ধুনীয়া, ***অতি*** সুন্দৰ
৩. ক্ৰিয়া বিশেষণ - ***বৰকৈ*** দৌৰিছে , ***অতি*** বেগাই দৌৰিছে , ইত্যাদি।

মন কৰিব লগীয়া কথা এই যে ইংৰাজী ভাষাত বিশেষণীয় বিশেষণ আৰু ক্ৰিয়া বিশেষণ উভয়কে ক্ৰিয়াৰ লগত জৰিত কৰি **'ক্ৰিয়া বিশেষণ'** (Adverb) অৰ অন্ত ৰ্ভুক্ত কৰি এটি নতুন পদ বুলি বিবেচনা কৰিছে।

বিশেষণীয় বিশেষণ ভাগটোৱে সাৰ্থৰ বিশেষভাবে গুণ, দোষ, অৱস্থা বুজোৱা বিশেষণক বিশিষ্টভাবে দেখুৱাই দিয়া কাৰণে বিশেষণ পদৰ দাবী গভীৰ বুলি বুজিব পাৰি। আনহাতে ক্ৰিয়াপদৰ লগত জৰিত বা ক্ৰিয়াপদৰ বিশেষ ভাবে বুজোৱা **ক্ৰিয়া বিশেষণ** (Adverb) বাক্যৰ পদ গঠনৰ অন্য এটা বিভাগ বুলি ধৰিব পাৰি ।

যি বোৰ সাৰ্থই নাম বিশেষ্যবোধক সাৰ্থ আৰু ক্ৰিয়াবাচক সাৰ্থৰ গুণ, দোষ, অৱস্থা আদি বিশেষভাবে বুজাই বিশেষণ হৈ পৰে আৰু তেনে বিশেষণকো বিশেষভাবে বুজোৱা বিশেষণক একে শাৰীতে **বিশেষণ** বুলি আখ্যা দিলে বিশেষ অসুবিধা নহয়। এই ফালৰ পৰা বিশেষণীয় বিশেষণ আৰু ক্ৰিয়া বিশেষণ উভয়কে নাম বিশেষণৰ দৰে একে বিশেষণ পদৰ অৰ্ন্তভুক্ত কৰিব পাৰি।

## (১) নাম বিশেষণ ঃ

যি বিশেষণ পদে কোনো নামসার্থৰ আগত বহি গুণ বা অৱস্থা প্ৰকাশ কৰে, তাক নামবিশেষণ বোলে যেনে - **সুন্দৰ পুৰুষ, ধুনীয়া ছোৱালী, দুৰ্দান্ত বাঘ, বৰ সাহসী ল'ৰা, অতুল বৈভৱ, পৰিষ্কাৰ পানী, বিতং বিৱৰণ, তিৰুতা সেৰুৱা মানুহ, খৰানকা মুনিহ, হাত লৰ মানুহ, পহিলা তাৰিখ, মৰমৰ মাত, বুকুৰ কুটুম, তুমি দয়াবান ,মই দুৰাচাৰ , প্ৰাণৰ টান, কাঠৰ দলং,** ইত্যাদি।

(ক) কেতিয়াবা বিশেষণবোৰ নাম শব্দৰ পিচতো ব্যৱহাৰ হয়, যেনে - মনজ্যোতিৰ মনটো উদাৰ ।
মানুহজন সাধু

(খ) কিছুমান বিশেষণৰ লিঙ্গ ভেদ কৰিব পাৰি , যেনে -

| পুং | স্ত্ৰী |
|---|---|
| কলা | কলী |
| বগা | বগী |
| অজলা | আজলী |
| ৰঙা | ৰাঙী |
| পখৰা | পাখৰী ইত্যাদি। |

(গ) কিছুমান বিশেষণৰ লিঙ্গ ভেদ কৰিবনোৱাৰি । যেনে - ভাল, ধুনীয়া, বুধিয়ক, আদৰুৱা, সুখী, গুণী, ইত্যাদি ।

(ঘ) সংস্কৃতৰ দৰে অসমীয়া বিশেষণবোৰ বিশেষ্যৰ লিঙ্গ, বচন, অনুযায়ী ৰূপ নহয় । যেনে -

| | |
|---|---|
| ধুনীয়া ল'ৰা | ধুনীয়া ছোৱালী |
| শান্ত পুৰুষ | শান্ত মহিলা |
| দুষ্ট ছাত্ৰ | দুষ্ট ছাত্ৰী, ইত্যাদি । |

(ঙ) অতিমাত্ৰা বা বৰ বেছি বুজাবলৈ নাম বিশেষণ পদৰ কেতিয়াবা বা দ্বিৰুক্তি কৰা দেখা যায় ।
যেনে - পকা পকা আম খাবলৈ মিঠা
মহা মহা চানেকিৰ
ভাল ভাল কথা শুনিবলৈ সভালৈ যাব লাগিব, ইত্যাদি ।

## (২) বিশেষণীয় বিশেষণ -

যি পদে বিশেষণ পদৰ গুণ, দোষ, অৱস্থা, প্ৰকাশ কৰে, তাক বিশেষণীয় বিশেষণ বোলে। যেনে - **বৰ দুষ্ট ল'ৰা**, 'দুষ্ট' বিশেষ্য ল'ৰাৰ বিশেষণ। এই বিশেষণ শব্দৰ অতিশয় অৰ্থত **'বৰ'** দুষ্ট বুলি কোৱা হয়। গতিকে বিশেষণ 'দুষ্ট' শব্দৰ বিশেষণ 'বৰ', গতিকে **বৰ** বিশেষণীয় বিশেষণ।

কিছুমান বিশেষণে অন্য বিশেষণৰ গুণ, দোষ, মাত্ৰা আদি বিচাৰ কৰে, তাকেই বিশেষণীয় বিশেষণ বোলে। যেনে -
সি **অতি** ভাল।
সি **অতি** দুৰ্দান্ত ল'ৰা।
কিতাপখন **বৰ** ভাল ।

ইয়াত **অতি** আৰু **বৰ** শব্দ ই বিশেষণক বিশেষকৈ বুজাইছে বাবে ই বিশেষণীয় বিশেষণ।

## (৩) ক্ৰিয়া বিশেষণ -

যি বোৰে কোনো এটা কাৰ্য সমাপণ হোৱাৰ ধৰণ, অৱস্থা, প্ৰকৃতি বুজায় তাক ক্ৰিয়া বিশেষণ বোলে। যেনে -
তুমি **বেগাই** খোজ নাকাঢ়িবা।
সি **ইমান খৰকৈ** কথা কয়, মই বুজিকে নাপাওঁ।
আপোনালোক **ভালে কুশলে** আছেনে ?
সি **ভালে** আছেনে ?

আনহাতে সি **খৰকৈ** কথা কয়। খৰকৈ, নাম বিশেষণৰ পাচত কৈ যোগ কৰি ক্ৰিয়া বিশেষণ কৰিব পাৰি ।

কিছুমান নাম বিশেষণ পোনেই ক্রিয়া বিশেষণ ৰূপে বহা দেখা যায় ,যেনে — ইয়াৰ উপৰিও হঠাৎ , দুনাই , নিতৌ, অকলে, অতিশয়, কদাচিত, অকলশৰে, মনে-মনে, ঘনে-ঘনে, পুনৰায়, সোনকালে, খৰকৈ, বৰকৈ, ইত্যাদি ক্রিয়া বিশেষণ ৰূপে ব্যবহাৰ হোৱা দেখা যায়।

## বিশেষণ সম্বন্ধীয় নিয়ম ঃ

i বিশেষণ পদ বিশেষ্যৰ আগত বহে ,

যেনে - দুখীয়া লোক, সাৰুৱা মাটি, শুকান গছ

ii কেতিয়াবা বিশেষণ পদ বিশেষ্যৰ পাচতো বহে ,

যেনে - আমি **দুৰাচাৰ, ৰাম দয়ালু** আছিল।

iii অৰ্থভেদে একোটা শব্দ কোনো ঠাইত বিশেষ্য আৰু কোনো ঠাইত বিশেষণ হয়।

যেনে - 'সুন্দৰ' বিশেষণ কিন্তু **'সুন্দৰৰ আৰাধনা'** - বিশেষ্য।

| বিশেষ্য | বিশেষণ |
|---|---|
| লোভেই **পাপ** | এই **পাপ** সংসাৰত মানুহৰ শান্তি নাই |
| পৰিষ্কাৰ **পানী** | **পানী** কেচুৱা ইত্যাদি। |

## বিশেষণৰ তুলনা -

কোনো এটা বস্তু বা কোনো এজন ব্যক্তিৰ লগত গুণ, দোষ, সৰু, ডাঙৰ, ওজন, পৰিমান আদিৰ বেছি কম বুজাবলৈ যি বোৰ সাৰ্থ শব্দ বা সৰ্গ যোগ কৰি দুটা বা বহুতৰ লগত তুলনা কৰা হয় তাকেই বিশেষণৰ তুলনা বুলি কোৱা হয়। যেনে -

যদু মধুতকৈ ওখ, ধনতকৈ বিদ্যা শ্ৰেষ্ঠ।

অসমীয়া ভাষাত সংস্কৃত বা আন ভাষাৰ দৰে বিশেষণ শব্দটোৰ লগত **তুলনাত্মক প্ৰত্যয়** যোগ নহয়, কেৱল যাৰ লগত তুলনা কৰা হয় সেই বিশেষ্য বা নাম সাৰ্থত- 'কৈ' যোগ কৰি বিশেষণ পদটো ব্যৱহাৰ কৰি এটিৰ লগত আন এটিৰ তুলনা কৰা হয়, কিন্তু সংস্কৃত ভাষাত দুটাৰ মাজত তুলনা কৰিবলৈ হ'লে **বিশেষণ সব্দটোৰ লগত** 'তৰ' বা ' ঈয়স্' আৰু বহুতৰ মাজত হলে 'তম' বা 'ইষ্ঠ' যোগ কৰি বিশেষণ শব্দৰ তুলনাত্মক ৰূপ কৰা দেখা যায়। কিন্তু অসমীয়া ভাষাৰ নিজস্ব ৰূপৰ তুলনা বুজাবলৈ বিশেষণৰ পাচত 'তৰ', 'তম'ৰ দৰে কোনো সৰ্গযোগ কৰা নহয়। Comparative দিগ্ৰীত নাম সাৰ্থৰ পাচত অত - কৈ যোগ কৰি বিশেষণ পদটোহে উল্লেখ কৰাৰ দৰেই Superlative দিগ্ৰীত কেৱল এক বা একাধিক নাম সাৰ্থৰ পাচত, মাজত, 'সকলোতকৈ' বা 'আটাইতকৈ' উল্লেখ কৰি কেৱল বিশেষণ পদটো ব্যৱহাৰ কৰি বহুতৰ মাজত তুলনা কৰা হয়।

## দুটাৰ মাজত তুলনা ঃ

(ক) যাৰ লগত তুলনা কৰা হয়, প্ৰাণীবাচক বা অপ্ৰাণীবাচক শব্দৰ পাচত **'তকৈ'** সৰ্গ যোগ কৰা হয়,

যেনে - যদু মধুতকৈ ওখ, ধনতকৈ বিদ্যা শ্ৰেষ্ঠ, ছাগলীতকৈ গৰু বেছি উপকাৰী।

(খ) কেতিয়াবা এটাতকৈ আনটোত বেছি থকা বুজাবলৈ কৈ সৰ্গটোৰ আগত বা পাচত ষষ্ঠী বা সপ্তমীৰ চিন বহুৱা হয়।

যেনে - মৃণালতকৈ ৰূপৰ বল বেচি।

মংগল্‌দৈতকৈ বেগা নদীৰ সোঁত বেচি।

(গ) ভাল বেয়াৰ আধিক্য বুজাবলৈ বিশেষণৰ আগত অৰ্থ অনুসৰি কিছুমান সৰ্গ যোগ কৰা হয় ,

যেনে - ছাগলীতকৈ গৰু বেচি ডাঙৰ।

মিনতি ৰীমাতকৈ বহুখিনি সৰু।

সোণটিতকৈ মৃগাঙ্ক বেচি বুদ্ধিমান।

## বহুতৰ মাজত তুলনা ঃ

(ক) বহুতৰ মাজত তুলনা কৰি এটাৰ উত্কৰ্ষ, অনুত্কৰ্ষ বুজাবলৈ 'সকলো' বা 'আটাইবোৰ' বা 'আটাই' শব্দৰ পাচত 'তকৈ' সৰ্গ যোগ দি তুলনা কৰিবলগীয়া বিশেষণটো ব্যৱহাৰ কৰা হয়, যেনে - ৰূপা আটাইতকৈ সৰু।

ৰূপা আটাইবোৰতকৈ সৰু।

ৰূপম সকলোতকৈ সৰু।

সকলোতকৈসি ডাঙৰ ।

(খ) কেতিয়াবা কেইবাটাও বিশেষ্য একেলগে ব্যৱহাৰ কৰি জোৰ বুজোৱা 'ই' প্ৰত্যয় গ্ৰহণ কৰা হয়। দিখৌ, দিচাং, নদীৰ ভিতৰত ব্ৰহ্মপুত্ৰই ডাঙৰ।

প্ৰাধান্য বেচি দেখুৱাবলৈ বিশেষণৰ আগত কম, বেচি ব্যৱহাৰ কৰা হয়। যেনে - ৰাজা, ৰাহুল, মনাতকৈ ৰাজা কম বা বেচি বলী।

কেতিয়াবা একাধিক সাৰ্থৰ পাচত 'ভিতৰত' বা মাজত সৰ্গৰ যোগত তুলনা কৰা হয়। যেনে - ৰুমী, ৰুবী, ৰুণীৰ মাজত বা ভিতৰত ৰুমী আটাইতকৈ ৰূপৱতী। ইয়াত 'মাজত' শব্দটোৱে তুলনা বুজোৱা হৈছে।

(গ) দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ হ'লে প্ৰথমটো 'ৰ' আৰু 'ও' সৰ্গযোগ কৰি বহুতৰ মাজত উত্কৰ্ষ বুজোৱা হয়।

যেনে - তুমি বুজিছা, সৰুতকৈও সৰু হৈ কামফেৰা কৰিবা।

সমান অৰ্থ বুজাবলৈ 'দৰে' বা 'নিচিনা' সাৰ্থ ব্যৱহাৰ কৰি বিশেষণৰ তুলনা কৰা হয়।

যেনে - তোমাৰ দৰে ভাল মানুহ নাই দেই।

সুন্দৰৰ নিচিনা বীৰ পুৰুষ আছেনে বাৰু?

## ৩.৪ ক্ৰিয়াবাচক সাৰ্থ ঃ (Verb)

কোনো এটি কাম হোৱা বা স্থিতি বুজোৱা সাৰ্থকেই ক্ৰিয়া (Verb) কোৱা হয় । ই ভাব প্ৰকাশৰ অপৰিহাৰ্য অঙ্গ। বাক্য এটিৰ গুৰুত্বপূৰ্ণ বিধেয় (Predicative) অৰ মুল উদ্দেশ্য। ই সাধাৰণতে বাক্য এটিৰ শেষত স্থান পায় আৰু বাক্যটোৰ ভাবখিনি সামৰে। যেনে -

শিক্ষাই মানুহক জ্ঞানী আৰু সভ্য কৰি তোলে।

মানুহ মৰতত বাস কৰে।

মৌৰ বাহত মৌ থাকে।

এই বাক্যবোৰত গঢ়ি 'তোলে', 'কৰে', বাস 'কৰে', 'থাকে' আদি ক্ৰিয়া পদে নিৰ্দিষ্ট ক্ৰিয়াৰ কাৰ্য উল্লেখ কৰাৰ লগতে বাক্যৰ ভাবটো অন্ত কৰাৰ প্ৰকাৰ্য সাধন কৰিচে। ইহঁতে বাক্যত ব্যৱহাৰ হৈ নিৰ্দিষ্ট একোটি অৰ্থ প্ৰকাশ কৰিচে। সেইকাৰণে এইবোৰ ক্ৰিয়াবাচক সাৰ্থ Verb বা Contentives।

এনে ক্ৰিয়াৰ প্ৰত্যেকৰে একোটি মূল আছে, সেই মূলবোৰকে ধাতু (roots) বোলে। উপৰিউক্ত বোলে √বোল ধাতু, কৰে √কৰ্ ধাতু, থাকে √থাক্ ধাতু। এনেকৈ √খা, √যা, √পঢ়, √আচ্, √গা, √খেল, √লিখ, √নাচ, √ক, √দি, √আন, √হাহ, √হাঁচ, √হাগ, √মুত, আদি অনেক ধাতু অসমীয়াত ব্যৱহাৰ হয়। এই ধাতুবোৰৰ পৰা ক্ৰিয়া আৰু ক্ৰিয়াবাচক বিশেষ্য সাৰ্থৰ উত্পত্তি হয়। যেনে - লিখ্+ অনি= লিখনি, নাচ্+ অনি= নাচনি, নাচ্+ অন= নাচন, খেল্+না=খেলনা ইত্যাদি। (ক্ৰিয়াবাচক সাৰ্থ, দ্ৰঃ পঞ্চম অধ্যায় )

# চতুৰ্থ অধ্যায়

## ৪.১ নাম বা বিশিষ্টবাচক সাৰ্থ Noun

মানুহে পঞ্চ ইন্দ্ৰিয়ৰে উপলব্ধি কৰা, বিশ্বজগতৰ বস্তু, গুণ, ভাব, আদিৰ পৰিচয়সূচক যিবোৰ নাম দিয়ে সেইবোৰকে নাম সাৰ্থ বা বিশেষ্য (noun) বুলি কোৱা হয়। তেনে কোনো এটা নাম শব্দ উচ্চাৰণ কৰিলে নাম শব্দটোৱে সূচকৰূপে সূচনা কৰাছবি ভাব বা ধাৰণা মনৰ মাজত জগাই তোলে। বাস্তৱৰ স্বৰূপ অনুযায়ী নাম সাৰ্থৰ প্ৰধানকৈ তলৰ চিত্ৰত দেখুওৱা ধৰণে বিভাগ কৰিব পাৰি।

নাম

- মূৰ্ত (Concrete Noun) + CONC
  - জৈৱ organic (Animate) +ANIM + প্ৰাণী,
    - স্থলচৰ
      - নৰবাচক + HUM +নৃ
        - + MALE
        - + মতা   - মতা ( মাইকী)
        - + পুং   - পুং (স্ত্ৰী)
        - ± বহুবচন   ± বহুবচন
        - ± বয়স্ক   ± বয়স্ক
      - জন্তুবাচক - HUM -নৃ
        - মতা + MALE   মাইকী - MALE
        - বয়স্ক + ADULT   পোৱালী - ADULT
    - জলচৰ
    - উভয়চৰ
    - খগচৰ

    মতা+ MALE   মাইকী -MALE

    বয়স্ক +ADULT   পোৱালী-ADULT
  - অজৈৱ Inorganic (Inanimate) -ANIM - প্ৰাণী

    উদ্ভিদ, শিল, বালি, চন্দ্ৰ, সূৰ্য,কাঠ, বাহ, চিমেণ্ট, চুণশিল, কয়লা, ইত্যাদি
- অমূৰ্ত (Abstract Noun) - CONC

  সুখ,দুখ, ঈশ্বৰ, বীৰত্ব,সৌন্দৰ্য,

বিশিষ্টবাচক বা নাম পদ , ই তিনি প্ৰকাৰৰ —

(ক) গণ্য (Countable)

(খ) অগণ্য (Uncountable)

(গ) অমূৰ্ত (Abstract)

## ৪.২ গণ্য ঃ

যি বোৰ বিশেষ্য তথা স্থিতিশীল বস্তু গোট গোট কৈ গণনা কৰিব পাৰি বাবে তাকে গণ্য বুলি কোৱা হয়। পৰিদৃশ্যমান জগতৰ দৃশ্যমান প্ৰাণী, দৃশ্যমান গোট গোট হৈ থকা সামগ্ৰীবোৰ আটায়ে গণ্য (Countable)।

## অগণ্য ঃ

চাউল, বালি, মঙহ, ধান, ইত্যাদি যিবোৰ বস্তু গোট গোট কৈ গণিব নোৱাৰি, পৰিমাণ কৰিহে হিচাপ লব পাৰি, তেনে বস্তুবোৰেই অগণ্য (Uncountable)। যেনে - চাউল, পানী, গাখীৰ, ধান, নিমখ, মঙ হ ইত্যাদি।

## অমূৰ্ত ঃ

গুণবাচক ভাববাচক বিশেষ্য বোৰেই অমুৰ্ত শব্দ। মৃত্যু, আনন্দ, লাজ, পাপ, পুণ্য, গপ, গৰ্ব, আশা, ইচ্ছা, সত্যতা, ভয়, অপৰাধ, সন্মান, দয়া, খং, পুতৌ, সন্দেহ, জাতি, বৰ্ণ, গন্ধ, ধৰ্ম আদিক বাস্তৱ বস্তুবোৰৰ দৰে গোট গোটৰে গণিব নোৱাৰি পৰিমাণ কৰিবলৈ জুখিবও নোৱাৰি, তেনে সাৰ্থবোৰকেই অমূৰ্ত বুলি কোৱা হয়। যেনে - বতাহ, গেচ আৰু স্থিতিহীন ভাববাচক, গুণবাচক সাৰ্থবোৰ ।

## ৪.২.১ গণ্যৰ বিভাগ ঃ

পৃথিৱীত বাস কৰি থকা যিবোৰ জীৱ, প্ৰাণী আছে নাইবা প্ৰাণহীন যিমান পদাৰ্থ আছে - সেই সকলোবোৰেই গণ্যৰ শ্ৰেণীত পৰে, কাৰণ সেইবোৰ এক, দুই সংখ্যাৰে গণিব পাৰি। গতিকে এনে সাৰ্থবোৰক আলোচনাৰ সুবিধাৰ বাবে প্ৰধানকৈ দুই ভাগত ভগাব পাৰি। ১) জৈৱ আৰু ২) অজৈৱ

## ৪.২.২ জৈৱ ঃ

জগতত প্ৰাণ থকা প্ৰাণী বা জীৱবোৰৰ জীয়াই থকাৰ পদ্ধতি মতে সিহঁতৰ বাসস্থান আৰু প্ৰকৃতি অনুযায়ী জৈৱ বিভাগৰ নিম্ন চাৰিভাগত ভগাব পাৰি । যেনে -

ক) স্থলচৰ
খ) জলচৰ
গ) উভয়চৰ
ঘ) খগচৰ

**স্থলচৰ ঃ** যিবোৰ জীৱ পৃথিৱীৰ স্থলভাগত বসবাস কৰে, জীয়াই থকাৰ বাবে জৈৱিক ক্ৰিয়া স্থলভাগতে সমাধা কৰে - সেইবোৰকে স্থলচৰ প্ৰাণী কোৱা হয়। স্থলভাগৰ জীৱবোৰক আকৌ প্ৰধানকৈ দুইভাগত ভগোৱা হয়।

(ক) নৃবাচক অৰ্থাত মানৱ আৰু
(খ) জন্তু বা পশু

(ক) **নৃবাচক বা মানৱ** ঃ পৃথিৱীৰ মহাদেশবোৰত বিভিন্ন জাতি উপজাতিৰ মানুহ বাস কৰে। সেই মানুহবোৰৰ নিজস্ব বৈশিষ্ট্যৈলে নিজৰ নিজৰ চিনাকিৰে একোটি নাম পৰিচয় আছে । কিন্তু সামুহিক ভাৱে আটাইবোৰে একোটি নামৰ অধীন- অৰ্থাত্ সকলোবোৰ মানুহ, বা নৃবাচক। সভ্যতা, সংস্কৃতি আৰু ভাষাই মানুহক পশুৰ পৰা আঁতৰাই ৰাখিছে। কিন্তু জন্তু বা পশুৰ প্ৰবৃত্তি স্বাভাৱিক ভাৱে মানুহ নামৰ জীৱৰ দেহ মনতো নিহিত হৈ আছে। মানুহ আৰু জন্তু বুলিলে কেইটামান গুণগত উপাদান উভয়তে পোৱা যায়।

প্ৰকৃততে উভয়ে জীৱ - জন্তু +ANIM (ATE ) বা প্ৰাণ থকা জীৱ।

মানুহ + নৃ+ HUM কিন্তু জন্তু -নৃ- HUM (AN ) অৰ্থাত

±পুং ± MASC(ULINE) -পুং - MASC(ULINE)

+ বহুবচন +PLURAL - বহুবচন - PLURAL

+ বয়স্ক + ADULT - বয়স্ক - ADULT

ওপৰত উল্লেখ কৰা জীৱৰ উপাদান কেইটা প্ৰতিটো জৈৱ শ্ৰেণীৰ গোটৰ লগত ওতপ্ৰোত জৰিত। মানুহৰ লিঙ্গ ভেদ আছে, তেনেকৈ পশুবোৰৰো আছে। মানুহৰ যেনেকৈ এক বা একাধিক বুজাবলৈ গোটবোৰ গণিবৰ সুবিধা আছে অৰ্থাত্ বচন আছে- পশুকো গণনা কৰাৰ সুবিধা আছে। মানুহৰ যেনেকৈ শিশু বালক অপ্ৰাপ্তবয়স্কবুলি বিভাগ কৰিব পাৰি তেনেকৈ পশুবোৰকো পোৱালি আৰু প্ৰাপ্তবয়স্ক বুলি দুই ভাগত ভগাব পাৰি।

এইধৰণে জলচৰ আৰু উভচৰ প্ৰাণীবোৰকো উক্ত থকা জৈৱ বুলি বুজিব পাৰি। খগচৰ জীৱবোৰৰ লিঙ্গভেদ সহজে বুজিব নোৱাৰি, কিন্তু সেইবোৰ সংখ্যাবাচক বচন আৰু বয়স্কতো ধৰিব পাৰি। গতিকে তেনে জীৱবোৰৰ গোটবোৰৰ মতা - মাইকী বুজাবলৈ লিঙ্গবাচক সৰ্গ প্ৰয়োগ কৰাত অসুবিধা আছে। তথাপি কেতিয়াবা বিশেষ পৰিস্থিতিত লিঙ্গভেদ কৰিবলৈ সহজভাৱে 'মতা' আৰু স্ত্ৰীলিঙ্গবাচক 'মাইকী' ব্যৱহাৰ কৰা হয়।

অসমীয়া ভাষাত নাম সাৰ্থৰ সূচিত জৈৱটোৰ লিঙ্গ অনুযায়ী বিশিষ্টকৈ নিৰ্দেশক ব্যৱহাৰ কৰা হয়। নামটোৱে সূচনা কৰা জীৱটো যদি পুংলিঙ্গৰ হয়, নৃবাচক বা জন্তুবাচক হয় অসমীয়া ভাষাত গোটটো নিৰ্দিষ্টকৈ বুজাবলৈ বৰ্গীকাৰ (Functor) ব্যৱহাৰ কৰা হয়।

মানুহ শব্দটো পুংলিঙ্গ হ'লে মানুহজন ( সামান্যঅৰ্থত), মানুহগৰাকী (মান্য অৰ্থত)
স্ত্ৰীলিঙ্গ হ'লে মানুহজনী( সামান্যঅৰ্থত), তিৰোতা গৰাকী (মান্য অৰ্থত)

## ৪.৩.৩ জন্তু (স্থলচৰ) ঃ

বাঘ, সিংহ, হাতী, ঘোঁৰা, ছাগলী , হৰিণ, কুকুৰ, মেকুৰী, ভালুক, ম'হ , দামুৰী, উট, হাতী, শিয়াল, বান্দৰ, গাহৰি, ইত্যাদি। ইয়াৰে কিছুমান ঘৰচীয়া আৰু কিছু মান বনৰীয়া জন্তু ।

ঘৰচীয়া - গৰু, ছাগলী, কুকুৰ, মেকুৰী আদি।

বনৰীয়া - বাঘ, সিংহ, শিয়াল, আদি।

লিঙ্গ অনুসৰি জন্তু সমূহক মতা - মাইকী দুইভাগত ভগাব পাৰি, যেনে -

| মতা | মাইকী |
|---|---|
| বাঘ | বাঘিনী |
| বোন্দা | জাই |
| সিংহ | সিংহিনী |
| গৰু | গাই |
| শিয়াল | শিয়ালী |

| একবচন | বহুবচন |
|---|---|
| বাঘটো | বাঘবোৰ |
| হাতীটো | হাতীবোৰ |
| সিংহটো | সিংহ বোৰ |

ইয়াত পাল, জাক আদি যোগ কৰি থুপ বুজোৱা হয় ।

## ৪.৩.৪ জলচৰ (জীৱ) ঃ

সাধাৰণতে মাছ পানীত থাকে, মাছৰ ভিতৰত ইলিছ, কাৱৈ, কেকোঁৰা, কুচিয়া, পুঠি, বাহু, বামী, ৰৌ, মিছা, ইত্যাদি। ইয়াৰ উপৰিও হাঙ্গৰ, ঘৰিয়াল, কাছ, আদিও জলচৰৰ ভিতৰত পৰে।

## উভয়চৰ (জীৱ)ঃ

উভয়চৰ অৰ্থাত্ যিয়ে মাটি আৰু পানী উভয়তে বাস কৰে সিয়ে উভয়চৰ। উভয়চৰৰ ভিতৰত কাছ, ভেকুলী, সাপ, সৰীসৃপ আদিক অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াক বচনত ভাগ কৰিব পাৰি। যেনে-

| একবচন | বহুবচন |
|---|---|
| কাছটো | কাছবোৰ |
| ভেকুলিটো | ভেকুলি বোৰ |
| সাপটো | সাপ বোৰ, ইত্যাদি |

ইয়াত *বোৰ* সৰ্গ বহুবচন কৰিবৰ বাবে ব্য ৱহাৰ কৰা হৈছে।

### ৪.৩.৫ খগচৰ ঃ

খগচৰ আকাশৰ লগত সম্পৰ্কিত, গ্ৰহ, চন্দ্ৰ, সূৰ্য, আদিকে ধৰি বিভিন্ন জাতৰ চৰাই চিৰিকতি কীট পতঙ্গবোৰক ধৰিব পাৰি ।

### চৰাইৰ ভিতৰত ঃ

বগলী, বুলবুল, বাঢ়ৈ টোকা, ভাটৌ, ফেঁচা, ঈগল, কাউৰী, কপৌ, কুলি, চিলনি, চাতক ইত্যাদি ।
এটি - গোট চৰাইক -টো যোগ কৰি একবচন আৰু একাধিক থুপ হৈ থাকিলে জাক ব্যৱস্থা কৰা হয়। যেনে - কাউৰাটো, কাউৰীজাক, কপৌজাক, বগলীজাক, ভাটৌজাক, ইত্যাদি। লিঙ্গভেদ কৰিব নোৱাৰি বাবে সাধাৰণতে 'মতা' পুং বুজাবলৈ আৰু 'মাইকী' স্ত্ৰীবুজাবলৈ ব্যৱহাৰ হয়।

ইয়াৰ উপৰিও প্ৰৌঢ় (Adult) আৰু কিশোৰ (Non - Adult) বুজাবলৈ উপৰিউক্ত জীৱবোৰৰ পোৱালি বা চানা শাবক আৰু প্ৰাপ্তবয়স্ক full - growth ভাব দিবলৈ জীৱবাচক নামটোৱেই এই ভাবৰ নিৰ্দেশ কৰে।

### কীট -পতঙ্গৰ ভিতৰত ঃ

উইচিৰিঙাটো, কাকতী ফৰি ং জাক, কোদোবোৰ, গুবৰুৱাজাক, জোনাকী পৰুৱাবোৰ ডাঁহ বোৰ, পখিলাজাক, ফৰিংবোৰ, পইতাচোঁৰাবোৰ, ভোমোৰাবোৰ, মাখিবোৰ, ম'হ বোৰ ইত্যাদিক ধৰিব পাৰি। ইয়াত টো, জাক, বোৰ সৰ্গ যোগ কৰা হৈছে।

### সৰীসৃপৰ ভিতৰতঃ

সাপ,অজগৰ, ফেটি,গুই, তেজপিয়া, ঘৰিয়াল, কুম্ভীৰ, কেকোঁৰা, শামুক, শঙ্খ, ইত্যাদি।

### ৪.৩ অজৈৱ ঃ

অজৈৱ শব্দবোৰক তিনিভাগত ভগাব পাৰি , যেনে --

(ক) গণ্য
(খ) অগণ্য
(গ) কঠিন

### গণ্য (Countable) ঃ

গণনা কৰিব পৰা বস্তুবাচক সাৰ্থবোৰ গণ্য।

### অগণ্য (Uncountable)ঃ

গণনা কৰিব নোৱৰা বস্তুবাচক সাৰ্থবোৰ অগণ্য শব্দ ।অগণ্য শব্দবোৰক তিনি ভাগত ভগাব পাৰি ,যেনে -

(ক) কঠিন
(খ) জলীয়
(গ) গেছ

## কঠিন (Solid) ঃ

কঠিন বস্তুৰ ভিতৰত কাঠ টুকুৰা, লো টুকুৰা, তক্তা খন, ইত্যাদি ।

## জলীয় (Liquid) ঃ

জলীয় বস্তুৰ ভিতৰত পানী, ( গৰু, ছাগলী, ম'হ ৰ ) গাখীৰ, ৰস (ফলৰ ), জোল ( মাছ বা মাংসৰ ), তেল (কেৰাচিন, মিঠাতেল ) ইত্যাদিক অৰ্ন্তভুক্ত কৰিব পাৰি।

## গেছ (Gas )ঃ

গেছ বা বাষ্পৰ ভিতৰত অম্লজান বা অক্সিজেন, কাৰ্বনড্ৰাই অক্সাইড বা এঙ্গাৰগেছ, হাইড্ৰজেন, নাইট্ৰজেন আদিক অৰ্ন্তভুক্ত কৰিব পাৰি।

## ৪.৪ সম্বন্ধ বাচক নাম শব্দ (Relational terms ) ঃ

সম্বন্ধবাচক শব্দসমূহক তেজৰ সম্পৰ্ক, লিঙ্গভিত্তিক সম্বন্ধবাচক শব্দ আৰু সতি-সন্ততি তিনিটা ভাগত ভাগ কৰা হৈছে (তৃতীয় অধ্যায়ত এই বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে )।

## ৪.৫ সম্বন্ধবাচক শব্দৰ পুৰুষ নিৰ্দেশক ঃ

| | | | | |
|---|---|---|---|---|
| <u>প্ৰথম পুৰুষ</u> | | মোৰ, আমাৰ | বোপাই | — আই |
| <u>দ্বিতীয় পুৰুষ</u> | | | | |
| | (মান্যাৰ্থ) | আপোনাৰ ,আপোনালোকৰ | বাপেক | -ক |
| | (সমানাৰ্থ) | তোমাৰ, তোমালোকৰ | বাপেৰা | ৰা ,এৰা |
| | (তুচ্ছাৰ্থ) | তোৰ, তহঁতৰ | বাপেৰ | -ৰ |
| <u>তৃতীয় পুৰুষ</u> | | | | |
| | (অতিমান্যাৰ্থ) | এখেতৰ , এখেত সকলৰ | বাপেক | -ক, এক |
| | | তেখেতৰ, তেখেত সকলৰ | ,, | -ক, ,, |
| | (মান্যাৰ্থ) | এওঁৰ, এওঁলোকৰ | ,, | -ক, ,, |
| | | তেওঁৰ, তেওঁলোকৰ | ,, | -ক, ,, |
| | (সমানাৰ্থ) | তাৰ, সিহঁতৰ | ,, | -ক, ,, |
| | | তাইৰ, সিহঁতৰ | ,, | -ক, ,, |
| | | ইয়াৰ, ইহঁতৰ | ,, | -ক, ,, |
| | (তুচ্ছাৰ্থ ) | ইয়াৰ, ইবোৰৰ, ইবিলাকৰ | ,, | -ক, ,, |
| | | তাৰ, সিবোৰৰ, সিবিলাকৰ | ,, | -ক, ,, |

( দ্ৰষ্টব্য ঃ তৃতীয় অধ্যায়ত বিস্তৃত আলোচনা কৰা হৈছে ।)

## ৪.৬ অমূৰ্ত শব্দ (Abstract) ঃ

গুণবাচক আৰু ভাববাচক বিশেষ্যবোৰেই হ'ল অমূৰ্ত শব্দ, অমূৰ্ত শব্দবোৰক দুই ভাগত ভগাব পাৰি, যেনে —

(ক) নামশব্দৰ পৰা উদ্ভৱ হোৱা- শক্তি, বল, উত্সৱ, গমন

(খ) বিশেষণৰ পৰা উদ্ভৱ হোৱা গুৰু - গুৰুত্ব, সাধু - সাধুতা, সুন্দৰ- সৌন্দৰ্য, কোমল - কোমলতা, দৃঢ় -দৃঢ়তা, বলিয়া- বলিয়ালি, মধুৰ- মধুৰতা, ইত্যাদি।

## অমূৰ্ত শব্দৰ পৰিচয় জ্ঞাপন ঃ

যি বিলাক সাৰ্থ শব্দৰ বাস্তৱ ভিত্তি নাই অথচ শব্দটোৱে বিশেষ বিশেষ ধাৰণা মানুহৰ মনত জগায় সেইবোৰেই অমূৰ্ত শব্দ। উদাহৰণ স্বৰূপে - ধাৰণা, ভাবনা, চিন্তা, ভক্তি, শক্তি, বল, উত্সাহ, অনুত্সাহ, উত্সৱ , ইত্যাদি ।

# পঞ্চম অধ্যায়

## ৫.০ ধাতু আৰু ক্ৰিয়া

### ৫.১ ধাতু roots ঃ

যি সাৰ্থই কোনো কাৰ্য কৰা বা হোৱা বুজায়, তাকে ক্ৰিয়া বোলে। তেনে ক্ৰিয়াৰ মূলকে ধাতু কোৱা হয়।

কয়, কৈছে, ক'লে, কৈছিল, ক'ব আদি ক্ৰিয়াৰ মূল √ক ধাতু

ৰয়, ৰৈছে, ৰ'লে, ৰৈছিল, ৰ'ব আদি ক্ৰিয়াৰ মূল √ৰ ধাতু

যা, যোৱা, যাওক, আদি ক্ৰিয়াৰ মূল √যা ধাতু।

গৈছে, গৈছা, গ'লি, গ'লা, গ'ল, আদি ক্ৰিয়াৰ মূল √গম্ ধাতু।

এইবোৰ ধাতুৰ উপৰি অসমীয়াত কৰ্, পঢ়্, দি, খা, ৰান্ধ্, শো, মাত্, নাচ্, পিন্ধ্, লিখ্, আঁক্, শিক্, চৰ্, মৰ্ বহ্, গুচ্ আহ্, আদি বিভিন্ন ধাতু অসমীয়াত ব্যৱহাৰ হয়। অসমীয়াত প্ৰধানকৈ ধাতু তিনি প্ৰকাৰে ভাগ কৰিব পাৰি, যেনে -

১) মৌলিক ধাতু
২) যৌগিক ধাতু
৩) মিশ্ৰ ধাতু বা সংযোগমূলক ধাতু

## ১) মৌলিক ধাতু

ওপৰত উল্লেখ কৰা ধাতুবোৰ প্ৰয়োগ কৰিলে নিজে এটা অৰ্থ প্ৰকাশ কৰে ,অৰ্থাত বিশ্লেষণ কৰি ভাগ ভাগ কৰিব নোৱাৰি, কাৰণে মৌলিক ধাতু বোলে, যেনে - খা, দি, উঠ্ , বহ্ , দেখ, শুন, বাৰ, ধৰ্, মাৰ্, কান্দ্, কাঁহ , ইত্যাদি ।

## ২) যৌগিক ধাতু

মৌলিক ধাতুৰ পিচত বিভিন্ন অৰ্থত বিভিন্ন সৰ্গ যোগ কৰি অথবা কোনো সাৰ্থৰ পিচত বিভিন্ন অৰ্থত কিছুমান সৰ্গ যোগ কৰি যিবোৰ ধাতু গঢ়ি তোলা হয়, সেইবোৰক যৌগিক ধাতু বা সাধিত ধাতু বোলে। ই তিনি প্ৰকাৰৰ, যেনে -

i) পাঁচনী ধাতু
ii) নাম ধাতু
iii) ধ্বন্যাত্মক ধাতু

## i) পাঁচনী ধাতু ঃ

যিক্ৰিয়াই আনক পাচি অৰ্থাত্ আনৰ হতুৱাই কোনো কাম কৰা বুজাই তাকেই পাচঁনী ধাতু বোলে। আনক পাচি বা আনৰ হতুৱাই কোনো কাৰ্য সমাধা কৰা বুজাবলৈ মৌলিক ধাতুৰ পিচত আ - সৰ্গ যোগ কৰি পাচঁনী ধাতু গঢ়ি তোলা হয়। আনৰ হতুৱাই কাম কৰা বুজাবলৈ ধাতুৰ পিচত 'আ', 'ওৱা', 'উৱা' যোগ কৰি নতুনকৈ ধাতুৰ সৃষ্টি কৰা হয়।

কিন্তু অসমীয়াত 'আ', 'ওৱা' বা 'উৱা' সৰ্গ পাচনী অৰ্থত্ যোগ হ'লে ধাতুটোৰ স্বৰধ্বনিৰ পৰিৱৰ্তন ঘটে। যেনে - ব'লক বলক্ বোলক। ব'লক বল - কৰ্মকাৰকত হোৱা ৰূপ। যেনে -

দি - দিয়া, হাঁহ - হঁহা বা হঁহুৱা, নি -নিয়া, নিওৱা, মাৰ্ - মৰা, মৰোৱা, গা-গোৱা, পি - পিয়া, পঢ়া -পঢুৱা, পঢ়া, শো- শুৱা, খা -খুৱা, নাচ - নচুৱা, ধো - ধুৱা, বহ - বহা, বহুৱা, দেখ্ -দেখা, দেখুৱা, ইত্যাদি।

প্ৰাচীন মূলৰ পাঁচনী প্ৰত্যয় 'আপ' অসমীয়াত 'আ' হৈছে ।

আকৌ পাঁচনীৰ পাঁচনী অৰ্থত প্ৰাকৃত আৱ (আপ)+ আ= অৱা, ওৱা বা উৱা উদ্ভৱ হৈছে । ওৱা বা উৱা যুক্ত পাঁচনী ধাতু অৰ্থৰ ফালেদিও সাধাৰণতে সৰল পাঁচনী হিচাপে ব্যৱহাৰ হয়। যেনে - পৰ্ মৌলিক ধাতু, মূলৰ পাঁচনী পাৰয়তি ক্ৰিয়াৰ পাৰ্ অসমীয়াত মৌলিক ধাতু ৰূপে ব্যৱহাৰ হয়। যেনে - মই পাৰো, তুমি পাৰা, আমি পাৰো, ইত্যাদি।

## ii) নাম ধাতু (Nominal roots) ঃ

নাম সাৰ্থ বা বিশেষণৰ পাচত 'আ' যোগ কৰিলে যি ধাতু পোৱা যায়, সেয়াই নাম ধাতু, যেনে -

| | |
|---|---|
| লাথি +আ =লথিয়া | কামোৰ + আ = কামোৰা |
| চৰ্ +আ = চৰা | দলি + আ = দলিয়া |
| কিল+ আ =কিলা | ভুকু + আ = ভুকুৱা ইত্যাদি |

## iii) ধ্বন্যাত্মক ধাতু (Onomatopoetic roots) ঃ

কোনো ধ্বনিক অনুকৰণ কৰি যিবোৰ ধাতু সৃষ্টি কৰা হয়, সেইবোৰ ধাতুকেই ধ্বন্যাত্মক ধাতু কোৱা হয়, বাহ্যিক জগতৰ প্ৰাণী - অপ্ৰাণীবোৰে অহৰহ সৃষ্টিকৰা এই ধাতুবোৰ প্ৰাণী - অপ্ৰাণীৰ ভাব চিত্ৰ বা ধ্বনিৰ অনুকৰণত গঢ়ি উঠে। যেনে -

| | |
|---|---|
| কিন্ - কিন্ + আ = কিন - কিনা | গুন্ + গুন্+ আ= গুনগুনা |
| হিৰ্ - হিৰ্ + আ = হিৰ্ - হিৰা | খত্ + খত্ + আ = খত্খতা |
| দপ্ - দপ্+ আ= দপ্ - দপা | ধৰ্ফৰ্ + আ = ধৰ্ফৰা |
| কেৰ্মেৰ্ + আ = কেৰ্মেৰা, ইত্যাদি । | |

এই ধাতুবোৰত আ সৰ্গ সংযোগ কৰা হয়, ইবোৰৰে ক্ৰিয়াৰূপ হয়।

## ৩) মিশ্ৰ ধাতু বা সংযোগমূলক ধাতু ঃ

(ক) ওপৰত উল্লেখ কৰা নামধাতু, ধ্বন্যাত্মক ধাতু কেইটাৰ উপৰি নামসাৰ্থৰ লগত কোনো ধাতুযোগ কৰি নামসাৰ্থৰ অৰ্থ স্পষ্ট বা জোৰকৈ বুজাবলৈ নামপ্ৰধান মিশ্ৰধাতু (**Compound roots**) গঢ়ি তোলা হয়। ইয়াত নামসাৰ্থৰ অৰ্থই প্ৰধান হৈ থাকে, ধাতুটোহে পুৰুষ অনুযায়ী সহায়কাৰী ক্ৰিয়াৰূপে কাল , দশা, পুৰুষত ক্ৰিয়াৰূপ হয়। এইবিধ মিশ্ৰধাতুক প্ৰকৃততে জতুৱা ঠাঁচৰ অন্তৰ্ভুক্ত কৰা হয়। এইবিধ নামপ্ৰধান মিশ্ৰধাতু অসমীয়াত দেখাৰ আছে। যেনে -

| | | | | | | |
|---|---|---|---|---|---|---|
| মন কৰ্, | মন লাগ্, | মন পা, | মন বান্ধ্, | মন মাৰ্, | মন দি, | মন ভাং, |
| গা উঠ্, | গা সাৰ্, | গা হ, | চকু পৰ্, | চকু দি, | চকু মাৰ্, | ইত্যাদি। |

(খ) ইংৰাজী **feel, taste, respect, honour, test** আদি **verb** বোৰৰ অসমীয়াত এটি মাথোন প্ৰতি ধাতু নাই। ইংৰাজীৰ এনেবোৰ **verb** অৰ অৰ্থ ৰাখিবলৈ অসমীয়াত যথোচিত মিশ্ৰধাতু **Compound roots** হিচাপে সাৰ্থ শব্দৰ লগত কৰ্,ধৰ্, ল, পা আদি সহায়কাৰী ধাতু গ্ৰহণ কৰা হয়। যেনে -

| | | |
|---|---|---|
| **to feel,** অনুভৱ কৰ্ | **to respect,** সন্মান কৰ্ | **to honour,** মান ধৰ্ |
| **to taste,** সোৱাদ ল | **to thank,** ধন্যবাদ দি | **to test** ,পৰীক্ষা কৰ্ |
| **to love,** ভাল পা, মৰম কৰ্ | **to like,** ভাল পা | **to satisfy,** সন্তুষ্ট কৰ্ |

(গ) অসমীয়াত দুটা ধাতুৰ প্ৰধান ধাতুটোত পূৰ্ণাৰ্থী 'ই' সৰ্গ যোগ কৰি পৰৱৰ্তী ধাতুটো লগৰীয়া বা সহায়কাৰী ধাতু হিচাপে ক্ৰিয়াৰূপ কৰি ব্যৱহাৰ কৰা হয়। এনে মিশ্ৰধাতুটোৰ প্ৰথম ধাতুটোৰ অৰ্থই প্ৰধান হৈ থাকে। যেনে -

| | |
|---|---|
| খা + ই , পেলা = খাই পেলা, | খা+ ই , দি = খাই দে (দি) |
| পেলা + ই , দি =পেলাই দি (দে), | গঢ় + ই , তোল্ = গঢ়ি তোল |
| চিয়ঁৰ + ই , উঠ্ =চিয়ঁৰি উঠ, | বহ্ + ই , থাক্ = বহি থাক্ |
| জান্ + ই , থ = জানি থ | |

(ঘ) আকৌ প্ৰথম ধাতুটোত ব বা ইব বা ইবলৈ যোগ কৰি পৰৱৰ্তী ধাতুটোৰ ক্ৰিয়াৰূপ কৰি মিশ্ৰধাতুৰূপে ব্যৱহাৰ কৰা হয়। যেনে - খা + ব = খাব বা খাবলৈ।

ইয়াৰ পাচত ধৰ্, দি, মাত্, যা, আহ্ , আদি সহায়কাৰী ধাতুৰ ক্ৰিয়াৰূপ কৰা হয়। যেনে - খাব ধৰ্, খাবলৈ দে, খাবলৈ মাত, খাবলৈ যা, খাবলৈ আহ।

(ঙ) কেতিয়াবা প্ৰথম ধাতুটোত আ - সৰ্গ যোগ কৰি পিচৰ ধাতুটোৰ ক্ৰিয়াৰূপ কৰা হয়। যেনে -

পঢ় + আ, কৰ = পঢ়া কৰ দেখ্ + আ = দেখা কৰ দেখ্ + আ, দি = দেখা দি

তেনেকৈ লিখা পঢ়া কৰ, দেখা শুনা কৰ, ৰন্ধা বঢ়া কৰ , ইত্যাদি।

## ৫.১.৪ অসমীয়া ভাষাৰ মৌলিক ধাতু (Basic Kind of Verbs) ঃ

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা উক্ত বিভিন্ন ধাতুবোৰক সিহঁতৰ অৰ্থ আৰু প্ৰকাৰ্য অনুযায়ী প্ৰধানকৈ দুটা ভাগত বিভাগ কৰিব পাৰি। (ক) স্থিতি বা অৱস্থা সূচক (state verbs)
(খ) কাৰ্য বা ঘটনসূচক (action verbs বা event verbs)

(ক) স্থিতি বা অৱস্থা সূচক (state verbs)

(i) ইন্দ্ৰিয়গ্ৰাহ্য সকৰ্মক (state verbs)

| | | | |
|---|---|---|---|
| *শুন্* | to hear | *গোন্ধা* | to smell, |
| *দেখ্* | to see | *চোঁ, চুই চা* | to touch |

(এনে ধাতুৰ ক্ৰিয়াৰ কৰ্তাকাৰকত কাৰকৰ চিন 'এ' যোগ হয় ।)

(ii) মানসিক অনুভূতিসূচক অপূৰ্ণ, সকৰ্মক state verbs

| | | | |
|---|---|---|---|
| *পাহৰ্* | to forget | *বুজ্* | to understand |
| *জান্* | to know | *ভাব্* | to think |
| *চিন্ত্* | to think | *শিক্* | to learn |
| *জনা* | to inform, to let know | | |

(এনে ধাতুৰ ক্ৰিয়াৰ কৰ্তাত 'এ' যোগ হয় ।)

(iii) অৱস্থাসূচক অকৰ্মকstate verbs

| | | | |
|---|---|---|---|
| *আচ্* | tohave | *থাক্* | to stay, to remain |
| *হ্* | to become | | |

( এনে ধাতুৰ ক্ৰিয়াৰ কৰ্তাকাৰকত সাধাৰণতে কৰ্তাৰ কাৰক চিন 'এ' যোগ নহয় ।)

(iv) অন্তৰ্নুভূতি (Emotion) সূচক অকৰ্মক মিশ্ৰক্ৰিয়া

| | | | | |
|---|---|---|---|---|
| *পা* to get eg. | *কষ্ট পা* | to get hardship | *ভাল পা* | to like, to be cured |
| | *সুখ পা* | to be happy | *দুখ পা* | to be sorry |
| | *বেয়া পা* | to dislike | | |
| *কৰ* to do | *আশা কৰ্* | tohope ,to expect | *অনুভৱ কৰ্* | to feel |
| | *ইচ্ছা কৰ্.* | to wish | *মন কৰ্* | to decide |
| *লাগ্* to want | *দুখ লাগ্* | to be sorry | *গৰম লাগ্* | to feel hot |
| | *ভোক লাগ্* | tobehungry | *পিয়াহ লাগ্* | to be thirst |
| | *ঠাণ্ডা লাগ্* | to feel cool | | |

( লাগ্ ধাতুৰ বাহিৰে আন কেইটা ধাতুৰ ক্ৰিয়াৰ কৰ্তাত 'এ' কাৰকৰ চিন যোগ হয় ।)

(খ) কাৰ্য বা ঘটন সূচক event verbs

(i) ক্ষন্তেকীয়া ঘটন সূচক সকৰ্মকevent verbs

| | | | |
|---|---|---|---|
| *ভুকুৱা* | toblow | *লথিয়া* | to kick with the leg |
| *খুন্দিয়া* | to knock | *দুপিয়া* | tonod |
| *চৰ্* | to slab | মাত | to call |

(কৰ্তাত কাৰকৰ চিন 'এ' যোগ হয় ।)

(ii) ঘটন সূচক সকর্মক eventverbs

| | | | | | |
|---|---|---|---|---|---|
| *লিখ্* | to write | *পঢ়্* | to read | *মাৰ* | to beat |
| *শিকা* | to teach | *দেখুৱা* | toshow | *খেল* | to play |
| *আঁক* | to draw | *লগ ধৰ্* | to meet | *লগ কৰ্* | to make united |
| *ক* | to tell | *দি* | to give | | |

(কৰ্তাত কাৰকৰ চিন 'এ' যোগ হয় ।)

(iii) Process বুজোৱা অকৰ্মক action verbs

| | | | | | |
|---|---|---|---|---|---|
| *গজ্* | to grow | *উধা* | to improve | *উপজ্* | to bear |

(কৰ্তাকাৰকত কৰ্তাৰ কাৰক চিন 'এ' যোগ নহয় ।)

(iv) দিশাত্মক বা গতিবাচক অকৰ্মক motion verbs

| | |
|---|---|
| *আহ্* | to come, to move, to the speaker |
| *যা* | togo, to move away from the speaker |
| *বল্* | to blow as wind, to spread, বতাহ বলে |
| *ব* | to flow as river, নৈ বয় |
| *উঠ্* | to climb up ,গছত , পাহাৰত উঠে |
| *নাম্* | to get down, |
| *চৰ্* | to graze ,eg. গৰু চৰে |

(কৰ্তাকাৰকত কৰ্তাৰ কাৰক চিন 'এ' যোগ নহয় ।)

(v) ক্ষন্তেকীয়া ঘটনসূচক অকৰ্মক Action Verbs

| | | | |
|---|---|---|---|
| *হাঁহ্* | to laugh | *কান্দ্* | to cry |
| *নাচ* | to dance | *হাঁচ্* | to sneeze |
| *কাঁহ্* | to caugh | *জপিয়া* | to jump |
| *হাগ্* | to excrete | *মুত্* | to make urine |
| *চিয়ঁৰ্* | to scream | *দৌৰ্* | to run |
| ওমল | to play ইত্যাদি। | | |

( কৰ্তা কাৰকত কাৰকৰ চিন 'এ' যোগ হয় । )

## ৫.২ ক্ৰিয়া (Verb) ঃ

যি পদে কোনো কাম কৰা বা হোৱা বা ঘটা বুজায়, তাকেই ক্ৰিয়াপদ বোলে। ধাতু (**roots**) হ'ল ক্ৰিয়াপদৰ মূল। *কৰ্* এটা ধাতু, ইয়াৰ লগত কাল দশা অনুযায়ী বিশেষ বিশেষ সৰ্গ যোগ কৰি শেষত বাক্যৰ কৰ্তাৰ পুৰুষ মতে পুৰুষ বাচক চিন *ওঁ, অ, আ, এ* যোগ কৰিলে একোটি ক্ৰিয়াপদ গঢ়ি উঠে। যেনে - *মনজ্যোতিয়ে কিতাপ পঢ়িছে*। ইয়াত *পঢ়িছে* এটি ক্ৰিয়াপদ। *পঢ়্* ধাতুত *ইছ্* + *এ* যোগ হৈ *পঢ়িছে* হৈছে। বাক্যটোৰ কৰ্তা মনজ্যোতি তৃতীয় পুৰুষৰ বাবে *এ* পুৰুষবাচক চিন আৰু ঘটমান দশা বুজাবলৈ '*ইছ্*'যোগ হৈছে। অৰ্থাত্ মনজ্যোতিয়ে কিতাপ পঢ়া কাৰ্য কৰি থকা ভাব প্ৰকাশ কৰিছে। গতিকে '*পঢ়িছে*' এটি ক্ৰিয়া পদ। সাধাৰণতে ক্ৰিয়াপদ বাক্য এটিৰ সামৰণিত উল্লেখ কৰা হয়। সেইবাবেই বাক্যটো সম্পূৰ্ণ কৰে বাবেই এই বাক্যৰ *পঢ়িছে* ক্ৰিয়াপদটোক *সমাপিকা* ক্ৰিয়াপদ বোলে।

সমাপিকা ক্ৰিয়াপদত কৰ্তাৰ পুৰুষ অনুযায়ী পুৰুষ নিৰ্দেশক চিন (**Person marker**) ব্যৱহাৰ কৰা অপৰিহাৰ্য নিয়ম। কিন্তু ক্ৰিয়াৰ ভাববোধক (**Exclamatory**) বাক্যত কেতিয়াবা তাৰ ব্যতিক্ৰম হ'ব পাৰে। যেনে - *হায়! কি চমত্কাৰ কাহিনী!* (এনে বাক্যতো '*হয়*'ক্ৰিয়া উহ্য থকা বুলি বুজিব পাৰি।) অস্ত্যৰ্থক কিছুমান বাক্যত **link verb** বা **copula** *হয়* উহ্য থাকে, কিন্তু তেনে বাক্য নঞৰ্থক হলে *নঞৰ্থক ক্ৰিয়াপদ* প্ৰকাশ্য হৈ থাকে। ( দ্ৰ . নঞৰ্থ গঠন )

### ৫.২.১ পূৰ্ণতাবাচক সংযোজক
### Conjunctive Absolutive ঃ

গতানুগতিক ব্যাকৰণবোৰত সচৰাচৰ সমাপিকা ক্ৰিয়াপদ থাকিলে বিপৰীত *অসমাপিকা* ক্ৰিয়াপদো থাকিব লাগিব বুলি অসমাপিকা ক্ৰিয়াপদ যথাযথভাবে উল্লেখ কৰি আহিছে । আচলতে অসমীয়া ভাষাত অসমাপিকা ক্ৰিয়াপদ নাই। অসমীয়াত অসমাপিকা ভাব বুজাবলৈ ভিন্ন উপায় গ্ৰহণ কৰা হৈছে। ক্ৰিয়াপদৰ সলনি সাধাৰণতে ব্যৱহাৰ হোৱা সমাপিকা ক্ৰিয়াকেই সংযোগসূচক কৃদন্ত বিশেষ্যলৈ **সংযোজক পূৰ্ণাৰ্থীসৰ্গ (Conjunctive Absolutive)** '*ই*'যোগত প্ৰকাশ কৰা হয়। যেনে - ৰাম ঘৰলৈ **আহি** স্কুললৈ গ'ল।

ইয়াত'*আহি*'অৰ্থমতে *অহা কাৰ্য* সমাপন কৰা বুজাইছে। কিন্তু ক্ৰিয়া হিচাপে ধৰিলে বাক্যটোৰ অৰ্থৰ অপূৰ্ণতা বুজায় আনহাতে ইয়াত দুটা পূৰ্ণ বাক্য আছে। (i) ৰাম ঘৰলৈ আহিল, আৰু (ii) ৰাম স্কুললৈ গ'ল। 'আহিল' পূৰ্ণ ক্ৰিয়াপদটোৰ ঠাইত দুয়োটা বাক্য সংযোগ কৰিবলৈ ( আহ্ + ইল ) ক্ৰিয়াৰ আহ্ ধাতুত সংযোজক পূৰ্ণাৰ্থীসৰ্গ (**Conjunctive Absolutive**) '**ই**' যোগ কৰি (**আহ্ + ই**) '*আহি*' কৃদন্ত সাৰ্থ গঢ়ি তোলা হয়। *আহি* কাৰ্যতঃ ক্ৰিয়াপদ নহৈ কৃদন্ত বিশেষ্য বা নাম পদৰূপে গঢ়ি উঠে।

'আহি' পুৰুষ- নিৰপেক্ষ। ইয়াৰ কৰ্তাৰূপে মই, তুমি, তই, সি, আমি আদি বিভিন্ন পুৰুষ ব্যৱহাৰ কৰিলেও '*আহি*'ৰ ভিন্ ভিন্ ক্ৰিয়াৰূপ হ'ব নোৱাৰে। কোনো লিঙ্গ, বচন, আদিতো ৰূপৰ পৰিৱৰ্তন নহয়। যেনে -

মই ঘৰলৈ *আহি* স্কুললৈ গ'লো।
আমি ঘৰলৈ *আহি* স্কুললৈ গ'লো।
তুমি ঘৰলৈ *আহি* স্কুললৈ গ'লা।
তই ঘৰলৈ *আহি* স্কুললৈ গলি।
সি ঘৰলৈ *আহি* স্কুললৈ গ'ল।
সিহঁত ঘৰলৈ *আহি* স্কুললৈ গ'ল।
আপুনি ঘৰলৈ *আহি* স্কুললৈ গ'ল । ইত্যাদি

ইয়াত সমাপিকা *গ'ল* ক্ৰিয়াটোৰ গলোঁ, গ'লি, গ'লা, গ'ল ৰূপ হোৱাৰ দৰে অন্যান্য পুৰুষৰ কৰ্তাৰ '*আহি*'ৰ ৰূপৰ সলনি হোৱা নাই । ই পুৰুষ, বচন, লিঙ্গ নিৰপেক্ষ। গতিকে *আহি* ক্ৰিয়াপদ হব নোৱাৰে। ব্যাকৰণত উল্লেখ থকা অসমাপিকা ক্ৰিয়াপদ নহয়।

**পূৰ্ণতাসূচক যোজকৰ ব্যৱহাৰ ঃ**

(১) একোটি ক্ৰিয়া পদৰ এক বা একাধিক পূৰ্ণতাসূচক যোজক (**Conjunctive Absolutive**) কৃদন্তপদ ব্যৱহাৰ হব পাৰে । যেনে -

দীপুৱে চাহ - জলপান খাই কামটো কৰিলে।
দীপুৱে কিতাপখন পঢ়ি, চিঠিখন লিখি ভাত খাব।
তাই চিঠিখন পঢ়ি, স্কুললৈ গৈছিল।

মূল ক্ৰিয়াপদটোৰ সকলো কালত *ই* যুক্ত ক্ৰিয়া ব্যৱহাৰ হব পাৰে। ওপৰৰ বাক্যকেইটিয়ে তাকে সূচাইছে ।

(২) একেটা কৰ্তাৰ কেইবাটাও সমাপিকা ক্ৰিয়া থাকিলে, শেষৰ মূল সমাপিকা ক্ৰিয়াপদটোৰ বাহিৰে এক বা একাধিক ক্ৰিয়াপদবোৰৰ পূৰ্ণতাসূচক যোজকৰূপে ব্যৱহাৰ কৰি বাক্যটো চমু আৰু সুৰলা কৰিব পাৰি। যেনে -

সি কিতাপ ললে। সি মাকক সেৱা কৰিলে। সি এটি হাঁহি মাৰিলে। সি স্কুললৈ গ'ল।

এই চাৰিটি বাক্যৰ একেটি কৰ্তা হোৱা বাবে একেটি বাক্য গঢ়িব পাৰো। যেনে - সি কিতাপ লৈ, মাকক সেৱা কৰি এটি হাঁহি মাৰি স্কুললৈ গ'ল।

*ই* সৰ্গ অসমীয়াত এটি **সংযোজক পূৰ্ণাৰ্থী** (**Conjunctive Absolutive**) সৰ্গ। ( দ্ৰ .৬.৬.৬) গতিকে ই - যুক্ত ধাতুটো **আহ্ + ই >** আহি ক্ৰিয়াপদ নহৈ কৃদন্ত সংযোজক ( পূৰ্ণাৰ্থী) সৰ্গত পৰিণত হৈছে।

## কৃদন্তযোজকৰ চৰ্তসাপেক্ষতা ঃ

ইয়াৰ উপৰি ধাতুৰ লগত *ইলে* বা সম্প্ৰসাৰিত *ইলত* যোগ কৰি অসমীয়াত পূৰ্ণতাবাচক যোজক চৰ্তসাপেক্ষ অৰ্থত ব্যৱহাৰ কৰা হয়। যেনে -

বীণা *আহিলে* ৰীনা যাব।
বীণা *আহিলত* ৰীনা গ' ল।

উভয় বাক্যত ৰীনাৰ যোৱা কাৰ্য সমাধা কৰাটো বীনাৰ অহা কাৰ্য সমাধা কৰা চৰ্তৰ উপৰত নিৰ্ভৰ কৰিছে। গতিকে *যাব* আৰু *গ'ল* ক্ৰিয়া চৰ্তসাপেক্ষহে।

*ইল্* অসমীয়াত *'ই'* সৰ্গটোৰ দৰে **Absolutive** বা **Completive পূৰ্ণতাসূচক (Conjunctive) যোজক**।
*ই ল্ + এ > ইলে বা ইল্ + অত > ইলত* পূৰ্ণতা সূচক যোজক আৰু চৰ্তসাপেক্ষ অৰ্থ বহন কৰে।

**ইলে বা ইলত ক্ৰিয়াপদ নহয়, কৃদন্তযোজক পূৰ্ণতা সূচক চৰ্তসাপেক্ষ সৰ্গহে।** কাৰণ কৰ্তাৰ পুৰুষ, বচন, লিঙ্গ মতে *আহ্ + ইল্ > আহিল্ + এ = আহিলে* ভিন্নৰূপ গ্ৰহণ নকৰে। 'আহিলে' পদটোৰদৰে *আহ্ + ইল > আহিল্ + অত > আহিলত* কৃদন্ত যোজক পূৰ্ণাৰ্থীৰ দৰে ভিন ভিন ক্ৰিয়াৰূপ নহয়। যেনে -

মই *আহিলে* তুমি যাবা। তুমি *আহিলে* সি যাব।
ৰাম *আহিলে* তই যাবি। সিহঁত *আহিলে* আমি যাম।
সিহঁত *আহিলত* তাই এই কথা কৈছিল। আমি *আহিলত* ল'ৰা-ছোৱালী কেইটাই সকাহ পালে।

এই বাক্যবোৰত আহিলে বা আহিলত বিভিন্ন পুৰুষৰ বচন, লিঙ্গ থকা কৰ্তা থাকিলেও ভিন্ন ক্ৰিয়াৰূপ হোৱা নাই। একে *'আহিলে' বা 'আহিলত'* ৰূপতেই *আহ্* ধাতুৰ ক্ৰিয়াৰূপ অবিকৃত হৈ আছে। *ইল্* যুক্ত ধাতুটো অপৰিৱৰ্তিত হৈ আছে। অৰ্থাত্ ধাতুটো *ইল্* যুক্তহৈ কৃদন্ত নামপদ হৈ পৰিছে। *ইলে, ইলত* যুক্ত হোৱাত *আহ্* ধাতু *আহিলে* বা *আহিলত* পূৰ্ণতা সূচক চৰ্তসাপেক্ষ সংযোজক সৰ্গত পৰিগণিত হৈছে। ( দ্ৰ .৬.৬.৬)

## ৫.২.২ সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াঃ (ক)
## Transitive and Intransitive

বাক্যত ব্যৱহাৰ হোৱা প্ৰতিটো সাৰ্থই পদ। বাক্যত পদবোৰৰ পাৰস্পৰিক সম্বন্ধ নিহিত থাকে। সকৰ্মক আৰু অকৰ্মক ধাতুৰ ব্যৱহাৰ হওঁতে কোনো কৰ্ম ব্যৱহাৰ হোৱা নোহোৱা লৈ দুই প্ৰকাৰৰ ক্ৰিয়াপদ প্ৰয়োগ হোৱা বিভাগ কৰা হৈছে যি ক্ৰিয়াপদৰ কৰ্ম থাকে সেয়েই সকৰ্মক **Transitive,** আৰু যি ক্ৰিয়াপদৰ কৰ্ম নাথাকে সেয়েই অকৰ্মক ক্ৰিয়া **Intransitive** বুলি কোৱা হয়। অকৰ্মক ক্ৰিয়াৰ ধাতুকেই **অকৰ্মক ধাতু** বোলে। যেনে - হাঁচ্, কাহ্, কান্দ্, নাচ্, যা, আহ্, শো, মৰ্, পৰ্, চৰ্,

গুচ্, দৌৰ্, উপজ্ , লৰ্ , শুখা, উঠ্ , বহ্ , হাগ্ , মুত্, ইত্যাদি অকৰ্মক ধাতু।

মানুহ মৰে (মৰ্)। সি যায় (যা)। তাই আহে (আহ্)। গৰু চৰে (চৰ্)।

কেচুৱা শুলে (শো)। তাই নাচে (নাচ্)। নদীত বুৰে (বুৰ্)।

কাপোৰ ভিজে (ভিজ্)। গছত উঠে (উঠ্)। চেয়াৰত বহে (বহ্), নামে(নাম্)।

বিশেষ লক্ষ্যকৰিবলগীয়া যে অকৰ্মক**state verb** বোৰ কিছুমানৰ কৰ্তাকাৰকত সাধাৰণতে 'এ' পুৰুষ নিৰ্দেশক ব্যৱহাৰ নহয়। যেনে - আচ্, থাক্, ৰাম ঘৰত থাকে (আছে)।

তেনেকৈ অকৰ্মক **action verbs** গজ্ , উপজ্ , উধা (**to improve** ) আদিত কৰ্তাকাৰকত এ যোগ নহয়।

আকৌ অকৰ্মক **motion verbs** কিছুমানৰ আহ্ , যা, দৌৰ, লৰ্, বল্ (বতাহ বলিছে), ব (**to flow**) নৈ বয় আদি ক্ৰিয়াৰ কৰ্তাকাৰকত এ যোগ নহয়।

কিন্তু নিম্নলিখিত **action verb** অকৰ্মক ক্ৰিয়াৰ কৰ্তা কাৰক চিন এ যোগ হয়। যেনে -

চিয়ঁৰ - ভন্তিয়ে চিয়ঁৰিছে। ওমল - ল'ৰা - ছোৱালীয়ে ওমলিছে।

হাঁহ্ - ৰামে হাঁহে। কান্দ্ - কেচুৰাই কান্দিছে। নাচ্ - বীনাই নাচে।

কাঁহ্ - বুঢ়াজনে কাঁহিছে। হাঁচ - ছোৱালীজনীয়ে বৰকৈ হাঁচিছে। হাগ্ ,মুত্ - কেচুৰাই হাগে, মুতে।

## ৫.২.৩ সকৰ্মক ক্ৰিয়া Transitive ঃ (খ)

যি ক্ৰিয়াপদৰ কৰ্ম থাকে তাকেই সকৰ্মক ক্ৰিয়া বোলে। যেনে -

*তাই কিতাপখন পঢ়িলে* (পঢ়্) *মনজ্যোতিয়ে ভাত খালে*। (খা)

*সি চিঠিখন লিখিলে* (লিখ্) *ৰামে কামটো কৰিলে* (কৰ্)

উক্ত বাক্যবোৰত উল্লেখ হোৱা *পঢ়্ , লিখ্ , খা, কৰ্* , ধাতুৰ পৰা গঢ়ি উঠা *পঢ়িলে, লিখিলে , খালে, কৰিলে,* আদি ক্ৰিয়াবোৰ সকৰ্মক ক্ৰিয়া, এইবোৰৰ যথাক্ৰমে *কিতাপখন, চিঠিখন, ভাত, কামটো* আদি অজৈৱ কৰ্ম ব্যৱহাৰ হৈছে। গতিকে *পঢ়্, লিখ্, খা, কৰ্,* আদি সকৰ্মক ধাতু। এনে সকৰ্মক ধাতুৰ কৰ্মকাৰকত একো কাৰক চিন ব্যৱহাৰ নহয়।

কিন্তু কিছুমান সকৰ্মক ক্ৰিয়াৰ দুটাকৈ কৰ্ম ব্যৱহাৰ হোৱা দেখা যায়। তেনে ক্ৰিয়াবোৰকেই **দ্বিকৰ্মক** ক্ৰিয়া বোলে। যেনে - মাত - **to call,** ক - **to tell,** শিকা - **to teach** দা -**to give**

১। *আখ্তাৰে তাইক এই কথা কৈছিল* ।

২। *মনজ্যোতিয়ে বীনাক এটা কলম দিলে* ।

৩। শিক্ষকে নীতাক ভাষা-বিজ্ঞান শিকাইছে ।

প্ৰথম বাক্যত *'তাইক'* আৰু *'এই কথা'* দুটাকৈ কৰ্ম ব্যৱহাৰ হৈছে ।

কি কৈছিল ? প্ৰশ্নৰ উত্তৰত আমি পাম *'এই কথা'*, অপ্ৰাণীবাচক।

কাক কৈছিল ? বুলি প্ৰশ্ন কৰিলে উত্তৰত পোৱা যায় *'তাইক'*। প্ৰাণীবাচক আৰু কৰ্মকাৰকৰ - ক চিন যোগ হৈছে। তেনেকৈ দ্বিতীয় বাক্যত কি, কাক প্ৰশ্ন কৰিলে *'এটা কলম'* আৰু *'বীনাক '*পোৱা যায়।

তৃতীয় বাক্যতো কি, কাক প্ৰশ্ন কৰিলে। 'নীতাক' আৰু 'ভাষাবিজ্ঞান' পোৱা যায়। বীনাক আৰু নীতাক উভয়ৰে লগত কৰ্মকাৰকৰ 'ক' যোগ হৈছে।

অকৰ্মক ক্ৰিয়াক দুই প্ৰকাৰে সকৰ্মক ক্ৰিয়াত পৰিণত কৰিব পাৰি।

(ক) অকৰ্মক ক্ৰিয়াটোৰ অনুৰূপ বা সমগোত্ৰীয় (**Cognate**) কৰ্ম ব্যৱহাৰ কৰি আৰু

(খ) অকৰ্মক ধাতুটো পাচঁনি ৰূপ কৰি সকৰ্মক ক্ৰিয়া কৰিব পাৰি। যেনে - অকৰ্মক নাচ্ ধাতু, সমগোত্ৰীয় বিশেষ্য *নাচ, বিহুনাচ, সত্ৰীয়া নাচ, তাই বিহুনাচ নাচিলে* ।

অকৰ্মক **চৰ্ ,** সকৰ্মক **চৰা, চাৰ** - সি পথাৰত গৰু চৰাইছে বা চাৰিছে।

অকৰ্মক **গুচ্,** সকৰ্মক **গুচা, গুচোৱা** টেবুলৰ পৰা কাপোৰখন গুচোৱা।

অকৰ্মক **মৰ্,** সকৰ্মক **মাৰ্** , তাক পেটে - ভাতে মাৰিলে ।

অকৰ্মক **হাঁহ,** সকৰ্মক **হঁহা, হহুৱা** সি নাচি -বাগি সকলোকে হহুৱাইছে ।

অকৰ্মক **কান্দ,** সকৰ্মক **কন্দুৱা,** ৰাইজক কন্দুৱাইছে।

## ৫.৩ সহায়কাৰী ক্ৰিয়া

যি ক্ৰিয়া অন্য ক্ৰিয়াৰ অৰ্থ গাঢ় কৰি বুজাবলৈ সহায়ক হিচাবে বৰৱহাৰ হয়, তাকেই সহায়কাৰী ক্ৰিয়া বোলে, সহায়কাৰী ক্ৰিয়াৰ প্ৰধান ধাতুও সংজ্ঞা শব্দৰ সহায়ক হিচাবে ব্যৱহাৰ হয় বাবে এই ধাতুক মিশ্ৰধাতু বোলে, ই চাৰি প্ৰকাৰৰ, যেনে -ক) প্ৰধান ধাতুটোত কৃদন্ত সংযোজক বা অসমাপিকা ক্ৰিয়াৰ প্ৰত্যয় যোগ কৰা হয়। যেনে -

খাই *পেলা*, গিলি *থ,* মৰি *যা,* কান্দি *উঠ্*

খ) আৰম্ভণি, অনুমতি, আদি বুজাবলৈ মূল বা প্ৰধান ধাতুত তুমৰ্থক 'ইব' আৰু 'ইবলৈ' প্ৰত্যয় যোগ কৰি অপ্ৰধান সহায়কাৰী ধাতুৰ ৰূপ কৰা হয়, যেনে - আৰম্ভণ - পঢ়িব ধৰ, হাঁহিব ধৰ, শুনিবলাগে

অনুমতি - ক'বলৈ দে, খাবলৈ দে, যাবখোজ

সমৰ্থতা - খাব পাৰ, ফুৰিব পাৰ, যাব নোৱাৰ ইত্যাদি

গ) প্ৰধান ধাতুটোত 'আ' প্ৰত্যয় যোগ কৰি কৃদন্ত সংজ্ঞা বা কৃদন্ত বিশেষণ কৰি সহায়কাৰী ক্ৰিয়া কৰা হয়, যেনে -

পঢ়া - পঢ়্ আ

দেখা - দেখ্ আ

লিখা - লিখ্ আ

কেতিয়াবাদুটা কৃদন্ত লগ-লাগি সহায়কাৰী ক্ৰিয়া হয়, যেনে - দেখা-শুনা

লিখা - পঢ়া

খোৱা -বোৱা

কাম -কাজ, ইত্যাদি

ঙ) সংজ্ঞা বা বিশেষণ শব্দৰ লগত কোনো ধাতু বহি প্ৰধান মিশ্ৰধাতু সৃষ্টি কৰা হয়, যেনে - মন মাৰ্, মন কৰ্, মন ভাং, মন দে, মন বহ্, , চেচাঁ হ্, গা হ্, গা উঠ

অৱশ্যে সকলোবোৰ ধাতু সহায়কাৰী হিচাবে ব্যৱহাৰ নহয়, বিশেষ ধাতুহে হয়, যেনে - লাগ্, ধৰ্, পেলা, উঠ্, দি, থাক, আছ্ পৰ্, খা, আদি প্ৰধান।

মিশ্ৰধাতুৰ প্ৰধান ধাতু বা সংজ্ঞা বা বিশেষণ শব্দৰ পাচত বহা সহায়কাৰী ধাতুটোহে বিভিন্ন কাল, পুৰুষত ৰূপ হয়, যেনে -খাই পেলা, খাই পেলালি, খাই পেলাইছিলি, খাই পেলালোঁ, ইত্যাদি।

## ৫.৪ ক্ৰিয়াৰ নঞৰ্থকঃ

অসমীয়াত অস্ত্যৰ্থক বা যথাৰ্থক ধাতুবোৰক নঞৰ্থক ধাতু (Negative roots) ৰূপে গঢ়ি লব পাৰি। তেনে কৰিবলৈ হলে অস্ত্যৰ্থক ধাতুটোৰ আগত নঞৰ্থক সৰ্গ 'ন্' সংযোগ কৰি নঞৰ্থক ধাতু ৰূপে গঢ়িব লাগে।

ক) ধাতুটোৰ আদ্য অক্ষৰ স্বৰধ্বনি হলে 'ন্' সৰ্গৰ লগত সেই স্বৰ ধ্বনি যোগ হৈ নঞৰ্থক ধাতুৰূপে নঞৰ্থক ক্ৰিয়া ৰূপ কৰিব লাগে। যেনে -

| অস্ত্যৰ্থক ধাতু | নঞৰ্থক ধাতু | নঞৰ্থক ক্ৰিয়া ৰূপ |
|---|---|---|
| আহ্ | ন + আহ্ = নাহ্ | নাহে , নাহিল, নাহোঁ, নাহা, নাহিলি |
| আন্ | ন + আন = নান্ | (মই) নানো, (তই) নান, (তুমি) আনা, (সি) নানে |
| আকঁ | ন + আঁক = নাক | (মই) নাকোঁ, (তই) নাকোঁ (তুমি)নাকাঁ, (সি) নাকেঁ |
| ওলা | ন + ওলা = নোলা | (মই) নোলাওঁ, (তই) নোলা, (তুমি) নোলোৱা, (সি) নোলায় |
| এৰ্ | ন + এৰ্ = নেৰ | (মই) নেৰোঁ (তই) নেৰ, (তুমি) নেৰা, (সি)নেৰে |

খ) অস্ত্যৰ্থক ধাতুটো (Positive) অৰ আদ্যঅক্ষৰ ব্যঞ্জন হলে তেনে ব্যঞ্জনৰ লগত লগ লাগি থকা স্বৰধ্বনিটোৰ অনুৰূপে 'ন্' সৰ্গটোৰ লগত স্বৰধ্বনিসংযোগ হয় আৰু তেনে নঞৰ্থক ধাতুটোৰ পুৰুষ দশা অনুযায়ী ক্ৰিয়াৰূপ সাধন কৰা হয়।

| অস্ত্যৰ্থক ধাতু | নঞৰ্থক ধাতু | নঞৰ্থক ক্ৰিয়া ৰূপ |
|---|---|---|
| কৰ্ (কঅৰ) | (ন্ + অ) নকৰ্ | মই নকৰোঁ, তই নকৰ, তুমি নকৰা, সি নকৰে |

| | | |
|---|---|---|
| পঢ় (পঅঢ়) | (ন্ + অ) নপঢ় | মই নপঢ়োঁ, তই নপঢ়, তুমি নপঢ়া, সি নপঢ়ে |
| লিখ্ (লইখ) | (ন + ই) নিলিখ্ | মই নিলিখোঁ, তই নিলিখ, তুমি নিলিখা, সি নিলিখে |
| শিক্ (শইক্) | (ন + ই) নিশিক্ | মই নিশিকোঁ, তই নিশিক, তুমি নিশিকা, সি নিশিকে |
| বুৰ্ (বউৰ) | (ন্ + উ) নুবুৰ | মই নুবুৰোঁ, তই নুবুৰ, তুমি নুবুৰা, সি নুবুৰে |
| খেল্ (খএল) | (ন্ + এ) নেখেল | মই নেখেলোঁ, তই নেখেল, তুমি নেখেলা, সি নেখেলে |
| শো (শও) | (ন্ + ও) নোশোঁ | মই নোশোঁ, তই নোশোৱ, তুমি নোশোৱা, সি নোশোৱে |

কিন্তু আ স্বৰ থাকিলে 'ন্'ৰ লগত '*আ*' বা বিকল্পে *এ* হব পাৰে,

| **অস্ত্যৰ্থক ধাতু** | **নঞৰ্থক ধাতু** | **নঞৰ্থক ক্ৰিয়া ৰূপ** |
|---|---|---|
| পা(প + আ) | (ন্ + আ) নাপা | মই নাপাওঁ, তই নাপাৱ, তুমি নোপোৱা, সি নাপায় |
| খা (খ + আ) | (ন্ + আ) নাখা | মই নাখাওঁ, তই নাখাৱ, তুমি নোখোৱা, সি নাখায় |

বিকল্পে অসমীয়াত 'না'ৰ ঠাইত 'নে' ব্যৱহাৰ হব পাৰে। যেনে -

ন + পা = নেপা, মই নেপাওঁ বা নাপাওঁ, ন+ খা = নেখা, মই নেখাওঁ বা নাখাওঁ

ঐ (অ'ই) থাকিলে ন্ +অ' > ন' সলনি ন হে হয়। যেনে -

ন - হৈ = নহৈছে, নহৈছিল ন্ + গৈ নগৈ। যেনে - নগৈছিল, নগৈছিলোঁ

ঔ (অ'উ) থাকিলে ন্ + অ > ন হয়, ন+ দৌৰ, মই নদৌৰোঁ, তই নদৌৰিবি, তুমি নদৌৰিবা

ইয়াৰ পৰা দেখা যায় - মুল ধাতুটোৰ আদ্যধ্বনি স্বৰবৰ্ণ হলে নঞৰ্থ কৰোতে 'ন্' ৰ লগত ধাতুৰ স্বৰধ্বনিটো যোগ কৰি নঞৰ্থক ধাতু গঢ়ি লৈ নঞৰ্থক ক্ৰিয়াৰূপ কৰা হয়। ন্ এৰ্ নেৰ্ - নেৰোঁ, নেৰিবা, নেৰিবি ইত্যাদি।

ধাতুটোৰ আদিতে ব্যঞ্জন থাকিলে ব্যঞ্জনৰ লগত থকা স্বৰধ্বনিটোৰ অনুৰূপে 'ন্'অৰ পাচত একে স্বৰধ্বনি লগ লাগি নঞৰ্থক ধাতু গঢ়ি উঠে। যেনে -

ন্ + কৰ = নকৰ, ন্ + খা = নাখা, ন্ + লিখ্ = নিলিখ্, ন্ + গৈছিলি = নগৈছিলি, ন্+ গৈ (গঅ'ই) = নগৈ,

ন্ দৌৰ (দঅ'উৰ) নদৌৰ, নদৌৰিলে, নদৌৰিম, নদৌৰিবি, নদৌৰিবা ,ইত্যাদি ।

নঞৰ্থক সৰ্গৰ (ন্) অৰ সংযোগত ধাতুৰ আদ্য বা আদ্যব্যঞ্জনৰ স্বৰধ্বনিৰ স্বৰসমীভৱন হোৱাৰ কথা অসমীয়াভাষাত অনাৱশ্যক

গ) অসমীয়াত নঞৰ্থক ক্ৰিয়াৰূপৰ কেইটামান বৈশিষ্ট্য আছে ।আছ্ ধাতুৰ পৰা উদ্ভৱ হোৱা নঞৰ্থক ক্ৰিয়া ৰূপ হব প্ৰাকৃতৰ পৰা ক্ৰমবিকাশ হৈ লাভ কৰা ন - অস্তি > নাস্তি ক্ৰিয়াৰূপ পৰিৱৰ্তন ঘটি নাথি> নাহি > নাই হৈছে ।

অসমীয়াত আছ্ ধাতু ঘটমান দশা বা স্বৰূপ বৰ্তমানত আছোঁ, আছ, আছা, আছে, হলেও নঞৰ্থ হবলৈ *ন্ আছ্ নাছ্*নহৈ ভাষাৰ ক্ৰমবিকাশত লাভকৰা 'নাই' নঞৰ্থ ৰূপটোহে ব্যৱহাৰ হব পাৰে । '*নাই*'অসমীয়াত পুৰুষ নিৰপেক্ষ ৰূপে ব্যৱহাৰ হয় ।প্ৰকৃতাৰ্থত নাই এটি বিভিন্ন কাল দশাত ক্ৰিয়া ৰূপ নোহোৱা সৰ্গহে । যেনে -

| | | |
|---|---|---|
| তই তাত আছ - | নঞৰ্থত | তই তাত *নাই* বা তই তাত থকা *নাই* । |
| তুমি তাত আছা - | " | তুমি তাত *নাই* বা তুমি তাত থকা *নাই* । |
| মই তাত আছোঁ - | " | মই তাত *নাই* বা মই তাত থকা *নাই* । |

আছ্ আৰু থাক্ ধাতু উভয়ে পৰিপূৰক অনিয়মীয়া ধাতু।

| | | |
|---|---|---|
| কিন্তু তই ঘৰত আছিলি | নঞৰ্থত | তই ঘৰত নাছিলি, তই ঘৰত থকা নাছিলি। |
| তুমি ঘৰত আছিলা | " | তুমি ঘৰত নাছিলা, তুমি ঘৰত থকা নাছিলা। |
| মই ঘৰত আছিলোঁ | " | মই ঘৰত নাছিলোঁ, মই ঘৰত থকা নাছিলোঁ। |

ঘ) আছ্ ধাতুৰ নঞৰ্থক ৰূপ নাই, স্বৰূপ বৰ্তমান বা ঘটমান দশাৰ ক্ৰিয়াৰ ধাতুটো আ -যুক্ত কৃদন্তৰ পাচত ব্যৱহাৰ হয়। যেনে -

| | | | |
|---|---|---|---|
| ৰামে পঢ়িছে | নঞৰ্থত ৰামে পঢ়া নাই । | তই পঢ়িছ | নঞৰ্থত তই পঢ়া নাই। |
| তুমি পঢ়িছা | " তুমি পঢ়া নাই। | মই পঢ়িছোঁ | " মই পঢ়া নাই। |

| | | | |
|---|---|---|---|
| তেনেকৈ | সি কিতাপখন পঢ়িছে | নঞৰ্থত | সি কিতাপখন পঢ়ি থকা নাই । |
| | মই কিতাপখন পঢ়িছোঁ | " | মই কিতাপখন পঢ়ি থকা নাই । |
| | তুমি কিতাপখন পঢ়িছ | " | তুমি কিতাপখন পঢ়ি থকা নাই । |

ঙ) 'নাই' ওপৰত উল্লেখ কৰা ঘটমান দশাৰ বাহিৰে অন্য কাল -দশাত ব্যৱহাৰ নহয় । যেনে -

মই কিতাপ পঢ়ো নঞৰ্থত মই কিতাপ নপঢ়ো(নপঢ় ধাতু)

মই কিতাপ পঢ়িলো " মই কিতাপ নপঢ়িলো( অতীত কালত)

মই কিতাপ পঢ়িছিলো " মই কিতাপ নপঢ়িছিলো

" মই কিতাপ পঢ়া নাছিলোঁ (ন আছিলো)

সি ভাত খাইছিল সি ভাত নাখাইছিল অৰ্থাত তাৰ ভাত খোৱা অভ্যাস বা স্বভাৱ নাছিল, বা সি ভাত খোৱা নাছিল, অৰ্থাৎ সি ভাত খোৱা কাম কৰি থকা নাছিল।

চ) কিন্তু অস্ত্যৰ্থক ক্ৰিয়াৰ লগে - লগে নঞৰ্থত প্ৰশ্ন কৰিলে 'নাই' নঞৰ্থক ৰূপ ব্যৱহাৰ হব পাৰে। যেনে -

সি ঘৰত আছে নে নাই ? তাই কোঠাত আছিল নে নাই ?

তুমি গুৱাহাটীত পঢ়িছিলা নে নাই ? তোমাৰ খোৱা হৈছে নে নাই ? সিহঁতে খোৱা নাই হবলা ?

ছ) নিত্য বৰ্তমান আৰু ভৱিষ্যত কালত প্ৰশ্নৰ অৱতাৰণা কৰিলেও অস্ত্যৰ্থক ক্ৰিয়াৰ পাচত নঞৰ্থক 'নাই' ব্যৱহাৰ কৰা অনুচিত।

মই ভাত এতিয়া খাওঁ নে নাই ? হব নোৱাৰে, খাওঁ নে নাখাওঁ ? হে হব

সি এতিয়া যাব নে নাই ? অশুদ্ধ, যাব নে নাযাব ? হে শুদ্ধ

মই কিতাপ পঢ়িম নে নাই ? অশুদ্ধ, পঢ়িম নে নপঢ়িম ? হে শুদ্ধ

জ)নাইকিয়া ঃ গণ্য আৰু অগণ্য পদাৰ্থৰ স্থিতি নোহোৱা নঞৰ্থ বুজাবলৈ নাইকিয়া ব্যৱহাৰ হয় । যেনে -

পাচিটোৰ আমবোৰ নাইকিয়া হ'ল ।

ঘৰত পুৰুষ মানুহ নাইকিয়া হোৱা দেখিলোঁ ।

ঘটিটোৰ গাখীৰখিনি নাইকিয়া কৰিলে । ইয়াত বিকল্প হিচাপে 'নাই 'ব্যৱহাৰ অনুচিত আৰু অশুদ্ধ হব ।

ঝ) নঞৰ্থক সৰ্গ 'ন' ৰ বৰ্দ্ধিত ৰূপ 'না' আৰু 'নুই' দুটা নঞৰ্থ বুজাবলৈ ব্যৱহাৰ হয়। ইহঁতৰ প্ৰয়োগ 'নাই' নঞৰ্থক ক্ৰিয়াৰ দৰে নহয়। যেনে -

গুৰুৰ আদেশত হা না নাখাটে । হা কৰিলে সুখ, না কৰিলে দুৰ্ভোগ ।

গুৰুজনাৰ আদেশ 'নুই' নকৰিবা।

শিক্ষকৰ কথাটো ৰামে পোনেই 'নুই' কৰি থলে।

## ৫.৫ ক্ৰিয়াৰ কাল Tenseঃ

ক্ৰিয়াৰ কাল **Tense** অৰ লগত সময় **Time** অৰ ধাৰণা জৰিত হৈ আছে । পৃথিৱীখন সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰাৰ লগতে নিজমেৰুদণ্ডৰ ওপৰত ২৪ ঘণ্টাত সম্পূৰ্ণ এবাৰ আবৰ্তন কৰা প্ৰক্ৰিয়াটোৰ বাবেহে মানুহে সাংস্কৃতিক উপায় হিচাপে সময়ৰ ধাৰণা গ্ৰহণ কৰি লৈছে। যদি পৃথিৱীখনে নিজ মেৰুদণ্ডৰ উপৰত স্থিৰ হৈ থাকিলহেঁতেন - আমি ৰাতিপুৱা, আবেলি, দুপৰীয়া,ৰাতি - দিন আদি নাপালোঁহেঁতেন, আন্ধাৰ হলে - আন্ধাৰেই পালোঁহেঁতেন বা পোহৰ হৈ থাকিলে দিনকেই পালোঁহেঁতেন। তেনেকৈ সূৰ্যৰ চাৰিওফালে পৃথিৱীখনে পৰিভ্ৰমণ নকৰিলে, ঋতুৰ পৰিৱৰ্তন নহ'লহেঁতেন; শীতকাল গ্ৰীষ্মকালৰ পৰিৱৰ্তন নাপালোঁহেঁতেন। কিন্তু পৃথিৱীবাসীৰ ভাগ্য ভাল; পৃথিৱীখনে সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থকা কাৰণে দিন, পষ, মাহ, বছৰ, যুগ, শতাব্দী আদি পাব পাৰিছোঁ, লগতে ঋতুৰ পৰিৱৰ্তনো পাব পাৰিছোঁ। পৃথিৱীখনে নিজ মেৰুদণ্ডৰ ওপৰত ২৪ ঘণ্টাত এবাৰ আবৰ্তন কৰা কাৰণে দিন - ৰাতি পাইছোঁ। এনেকৈ জগত সৃষ্টিৰ আদি কালৰ পৰা বৰ্তমানলৈ সময়ৰ সোঁত এটি অনন্তলৈ বৈ আছে, অসীম ভৱিষ্যতলৈ একেদৰে বৈ থাকিব।

গতিকে সময়ৰ আদিহীন সোঁত এক অনন্তলৈ বাধা হীনভাবে চলি আছে, ইদৰে চলিয়ে থাকিব। পৃথিৱী বা সূৰ্য ধ্বংস হৈ গ'লে বা সূৰ্য সৌৰজগত সহ ধ্বংস হৈ গ'লে সময়ৰ অস্তিত্বও নিঃশেষ হব। গতিকে সময় (**Time**) বুলিলে বিশ্বজগতৰ গতি শক্তিৰ অনুভৱ কৰিব পৰা সময়ৰ অনন্ত স্ৰোতৰ ধাৰণাবুলি বুজিব পাৰোঁ।


**সময়** আৰু ক্ৰিয়াৰ **কাল** একে নহয়। সময় ভাষাগত কালতকৈ ভিন্ন। সময়ক প্ৰাকৃতিক ভাবে আৰু অপ্ৰাকৃতিকভাবে বিভিন্ন বিভাগ আৰু উপবিভাগত ভাগ কৰিব পাৰি। চেকেন্দ, মিনিট, ঘণ্টা, দিন, আদি বিভিন্ন সময়ৰ গোট সৃষ্টিৰে বছৰ, যুগ, শতাব্দী আদি বিভিন্ন ডাঙৰ গোট গঢ়িব পাৰি। চন্দ্ৰ পৃথিৱীৰ চাৰিওফালে এপাক মাৰিলে, চান্দ্ৰমাহ আৰু চন্দ্ৰসহ পৃথিৱীয়ে

সূৰ্যৰ চাৰিওফালে এপাক মাৰিলে, পৃথিৱীৰ এবছৰ হোৱা স্বাভাৱিক সংঘটন। তাকেই বিভাগ কৰি বাৰ, মাহ, মাহৰ দুই পষ, একোটি পষক আকৌ দুই স প্তাহ ভাগ কৰা হয়। এসপ্তাহত সাতটা দিন কৰি ভাগ কৰা হয়। এয়েই সময়ৰ বিভাজন।

কিন্তু ভাষাগত ক্ৰিয়াৰ কাল হৈছে, কোনো এটা উক্তি বা বাক (**Utterance**) অৰ সাময়িক বা সময়সূচক শূন্য-বিন্দু (**Temporal zero - point** ) অৰ লগত সম্বন্ধিত অতীত, বৰ্তমান আৰু ভবিষ্যতত সংঘটিত কাৰ্য, স্থিতি প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা ক্ৰিয়াৰূপ বা ক্ৰিয়াৰূপ সমষ্টিৰ সময় সাপেক্ষ উল্লেখহে বুজায়। গতিকে ক্ৰিয়াৰ কাল **Tense** সম্পূৰ্ণৰূপে আপেক্ষিক। কোনো ব্যক্তিৰ উক্তি বা বাক **Utterance**অৰ স্থান - কালৰ ( ইয়াত আৰু এতিয়াসূচক) **শূন্য বিন্দুৰ spatio - temporal zero - point** লগত সম্বন্ধ ৰাখি এনে কাল নিৰূপন কৰা হয়। বক্তাই উচ্চাৰণ কৰা মুহূৰ্তটোৰেই বৰ্তমানৰ **শূন্য বিন্দু zero - point** অৰ্থাত্,সময়ৰ ফালৰ পৰা বৰ্তমানৰ আজি, এতিয়া, আৰু স্থানৰ ফালৰ পৰা বক্তাই যি ঠাইত থাকি কথাটো কৈছে - যেনে - 'ইয়াত' বা 'এই ঠাইত' এই কথাটোকেই শূন্যবিন্দুটোৱে বুজায়। বৰ্তমান শব্দটোৰ অৰ্থ এই মুহূৰ্তৰ পৰা বিস্তৃত কৰি - 'আজি', 'এইবেলা', 'এই দিন', 'এইসপ্তাহ', 'এই মাহ', 'এই বছৰ', 'এই শতাব্দী' ইত্যাদিত সামৰিব পাৰি।

কিন্তু কোনো কাৰ্য ঘটা, হোৱা, বা স্থিতিৰ ভাব বুজাবলৈ বক্তাই উচ্চাৰণ কৰা যি স্থান - কালৰ শূন্য বিন্দু নিশ্চিত হৈ থাকে - তাৰ লগত সম্বন্ধ ৰাখি আমি তেনে কোনো কাৰ্যৰ বা স্থিতিৰ আগৰ বা অতীতৰ নাইবা পিচৰ বা ভবিষ্যতৰ কথা নিশ্চিত কৰিব পাৰোঁ । তলত দিয়া চিত্ৰখনিত অতীত আৰু ভবিষ্যত প্ৰকাশ পাইছে ।

সময়ৰ সোঁত




**zero - point**

শূন্য বিন্দু

∝ মানে ইয়াত অসীম **Infinity** বুজাইছে ।

এই চিত্ৰৰ পৰা বুজিব পাৰি শূন্যবিন্দু বৰ্তমানৰ কোনো কাৰ্য কৰা, হোৱা নিচেই কম সময় ব্যাপিহে হব পাৰে । কিন্তু আমি এনে কিছুমান বাক উচ্চাৰণ কৰোঁ, যিবোৰ অতীততো সত্য, বৰ্তমানতো সত্য, নাইবা ভবিষ্যততো সত্য হব পাৰে ।

যেনে - মানুহ মৰণশীল (হয়)।

পাঁচে পাঁচে দহ (হয়)।

এনেধৰণৰ বিশ্বজনীন সত্য প্ৰকাশ কৰা কথাবোৰেই বিস্তাৰিত ভাবে বিস্তৃতি লভা বৰ্তমান (Widely extended present) বুলি কব পাৰি। ঠিক তেনেদৰে মানসিক অনুভূতিবোৰ ধাতু জান্ (To know), বুজ্ (To understand), ভাব (To think), পাহৰ (To forget), আশা কৰ্ (To hope), ভাল পা (To love), ইচ্ছা কৰ্ (To wish ), ঘৃণা কৰ্ (To hate), আৰু state verbs আছ্ (To have,To be ), হ (To be), থাক্ (to Stay) বা (to Exist), আদি ধাতুযোগত গঢ়া ক্ৰিয়া পদবোৰে অতীতৰ পৰা উক্তি কৰা শূন্যবিন্দু অতিক্ৰমি ভবিষ্যতৰ অনিৰ্দিষ্ট কাললৈও বিস্তৃতি লাভ কৰিব পাৰে। যেনে -

ৰামে ব্যাকৰণ জানে।

ৰজাৰ দুজন ভায়েক আছে ।

পানীত মাছ থাকে ।

'জানে', 'থাকে', 'আছে' ক্ৰিয়াপদে বক্তাই উল্লেখ কৰা শূন্যবিন্দুৰ আগৰ পৰা 'জনা', 'মাছ', 'ভায়েক' আৰু 'থকা' কাৰ্য চলি আহি বৰ্তমানৰ পিচৰ ভবিষ্যতলৈও চলি থকা বুজায়।

## ৫.৬.১ ক্ৰিয়াৰ দশা ( Aspects ) ঃ

ভাৰতীয় আৰ্যভাষাৰ ক্ৰিয়াৰূপৰ কাল (Tense) অৰ সলনি প্ৰাচীন ইন্দো - ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাৰ ক্ৰিয়াৰূপৰ পদ্ধতিৰ দৰে অসমীয়া ভাষাত সময় নিৰপেক্ষ Aspect বা দশাহে ক্ৰিয়াৰূপত ব্যৱহাৰ হোৱা লক্ষ্য কৰিব পাৰি। পাণিনীয় সংস্কৃততকৈ অসমীয়া ক্ৰিয়াৰূপৰ যথেষ্ট পাৰ্থক্য আছে। মূল ইন্দো - ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাত কালবৰ্জিত চৰিত্ৰৰ (Non -temporal character) ক্ৰিয়াৰূপৰ পদ্ধতি প্ৰচলিত। এই মৌলিক পদ্ধতিটো হৈছে - প্ৰতি ক্ৰিয়াপদে কোনো বিশিষ্ট কাৰ্য (action) বা অৱস্থা (state) কোন সময়ত (when) ঘটাতকৈ কি ৰূপে (how) বা কেনেদৰে ঘটিছে - সেইধৰণ টোহে প্ৰকাশ কৰে। সাধাৰণতে ক্ৰিয়াটোৰ কাৰ্যৰ আৰম্ভণ, (Initiation), কামটো চলি থকা (Continuity) আৰু পূৰ্ণতা (Completion) হোৱা বুজাবলৈ ব্যৱহাৰ হোৱা ক্ৰিয়াৰূপৰ ওপৰত অসমীয়া ভাষাৰ দশা (aspects) নিৰ্ভৰ কৰে। সেইফালৰ পৰা অসমীয়া ক্ৰিয়াপদৰ দশা নিম্নলিখিত তিনি প্ৰকাৰত বিভাগ কৰিব পাৰি ঃ

ক) **অসমাপ্ত বা অপূৰ্ণ দশা (Imperfective or Unaccomplished)**
- i. **তাত্ক্ষণিক (Instantaneous or Inchoative)**
- ii. **অবিৰত দশা (Unrestrictive)**
- iii. **অভ্যাসজনিত (Iterative or habitual )**

খ) **ঘটমান বা চলি থকাদশা (Continuous, Continuative)**

গ) **সমাপ্ত বা পূৰ্ণ দশা (Conclusive or perfective)**

## ৫.৬.২ দশাৰ স্বৰূপ

i. **তাত্ক্ষণিক দশা** (Instantaneous aspect ), Type I ( Verb root + Person marker )

যেতিয়া বক্তাই কোনো এটি কাৰ্য ঘটাৰ মুহূৰ্তত ক্ৰিয়াৰূপৰ উল্লেখ কৰাৰ লগে লগে কৈ পেলায়, কাৰ্যটোৰ শেষ হয় আৰু পিচৰ কাৰ্যটো ঘটাৰ লগে - লগে অকণো পলম নকৰি কাৰ্যটো প্ৰকাশ কৰে - তেনে ক্ৰিয়াপদৰ দশাকেই তাত্ক্ষণিক দশা **(Instantaneous aspect )**, কোৱা হয়। এই দশাটোৰ সম্ভেদ পাব পাৰি যেতিয়া ফুটবল, ক্ৰিকেট, বক্সিং আদি প্ৰতিযোগিতা চলি থাকোঁতে ঘোষকজনে বৰ্ণনা কৰি থকা ভাষাত ব্যৱহাৰ হোৱা ক্ৰিয়াপদৰ ব্যৱহাৰত। ফুটবল প্ৰতিযোগিতাৰ ঘোষকজনে খেলৰ চলন্ত বিৱৰণ দি থাকোঁতে ক্ষণিক সময়ত চমুকৈ কয় - *‘ৰহিমে বল পায়, বিপক্ষৰ দুজনক অতিক্ৰম কৰি ৰামলৈ বলটো আগুৱাই দিয়ে, ৰামে বলটো আয়ত্ব কৰি বিপক্ষৰ বেকজনক অতিক্ৰম কৰি চত্ কৰে গোললৈ, গোলকিপাৰক পৰাভূত কৰি গোল ...... এটি গোল দিয়ে।’*

চত্ কৰে, আদি ক্ৰিয়া পদৰ **(action verbs)** য়েই তাত্ক্ষণিক দশাৰ উদাহৰণ। এই দশাৰ ক্ৰিয়াৰ ধাতু + পুৰুষ চিন ব্যৱহাৰ কৰি ক্ৰিয়াপদ কৰা হয়। **(action verbs)**

ii. **অবিৰত দশা** (Unrestrictive aspect) Type I (Verb root + Person marker)

স্থিতিসূচক **(state verb)** আৰু পুৰুষনিৰ্দেশক চিন যোগ হৈ অতীততে আৰম্ভ হোৱা কোনো অৱস্থা বৰ্তমানৰ মাজেদি ভৱিষ্যতলৈ ঘটমান হৈ থাকিলে তেনে ক্ৰিয়াপদৰ দশাকেই অবিৰত দশা কোৱা হয়। ইয়াত কোনো আৰম্ভন বা সামৰণৰ ভাব নাথাকে, কেৱল ভৱিষ্যতলৈ চলিথকা বুজায়। যেনে -

*চেনি মিঠা লাগে ।*

*তাই গোলাপ ভাল পায় ।*

iii. **অভ্যাসজনিত** (Iterative or habitual aspect) Type I (Verb root + Person marker) কোনো অৱস্থা, স্থিতি **(state)** নাইবা ঘটনা বা কাৰ্য অতীতৰ পৰা বৰ্তমানলৈ চলি থাকে আৰু সেই অৱস্থা বা সংঘটন ভৱিষ্যতলৈও চলি থাকিব পাৰে - তেনে ভাব থকা ক্ৰিয়াপদৰ দশাকেই অভ্যাসজনিত (Iterative or habitual aspect) কোৱা হয়। এই দশাই তাত্ক্ষণিক দশাৰ কাৰ্যসাৰ (action বা event verbs) ক্ৰিয়া আৰু অবিৰত দশাৰ স্থিতিবাচক (state verb) ক্ৰিয়া উভয়কেই সামৰিব পাৰে। যেনে -

*মই নগাওঁত বাস কৰোঁ ।*

*তাই আঠ বজাত কলেজলৈ যায়।*

*প্ৰণবে ৰাতিপুৱা লিখা - পঢ়া কৰে।*

অভ্যাসজাত আৰু অবিৰত দশাৰ মাজত পাৰ্থক্য আছে। অভ্যাসজাত দশাত কোনো অৱস্থা বা **state** অত অতীতৰ পৰা চলি থকা বুজালেও মাজে মাজে কাৰ্য বা স্থিতিৰ বিৰতি **Interval** থাকিব পাৰে। কিন্তু অবিৰত দশাত অতীতৰ পৰা ভবিষ্যতলৈ চলি থকা অৱস্থাৰ **state verb** অৰ দীৰ্ঘস্থিতিৰ কোনো বিৰতি থাকিব নোৱাৰে। তেনেকৈ তাত্ক্ষণিক দশাৰ **action** বা **event verb** অৰ কাৰ্য ঘটমান বা চলন্ত **Continuity** নহৈ বৰ্তমানৰ তাত্ক্ষণিক ভাব উদ্রেক কৰি ক্ৰিয়াৰূপ সম্পন্ন কৰে। আনহাতে অভ্যাসজাত দশাত **action** বা **event verb** আৰু **state verb** অৰ অতীতৰ পৰা বৰ্তমানৰ মাজেদি মাজে মাজে বিৰতিসহ ভবিষ্যতলৈ **Continuality** ঘটমান বা চলন্ত হৈ থাকিব পাৰে।

### ৫.৬.৩ খ) ঘটমান বা চলি থকাদশা (Continuous, Continuative aspect)

Type II ( Verb root + ic +Person marker )

ওপৰত উল্লেখ কৰা অবিৰত (**Unrestrictive**) আৰু অভ্যাসজাত ( **Iterative or habitual** ) দশা দুটাত স্থিতিবাচক **State verb** আৰু কাৰ্যবাচক **Event verb** বোৰৰ বৰ্ণনামূলক ক্ৰিয়াৰূপত (**Indicative**) অতীতৰ পৰা বৰ্তমানৰ মাজেৰে ভবিষ্যতলৈ চলি থকা ভাব প্ৰকাশ পায়। অবিৰত **Unrestrictive** দশাত একেৰাহে কামটো চলি নাথাকে, মাজে মাজে, সময়ৰ বিৰতি থাকে; অভ্যাসমতে সদায় একে কাম কৰি যায় মাথোন।

ঘটমান বা চলন্ত দশাত (**Continuative aspect**) কোনো এটা কাৰ্য (**event**) বা স্থিতি (**state**) কিছু সময় ব্যাপি একেৰাহে চলি থকা ভাব বুজায়। এনে দশাত ক্ৰিয়ামূলত - ইচ্ - যোগ হয় আৰু কৰ্তাৰ পুৰুষ অনুযায়ী পুৰুষবাচক চিন যোগ কৰা হয়। যেনে -

*আপোনালোকে আকাশবাণী গুৱাহাটী শুনিছে*

*লিলিদাস মালিকে কৈছে ।*

*মই তোমাৰ কথাই ভাবিছোঁ।*

এইবোৰ বাক্যৰ ক্ৰিয়াপদবোৰে কিছুসময় জুৰি যথাক্ৰমে 'শুনা কাৰ্য', 'কোৱা কাৰ্য', 'ভবা কাৰ্য', কৰি থকা বুজাইছে। এইবোৰেই ক্ৰিয়াপদ কেইটিৰ ঘটমান বা চলন্ত দশা।

**(১) ব্যাপ্তি (Duration)**

চলন্ত দশাত সাধাৰণতে কম - বেছি সময়ৰ ব্যাপ্তি নিহিত হৈ থাকে। কোনো এটা কাম কৰিলে কিছু সময় জুৰি কামটো চলি থাকে, গতিকে ব্যাপ্তি এই দশাৰ সাধাৰণ লক্ষণ। যেনে -

*অঞ্জলিহঁতে বিহুগীত গাইছে ।* গীত শেষ হোৱালৈ সময়খিনি জুৰি গাই থাকিব।

*তোমালোকে আকাশবাণী শুনিছা* । আকাশবাণীৰ প্ৰগ্ৰেম চলি থকা সময়খিনি শুনা কাৰ্য চলি থাকে।

*মৰলে এতিয়া গল্প লিখিছে* । এতিয়া গল্প লিখা কাম চলি আছে বা মৰলে গল্প লিখা কামত হাত দিছে বা আৰম্ভ কৰিছে

**(২) বিস্তৃত সময় ব্যাপ্তি (Extended period of time)**

কেতিয়াবা বিশেষ দীৰ্ঘ সময় জুৰি কোনো ক্ৰিয়াৰ কাৰ্য ঘটমান হৈ পৰাত তেনে কাৰ্যৰ ক্ৰিয়া পদৰো চলন্ত দশা নিশ্চিত হৈ পৰে।

(ক) *'মই নগাওঁত বাস কৰোঁ '।*

এই কথাষাৰিত অবিৰত দশা (**Unrestrictive Aspect**) নিহিত আছে।

কিন্তু *'মই গুৱাহাটীত বাস কৰিছোঁ '।*

ইয়াত বক্তাই বৰ্তমান গুৱাহাটীত বাস কৰি থকা কথা কোৱা হৈছে, গতিকে ই ঘটমানদশা (**continuative aspect**)

(খ) *'ঘড়ীটোৱে বেচ্ কাম দিয়ে '।*

ঘড়ীটোৱে ভাল কাম সাধাৰণতে দিয়ে - আৰু দি আছে। (অবিৰত দশা)

কিন্তু *'ঘড়ীটোৱে এতিয়া বেচ কাম দিছে '।*

ঘড়ীটোৱে আগতে ভাল কাম দিয়া নাছিল, বৰ্তমান ভাল কাম দিছে। (ঘটমান দশা)

**(৩) কোনো সংঘটনৰ সমাপ্তি নথকা (Happening not neccssarily complete)**

কেতিয়াবা কোনো কাৰ্য বা স্থিতিসূচক ক্ৰিয়াৰ ঘটমান দশা হলেও কাৰ্যটোৰ সমাপ্তি নহবও পাৰে। যেনে -

ক) *সৌজন কোনোবা আহিছে।*

বক্তাৰ ফাললৈ কোনোবা আহি আছে, কিন্তু আহা কাৰ্যৰ অন্ত পৰা নাই ।অৰ্থাত্ বক্তাৰ ওচৰ পোৱা নাই ।

খ) *মই তাৰ কথাটো ভাবিছোঁ।* তাৰ বিষয়ে মই ভাবিছোঁ, ভবা কাৰ্য শেষ হোৱা নাই । (ঘটমান দশা )

**ঘটমান (Continuative aspect) (Verb root)** – ই + আচ্ + পুৰুষ চিন

ক্ৰিয়ামূলৰ লগত সংযোজক সৰ্গ - ই - যোগ কৰি সহায়কাৰী - আচ্ ধাতুৰ লগত পুৰুষ নিৰ্দেশক চিন ব্যৱহাৰ কৰি ক্ৰিয়াপদৰ ঘটমান দশা গঢ়ি তুলিব পাৰি । যেনে -

১. (ক) '*পাংখাখন ঘুৰিছে*'।

(খ) '*পাংখাখন ঘুৰি আছে*'। উভয় বাক্যত পাংখাখন 'ঘুৰি থকা' বুজাইছে। (ঘটমান দশা)

২. (ক) '*ৰেডিঅ'ত মাইনাই কৈছে*'।

(খ) '*ৰেডিঅ'ত মাইনাই কৈ আছে*'। উভয় বাক্যত 'কৈ থকা' কাৰ্য বুজাইছে। (ঘটমান দশা )

কিন্তু ক্ৰিয়ামূলৰ লগত সংযোজক সৰ্গ - *ই* - যোগ কৰি সহায়কাৰী *থাক্* ধাতু যোগ কৰাৰ পাচত পুৰুষ নিৰ্দেশক চিন যোগ কৰিলে ঘটমান দশাৰ সলনি **অভ্যাসজাত বা স্বভাবজাত (Iterative or habitual)** দশা উদ্ভব হব। যেনে -

***Verb root*** *ই* + *থাক্* + ***Person marker***

৩. (ক) '*মই ৰাতিপুৱা পুথি পঢ়োঁ*'। সাধাৰণতে পুথি পঢ়া অভ্যাস। (অভ্যাসজাত দশা **Habitual)**

কিন্তু '*মই ৰাতিপুৱা পুথি পঢ়ি থাকোঁ*'। সাধাৰণতে প্ৰতিদিনে ৰাতিপুৱা পুথি পঢ়া কাৰ্য কৰি থকা হয়। সময়জুৰি কাৰ্য কৰিলেও বিৰতিযুক্ত অভ্যাসজনিত কাৰ্য বাবে অভ্যাসজাত দশা **(Iterative aspect)**।

## ৫.৬.৪ কিছুমান ক্ষণিকসূচক ধাতুৰ ঘটমান দশা গঠন ঃ

অসমীয়া ভাষাত মুহূৰ্ত, ক্ষণ বুজোৱা কিছুমান ধাতু আছে। সেইবোৰ ধাতুৰ পৰা ঘটমান দশা **(Continuative aspect)** সৃষ্টি কৰিলে - তেনে ক্ৰিয়াপদ সাধাৰণতে পুনঃ পুন কাৰ্যৰ অৰ্থ **(Repeatation)** প্ৰকাশ কৰে। যেনে -

**Momentary event verbs ঃ**

লথিয়া - **to kick,** খুন্দিয়া - **to knock,** দুপিয়া - **to nod,** ভুকুৱা -**to blowwith fist,** জাপিয়া - **to jump,** ফুকা- **to blow wind,** ইত্যাদি ।

১. *তাই চোতালত জপিয়াইছে*। ইয়াত সময়জুৰি পুনঃ পুনঃ জাপ মৰা কাৰ্য কৰিছে।

২. *সি দুৱাৰত খুন্দিয়াইছে* বা *খুন্দিয়াই আছে ।*

৩. *তাই মুৰ দুপিয়াইছে*। বা *দুপিয়াই আছে ।*

## ৫.৬.৫ (a) কাৰ্যসূচক event verbs অৰ ঘটমান দশা ঃ

### event verbs *ই* + আচ্ + পুৰুষ নিৰ্দেশক চিন

অসমীয়াত ব্যৱহাৰ থকা কাৰ্যসূচক (যেনে - *পঢ়্* **to read,** *লিখ্* **to write,** *খা* **to eat** ইত্যাদি) অৰ লগত সহায়কাৰী ক্ৰিয়া 'আচ্' ধাতু ব্যৱহাৰ কৰি ঘটমান দশা গঢ়িলে কাৰ্যটো চলি থকা **(Continuity)** বা বিৰতিলৈ চলি থকা **(Continuality)** ঘটমান দশা হব পাৰে।

'*মৰলে বৰ্তমান আত্মজীৱনী লিখি আছে*।' এই বাক্যৰ দুটা অৰ্থ হব পাৰে।

১। বক্তাই কথাটো উল্লেখ কৰাৰ সময়ত মৰলে আত্মজীৱনী লিখি আছে। কিছুসময় জুৰি লিখা কাম কৰি আছে - ঘটমানদশা **(Continuity)**

কিন্তু ২। ব্যাকৰণ, ভাষাবিজ্ঞান আদি লিখা কাম বাদ দি বৰ্তমান নিজৰ আত্মজীৱনী লিখাত ব্যস্ত হৈছে। কিতাপ লিখা কাম বিৰতি যুক্ত। গতিকে বিৰামযুক্ত চলন্ত বা ঘটমান দশা **(Continuality )**

**( b)** গতি, ভঙা, গজা অৰ্থৰ কিছুমান **event verb** ঘটমানদশা গঢ়িলে সাধাৰণতে ক্ৰিয়াটোৰ কাৰ্যৰ পূৰ্ণতা বুজায়। যেনে -

গম্ ধাতুৰ ঘটমান *গৈছোঁ; গৈছোঁ ৰ'ব,* ইয়াত যোৱা কাৰ্য পূৰ্ণ নোহোৱা স্বত্বেও পূৰ্ণ হোৱাভাব প্ৰকাশ কৰিছে।

*ভাং* **to break** ঘটমান *ভাঙিছে* (ভাং+ ইছ্ + এ)

'*মথাউৰিটো ভাঙিছে*' - বানপানীয়ে মথাউৰিটো ভাঙি এক ভঙা অৱস্থাত ৰাখিছে। ভঙা কাৰ্যৰ পূৰ্ণতা বুজাইছে।

## ৫.৭ পূৰ্ণতাসূচক দশা

### Perfective or Aspect

### Type III ( Verb root+ il+ Person marker )

**৫.৭.১.** কোনো ক্ৰিয়া মূলৰ লগত - *ইল* - আৰু পুৰুষ নিৰ্দেশক চিন যোগ হৈ ক্ৰিয়াপদ গঢ়ি **action verb** বা **state verb** টোৰ সূচিত কাৰ্য পূৰ্ণ হোৱা বুজালে **পূৰ্ণতাসূচক দশা** (Perfective or Conclusive Aspect) কোৱা হয়।

v i + il + P. marker

*মনজ্যোতিয়ে বল খেলিলে ( খেল্ + ইল্ + এ )।*

বল খেলা কামটো ইতিপূৰ্বে শেষ কৰিলে। গতিকে পূৰ্ণতাসূচক দশা (Perfective Aspect)

*জবাই প্ৰবন্ধটো লিখিলে ( লিখ্ + ইল্ + এ )।*

প্ৰবন্ধটো লিখা কাৰ্য শেষ কৰিলে। গতিকে পূৰ্ণতাবাচক দশা (Perfective Aspect)

এই দশাটোৱেই গতানুগতিক ব্যাকৰণত **স্বৰূপভূত বা স্বৰূপ অতীত** বুলি কোৱা হয়। বক্তাৰ উক্তিৰ সাময়িক শূন্য বিন্দুৰ আগতে ক্ৰিয়াটোৰ কাৰ্য সমাপ্ত হোৱা কাৰণে এনে ক্ৰিয়াপদৰ সময় অতীত হৈ পৰে। তাকেই ব্যাকৰণ বোৰত ভূতকাল বা অতীত কাল বুলি উল্লেখ কৰিছে।

## ৫.৭.২ ঘটমান পূৰ্ণতাসূচক দশা continuative perfective aspect

### Type iv ( v +ic+ il + Person marker )

কোনো এটি কাম ঘটমান হৈ চলি থাকি ক্ৰিয়াৰ কাৰ্য শেষ হোৱা বা পূৰ্ণতা প্ৰাপ্ত হোৱা বুজালে ঘটমান পূৰ্ণতাসূচক দশা কোৱা হয়। এই দশাত ক্ৰিয়াৰ মুল + ইচ্ + ইল্ পুৰুষ নিৰ্দেশক চিন ব্যৱহাৰ কৰা হয়।

*মই আজি বেচ শুইছিলোঁ* (শো + ইচ্ + ইল + প্ৰথম পুৰুষৰ চিন ওঁ )

*তাই উপন্যাস পঢ়িছিল* (পঢ় + ইচ্ + ইল্ )

*তুমি ভাত খাইছিলা* (খা + ইচ্ + ইল্ + আ দ্বিতীয় পুৰুষৰ সমানাৰ্থে আ)

*শুই উঠি চিঠি লিখিছিলি* (লিখ্ + ইচ্ + ইল্ + ই দ্বিতীয় পুৰুষ তুচ্ছাৰ্থে - ই - )

ক্ৰিয়াৰ মূলৰ লগত - ইচ্ - ঘটমান অৰ্থত লগ লগাৰ পাচত পূৰ্ণতা প্ৰাপ্তি অৰ্থত ইল্ আৰু পাচত পুৰুষবাচক চিন যোগ কৰি **ঘটমান পূৰ্ণতাবাচক ক্ৰিয়াপদ** গঢ়িতোলা হয়। ঘটমান পূৰ্ণতাসূচক দশাটিকেই গতানুগতিক ব্যাকৰণত **সুদূৰ** (?) অতীত বুজাবলৈ **অপূৰ্ণ** অতীত (?) আখ্যা দি ব্যৱহাৰ কৰা হৈছে। (সুদূৰ আৰু অপূৰ্ণ শব্দদুটাৰ একেবাৰে ভুল প্ৰয়োগ লক্ষ্য কৰিবলগীয়া।)

**ঘটমান পূৰ্ণতাসূচক দশাই** স্বাভাৱিক ভাৱে ব্যাকৰণৰ অতীত কালকেই ইংগিত কৰে। কিয়নো বক্তাৰ উক্তিৰ সময়সূচক শূন্য বিন্দুৰ আগতে ক্ৰিয়াৰ **কাৰ্য চলি থাকি সমাপ্ত হোৱা** ভাব প্ৰকাশ পাইছে। সেইবাবেই অতীত **(Past)** হৈ পৰিছে।

**৫.৭.৩** উক্ত দশাটোত **Aspect** দুটা দশাৰ সংযোগ কৰি যুক্ত দশা হৈ পৰিছে। প্ৰথম **ঘটমান (Continuative)** দশা হবলৈ কৃদন্ত সংযোজক - ই - ক্ৰিয়ামূলত যোগ হৈ সহায়কাৰী ক্ৰিয়া √আচ্ ধাতু সংযোগ হয়। তাৰ পাচত √আচ্ ধাতুত পূৰ্ণতাসূচক (Perfective Aspect) দশা বুজোৱা - *ইল* যোগ কৰা হয়।

| | | |
|---|---|---|
| | কৰ্ + ই > কৰি + আছ + ইল > | কৰি আছিল + পুৰুষ নিৰ্দেশক চিন |
| তেনেকৈ | খা + ই > খাই + আছ্ + ইল > | খাই আছিল + পুৰুষ নিৰ্দেশক চিন |
| | পঢ় + ই > পঢ়ি + আছ্ + ইল > | পঢ়ি আছিল + পুৰুষ নিৰ্দেশক চিন |
| | লিখ্ + ই > লিখি + আছ্ + ইল > | লিখি আছিল + পুৰুষ নিৰ্দেশক চিন |

**ঘটমান (Continuative)** দশাত *পঢ়ি + আছে = পঢ়িছে, খাই + আছে = খাইছে* ইত্যাদি হোৱাৰ দৰে ঘটমান পূৰ্ণতাসূচক দশাতো *পঢ় + ই + আছিল মিলি পঢ়িছিল, খাইছিল, লিখিছিল, কৰিছিল,* ইত্যাদি ক্ৰিয়াপদ গঢ়ি উঠিছে।

ইয়াত *পঢ়ি আছিল, খাই আছিল, লিখি আছিল,* আদি যৌগিক ক্ৰিয়াপদবোৰে কিছু সময় জুৰি আগৰে পৰা কাৰ্য চলি থাকি (**Continuative** ) কাৰ্যটোৰ পূৰ্ণতা (Perfection ) সূচাইছে । এই পূৰ্ণতাৰ কাৰ্য বক্তাৰ উক্তিৰ সময়সূচক শূন্যবিন্দুৰ আগতে সমাধা হোৱা বুজাইছে । সেই বাবেহে অতীত বুলি জনা যায় ।

## ৫.৮ ক্ৰিয়াৰ ভাব ৰূপ (Moods) ঃ

৫.৮.০ ক্ৰিয়াৰ কাল আৰু দশা শিতানত যিবোৰ আলোচনা কৰা হৈছে - তাৰ মাজেদি দশাযুক্ত বা অযুক্ত ক্ৰিয়াৰূপটোৱে কেনে ভাব প্ৰকাশ কৰিব পাৰে তাৰ আভাস ক্ৰিয়াৰূপত প্ৰকাশ পাইছে। ধাতুৰ সগত অনিবাৰ্য **কাৰক নিৰ্দেশক** চিন ব্যৱহাৰ কৰিলেহে ধাতুটোৱে ক্ৰিয়াৰূপ গ্ৰহণ কৰে। আনহাতে **কাৰক নিৰ্দেশক** চিনৰ উপৰি ধাতুৰ লগত দশানিৰ্দেশক সৰ্গ - ইচ্‌ - বা - ইল - বা একেলগে দুয়োটা - ইচ্‌ইল্‌ > ইচিল ব্যৱহাৰ কৰিলে দশাৰ প্ৰকাৰ্য অনুযায়ী ক্ৰিয়াৰূপটোৱে বিশেষ বিশেষ ভাব স্পষ্টকৈ প্ৰকাশ কৰে। এনে ক্ৰিয়া ৰূপটো প্ৰকাশ কৰা ভাবৰূপটোৱেই নিৰ্দেশক (**Indicative Mood**) ভাবৰূপ। খা+ওঁ > খাওঁ, খা + ইচ্‌ + ওঁ > খাইছোঁ, পঢ় + ইল্‌ + আ > পঢ়িলা, পঢ় + ইল্‌ + এ > পঢ়িলে, জান্‌+ ইচ্‌ + ইল্‌+ ওঁ > জানিছিলোঁ আদি ক্ৰিয়াৰূপে দশাশূন্যভাবে বা বিভিন্ন দশাযুক্ত হৈ নিৰ্দিষ্ট একোটি ভাব প্ৰকাশ কৰিছে। সাধাৰণভাবে উল্লেখ কৰা ভাবৰ নিৰ্দেশ বা ইঙ্গিতটোৱেই ক্ৰিয়াৰূপৰ ভাবৰূপ। ইয়েই নিৰ্দেশক ভাবৰূপ (**Indicative Mood**) ক্ৰিয়া ৰূপত এই নিৰ্দেশক ভাবৰূপৰ (**Indicative Mood**) উপৰি তলত দিয়া ভাবৰূপ কেইটা অসমীয়া ক্ৰিয়াৰূপত লক্ষ্য কৰিব পাৰি।

ক) অনুজ্ঞা (**Deontic Modality** ) ভাবৰূপ;
খ) সম্ভাব্য (**Conditional or Subjunctive Mood** ) ভাবৰূপ;
গ) ক্ৰিয়াৰ্থ ক্ৰিয়া (**Infinitive Mood** ) ভাবৰূপ।

### ৫.৮.১ ক) অনুজ্ঞা (Deontic Modality) ভাবৰূপ ঃ

অসমীয়া ভাষাৰ ক্ৰিয়াৰূপত বক্তাই শ্ৰোতা বা আন আন ব্যক্তিক আৱশ্যক বুজি আৰ্শীবাদ দিব পাৰে, প্ৰাৰ্থনা জনাব পাৰে, অনুৰোধ কৰিব পাৰে, কোনো কামৰ পৰা বাৰণ কৰিব পাৰে নীতি -নিয়ম অনুসৰি আদেশ কৰিব পাৰে। নৈতিকতাৰ বন্ধন ৰাজনীতি - সমাজনীতিৰ বন্ধন, স্বাস্থ্য সংক্ৰান্তীয় আৱশ্যকতা আৰু সাংস্কৃতিক বা ধৰ্মীয় বিধিবদ্ধতা আদিৰ বশবৰ্তী হৈ বক্তাই ক্ৰিয়াৰূপতে আদেশ, অনুৰোধ, নিষেধ, প্ৰাৰ্থনা ভাষিকৰূপ দি দান কৰিব পাৰে।

কৰ্তৃপক্ষৰ জ্যেষ্ঠজনে অধীনস্থ **Inferior** দ্বিতীয় পুৰুষৰ **Status II** আৰু **Status III** লোকক বৰ্তমান কালত আদেশ কৰিব পাৰে। জ্যেষ্ঠজনক কনিষ্ঠজনে আদেশ কৰিব নোৱাৰে। প্ৰাৰ্থনা জনাব পাৰে, সম্ভ্ৰমতাৰে আনুৰোধহে কৰিব পাৰে।

**আদেশ Command ঃ**

১. 'এই চেক্‌চানটো পঢ়্‌।'

দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থ 'তই পঢ়্‌'।- ধাতুটো উকাকৈ ব্যৱহাৰ কৰা হৈছে। এইটোৱেই ধাতু √ পঢ়্‌ **to read**। উক্তিৰ সাময়িক শূন্যবিন্দুত আদেশ বুজাইছে ; গতিকে বৰ্তমান।

২. এই চেক্‌চানটো পঢ়া।'

দ্বিতীয় পুৰুষৰ সাধাৰণ অৰ্থত 'তুমি পঢ়া'। ধাতুটো দ্বিতীয় পুৰুষৰ সামান্য অৰ্থৰ পুৰুষ নিৰ্দেশক চিন 'আ' যোগ হৈ ৰূপ হৈছে । পঢ়্‌ +আ পঢ়া । সাময়িক শূন্য বিন্দুত হোৱা আদেশ , গতিকে বৰ্তমান ।

**অনুৰোধ Request ঃ**

৩. 'এই চেক্‌চানটো পঢ়াচোন।'

দ্বিতীয় পুৰুষৰ সামান্য অৰ্থত 'তুমি পঢ়াচোন ।' ইয়াত অনুৰোধ অৰ্থত পুৰুষ নিৰ্দেশক চিন 'আ' যোগ হোৱাৰ উপৰি **Modal functor** 'চোন' ব্যৱহাৰ হৈছে। সাময়িক শূন্য বিন্দুত উক্ত অনুৰোধ , গতিকে বৰ্তমান।

৪. 'এই চেক্‌চানটো পঢ়ক ।'

দ্বিতীয় পুৰুষৰ মান্যাৰ্থত 'আপুনি পঢ়ক '। ইয়াত অনুৰোধৰ ভাবত ধাতুৰ লগত -অক চিন

যোগ হৈছে। সাময়িক শূন্য বিন্দুত উক্ত অনুৰোধ, গতিকে বৰ্তমান।
তৃতীয় পুৰুষৰ সকলো **Status** অতে ধাতুৰ লগত অক যোগ হ'ব পাৰে। যেনে - ৰামে পঢ়ক, এখেতে পঢ়ক, তেখেতে পঢ়ক, এওঁ পঢ়ক, তেওঁ পঢ়ক ইত্যাদি। সাময়িক শূন্যবিন্দুত কৰা অনুৰোধ, গতিকে বৰ্তমান কাল।

**দাবী Demand ঃ**

দাবী সাধাৰণতে তৃতীয় পুৰুষ আৰু দ্বিতীয় পুৰুষৰ ওপৰত কোনো ইচ্ছা বা অধিকাৰ জাপি দিবলৈ **Madal anxiliary verb** √দি ব্যৱহাৰ কৰা হয়। দাবীৰ লগত ভবিষ্যত কাল জৰিত হৈ পৰে। গতিকে আকাঙ্ক্ষামূলক **Volitional** - ইব্ বা - ইবলৈ ক্ৰিয়াৰ লগত যোগ কৰা হয়। যেনে -

১. 'সিহঁতক জিয়াই **থাকিবলৈ দে** '। দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থৰ 'তই দে'
২. 'সিহঁতক জিয়াই **থাকিবলৈ দিয়া** '। দ্বিতীয় পুৰুষ সামান্যাৰ্থে '**তুমি দিয়া** '
৩. 'সিহঁতক জিয়াই **থাকিবলৈ দিয়ক**'। দ্বিতীয় পুৰুষ মান্যাৰ্থৰ '**আপুনি দিয়ক**'

তৃতীয় পুৰুষৰ ব্যক্তিৰ প্ৰতি আদেশকে দাবীৰূপত **Modal particle** -অক ব্যৱহাৰ কৰি প্ৰকাশ কৰা হয়। যেনে-

৪. 'সিহঁতে চিঠিখন **পঢ়ক**।' তৃতীয় পুৰুষৰ '**সিহঁতে - পঢ়্ + অক> পঢ়ক**'
৫. 'মাধৱে এই কামটো **কৰক**।' তৃতীয় পুৰুষৰ '**ৰামে - কৰ্ + অক> কৰক**'

**পৰামৰ্শ Advice ঃ**

দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থ আৰু সমানাৰ্থৰ প্ৰতি পৰামৰ্শ বা উপদেশ দিব পাৰে। কিন্তু সাময়িক **(Temporal) Status** হ'ব ভবিষ্যত।

১. 'তহঁতে আন্দোলন **নেৰিবি**।'
দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থত ধাতু+ ইব্ + ই যোগত প্ৰকাশ হোৱাত কাল ভবিষ্যত বুজাইছে।
২. 'তোমালোকে কঠোৰ পৰিশ্ৰম কৰিবা।'
দ্বিতীয় পুৰুষৰ সমানাৰ্থত কৰ্ +ইব+ আ > কৰিবা ক্ৰিয়া ব্যৱহাৰ হৈছে, উক্তিৰ সাময়িক শূন্য - বিন্দুৰ পিচত কাৰ্য কৰাৰ পৰামৰ্শ বাবে ভবিষ্যত কাল।

**অনুমতি Permission ঃ**

দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থ আৰু সমানাৰ্থ ব্যক্তি (এক বা বহুবচনৰ) উচ্চ উপযুক্ত ব্যক্তিয়ে বিশেষ সংশ্লিষ্ট কাম কৰিবলৈ অনুমতি দিব পাৰে; অযোগ্য ব্যক্তিয়ে দিব নোৱাৰে। মূল ধাতুৰ লগত আকাঙ্ক্ষা বুজোৱা - ইব - যোগ কৰি **Modal Anxiliary** পাৰ্ ধাতু ব্যৱহাৰ কৰা হয়। উক্তিৰ শূন্যবিন্দুৰ পিচৰ কাৰ্য বাবে ভবিষ্যত বুজাব।

১। 'তই এতিয়া ঘৰলৈ **যাব পাৰ**।' দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থৰ '**তই যাব পাৰ**'।
২। 'তুমি চিঠিখন লিখিব পাৰা।' দ্বিতীয় পুৰুষ সমানাৰ্থৰ '**তুমি লিখিব পাৰা**'।

**ইচ্ছা - আকাঙ্ক্ষা Wishing or Volition ঃ**

ইচ্ছা বাচক বাক্যত মূল ক্ৰিয়া - ইব যুক্ত কৰি **Modal** সহায়কাৰী ক্ৰিয়া - √দি যোগ কৰি তৃতীয় পুৰুষৰ সমানাৰ্থ তুচ্ছাৰ্থ ব্যক্তিৰ কাৰ্য কৰাৰ প্ৰতি বক্তাৰ ইচ্ছা বা আকাঙ্ক্ষা প্ৰকাশ কৰা হয়।

৩। 'তাক পঢ়িব দিয়া।'
দ্বিতীয় পুৰুষৰ **Status II** 'তুমি' জৰিত কৰি বক্তাই নিজৰ অভিৰুচি প্ৰকাশ কৰিছে।
৪। 'তাইক পঢ়িবলৈ দিয়ক।'
দ্বিতীয় পুৰুষৰ **Status I** আপুনি বা তৃতীয় পুৰুষৰ ব্যক্তিক বক্তাই নিজৰ ইচ্ছা জনাইছে।
সাধাৰণতে প্ৰথম পুৰুষৰ ব্যক্তিয়ে নিজৰ ইচ্ছা প্ৰকাশ কৰোঁতে মূল ধাতুৰ পাচত - **অক সৰ্গ** যোগ কৰি নিজৰ অকাঙ্ক্ষা প্ৰকাশ কৰে।
৫। 'অসমৰ পৰা বিদেশীসকলক বহিষ্কাৰ কৰক।'
ইয়াত (কৰ্ + অক) **কৰক** শব্দই বক্তাৰ আকাঙ্ক্ষাকেই সূচাইছে।
৬। 'আমাক আজ্ঞা **কৰক**।'

ইয়াত মান্য দ্বিতীয় পুৰুষৰ 'আপুনি' বা তৃতীয় পুৰুষৰ মান্য আৰু জ্যেষ্ঠ দায়িত্বত থকা ব্যক্তিৰ ওচৰত প্ৰথম পুৰুষৰ ব্যক্তিয়ে নিজৰ আকাঙ্ক্ষা প্ৰকাশ কৰি আবেদন কৰিছে।

৭। 'অসমীয়াৰ শান্তি হওক।'

আকাঙ্ক্ষা বুজাবলৈ √হ + অক > হওক ক্ৰিয়াপদ ব্যৱহাৰ কৰিছে, অসমীয়ালোকৰ শান্তি বিচাৰি নিজৰ ইচ্ছা প্ৰকাশ কৰিছে।

**প্ৰাৰ্থনা Prayer ঃ**

৮। 'হে প্ৰভু, আমাক ৰক্ষা কৰা।'

৯। 'হে জগতপতি সকলোকে সুমতি দিয়া, প্ৰভু।

বক্তাই উক্তিৰ সাময়িক শূন্যবিন্দুত প্ৰাৰ্থনা কৰিছে বাবে বৰ্তমান কাল।

## ৫.৮.২ সম্ভাব্য ভাব ৰূপ ঃ

## Conditional or Subjunctive mood

অসমীয়াভাষাৰ কিছুমান **Modal** সহায়কাৰী ক্ৰিয়াৰ যোগেদি চৰ্তসাপেক্ষ ভাবৰ বাক্য গঢ়িতোলা হয়।

**(ক) চৰ্তসাপেক্ষ অনুমতি Permission ঃ পাৰ্ Modal** সহায়কাৰী ক্ৰিয়া

১। 'যেতিয়াই ইচ্ছা কৰে, সি তেতিয়াই যাব পাৰে।'

২। 'ইচ্ছা কৰিলে সি মুক্ত হবও পাৰে / পাৰিব।'

৩। 'দহ বছৰীয়া হ'লে সি এখন গাড়ী পাব পাৰে।'

**(খ) চৰ্তসাপেক্ষ সম্ভৱত পাৰ্ (Possibility ) পাৰ্ (English can and may )**

৪। 'কাইলৈ বৰষুণ হব পাৰে।'

ইয়াত **may** অৰ্থৰ দৰে সম্ভৱতাৰ কথা উল্লেখ কৰিছে ।

৫। 'বৰষুণ নহলে, তুমি গুৱাহাটীলৈ যাব পাৰিবা বা পাৰা।'

**(গ) চৰ্তসাপেক্ষে আকাঙ্ক্ষা (Volition) ঃ পাৰ্**

৬। 'মোক এশ টকা ধাৰলৈ দিব পাৰানে ?'

প্ৰশ্ন উল্লেখ কৰি বিনম্ৰ ভাবে ধাৰ পাবলৈ আকাঙ্ক্ষা কৰা কথা প্ৰকাশ কৰিছে।

**(ঘ) সম্ভাব্য ভাবৰূপ যদি** - চৰ্তসাপেক্ষতাৰ যোগেদি গঢ়িব পাৰি ঃ

যদি তুমি মোক কৈ থোৱা, মই তোমাক সহায় কৰিলোহেঁতেন।

যদি ব্যৱহাৰ নকৰি। যেনে -

তুমি কোৱাহেঁতেন মই নিশ্চয় গ'লোঁহেঁতেন।

- ইলে যুক্ত ক্ৰিয়াৰ যোগেদি

তুমি কোৱাহ'লে মই কথাটো জানিলোঁহেঁতেন বা জানিলোঁ হয়।

সি কামটো কৰিলে, আমাৰ বৰ উপকাৰ হ'লহেঁতেন বা হ'ল হয়।

- হেঁতেন ব্যৱহাৰ নকৰি

তুমি আহিলে, মই যাম।

মই গ'লে, সিহঁত আহিব।

অনিশ্চিত অৰ্থত 'হব পায়', ' হবলা' প্ৰয়োগ কৰি ঃ

সি চিঠিখন লিখিছে হবপায়।

তাই ভাত খাইছে হবলা।

আজি অফিচ বন্ধ আছে হবলা।

## ৫.৮.৩ ক্ৰিয়াৰ্থ ক্ৰিয়া ভাব ৰূপ ঃ

## Infinitive Mood

কোনো এটি ক্ৰিয়া সম্পাদন কৰিবৰ কাৰণে আন এটি ক্ৰিয়া সম্পাদিত হলে সম্পাদনৰ নিমিত্তে থকা ক্ৰিয়াটোৰ ক্ৰিয়াৰ্থ ক্ৰিয়া বা নিমিত্তাৰ্থক ভাব - ৰূপ (**Infinitive Mood**) কোৱা হয়।

'মই তেওঁৰ ওচৰত ব্যাকৰণ শিকিবলৈ আহিছোঁ।'

তেওঁৰ ওচৰলৈ অহা কাৰ্যটো সম্পাদন কৰা হৈছে কেৱল ব্যাকৰণ **'শিকিবলৈ'** হে । শিকা কাৰ্য সম্পন্ন হোৱা নাই , ভবিষ্যতে হবহে। গতিকে **'শিকিবলৈ'** নিমিত্তাৰ্থক ভাব - ৰূপ।

'শিকিবলৈ' পদটিত √**শিক্** ধাতু + **ইব** + **লৈ** যোগত গঢ়ি উঠিছে। **লৈ** - যুক্ত - **ইব** প্ৰত্যয়ান্ত **শিক্** ধাতু সাধাৰণতে নিমিত্তাৰ্থক পদ বুলি কোৱা হয়।

নিমিত্তাৰ্থক প্ৰধানকৈ দুবিধঃ

ক) সাধাৰণ নিমিত্তাৰ্থক ক্ৰিয়া **Simple Infinitive**

খ) নিমিত্তাৰ্থক বা ক্ৰিয়াৰ্থ সংজ্ঞা **Gerund**

ক) সাধৰণতে - **ইব, ব,** আৰু বৰ্ধিত **ইবলৈ** ধাতুৰ লগত যোগ হৈ নিমিত্তাৰ্থক বা তুমৰ্থক ক্ৰিয়াৰূপ গঢ়ি তোলা হয়।

১. আজি মোক ভাত **খাবলৈ** মাতিছে ।

২. সি **পঢ়িবলৈ** সুযোগ নাপালে।

৩. · তুমি **খাব** নোৱাৰা।

খ) যেতিয়া **ইব** বা **ইবলৈ** ধাতুৰ লগত যোগ হৈ বাক্যটোত নিমিত্তাৰ্থক ক্ৰিয়াটো এটি সংজ্ঞা শব্দৰ প্ৰকাৰ্য সাধন কৰি সংজ্ঞা শব্দ হৈ পৰে - তেতিয়া তেনে নিমিত্তাৰ্থক শব্দটো এটি নিমিত্তাৰ্থক সংজ্ঞা (**Gerund**) ৰূপে পৰিগণিত হয় । যেনে -

১. বেদ **পঢ়িবলৈ** সচাঁকৈ কঠিন।

বাক্যটোত পঢ়িবলৈ পদটি হয় ( উহ্য) ক্ৰিয়াৰ কৰ্তা হৈছে। কৰ্তাৰ প্ৰকাৰ্য কৰা বাবে নাম বা সংজ্ঞা সাৰ্থ হৈ পৰিছে ।

২.আপেল **খাবলৈ** সোৱাদ ।

ইয়াত 'খাবলৈ' সংজ্ঞা শব্দ।

ক) সাধৰণতে **ইব, ব,** আৰু বৰ্ধিত **ইবলৈ** ধাতুৰ লগত যোগ হৈ নিমিত্তাৰ্থক বা তুমৰ্থক ক্ৰিয়াৰূপ গঢ়ি তোলা হয় ।

## ৫.৯ কাৰক আৰু কাৰকৰ চিন ঃ

## (Case and Case Markers)

৫.৯.০ আধুনিক ভাষাবিজ্ঞানৰ চিন্তা চৰ্চাত C.J. Fillmore - অৰ নৱউদ্ভাৱিত Case for Case Theory অৰ্থাত্ কাৰক তত্ত্বই বিশ্বৰ পণ্ডিত সমাজৰ মাজত বেচ আলোৰণ সৃষ্টি কৰিছে। বহুতো ভাষাবিজ্ঞানীয়ে তেখেতৰ কাৰকতত্ত্বৰ নতুন সংযোজন, সংশোধিত কৰি এনে কাৰকতত্ত্বকেই এটা নতুন উন্নত ৰূপ দিছে । অসমীয়া ভাষাত ডঃ ভগৱান মৰলৰ ভাষাৰ্থ বিজ্ঞান (১৯৮৬) আৰু আধুনিক ভাষাবিজ্ঞানৰ (১৯৯৮) ভাষাবিজ্ঞানৰ বিকল্পতত্ত্ব শিতানত পোন প্ৰথম এই কাৰক তত্ত্বৰ বিষয়ে এটি আলোচনা দাঙি ধৰিছে।

বাক্যৰ বহিৰ্গাথনিক ৰূপতকৈ বাস্তৱ জগতৰ সত্য - বাস্তৱতাৰ প্ৰাক্ ধাৰণাৰ আশ্ৰয়ত বিধেয়ৰ লগত বাক্যত ব্যৱহৃত সৰ্গ আৰু সাৰ্থবোৰৰ অংশ গ্ৰহণ (Role) নিৰ্ণয় কৰাটোৱেই কাৰকান্বয় পদ্ধতিৰ মূল ভেটি। মানুহৰ মনৰ মাজত গঢ়ি উঠা প্ৰাক্ ধাৰণা তথা বিশ্বজনীন বাস্তৱতাভৰা সত্য বা ধাৰণা বোৰেহে কাৰক নিৰ্ণয়ৰ চাবি - কাঠি। সেইবাবে তলত দিয়া ধাৰণাবোৰ জানিথব লাগে।

(১) **সাৰ্থ** - বাস্তৱ জগতৰ চুব পৰা, লক্ষ্য কৰিব পৰা, অনুভৱ কৰিব পৰা জগতৰ জৈৱ - অজৈৱৰ পৰিচয় জ্ঞাপন নাম আৰু কল্পনা জগতৰ ধাৰণা বা ভাব ৰূপে গঢ়া পদাৰ্থৰ নাম সমূহেই সাৰ্থ। ( দ্ৰ ঃ তৃতীয় অধ্যায় )

(২) **ক্ৰিয়া** - পৃথিৱীত মুহূৰ্তে মুহূৰ্তে ঘটি থকা সংঘাট - কাৰ্য, বা অৱস্থিতি সূচক শব্দবোৰেই অন্যতম সাৰ্থ ক্ৰিয়া। ( দ্ৰঃ পঞ্চম অধ্যায়)

(৩) **সৰ্গ** - সাৰ্থ আৰু ক্ৰিয়া বাক্যত ব্যৱহাৰ কৰোঁতে অৰ্থভেদ কৰা সৰ্গসমূহৰ কাৰ্যসাধন পদ্ধতিৰ পৰিচয়। (দ্ৰ ঃ ষষ্ঠ অধ্যায়)

(৪) উক্ত তিনিওটা ধাৰণা অৰ্থাত্ সাৰ্থ, ক্ৰিয়া আৰু সৰ্গ সমূহৰ পাৰস্পৰিক অৰ্থগত সমন্বয়েই সম্বন্ধ । সম্বন্ধ বিচাৰত নিৰ্ণিত হয় বিশেষ বিশেষ কাৰক।

### ৫.৯.১ কৰ্তাকাৰক (Agentive) ঃ

কোনো এটি বাক্যৰ পূৰ্ণভাৱ প্ৰকাশ কৰিবলৈ ক্ৰিয়াপদৰ আৱশ্যক হয়। এই ক্ৰিয়াপদৰ কাৰ্য যি পদে সম্পন্ন কৰে তাকেই কৰ্তা কোৱা হয় । কৰ্তাই ক্ৰিয়াৰ লগত সঙ্গতি ৰাখি ব্যৱহাৰ হোৱাত কৰ্তা কাৰকৰূপে পৰিগণিত হয় । এনে কাৰকৰ কৰ্তা জৈৱ (+ ANIM,+COUNT ) হব লাগিব। যেনে -

*ৰামে ভাত খালে ।* — *'খালে'* ক্ৰিয়াৰ কৰ্তা *'ৰামে '*।
*মধু স্কুললৈ গ'ল ।* — *'গ'ল'* ক্ৰিয়াৰ কৰ্তা *' মধু'*।
*গৰুৱে ধান খালে ।* — *'খালে'* ক্ৰিয়াৰ কৰ্তা *'গৰুৱে '*।

ইয়াত *'ৰামে', 'মধু', 'গৰুৱে'* যথাক্ৰমে ১নং, ২নং আৰু ৩ নং বাক্যৰ *'খালে', 'গ'ল', 'খালে'* ক্ৰিয়াৰ কৰ্তা। ৰাম আৰু মধু উভয়ে + HUM , কিন্তু গৰু - HUM (Non - human প্ৰাণী) কোনো পদাৰ্থ বা অজৈৱ (Inanimate) বস্তু ক্ৰিয়াৰ কৰ্তা হব নোৱাৰে। ১ নং আৰু ৩ নং বাক্যৰ *'ৰাম'* আৰু *'গৰু'* সাৰ্থত - *এ* যোগ দি *ৰাম +এ= ৰামে* আৰু *গৰু +এ= গৰুৱে* ৰূপ পাইছে। গতিকে -*এ* কৰ্তাকাৰকৰ কাৰক চিন। কিন্তু ২ নং বাক্যৰ *মধু*, সাৰ্থ *গ'ল* ক্ৰিয়াপদৰ কৰ্তা হৈছে অথচ কাৰক চিন *এ* যোগ হোৱা নাই। অসমীয়া Basic verb অত দেখুৱা হৈছে যে কিছুমান *ঘটন* **event verbs** আৰু স্থিতি সূচক State verb অত কৰ্তাকাৰকৰ চিন ব্যৱহাৰ নহয়।

(১) *গম্* - ধাতুটো অকৰ্মক গতি **motion verbs** অৰ অন্তৰ্ভুক্ত। এইশ্ৰেণী গতিসূচক ধাতুৰ কৰ্তাত- 'এ' যোগ নহয়। ( দ্ৰঃ ৫.২.২)

(২) স্থিতিসূচক অকৰ্মক State verb *আছ্, হ্, থাক্* আদিৰ কৰ্তাকাৰকত কাৰকৰ চিন যোগ নহয়। ( দ্ৰঃ ৫.২.২)

*ৰাজা এজন শান্ত ল'ৰা।* (হয় উহ্য)
*বাবুধন কোঠাত আছে।*
*ধ্ৰুৱজ্যোতি সুৱালকুচিত থাকে ।*

(৩) ক্ষন্তেকীয়া ঘটনসূচক অকৰ্মক **action verbs** *হাঁহ্, কান্দ্, নাচ্, হাঁচ্, কাঁহ্, জপিয়া, চিয়ঁৰ, ওমল,* আদি ক্ৰিয়াৰ কৰ্তাত -*এ* কাৰক চিন ব্যৱহাৰ হয়।

## ৫.৯.২ কৰ্ম কাৰক (Objective Case) ঃ

যাৰ ওপৰত ক্ৰিয়াৰ কাৰ্য কৰা হয় বা ক্ৰিয়াই পূৰ্ণতা লাভ কৰে অৰ্থাত্ ক্ৰিয়াৰ ইঙ্গিত - তাকেই কৰ্ম কোৱা হয়। কৰ্ম কাৰক অজৈৱ (-ANIM + SOLID)

অঞ্জলিয়ে কিতাপ পঢ়িছে। ইয়াত *পঢ়া* কাম 'কিতাপ' ৰ ওপৰত কৰা হৈছে কাৰণে *'কিতাপ'* কৰ্ম কাৰক। ইয়াত কাৰকৰ চিন যোগ হোৱা নাই।

ঘটনসূচক সকৰ্মক (**event verbs**) *লিখ্, পঢ়্, খেল্, আঁক্,* আৰু ইন্দ্ৰিয়গ্ৰাহ্য সকৰ্মক স্থিতিসূচক (State verb) *শিক্, শুন্, দেখ্, চা, গোন্ধা, পাহৰ্, জান্, ভাব্, চিন্ত্, বুজ্,* আদি ক্ৰিয়াৰ কৰ্মত কাৰকৰ চিন ব্যৱহাৰ নহয়।

১। *ৰামে কথাটো শুনিছে, ~ জানিছে, ~ পাহৰিছে, ~ বুজিছে, ~শিকিছে,*

২। *মই দৃশ্যটো দেখিছোঁ, ~ পাহৰিছোঁ,*

৩। *ফুলটো গোন্ধাইছে, ইত্যাদি ।*

আকৌ *সৰ্* (to fall down) *পৰ্* (to fall down ), *ভাং* (to break) আদি ক্ৰিয়াৰ কৰ্মত কাৰকৰ চিন ব্যৱহাৰ নহয়। *আমটো সৰিল ।* *গছ পৰিল ।* *আয়না ভাঙিল ।*

আমটো, গছ, আয়না কৰ্তাকাৰকৰ নহয়। এইবোৰ যথাক্ৰমে সৰিল্, পৰিল্, ভাঙিল ক্ৰিয়াৰ কৰ্ম।

অসমীয়া ভাষাত ঘটনসূচক **event verbs** *√ দি, √ ক, √ শিকা* - ধাতুৰ ক্ৰিয়াপদ দ্বিকৰ্মক হয়। সাধাৰণতে এটি কৰ্ম জৈৱ ( + ANIM + COUNT ) আৰু আনটি অজৈৱ ( -ANIM ± COUNT)। অজৈৱ কৰ্মত কাৰকৰ একো চিন যোগ নহয়, কিন্তু জৈৱ কৰ্মটোত কৰ্মকাৰকৰ - *ক* চিন যোগ হয়। যেনে -

১। শিক্ষকে *মনজ্যোতিক* এটি পুতলা দিলে। 'দিলে' ক্ৰিয়াৰ দুটা কৰ্ম।

(ক) 'এটি *পুতলা*' অজৈৱ পদাৰ্থ, ইয়াত কাৰকৰ একো চিন নাই।

(খ) 'মনজ্যোতি' জৈৱ (+ HUM ) কৰ্ম, ইয়াত কৰ্ম কাৰকৰ -ক যোগ হৈছে, তেনেকৈ

২। *হৰিয়ে ৰামক এইকথা কৈছিল।*

তেনেকৈ অজৈৱ ***এইকথা*** কৰ্মত কৰ্মকাৰকৰ চিন যোগ হোৱা নাই।

কিন্তু ৰামক জৈৱ (+ HUM ) কাৰণে কৰ্মকাৰকৰ চিন '-*ক*' যোগ হৈছে।

৩। *ৰীনাই বীনাক ব্যাকৰণ শিকাইছে।* বাক্যত *বীনাক* জৈৱ (+ HUM ) বাবে কৰ্মকাৰকৰ চিন -ক যোগ হৈছে, অজৈৱ *ব্যাকৰণ* শব্দত কাৰকৰ চিন যোগ হোৱা নাই।

ইয়াৰ পৰা বুজা যায় যে জৈৱ (+ HUM , + COUNT ) সাৰ্থত কৰ্মকাৰকৰ চিন - ক যোগ হব পাৰে। কৰ্মকাৰকৰ কাৰক চিন - *ক* ।

সংস্কৃত ভাষাত স্বত্ব ত্যাগ কৰি দান কৰা বুজাবলৈ যিটো সম্প্ৰদান কাৰক আছিল সেই কাৰকটো অসমীয়া ভাষাত প্ৰযোজ্য হৈ থকা নাই । ***'গুৰুক দক্ষিণা দিবা।'*** ***'মগনীয়াক ভিক্ষা দিলো।'*** আদি সম্প্ৰদানসূচক। *'ধোবাক কাপোৰ দিলোঁ।'* *'ৰামক কিতাপ দিলো'।* আদি ভাবৰ বাক্যৰ লগত এক হৈ যেৱাত অসমীয়াত এনে ভাবৰ অৰ্থাত সম্প্ৰদান কাৰকৰ উদাহৰণবোৰ কৰ্মকাৰকৰ অন্তৰ্ভুক্ত হৈ পৰিছে। জৈৱ সাৰ্থৰ লগত কৰ্মকাৰকৰ - *ক* কাৰকচিন যোগ কৰা হয়।

## ৫.৯.৩ কৰণ কাৰক (Instrumental)ঃ

কোনো ধৰণৰ কাৰ্য কৰোঁতে আৱশ্যক হয় অজৈৱ (Inanimate) পদাৰ্থ বা সজুলি বা শক্তি। জৈৱ কৰণ কাৰকৰ কৰ্তা হ'ব নোৱাৰে।

১। *'হাতুৰিৰে* আয়নাখন ভাঙিলে।'

এই বাক্যৰ কৰ্তাজন উহ্য হৈ আছে। কৰ্তা (ল'ৰাজনে, কুলিটোৱে উহ্য)

*'হাতুৰিৰে ভাঙিলে'*। কিহেৰে ভাঙিলে? প্ৰশ্নৰ উত্তৰত পাম *'হাতুৰিৰে ভাঙিলে'*।

হাতুৰি অজৈৱ + INANIM + SOLID এটি সজুঁলি।

গতিকে হাতুৰিৰে কৰণ কাৰক। ইয়াত দেখা গ'ল *'-ৰে'* কৰণ কাৰকৰ চিন।

২। 'শিক্ষকে ৰামক *বেতেৰে* কোবালে।'

ইয়াত 'বেতেৰে' - কৰণ কাৰক, বেত+ এৰে=বেতেৰে, গতিকে - *এৰে* কৰণ কাৰকৰ চিন।

৩। *চোকা কটাৰীয়ে কাটে*। এই বাক্যত কটাৰী + *এ* = *কটাৰীয়ে* হৈছে।

'কটাৰীখনে' কাটিব নোৱাৰে। কোনোবাই কটাৰীৰ সহায়ত কাটিব পাৰে। কটাৰী এখন কটা সজুঁলিহে; জৈৱ নহয় গতিকে ইয়াত *'কটাৰীয়ে'* কৰণ কাৰক। এই কথাৰ পৰা বুজা যায় - *'এ'* কৰণ কাৰকৰ চিন। - এ কৰ্তাকাৰকৰ চিন হিচাপে ইয়াত ব্যৱহাৰ হোৱা নাই।

তেনেকৈ

৪। *শিলটোৱে আয়নাখন ভাঙিলে ।*

৫। *গাড়ীখনে ৰামক চেপিলে ।*

৬। *বতাহে দুৱাৰখন খুলিলে ।*

উক্ত তিনিওটা বাক্যৰ ***'শিলটোৱে', 'গাড়ীখনে', 'বতাহে'*** - *এ* যুক্ত হৈ বাক্যত ব্যৱহাৰ হোৱা কাৰণে কৰ্তাকাৰক যেন লাগিব পাৰে, প্ৰকৃততে কৰ্তা কাৰক নহয়। *'শিল', 'গাড়ী'* অজৈৱ কঠিন (- ANIM,+SOLID) আৰু বতাহ (- COUNT ) অজৈৱ (- ANIM )। এইবোৰে কেতিয়াও কোনো কাৰ্য কৰিব নোৱাৰে। ই বাস্তৱ সত্য। গতিকে কৰ্তা হ'ব নোৱাৰে। ক্ৰিয়া সম্পন্ন কৰা সজুঁলিহে হ'ব পাৰে। উক্ত *-এ* চিনটোও কৰণ কাৰকৰ (Instrumental ) অৰ কাৰক চিন।

৭। *নদীটো নাৱেৰে বা নাৱেদি পাৰ হ'ল ।*

এটা নদী পাৰ হ'বলৈ *নাৱেৰে (- এৰে)* বা *নাৱেদি (- এদি)* পাৰ হোৱা সজুঁলি হিচাপে ব্যৱহাৰ কৰা স্বাভাৱিক। ইয়াত - *'এৰে'* আৰু - *'এদি'* নাওঁ সজুঁলিত যোগ কৰা হৈছে। গতিকে - *এৰে* আৰু - *এদি* চিন দুটাও কৰণ কাৰকৰ চিন। গতিকে কৰণ কাৰকৰ কাৰক চিন এ, ৰে, এৰে, এদি।

## ৫.৯.৪ ভুক্তবা অভিজ্ঞক (Effected or Experiencer) ঃ

বিশিষ্ট বিষয়ৰ অভিজ্ঞতা লাভ কৰা জৈৱ (+ HUM+COUNT )। শুন্ , শিক্, দেখ্, চা,পাহৰ্, জান্, বুজ্, ভাব্, অনুভব কৰ্, আদি ইন্দ্ৰিয়গ্ৰাহ্য সকৰ্মক স্থিতিসূচক (State verb) বোৰ প্ৰাণী বা চেতন থকা জীৱৰ লগত প্ৰযোজ্য। এনে ধৰণৰ ক্ৰিয়াৰ লগত জাৰত জৈৱহে (+ANIM, +COUNT) ভুক্ত বা অভিজ্ঞক **(Effected or Experiencer)** কাৰক হ'ব পাৰে। যেনে -

*প্ৰণবে কথাটো শুনিছিল ।*

*পাপৰীয়ে কথাবোৰ পাহৰিছে ।*

*মনজ্যোতিয়ে চৰাইটো দেখিছে ।*

*নলিনীয়ে এনে কথা সহজে বুজে ।*

*এনে কাহিনী মানুহজনে জানিছিল ।*

*'শুনিছিল', 'পাহৰিছে', 'দেখিছে', 'বুজে ', 'জানিছিল'*, আদি ইন্দ্ৰিয়গ্ৰাহ্য সকৰ্মক স্থিতিবাচক (State verb) ক্ৰিয়াবোৰৰ কৰ্তা হিচাপে - *এ* চিন যুক্ত হোৱা দেখি *কৰ্তাকাৰক* (Agentive) বুলি ভাবিলেও প্ৰকৃততে কৰ্তা হ'ব নোৱাৰে। এনে অনুভৱক্ষণ ইন্দ্ৰিয়গ্ৰাহ্য ধাতুবোৰ কোনো প্ৰকাশ্যমান বাহ্যিক কাৰ্য সাধন কৰা নুবুজায়। ইন্দ্ৰিয়গ্ৰাহ্যহে। উপলব্ধিহে কৰিব পাৰে। সেইবাবেই অভিজ্ঞতাৰ ধাৰণাৰ লগত জৰিত এটা নতুন কাৰক ।

## ৫.৯.৫ সঙ্গসূচক (Sociative or Comitative) ঃ

কোনো জৈৱ সাৰ্থই বাক্যৰ ভাব পূৰ্ণ কৰিবলৈ কোনো জৈৱ সঙ্গ গ্ৰহণ কৰে, তেনে সঙ্গকেই সঙ্গসূচক কাৰক কোৱা হয় সাৰ্থই সূচনা কৰা সূচকৰ লগ - সঙ্গৰ ইঙ্গিতেই এই কাৰকৰ লক্ষ্য। যেনে ঃ

১। '*ৰাম সপৰিয়ালে আহিছে*।' ইয়াত '***সপৰিয়ালে***' সাৰ্থই পৰিয়ালৰ সৈতে অহা কাৰ্য সমাধা কৰিছে।

২। '*সীতাসহ ৰাম আহিছে*।' অৰ্থাৎ সীতাৰ সহিত বা সীতাৰ সঙ্গ লৈ অহা কাৰ্য সমাধা কৰিছে।

৩। 'গগৈৰ *লগত থকা* মন্ত্ৰীজনেই বিদগ্ধ চোৰ।' অৰ্থাৎ গগৈৰ সঙ্গৰ মন্ত্ৰীজন বিদগ্ধ চোৰ।

'সহ', 'সৈতে' এই কাৰকৰ কাৰক চিন।

## ৫.৯.৬ উত্স (Source) ঃ

যৰ পৰা পৃথক হোৱা, আৰম্ভ হোৱা নিৰক্ত হোৱা, গ্ৰহণ কৰা আদি ভাব বুজায় তাকেই উত্স (Source) কোৱা হয় সংস্কৃত ভাষাত এই কাৰকটোকেই অপাদানকাৰক কোৱা হৈছিল। যেনে -

*দোকানীৰ **পৰা*** ধাৰ ল'লো।
*গুটিৰ **পৰা*** গজালি ওলায়।
*পাপৰ **পৰা*** আঁতৰি থাকিবা।
হাবিত *বাঘৰ **পৰা*** ভয় পাবা।
*তিলৰ **পৰা*** তেল ওলায়।
*নগাওঁৰ **পৰা*** গুৱাহাটী কিমান দূৰ ?
*গছৰ **পৰা*** ফল সৰি পৰে।
*ছাত্ৰৰ **পৰাও*** শিকিব পাৰি।
*গুৱাহাটী ৰ **পৰা*** ৰাম অন্তৰ্ধান হ'ল।

এই উদাহৰণবোৰত ব্যৱহাৰ হোৱা '**পৰা**' সৰ্গটোৱে এই কাৰকৰ চিন।

## ৫.৯.৭ লক্ষ্যাৰ্থক (Goal) ঃ

যাৰ উদ্দেশ্যে ক্ৰিয়া সম্পন্ন হয়, সেই অজৈৱ (-ANIM, ±COUN) লক্ষ্যকেই লক্ষ্যক (Goal) কোৱা হয়। উদ্দেশ্য লক্ষ্য হৈছে এই কাৰকৰ ভেটি।

'*চন্দ্ৰলৈ* যান পঠিয়াইছে।'
'ৰাম *চিলঙলৈ* গ'ল।'
'সি কালি *দিল্লীলৈ* গ'ল।'
'*ঘৰলৈ* যাত্ৰা কৰিলে।'

উদ্দেশ্য বা লক্ষ্যাৰ্থে ব্যৱহৃত - লৈ সৰ্গটোৱে এই লক্ষ্যাৰ্থ কাৰকৰ চিন।

## ৫.৯.৮ উপকৃতাৰ্থ (Benefactive) ঃ

যি জৈৱ (+ ANIM) গ্ৰাহকৰ প্ৰতি লক্ষ্য ৰাখি কোনো ক্ৰিয়া সমাধা কৰা হয়, তাকেই গ্ৰাহক উপকৃতাৰ্থ কাৰক কোৱা হয়।

১। *সীতাৰ বাবে ৰামে হৰিণাটো মাৰিলে।*

ইয়াত 'হৰিণ' বধৰ কাৰ্য '*সীতাৰ বাবে*' জৈৱ (+ANIM) সীতাৰ নিমিত্তে কৰা হৈছে। এই কাৰ্যত 'সীতা' উপকৃত হব বাবেই *নিমিত্ত বা উপকৃতাৰ্থ কাৰক*।

২। *অঞ্জলিৰ কাৰণে গাড়ী কিনিছে*। গাড়ী কিনা কাৰ্য সম্পন্ন হৈছে, কেৱল '***অঞ্জলি***' উপকৃত হব কাৰণে।

## ৫.৯.৯ স্থানাধাৰ (Locative) ঃ

কোনো কাৰ্য যি ঠাইত কৰা হয় সেই স্থানকেই আধাৰ কোৱা হয়। তেনে স্থানত বা আধাৰত ক্ৰিয়াৰ কাৰ্য সমাধা হয়। সেই স্থানসূচক সাৰ্থকেই অজৈৱ (-ANIM ) **স্থানাধাৰ কাৰক** কোৱা হয়। যেনে -

'এতিয়া *গুৱাহাটী* শান্ত।' - শান্ত হৈ পৰা ঠাইখন *গুৱাহাটী,* গতিকে *গুৱাহাটী* শান্তিৰ স্থানাধাৰ কাৰক।

'*মোৰ জন্মস্থান তেজপুৰ বিতোপন।*'

বিতোপন পৰিবেশৰ আধাৰ *তেজপুৰ,* গতিকে *তেজপুৰ* স্থানাধাৰ কাৰক।

'তেজপুৰৰ কলাৰ সমাদৰ লক্ষণীয়।'

কলাৰ প্ৰতি সমাদৰ থকা বিশেষত্বৰ আধাৰ *তেজপুৰ*, গতিকে তেজপুৰ স্থানাধাৰ কাৰক।

'মাছ *পানীত* থাকে।'

মাছ থকা কাৰ্যৰ আধাৰ *পানী,* গতিকে পানী স্থানাধাৰ কাৰক।

এই কাৰকত স্থানবাচক সাৰ্থৰ লগত সাধাৰণতে - ত যোগ হয়।

## ৫.৯.১০ কালাধাৰ (Time) ঃ

ক্ৰিয়াৰ কাৰ্য যিকন সময়ত সমাধা হয় সেই সময়বাচক সাৰ্থকেই **কালাধাৰ** (Time ) বুলি কব পাৰি।

*'নিশা চোৰ আহে ।'*

চোৰ অহা কাৰ্যৰ কালাধাৰ *নিশা;* গতিকে *নিশা* হৈছে কালাধাৰ কাৰক।

'*পুৱা দহ বজাত বজাৰলৈ যাম ।*'

বজাৰলৈ যোৱা কাৰ্য সমাধা হব কালাধাৰ *পুৱা দহ বজাত* । গতিকে **পুৱা দহ** বজা কালাধাৰ কাৰক ।

কালবাচক সাৰ্থবোৰেই *কালাধাৰ কাৰক* ।

**স্থান** আৰু **কাল** উভয়তে একেটি আধাৰ কাৰক (বা অধিকৰণ ) কাৰকৰ অন্তৰ্ভুক্ত কৰিব পাৰি। অধিকৰণৰ কাৰক চিন -ত । ক্ৰিয়া কাৰ্যৰ আধাৰ বিচাৰত কাৰক চিন -ত না থাকিলেও এনেবোৰ আধাৰ কাৰক চিনিব পাৰি।

এই দহোটা কাৰকৰ উপৰি নিম্নলিখিত চাৰিটা কাৰকৰ নামোল্লেখ কৰিব পাৰি। এনেকৈ সৰ্গৰ সমাবেশেৰে আলোচনা কৰি কাৰকৰ সংখ্যা বঢ়াব পাৰি ।

**পাঁচক (Causer)** - জৈৱই আন জৈৱক পাঁচি কোনো ক্ৰিয়াৰ কাৰ্য সমাধা কৰা বুজালে পাঁচক কাৰক হয়। যেনে - *মাকে সন্তানক খাদ্য খুৱালে* ।

সন্তানৰ খোৱা কাৰ্য *মাক* (+ HUM) *জনীৰ* দ্বাৰা কৰা হ'ল।

**যোগক (Provider)** - কৰ্তা আৰু পাঁচকৰ বাহিৰে যি জৈৱই কোনোবাক কিবা যোগান ধৰে বা বঞ্চিত কৰে - তেনে জৈৱ। যেনে - *গগৈৰ সাহসেই হিমন্তৰ বল* ।

ইয়াত *গগৈয়ে যোগোৱা সাহস হিমন্তৰ* সমল বুজাইছে।

**সূচক ( Reference)** - কোনো ক্ৰিয়াৰ কাৰ্যৰ দ্বাৰা বক্তব্যৰ জৈৱ বা অজৈৱ বিষয় সূচনা কৰে তেনে সূচিত কাৰ্যকেই সূচক বুজায়। যেনে -

*পণ্ডিত গৰাকীয়ে আধুনিক ভাষাবিজ্ঞানসন্মত এখনি ব্যাকৰণ লিখিছে* ।

**সংস্কাৰ (Modification)** - যি অজৈৱ উত্কৰ্ষ সাধন, মুল্যায়ন আদিৰে উত্কৰ্ষ সাধনৰ কাৰ্য সমাধা কৰা হয় - সেয়ে সংস্কাৰ (**Modification**)। *অসমীয়া ব্যাকৰণ খনি বৰ যত্নেৰে লিখা হৈছে* ।

এইখিনি আলোচনাৰ পৰা লক্ষ্য কৰিব পাৰি পৰম্পৰাগত ব্যাকৰণৰ বাগ্‌বিধিৰ কেইটামান বিধি এই ধাৰাত উল্লেখ কৰা কাৰকৰ লগত নিমিলে। তেনে হোৱাৰ কাৰণ হৈছে - এই ধাৰাত বাস্তৱ জগতৰ সত্য - বাস্তৱতাইহে কাৰক নিৰ্ণায়ক, আৰু প্ৰকৃত বিজ্ঞানসন্মত এক প্ৰকাৰৰ নতুন বিশ্লেষণ।

বাহ্যিক দৃষ্টিত পৰম্পৰাৰ ব্যাকৰণগত বাগ্‌বিধিত যিটো কাৰক বুলি ভবা হয়, এই ধাৰামতে সেইটো ভিন্ন কাৰক ৰূপে গণ্য হব পাৰে। যেনে -

১। *পলাশে দুৱাৰখন খুলিলে। পলাশে- পলাশ+ এ* কৰ্তা কাৰকৰ চিন, পলাশ জৈৱ (+ ANIM) গতিকে কৰ্তা কাৰক

২। *বতাহে দুৱাৰখন খুলিলে। বতাহে বতাহ + এ* কৰণ কাৰকৰ চিন, বতাহ অজৈৱ (-ANIM) গতিকে কৰ্তা কাৰক হব নোৱাৰে।

অজৈৱ পদাৰ্থই খোলা কাৰ্য কৰিব নোৱাৰে, গতিকে বতাহে কৰণ কাৰকহে।

আকৌ ৩। *মানসে কাহিনীটো শুনিছিল*। মানসে - *মানস+এ*, অভিজ্ঞক কাৰকৰ পদ, কৰ্তা নহয়। মানস জৈৱ (+ HUM) জৈৱ প্ৰাণীয়েহে ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতা লাভ কৰিব পাৰে। *শুন্* ধাতুৰ *শুনা কাৰ্য* কৰি অভিজ্ঞ বা ভুক্তভোগী হব পাৰে জৈৱইহে। ইয়াত কাহিনীটো শুনা কাৰ্য *মানসে* কৰিছে। মানস এই বিষয়ৰ অভিজ্ঞ বা ভুক্তভোগী। গতিকে মানস অভিজ্ঞ কাৰক ।

# ষষ্ঠ অধ্যায় ঃ সৰ্গ (Functors)

## ৬.১ নাম সাৰ্থৰ পুৰুষ নিৰ্দেশক (Person - deixis) ঃ

*পুৰুষ নিৰ্দেশক* বোৰ প্ৰচলিত ব্যাকৰণ বোৰত সংস্কৃত ব্যাকৰণৰ অনুৰূপে **সৰ্বনাম** (pronoun) কোৱা হৈছে। কোনোবাখন সংস্কৃত ব্যাকৰণত 'প্ৰতিনাম' শব্দটোও ব্যৱহাৰ কৰা হৈছে। নাম বা বিশেষ্য সাৰ্থৰ সলনি ব্যৱহাৰ হয় বুলি এই শব্দ দুটাৰ প্ৰয়োগ কৰিছে। বিশ্বৰ সকলো লোকে ***'মই'*** বুলি নিজক ইঙ্গিত কৰিব পাৰে, ***'তই'*** বুলি তুচ্ছাৰ্থত আন লোকক ইঙ্গিত কৰিব পাৰে। তেনেকৈ *'তুমি', 'সি', 'তাই', 'ই', 'ইহঁত', 'সিহঁত'* বুলি বক্তাই আন আন লোকক ইঙ্গিত কৰিব পাৰে কাৰণে সকলো মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হয় বুলি সকলো নাম বা বিশেষ্যকেই বুজাব পাৰে অৰ্থত **সৰ্বনাম** (pronoun) শব্দটো ব্যৱহাৰ কৰিছে। নাম বা বিশেষ্য (Noun) শব্দই নিৰ্দিষ্ট ***সূচক*** (Referent) এটিকহে বুজায়। এটা বিশেষ্য শব্দ উচ্চাৰণ কৰাৰ লগে লগে কওঁতাৰ বা শুনোতাৰ মনৰ মাজত সূচক ৰূপে কেৱল এটি বস্তু, এটি ছবি, এটি ভাবৰ ছবিহে ভাহি উঠে। সেই টোৱেই সেই নাম বা বিশেষ্য শব্দটোৰ *সূচক* (Referent)। কিন্তু ***মই, তই, তুমি, সি, তাই,*** ইত্যাদি শব্দৰ অৰ্থগত স্থায়ী সূচক এটি নিৰ্দিষ্ট হৈ নাথাকে, প্ৰতিবাৰত প্ৰসঙ্গমতে সেইবোৰ সূচকৰ পৰিৱৰ্তন হয়।

এইবোৰ প্ৰসঙ্গ সঙ্গতি ৰাখি বাক্যত ব্যৱহাৰ হয় আৰু অন্যান্য সাৰ্থবোৰৰ অৰ্থ বুজাত সহায় কৰে। যিবোৰে বাক্যত বা ভাব বিনিময় পদ্ধতিত ব্যৱহৃত হৈ সাৰ্থবোৰৰ (Contentives) অৰ্থ প্ৰকাশ কাৰ্য (Function) সাধন কৰি বক্তব্য বুজাত সুগম কৰে, সেইবোৰক **সৰ্গ** আখ্যা দিয়া হয়। যিহেতু সৰ্বনাম বুলি কোৱা শব্দবোৰে বাক্যত ব্যৱহাৰ হওঁতে কোনো স্থিৰ সূচক এটি (Referent) ইঙ্গিত কৰিব নোৱাৰে তেনে শব্দবোৰ প্ৰকৃতপক্ষে **সৰ্গ**হে, বিকল্পৰ প্ৰকাৰ্য (Function) সাধক **সৰ্গ**। পৰিবেশ বা অৱস্থাৰ সঙ্গতিত (Context of situation) একেটা শব্দই আন বেলেগ সূচকৰ বিকল্প বা সলনিৰূপে ব্যৱহাৰ হব পাৰে কাৰণে এইবোৰক **বহুমুখী সূচক** (Referentially versatile) বুলি কোৱা হয়।

ব্যাকৰণগত 'পুৰুষ' (Persons) শিতানত কথোপকথনৰ অংশীদাৰ কওঁতা আৰু শুনোতাই প্ৰধান, প্ৰকৃততে এই দুইটাই পাৰস্পৰিক ভাববিনিময়ৰ মুখ্য অংশীদাৰ, আন সকলো অৰ্থাত্ কথোপকথনত উল্লেখ কৰা সকলো কথা বা ব্যক্তিয়ে তৃতীয় পুৰুষৰ।

ইয়াত লক্ষ্য কৰিব লগীয়া কথা যে কথোপকথনৰ অংশীদাৰ কওঁতা আৰু শুনোতা আৰু যাৰ বিষয়ে কোৱা হয় এই সকলো বোৰেই **বিশিষ্ট** আৰু **নিৰ্দিষ্ট** (Deictic)। **কাৰোবাৰ বা কিবাৰ সলনি (অৰ্থাত্ Substitution) প্ৰকাৰ্য (Function) টোতকৈ এইক্ষেত্ৰত নিৰ্দিষ্টতাৰ (Deixis) ভাব বা প্ৰকাৰ্য (Function) বেচি মৌলিক, বেচি স্পষ্ট, বেচি মুখ্য।**

সেইবাবেই আধুনিক ভাষাবিজ্ঞানী সকলে সৰ্বনামৰ অন্তৰ্গত বিকল্প বা Substitutes বোৰক নিৰ্দেশক সৰ্গ (Deictic Functors) অৰ শাৰীত ৰাখিছে।

কথোপকথনৰ সঙ্গতিত অংশ লোৱা পুৰুষ নিৰ্দেশক বোৰক তিনি ভাগত ভগাব পাৰি।

ক) **কওঁতাই** কথোপকথনৰ **মুখ্য ভূমিকা** গ্ৰহণ কৰে। Ego বা 'অহং' - 'মই' হৈছে - **মুখ্য অংশকাৰী**। **'ইয়াত'** আৰু **'এতিয়া'** ঘটা কাৰ্যকেই কওঁতাই নিজৰ লগত সঙ্গতি ৰাখি শুনোতাৰ লগত উচ্চ - নীচ, ডাঙৰ - সৰু, মান্য আদি ভাবৰ সমাবেশ ঘটাই কথাখিনি প্ৰকাশ কৰে। **কথোপকথনত বক্তাই প্ৰধান ভূমিকা গ্ৰহণ কৰে বাবে প্ৰথম পুৰুষ** (First Person) **কওঁতাজন নিৰ্দিষ্ট**, গতিকে **নিৰ্দেশক ( Deictic ) প্ৰথম পুৰুষ**।

খ) সন্মুখত থকা যিলোক বা লোক সকলক সম্বোধন কৰি কওঁতাই কথাবোৰ কৈ যায় আৰু শুনোতাই শুনি থাকে **- সেইজন বা সেই সকল শ্ৰোতাকেই দ্বিতীয় পুৰুষ (Second Person) কোৱা হয়**। কওঁতাজনৰ লগত শ্ৰোতাৰ বা শ্ৰোতা-সকলৰ সৰু ডাঙৰ উচ্চ - নিম্ন সম্পৰ্ক অনুযায়ী দ্বিতীয় পুৰুষক **তিনিটা ভাগত** ভগোৱা হৈছে।

| | |
|---|---|
| Status I | **মান্য**, বক্তাৰ মনত মাননীয়, সন্মানীয়, *আপুনি, আপোনা* (তিৰ্যক ৰূপ ) |
| Status II | **সামান্য তথা সমান**, বক্তাৰ সমতুল্য, *তুমি, তোমা* (তিৰ্যক ৰূপ ) |
| Status III | **তুচ্ছ**, ঘৰুৱা, বক্তাৰ মনত তুচ্ছ, *তই বা ত, তো* (তিৰ্যক ৰূপ ) |

গ) ইয়াত এটা কথা উল্লেখযোগ্য যে দ্বিতীয় পুৰুষত ব্যৱহাৰ হোৱা মান্য অৰ্থৰ 'আপুনি' দ্বিতীয় পুৰুষৰ (অৰ্থাত্ যাক কোৱা হয় সেয়ে দ্বিতীয় পুৰুষ) সূত্ৰমতে শ্ৰোতা হ'লেও কিছুমান ব্যাকৰণৰ মতে 'আপুনি' তৃতীয় পুৰুষহে। কিয়নো

আপুনি ব্যৱহাৰ কৰোঁতে ক্ৰিয়াটোৱে তৃতীয় পুৰুষৰ বিভক্তি গ্ৰহণ কৰে - ঠিক সংস্কৃত ভাষাৰ দৰে। সংস্কৃত ভাষাত 'ভৱান্' বা 'আপুনি' অৰ্থৰ শব্দটো তৃতীয় পুৰুষৰ আৰু তৃতীয় পুৰুষৰ ক্ৰিয়াৰূপ গ্ৰহণ কৰে। অসমীয়া সংস্কৃত ভাষা নহয়, সংস্কৃত ভাষাৰ ক্ৰিয়াৰূপ, শব্দৰূপ সদায় ব্যাকৰণগত (**Grammatical**)। কিন্তু অসমীয়া ভাষা ব্যাকৰণগত নহয়। দ্বিতীয় পুৰুষৰ সূত্ৰমতে যাক কোৱা হয় যিজন শুনোতা - বক্তাই যাক উদ্দেশ্য কৰি কয় - সেয়েই দ্বিতীয় পুৰুষ। গতিকে মাননীয় ব্যক্তিজনক 'আপুনি' সম্বোধনেৰে - উল্লেখ কৰাত দ্বিতীয় পুৰুষৰ সূত্ৰটো ৰজিতা খাই পৰিছে। অসমীয়া ভাষাত 'আপুনি' ৰ লগত সঙ্গতি ৰাখি ক্ৰিয়াৰ যি বিভক্তি যোগ হয়, সেই একেই বিভক্তি তৃতীয় পুৰুষতো ব্যৱহাৰ হব পাৰে; তেনে দেখিয়েই 'আপুনি' তৃতীয় পুৰুষৰ বুলি কোৱা উচিত নহয়। ব্যৱহৃত বিভক্তি মূল নহয়, অসমীয়াত পুৰুষবাচক কাৰকটোৱেই বিভক্তি নিৰ্ণয় কৰে।

শ্ৰোতা সকলক লক্ষ্য কৰি কওঁতাই কোনোবা ব্যক্তি কিবা বস্তু বা প্ৰসঙ্গ অনুযায়ী কোনো বিশেষ লোকৰ নাম উল্লেখ কৰে বা তেনে লোকৰ কথা কাহিনি উল্লেখ কৰে অৰ্থাত বক্তাই প্ৰসঙ্গমতে উল্লেখ কৰা সকলো বোৰেই তৃতীয় পুৰুষৰ অন্তৰ্ভুক্ত হব। ইয়াত প্ৰসঙ্গমতে উল্লেখ কৰা ব্যক্তি, বস্তু বা ঘটনা বক্তাই দুই প্ৰকাৰে বৰ্ণনা কৰে। **প্ৰথম** উল্লিখিত কোনো ব্যক্তিৰ বা ব্যক্তিসকলৰ অৱস্থান। **দ্বিতীয়তে** যদি ব্যক্তি হয়, তেতিয়া বক্তাৰ মানত আৰু সমাজত মান্য ব্যক্তি,তেনে ব্যক্তিৰ লিঙ্গ, অৱস্থান আদিৰ আভাস দিবলৈ নিৰ্দিষ্ট পুৰুষ নিৰ্দেশক ব্যৱহাৰ কৰে। দ্বিতীয় পুৰুষৰদৰেই উল্লিখিত ব্যক্তিৰ

| | |
|---|---|
| Status I (A) | **অতি মান্য**, অতি সন্মানীয় ব্যক্তি |
| Status I (B) | **মান্য**, সন্মানীয় লোক |
| Status II | **সামান্য** বা **সমান** সকল |
| Status III | **তুচ্ছ** বা অতি পৰিচিত, ঘৰুৱা |
| Non Status | যথা সন্মানীয়, মান্য, সামান্য নোহোৱা অন্যান্য জৈৱ - অজৈব, কথা - |

কাহিনি আদি। কওঁতাৰ লগত সম্পৰ্ক ৰাখি **উল্লিখিত ব্যক্তিৰ জ্যেষ্ঠতা, সমানতা আৰু তুচ্ছতা আদি ভাব প্ৰকাশ কৰা অসমীয়া পদ্ধতিটো ভাৰতীয় আৰ্যভাষা সমূহৰ মাজত একক, Unique।**

**প্ৰথম পুৰুষ ঃ** বক্তা *'মই'* একবচন, লিঙ্গ ভেদ নাই, *'আমি'* বহুবচন, উভয় লিঙ্গত ব্যৱহাৰ হয়। *'মই'*ৰ তিৰ্যক ৰূপ *'মো', মোৰ, মোত,* ইত্যাদি ৰূপ হব পাৰে। আমিৰ তিৰ্যক ৰূপ *'আমা'*, বহুবচনত *আমা + লোক = আমালোক,* ভকতীয়া - **আমাসকল**। *আমা, আমাক, আমাৰ, আমাত,* ইত্যাদি ৰূপ হব পাৰে। কিছুমানে *আমিবোৰ* ভুলকৈ ব্যৱহাৰ কৰি অসমীয়া ভাষা বিজাতৰীয়া কৰিব বিচাৰিছে। বাতৰি কাকতত তিৰ্যক ৰূপ '*আমা*'ৰ পাচত *লোক* আৰু *সকল* যোগ কৰিছিল। বাতৰি কাকতত কিছুমান লিখকে *'আমিবোৰ'* ব্যৱহাৰ কৰা দেখা গৈছে। ই ভাষা সন্মত নহয়, এৰিব লাগে। বহুবচন 'আমি'ৰ পাচত *বোৰ, বিলাক, সকল, হঁত* ব্যৱহাৰ নহয়।

**দ্বিতীয় পুৰুষ ঃ** শুনোতা জন বা শুনোতা সকলেই দ্বিতীয় পুৰুষ নিৰ্দেশক। কওঁতাজনৰ লগত সম্পৰ্ক ৰাখি শুনোতাৰ Status নিৰ্ণয় কৰা হয়। যদি কওঁতাতকৈ শুনোতাজন মাননীয়, সামাজিক ভাবেও মান্যলোক - তেনে ব্যক্তিৰ Status I হয়। যদি কওঁতাৰ লগত সমান, ঘৰুৱা সম্বন্ধৰ তেতিয়া Status II হয়।

Status I *'আপুনি'*; তিৰ্যক ৰূপ *'আপোনা'*- ৰূপ হব - *আপোনাক, আপোনাৰ, আপোনাত,* বহুবচনত *আপোনাসকল, আপোনালোক*। আন বহুত্ববোধক সৰ্গ ব্যৱহাৰ নহয়।

Status II যদি শুনোতাজন কওঁতাৰ লগত সমান, ঘৰুৱা, তেনে ব্যক্তিক *'তুমি'*, তিৰ্যক ৰূপ '*তোমা*'- *তোমাৰ, তোমাত,* বহুবচনত *তোমালোক, তোমালোকক, তোমালোকৰ, তোমালোকত*। 'তুমিবোৰ', 'তুমিবিলাক' ভুল ব্যৱহাৰ।

StatusIII যদি কওঁতাতকৈ শুনোতাজন তল খাপৰ, একেবাৰে ঘৰুৱা - *'তই'*; তিৰ্যক ৰূপ *'তো'*- ত-, *তোক, তোৰ, তোত,* বহুবচনত *তহঁত, তহঁতক, তহঁতৰ, তহঁতত*। বহুত্ববোধক *হঁতৰ* বাহিৰে আন, বোৰ, বিলাক, সৰ্গ ব্যৱহাৰ নহয়।

**তৃতীয় পুৰুষ ঃ** অসমীয়াত কওঁতাজনে কোনো ব্যক্তিৰ বা বস্তুৰ বিষয়ে কওঁতে দুটা বিষয়ত গুৰুত্ব দিয়ে।

(ক) বক্তব্যত উল্লেখ কৰা ব্যক্তি বা বস্তুৰ অৱস্থান সৰ্ম্পৰ্কে কয়।

(খ) দ্বিতীয়তে কওঁতাই বক্তব্যত উল্লেখ কৰা ব্যক্তিজনৰ লিঙ্গ আৰু সামাজিক তথা কওঁতাৰ সম্পৰ্ক সাপেক্ষ থকা ব্যক্তিৰ Status আৰু অৱস্থানৰ কাল আৰু স্থানৰ সহাৰি দিয়ে।

Status I (A) *'এখেত'* অতি সন্মানীয় ব্যক্তি, একবচন, ওচৰত থকা, নিৰ্দিষ্ট, উভয় লিঙ্গৰ হব পাৰে। বৰ্তমান উপস্থিত থকা অৰ্থতে *'এখেত'* ব্যৱহাৰ হৈছে। - *এখেতে, এখেতক, এখেতৰ, এখেতত*, বহুবচনত ***এখেতসকল***। অন্য বহুত্ববোধক চিন ব্যৱহাৰ নহয়।

আকৌ দূৰৈত অৱস্থান কৰা সন্মানীয় লোকক বুজাবলৈ হ'লে *তেখেত* ব্যৱহাৰ হয়। সন্মানীয়, দূৰৈৰ, নিৰ্দেশাত্মক, উভয় লিঙ্গত ব্যৱহাৰ হয়। *তেখেতে, তেখেতক, তেখেতৰ, তেখেতত*। বহুবচনত *'সকল'* যোগ হয়। অন্য বহুবচনৰ চিন ব্যৱহাৰ নহয়। *তেখেত সকল, তেখেত সকলে, তেখেতসকলক, তেখেত সকলৰ, তেখেত সকলত*। সন্মানীয় গুৰু স্থানীয় লোক, গোসাঁই, মন্ত্ৰী আদি উল্লেখ কৰিলে বহুবচনত *গোসাঁই সকল, মন্ত্ৰীসকলহে* হব। লোক, বোৰ, বিলাক, হঁত ব্যৱহাৰ নহয়।

Status I (B) অতি মান্যতকৈ কম সন্মানীয় ব্যক্তি হলে *এওঁ*, ওচৰতে থকা, একবচন, উভয় লিঙ্গৰ ব্যক্তি - *এওঁ, এওঁক, এওঁৰ, এওঁত*। বহুবচন হলে *'লোক'* যোগ হয়, অন্য বহুবচনৰ চিন ব্যৱহাৰ নহয়। *এওঁলোক, এওঁলোকে, এওঁলোকক, এওঁলোকৰ, এওঁলোকত।*

তেনেকৈ দূৰৈত থকা বা চকুৰ আতঁৰত থকা অতি মান্যতকৈ কম সন্মানীয় ব্যক্তিৰ ক্ষেত্ৰত উভয় লিঙ্গত *'তেওঁ'* ব্যৱহাৰ হয়। বহুবচনত *'তেওঁলোক'* হে ব্যৱহাৰ হয়। অন্য বহুবচনৰ চিন ব্যৱহাৰ নহয়। *তেওঁলোকে তেওঁলোকক, তেওঁলোকৰ, তেওঁলোকত।*

Status II *'সি'* সাধাৰণ, সমান, একবচন, পুংলিঙ্গত ব্যৱহাৰ হয়। তিৰ্যক ৰূপ *তা - তাক, তাৰ, তাত*, স্ত্ৰীলিঙ্গত *'তাই'* - একবচন, দূৰৈত, সমান, ঘৰুৱা; তিৰ্যক ৰূপ *তাই - তাইক, তাইৰ, তাইত*। *'সি'* আৰু *'তাই'* উভয়ৰে বহুবচনত *'সিহঁত'* হয়। *- লোক, - সকল* যোগ নহয়। সাদৃশ্যত *'তাইহঁত'* ব্যৱহাৰ কৰা ভুল।

StatusIII *'ই'* পুংলিঙ্গ বা ক্লীৱলিঙ্গ, তুচ্ছ, বৰ্তমান নিকট অৱস্থানত থকা, তিৰ্যক ৰূপ *'ইয়া'- ইয়াক, ইয়াৰ, ইয়াত* বহুবচনত *ইহঁত*, কিন্তু ব্যক্তিৰ বাহিৰে বস্তু বুজালে *ইবোৰ, ইবিলাক*, অন্য বহুবচনৰ চিন *'সকল', 'লোক'* আদি যোগ নহয়। *'এই'* স্ত্ৰীলিঙ্গৰ সৰ্গ ওচৰত থকা তিৰোতা বা ছোৱালী, একবচন, তুচ্ছাৰ্থৰ নিকটত উপস্থিত থকা। ইয়াৰ তিৰ্যক ৰূপো *'এই', এইক, এইৰ, এইত*। বহুবচনত *'ইহঁত'*। *এইসকল, এইবিলাক*, স্ত্ৰীলিঙ্গত নহয়। বাতৰি কাকতত বৰ্তমান বহুত্ব বুজাবলৈ *ইহঁতবোৰ, ইহঁতবিলাক, সিহঁতবোৰ, আমিবোৰ* যধেমধে লিখিয়েই আছে। সংযত হৈ শুদ্ধকৈ লিখা উচিত।

Non Status ঃ অসমীয়াত কেইটামান নিৰ্দিষ্টতাবাচক (Demonstratives) হিচাপে ব্যৱহাৰ হয়। *'ই', 'এই'* ঃ একবচন, নিকট অৱস্থানত থকা, নিৰ্দিষ্টতাবাচক ব্যৱহাৰ হয়। ইহঁতৰ লগত কেইটিমান বৰ্গীকাৰ (Classifiers) যোগ হৈ সূচকবোৰক নিৰ্দিষ্ট কৰি তোলে। যেনে *-ই + টো, ইটো;এই+টো ,এইটো ;*তেনেকৈ, *ইখন, এইখন*। বহুবচনৰ চিন - *বোৰ, বিলাক, ইবোৰ, এইবোৰ, ইবিলাক, এইবিলাক*। *'বোৰ', 'বিলাক'*ৰ বাহিৰে আন বহুবচনৰ চিন প্ৰযোজ্য নহয়। *'সি' 'সেই'*, একবচন, দূৰৈত থকা, বস্তু বুজোৱা নিৰ্দিষ্টতাবাচক, *সিবোৰ, সেইবোৰ, সিবিলাক, সেইবিলাক*, বহুবচনত ব্যৱহাৰ হয়। *'সৌ'* চকুৰে দেখা অৱস্থানত থকা একবচন, নিৰ্দিষ্টতাবাচক। *সৌবোৰ, সৌবিলাক*, বৰ্গীকাৰক যোগ কৰিলে, *—জন* যোগ কৰিলে পুংলিঙ্গ, *জনী* যোগ কৰিলে স্ত্ৰীলিঙ্গ হব পাৰে। *সেইজন, সেইজনী, সৌজন, সৌজনী, এইজন, এইজনী*, টো হলে *এইটো, সেইটো, সিটো, সৌটো, জন - জনী* - পুং - স্ত্ৰী, হিচাপে কেৱল মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। আজিকালি অঞ্চল বিশেষত চৰাই, কাউৰী, গৰু, ছাগলী আদিতো *জনী* স্ত্ৰীলিঙ্গ বুজাবলৈ ব্যৱহাৰ কৰে। মানুহৰ বাহিৰে আনত জনী ব্যৱহাৰ হব নোৱাৰে, এইটো ভুল ব্যৱহাৰে ভাষাৰ বৈশিষ্ট্য নষ্ট কৰিব। এনে ব্যৱহাৰ ত্যাগ কৰা উচিত। অসমীয়া ভাষাত Status কাল আৰু অৱস্থান, লিঙ্গ আৰু বচনত পুৰুষ নিৰ্দেশক ব্যৱহাৰ হোৱা পদ্ধতি বাৰুকৈ আচুতীয়া আৰু বৈশিষ্ট্যপূৰ্ণ।

| | | একবচন | বহুবচন |
|---|---|---|---|
| **প্ৰথম পুৰুষ** | | মই (±পুং) | আমি |
| **দ্বিতীয় পুৰুষ** | **(মান্যাৰ্থে)** | আপুনি (±পুং) | আপোনালোক |
| | **(সমানাৰ্থে)** | তুমি (±পুং) | তোমালোক |
| | **(তুচ্ছাৰ্থে)** | তই (±পুং) | তহঁত |

| | | | |
|---|---|---|---|
| তৃতীয় পুৰুষ | ( অতি মান্যার্থে) | এখেত (±পুং) | এখেত সকল |
| | | তেখেত(±পুং) | তেখেত সকল |
| | (মান্যার্থে ) | এওঁ (±পুং) | এওঁলোক |
| | | তেওঁ (±পুং) | তেওঁলোক |
| | (সমানার্থে) | সি (পুং) | সিহঁত |
| | | তাই (স্ত্ৰী) | সিহঁত |
| | (তুচ্ছার্থে) | ই (পুং) | ইহঁত |
| | | এই (স্ত্ৰী) | ইহঁত |
| | Non Status | ই }<br>এই } | ইবোৰ, ইবিলাক |
| | | সেই | সিবোৰ, সিবিলাক |
| | | ৰাম,মধু,যদু আদি | ৰামহঁত |

## ৬.২ সম্বোধন পদৰ পুৰুষ নিৰ্দেশক

## (Person deixis of Vocative terms)

অসমীয়া ভাষাত পুৰুষ অনুযায়ী মানুহক সম্বোধন কৰোঁতেও সম্বোধন শব্দত *ৰ ,এৰ , ৰা , এৰা , ৰি , এৰি ,* পুৰুষ নিৰ্দেশক সৰ্গ ব্যৱহাৰ কৰা হয় । অসমীয়া ভাষাৰ ই য়ো এটা সুকীয়া বৈশিষ্ট্য। কওতাই নিজৰ লগত তুলনা কৰি মান্যার্থে ,সমানাৰ্থে , বা তুচ্ছাৰ্থে সম্বোধিত ব্যক্তিক সম্বোধন কৰিতেও পুৰুষ নিৰ্দেশক ব্যৱহাৰ কৰে । যেনে -

দ্বিতীয় পুৰুষ তুচ্ছাৰ্থে — *হেৰ';*
*হেৰ' কথাটো শুন,*
অৰ্থাত্ তই ( তুচ্ছাৰ্থত) হেৰ' ( হে -ৰঅঁ )

দ্বিতীয় পুৰুষ সমানাৰ্থে — *হেৰা,*
*হেৰা কথাটো শুনা,*
*অৰ্থাত্ তুমি* ( সমানাৰ্থত ) *হেৰা (হে - ৰা )*

দ্বিতীয় পুৰুষ মান্যাৰ্থে — *হেৰি ,*
*হেৰি কথাটো শুনক,*
*অৰ্থাত্ আপুনি* ( মান্যাৰ্থত ) *হেৰি ( হে -ৰি )* ব্যৱহাৰ হৈছে ।

মান্যলোক বা আগন্তুক লোকক সম্বোধন কৰোঁতে 'হেৰি ' ব্যৱহাৰ হয় । পত্নীক সম্বোধন কৰোঁতে 'হেৰেই', 'হেৰেউ' সম্বোধন সচৰাচৰ প্ৰচলিত ।

## ৬.৩ বৰ্গীকাৰক (Classifiers )

সাৰ্থৰ সূচকৰ লিঙ্গ, আকাৰ, আকৃতি, সংখ্যা, পৰিমান, সামাজিক মৰ্যদা আদি ভাষিক ৰূপত পৰিস্ফুট হোৱাকৈ কিছুমান সৰ্গ ব্যৱহাৰ কৰা হয়। এই সৰ্গবোৰ প্ৰকৃততে সূচকবোৰৰ আকৃতি প্ৰকৃতি লিঙ্গ আদিৰ নিৰ্দিষ্টতা (Definiteness ) প্ৰমাণ কৰাকৈ বৰ্গীকৰণ (Classificatory) আৰু সেইবোৰৰ প্ৰভেদাত্মক (Contrastiveness ) স্বৰূপ দাঙি ধৰা হয়। এই পদ্ধতি **অসমীয়া ভাষাৰ এটি মুখ্য বৈশিষ্ট্য।**

এনে বৰ্গীকাৰবোৰক সিহঁতৰ স্বৰূপ অনুযায়ী তিনি প্ৰকাৰে বিভাজন কৰা হয় । যেনে -

ক) গণ্য বৰ্গীকাৰ (Sortal Classifiers)

খ) অগণ্য বৰ্গীকাৰ (Mensural Classifiers)

গ) থুপ নিৰ্দেশক বৰ্গীকাৰ (Multitude Classifiers)

### ৬.৩.১ গণ্য বৰ্গীকাৰক (Sortal Classifiers)

জৈৱ বা অজৈৱ গণ্য বা অগণ্য সাৰ্থৰ সূচকৰ আকাৰ, প্ৰকৃতি, লিঙ্গ, বিশিষ্ট গোট হিচাপে ব্যৱহাৰ হব পৰা নিৰ্দিষ্ট স্বৰূপ আৰু প্ৰভেদাত্মক (Contrastive) প্ৰকৃতিৰ বিশেষত্ববোৰ প্ৰকট কৰি দেখুৱাই দিব পৰা সৰ্গবোৰেই গণ্য বৰ্গীকাৰ (Sortal Classifiers)। অসমীয়া ভাষাত এনে বৰ্গীকাৰৰ ব্যৱহাৰ আচুতীয়া আৰু বৈশিষ্ট্যপূৰ্ণ। গণ্য বা অগণ্য বিশেষ্য নাম শব্দ বা সম্বন্ধবাচক সাৰ্থৰ পুৰুষনিৰ্দেশক আৰু সংখ্যাবাচক শব্দৰ পাচত নিৰ্দিষ্টকৈ দেখুৱাই দিবলৈ এনে বৰ্গীকাৰ সৰ্গ ব্যৱহাৰ কৰা হয়। যেনে -

**জন, জনী জনা, গৰাকীঃ**

জন, জনী নৃবাচক সাৰ্থত যথাক্ৰমে পুং আৰু স্ত্ৰীবাচক সাৰ্থত ব্যৱহাৰ হয়। +গণ্য + নৃ +পুং হলে জন (ছাত্ৰজন, মানুহজন)

জনী - স্ত্ৰীলিঙ্গত হলে জনী (*ছাত্ৰজনী, তিৰোতাজনী*)

কিন্তু মান্য অৰ্থত নৃবাচক সাৰ্থৰ লগত 'জনা বা গৰাকী' যোগ হয়। যেনে -

***গুৰুজনা, নেতাজনা, মহিলা গৰাকী, নেতা গৰাকী, মন্ত্ৰী গৰাকী***

কিছুমান নিৰ্দিষ্টকাৰৰ (Ostensives) লগত জন, জনী, ব্যৱহাৰ হৈ নৃবোধক সাৰ্থৰ লিঙ্গ ভেদ কৰা হয়। যেনে -

***এইজন ছাত্ৰ, এইজনী ছাত্ৰী,***

***এইজন মানুহ, এইজনী মানুহ বা এইজনী তিৰোতা,***

***সৌজন পুৰুষ, সৌজনী তিৰোতা***

***সেই সৌদনা গুৰু, সেই গৰাকী মন্ত্ৰী, সৌ গৰাকী মহিলা***

জনী - আজিকালি অঞ্চল বিশেষে চৰাই, গৰু, ছাগলী আদিতো ব্যৱহাৰ কৰিবলৈ লৈছে । ***গৰুজনী, গাইজনী, চৰাইজনী, কাউৰীজনী, শালিকাজনী, চিলনীজনী*** ইত্যাদি ভুল প্ৰয়োগ। জন - জনী বিশেষতঃ মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য। অন্য প্ৰাণী চৰাই, গৰু, ছাগলী আদিত জনী নহৈ কেৱল বৰ্গীকাৰ টোহে ব্যৱহাৰ হয়। ভাষাৰ বৈশিষ্ট্যপূৰ্ণ বৰ্গীকাৰৰ শুদ্ধ প্ৰয়োগৰ ভুল প্ৰয়োগ সদায় পৰিহাৰ্য।

**টো, টা, টি ঃ**

জৈৱ, অজৈৱ, গণ্য আৰু অমূৰ্ত সাৰ্থ নিৰ্দিষ্টকৈ বুজাবলৈ টো, টা, টি ব্যৱহাৰ হয়।

**টো ঃ** জৈৱ, অজৈৱ, গণ্য আৰু অমূৰ্ত সাৰ্থ বুজাবলৈ ~ টো যোগ হয়। যেনে - ***গৰুটো, গাইটো, চৰাইটো, শালিকাটো, কাউৰিটো, চাকৰটো, শিয়ালটো, কলমটো, শিশুটো, ঘটনাটো, কাহিনিটো, গুণটো ভাল, আনটো গুণ বেয়া, প্ৰথমটো, আনটো, প্ৰতিটো কথা*** ইত্যাদি। নিৰ্দিষ্ট নিৰ্দেশক এই, সেই, সৌ, ই আদিৰ লগত টো ব্যৱহাৰ হয়। যেনে - ***এইটো, সেই~, সৌ ~, সিটো*** ইত্যাদি।

**টা ঃ** কিন্তু সংখ্যাবাচক বা মিতি কাৰৰ লগত সাধাৰণতে টো, টি যোগ হয়। যেনে - ***এটা, এটি, দুটা, দুটি, কেইটা, এশটা, বিশটা, পঞ্চাশটা*** ইত্যাদি।

**টি ঃ** স্নেহাৰ্থত ক্ষুদ্ৰতাসূচকৰ লগত টি ব্যৱহাৰ হয়। যেনে -

*পোনা - পোনাটি, পোৱালি, পোৱালিটি, কেচুৱাটি, শিশুটি ইত্যাদি ।*

সংখ্যাবাচক শব্দৰ লগত *এটা, এটি, দুটা, দুটি, কুৰিটা, কুৰিটি* ইত্যাদি।

**গৰাকী ঃ** সন্মানীয় নৃবাচক সাৰ্থৰ উভয় লিঙ্গত ব্যৱহাৰ হয়। যেনে -
*নেতাগৰাকী, ৰাণী ~, নেত্ৰী ~, সভাপতি ~, সম্পাদক ~, মন্ত্ৰী ~, সচিব ~ মহিলা ~, উকিল ~*, ইত্যাদি। নিৰ্দিষ্ট নিৰ্দেশক *এই, সৌ, সেই, ই, সি* আদিৰ লগতো ব্যৱহাৰ হব পাৰে।
*এইগৰাকী, সেই ~, সৌ ~, ই ~, সি ~* ইত্যাদি।

**খন , খনি ঃ** অজৈৱ, বহল আৰু পাতল আকৃতিৰ বস্তু বুজোৱা সাৰ্থৰ লগত যোগ হয়। যেনে -
*কিতাপখন, বহীখন, নৈখন, ফটোখন, ছবিখনি, বহীখনি, চিঠিখনি* ইত্যাদি ।
সমষ্টিবাচক সমাজ, পৰিষদ, সমিতি, ৰাইজ, আদি সাৰ্থতো খন বা খনি সৰ্গ যোগ কৰি নিৰ্দিষ্টকৈ নিৰ্দেশ কৰিব পাৰি। কিন্তু সমষ্টিবাচক সংঘ বা সস্থা বা সংস্থাত সাধাৰণতে টো ব্যৱহাৰ হয়।

**চটা ঃ** দীঘল, বহল, flat অজৈৱ, কঠিন বস্তু বুজাবলৈ ব্যৱহাৰ হোৱা সাৰ্থৰ লগত যোগ হয়। যেনে -
*কাঠ চটা, তক্তা চটা*

**পাট ঃ** দীঘল, flat খিন, ঠেক, অজৈৱ, কঠিন বস্তু বুজোৱা সাৰ্থৰ লগত বহে। যেনে -
*ব'ঠা পাট*

**ডাল,দাল ঃ** দীঘল, গোটা, ঘুৰণীয়া, কঠিন, অজৈৱ বস্তু বুজোৱা সাৰ্থৰ লগত যোগ হয়। যেনে -
*বাঁহডাল, খুটাডাল, এদাল সাপ, সাপদাল, গছদাল,* কিন্তু জৈৱ নৃ -বাচক সাৰ্থত 'দাল' যোগ হ'লে হীনাত্মিক ভাব প্ৰকাশ কৰে। যেনে - *বৰমতাদাল* দেখুৱাইছে।

**দোখৰ ঃ** দীঘল, গোটা, কঠিন, বস্তুৰ খণ্ড বা অংশ বিশেষক বুজোৱা হয়। যেনে -
*কাঠদোখৰ*
একে অৰ্থত *টুকুৰা* সৰ্গও ব্যৱহাৰ হয়। যেনে -
*কাঠটুকুৰা*

**খিলা ঃ** পাতল, বহল বস্তুক বুজাবলৈ ব্যৱহাৰ হয়। যেনে -
*কাগজ খিলা, পানখিলা*

**খোৰ, খৰ ঃ** *সাপ খোৰ, পঘাখ'ৰ*

**কণ, কণি ঃ** অমূৰ্ত অনুভূতি আৰু ক্ষুদ্ৰাত্মক মূৰ্ত গোট বুজাবলৈ কণ, কণি ব্যৱহাৰ হয়। যেনে -
*মৰম কণ, পোনা ~, বোপা ~, মাই ~, আই ~,*
*মৰম কণি, পোনা ~* ইত্যাদি ।

## ৬.৩.২ অগণ্য বৰ্গীকাৰক
## (Mensural Classifiers)

অগণ্য বস্তুৰ পৰিমানবোধক সৰ্গৰ লগত অগণ্য বৰ্গীকাৰ হয়। যেনে -

কুৰা ঃ *জুইকুৰা*

খিনি ঃ অগণ্য পদাৰ্থৰ পৰিমানবাচক সৰ্গৰ লগত যোগ হয়। যেনে -
*চেনি খিনি, মাছখিনি, মাংস খিনি, বালিখিনি*
*ভালখিনি* - আনৰ *ভালখিনি* গ্ৰহণ কৰিবা।

ফেৰা ঃ *গুৰফেৰা, লোণফেৰা, মৰমফেৰা,*

ফেৰি ঃ *এফেৰি মৰম, লোণফেৰি, গুৰফেৰি, এফেৰি গুৰ, এফেৰি লোণ*

লদা ঃ *গোবৰ লদা, এলদা গুৰ, এলদা মাটি,*

সোপা ঃ *ফেনসোপা, খেৰ সোপা, জাবৰ সোপা*

টোপা, টুপিঃ *পানী টোপা, গাখীৰ টোপা, মৌ টোপা, গাখীৰ টুপি, পানীটুপি*

চাতিঃ *বা' চাতি, বতাহ চাতি (এচাতি* ঠাণ্ডা বতাহ )

## ৬.৩.৩ থুপ নির্দেশক বৰ্গীকাৰক

## (Multitude Classifiers)

গণ্য বৰ্গীকাৰ আৰু অগণ্য বৰ্গীকাৰৰ উপৰি গণ্য আৰু অগণ্য পদাৰ্থৰ থুপ বুজোৱা কিছুমান বৰ্গীকাৰ আছে। এইবোৰ সীমিত ৰূপত পোৱা যায়। যেনে -

দল ঃ বিশেষকৈ নৃবাচক থুপ বুজায়। যেনে -
*সেনাদল, পুলিচদল বা আৰক্ষীদল*

চাম ঃ *এচাম লোক, আধুনিক নেতাচাম, সেইচাম মানুহ*

জাউৰি ঃ *বৰযুণ জাউৰি, এজাউৰি মাছ, মাছ জাউৰি*

জাক ঃ *ছোৱালী জাক, ল'ৰাজাক, গৰুজাক, চৰাইজাক, শিয়ালজাক* ইত্যাদি।

থোক ঃ *কলথোক, তামোলথোক*

থোপা, থুপি ঃ *ফুলথোপা, ফুলথুপি*

আখি, আহি ঃ *কল আখি বা কলআহি*

কোচা ঃ দীঘল, ক্ষুদ্ৰ গোটৰ সমষ্টি হলে কোচা ব্যৱহাৰ হয়। যেনে -
*ইকৰাকোচা, চুলিকোচা, ঘাঁহকোচা, পাটৰ সূতাকোচা,* ইত্যাদি ।
*একোচা* ইকৰা, *একোচা* দীঘল চুলি, *সেইকোচা* ঘাঁহ

তাঁৰ, তাঁৰিঃ থুপ হৈ থকা দীঘল বস্তুৰ সমষ্টিক বুজাবলৈ ব্যৱহাৰ হয়। যেনে -
*চুলিতাঁৰি, চুলিতাঁৰ, বাঢ়নিতাঁৰ*

## ৬.৪ মুক্ত সৰ্গ

মুক্ত ভাবে ব্যৱহৃত হোৱা কোনো সাৰ্থৰ লগত যুক্ত নোহোৱাকৈ থকা সৰ্গবোৰক মুক্তসৰ্গ বোলে। ইয়াক কেইটামান ভাগ কৰা হৈছে, যেনে -

ক) সুনিৰ্দিষ্টকাৰ (Determiners)
খ) সঙ্গসূচক (Associatives)
গ) সীমিতকাৰ (Limiters)

### ৬.৪.১ সুনিৰ্দিষ্টকাৰ (Determiners)

আন আন ভাষাৰ দৰে অসমীয়া ভাষাতো সাৰ্থবোৰক সুনিৰ্দিষ্টকৈ পৰিচয় দান কৰিবলৈ কিছুমান উপায় লোৱা হৈছে।

ক) নাম বা বিশেষ্যৰ একোটি গোটক বুজাবলৈ যি বোৰ বিশিষ্ট নাম আৰোপ কৰা হয়, সেই বিশিষ্ট নাম অৰ্থাত বোৰেই সুনিৰ্দিষ্টকাৰ (Determiners) যেনে - *ৰাম, যদু, মধু*, ইত্যাদি। নামটো উচ্চাৰিত হ'লেই এজন বিশিষ্ট ব্যক্তিৰ সম্পূৰ্ণ পৰিচয় সূচক জ্ঞান মনৰ মাজত ভাহি উঠে।

খ) সমবন্ধবাচক শব্দৰ পুৰুষ নিৰ্দেশকবোৰ ঃ *ককাই* (মোৰ/আমাৰ জ্যেষ্ঠ ভাই), *মোমাই* (মোৰ/ আমাৰ মাতৃৰ ভ্ৰাতৃ), *বায়েৰা* (তোমাৰ/তোমালোকৰ জ্যেষ্ঠ ভগ্নী), *বায়েক* (তাৰ/ সিহঁতৰজ্যেষ্ঠ ভগ্নী) ইত্যাদি।

গ) পুৰুষ নিৰ্দেশক বোৰ ঃ *মই, তই, তুমি, আপুনি, সি, তাই, ই, এই* (স্ত্ৰী), *আমি, তহঁত, ইহঁত, সিহঁত, তোমালোক* ইত্যাদি।

ঘ) সম্বন্ধকাৰক নিৰ্দেশক ঃ কোনো সাৰ্থৰ বিশেষ সূচক এটিৰ গৰাকী নিৰ্ণয় কৰি আচুতীয়া কৰিলে সম্বন্ধবাচক কাৰকৰ সাৰ্থটোত সেই সাৰ্থটোৱে ইঙ্গিত কৰি সুকীয়াকৈ বুজোৱা কাৰণে সম্বন্ধবাচক কাৰকযুক্ত সাৰ্থটোও - স্পষ্টতঃ নিৰ্দেশক হৈ পৰে। যেনে - '*ৰামৰ ঘোৰা*' - ইয়াত ঘোৰাৰ গৰাকী ৰাম বুলি আভিহিত কৰি ঘোৰাবোৰৰ মাজত সুকীয়া কৰি তুলিছে বাবে সম্বন্ধবাচক সাৰ্থটো (Genitive Determiner) এটি নিৰ্দেশক।

তেনেকৈ, *হৰিৰ পুতেক,* *অসমৰ গাঁৱ*
*যদুৰ কিতাপ,* *অসমৰ ভূমি,* ইত্যাদি।

ঙ) অসমীয়া ভাষাত সাৰ্থৰ আদিতে আৰু পিচত উল্লেখ কৰি নিৰ্দিষ্টকৈ বুজাবলৈ কিছুমান সুনিৰ্দিষ্টকাৰ আছে, সেইবোৰ বিভাজন সহ ভাগ ভাগকৈ আলোচনা কৰা হৈছে।

চ) ইয়াৰ উপৰি যিবোৰ সৰ্গই (Functors) সাৰ্থৰ প্ৰকৃত সূচকটোৱে সূচকৰ স্থান - কালৰ অৱস্থান আৰু আকাৰ - প্ৰকৃতি আদি সুনিৰ্দিষ্টকৈ সূচাব পাৰে সেইবোৰকে নিৰ্দেশক (Deixis) কোৱা হয়। গতিকে সৰ্গবোৰক প্ৰধানকৈ দুই ভাগত ভগাব পাৰি। (ক) নিৰ্দেশক (Deictic) আৰু (খ) অনিৰ্দেশক (Non-deictic)

নিৰ্দিষ্টসূচক (Ostensives) ঃ

সাৰ্থৰ আগৰ ফালে থাকি সাৰ্থটোৰ সূচকক নিৰ্দিষ্টকৈ দেখুৱাই দিয়ে, এই সৰ্গবোৰ মুক্ত সৰ্গ । ওচৰতে থকা সূচকক নিৰ্দিষ্টকৈ দেখুৱাই দিয়ে ।

*এই* ঃ সাৰ্থটোৱে যি ধৰণৰ সূচক ওচৰতে থকা কথা ইঙ্গিত কৰে - সেই সাৰ্থটোৰ লগত প্ৰযোজ্য হব পৰা- বৰ্গীকাৰ সাৰ্থৰ লগত যোগ হব পাৰে নাইবা সেই বৰ্গীকাৰ এই সাৰ্থৰ লগতো যোগ হৈ সাৰ্থটোৰ স্বৰূপ প্ৰৰ্দশন কৰিব পাৰে। যদি 'মানুহ' বোধক সাৰ্থ হয় - তেতিয়া জন ( পুং) - জনী (স্ত্ৰী) , টো ( উভয় লিঙ্গত। যেনে - মানুহজন বা মানুহজনী হ'লে, তেনেকৈ এই সৰ্গৰ লগত *এইজন* মানুহ, *এইজনী* মানুহ , *এইটো* বলিয়া বা *এই* বলিয়াটো ইত্যাদি। যদি অগন্য বস্তু হয়, *এই* চাউলখিনি, *এই* খিনি মাংস, ব্যৱহাৰ হব পাৰে। যদি থুপবোধক বৰ্গীকাৰ '*থোক*' যুক্ত সাৰ্থ '*কল*'হয় - তেতিয়া এই কল থোক বা এই থোক কল হব।

সাৰ্থৰ সূচক যদি তুচ্ছাৰ্থ বা নগন্য বস্তু হয় - 'এই' সৰ্গৰ ঠাইত তুচ্ছাৰ্থৰ 'ই' সৰ্গ ব্যৱহাৰ কৰা হয়। ওচৰতে থকা '*মগনীয়া*'টোক *এইজন মগনীয়া* বা *ইজন মগনীয়া, ইজনী মগনীয়া, এইটো মগনীয়া, ইটো মগনীয়া* ক'ব পাৰি।
*ইবোৰ বা ইবিলাক* জন্তু, ~ ফুল, ~ বনৰীয়া ফুল, ~ কথা, ~ কথাকাণ্ড।
ব্যক্তিবাচক হলে তুচ্ছাৰ্থত ইহঁত হব। ~ *মূৰ্খ, ~ পাগল,* ~ক কোনোৱে ভাল নাপায়।
কিন্তু বাতৰিকাকতত এচাম লোকে '*ইহঁতবোৰ, সিহঁতবোৰ, আমিবোৰ,* লিখা দেখা যায়। ইহঁতৰ লগত বহুত্ব নিৰ্দেশক (বহুবচনৰ চিন) আন একো যোগ হব নোৱাৰে। এনে কৰাটো ভুল আৰু এনে পদ্ধতি এৰিব লাগে।

*'ই'* ঃ এটি সৰ্গ। *এই* সৰ্গৰ ক্ষুদ্ৰৰূপ, তুচ্ছাৰ্থে ব্যৱহাৰ হয়। *এই মানুহজন*, ~ কিতাপখন, *এই খন কিতাপ, ই খন পুথি, ইবোৰ পশু, ইখিনি আহাৰ,* ইত্যাদি। কওঁতা আৰু শুনোতাৰ চকুৰ আতঁৰত থকা মানুহ বা জন্তু , বা

ঘটনা আদি উল্লেখ হলে '*এই*' আৰু '*ই*'ৰ অনুৰূপে '*সেই*' আৰু '*সি*' সৰ্গ ব্যৱহাৰ হ'ব পাৰে। *সেই মানুহজন, সেই মানুহজনী* বা অনুৰূপে *সিজন মানুহ, সিজনী তিৰোতা, সেই ঘটনাটো, সেইটো ঘটনা, সেই মাংস খিনি, সেইখিনি মাংস, সেই তামোল থোক, সেই থোক তামোল, সেই বোৰ* বা *সেই বিলাক কথা* বা ~ *ঘটনা* বা ~ *ল'ৰা - ছোৱালী, সিজন পুৰুষ, সিজনী তিৰোতা,* ইত্যাদি।

*সৌ* ঃ চকুৰ দৃষ্টিৰ ভিতৰত থকা সাৰ্থৰ সূচকৰ গণ্য , লিঙ্গ , প্ৰকৃতি অনুযায়ী বৰ্গীকাৰ (classifier) যোগ হ'ব। চকুৰে দেখা দুৰত্বত থকা *পাহাৰ* বা *সৌখনপাহাৰ*, ~ *খন নদী*, ~ *জনী তিৰোতা*, ~ *বোৰ চৰাই*, ~ *খিনি বালি*, ~ *জাক গৰু*, ~ *জাক চৰাই*, ~ *বিলাক গাভৰু*, ~ *বিলাক ল'ৰা -ছোৱালী*, ইত্যাদি ।

***এইয়া, সেইয়া, আৰু সৌৱা*** ঃ *এই+ আ > এইয়া , সেই + আ > সেইয়া , সৌ + আ >* সৌৱা সৰ্গ গঢ়ি উঠিছে। *আ* সংযোগ কৰাত সৰ্গ কেইটাই emphatic (জোৰ বুজুৱা) সৰ্গৰ অৰ্থ বুজাইছে , যেনে -

(ওচৰতে থকা) *এইয়া ধুনীয়া ফুল* ।
(দূৰৈত থকা ) *সেইয়া সুন্দৰ দৃশ্য* ।
(চকুৰে দেখা দূৰৈত) *সৌৱা শিক্ষকজন আহিছে* ।

## ৬.৪.২ সঙ্গসূচক

## Comitatives or Sociatives or Associatives

যি বোৰ সৰ্গই সাৰ্থৰ লগ লাগি কোনো সংসৰ্গৰ ভাব বুজায়, তেনে সৰ্গকেই Associatives বা সঙ্গ নিৰ্দেশক সৰ্গ বোলে। যেনে -

**সহ ঃ** ৰাম পত্নীসহ আহিছে।
চোৰ অস্ত্ৰসহ ধৰা পৰিল।
**সৈতে ঃ** ৰামৰ *সৈতে* সীতা আহিছে।
পিতাকৰ *সৈতে* পুতেক গ'ল ।
**লগ ঃ** মাকৰ *লগত* পুতেকক আনিছে।
সিহঁতৰ *লগে লগে* চাকৰজনো আহি আছে।
মন্ত্ৰীক *লগ* পাবলৈ সিহঁত দুৱাৰমুখত ৰৈ আছে।

## ৬.৪.৩ নিমিত্তাৰ্থক নিৰ্দেশক

### Benefactive or Beneficiary

যি সৰ্গৰ সহযোগত এটি সাৰ্থই আন এটি সাৰ্থৰ সূচকক উপকৃত কৰা বুজায় - তেনে সৰ্গকেই নিমিত্তাৰ্থক নিৰ্দেশক কোৱা হয়। যেনে -

**বাবে ঃ** পুতেকৰ *বাবে* বাপেকে নিজে কষ্ট কৰি আছে।
**নিমিত্তে ঃ** দেৱতাৰ *নিমিত্তে* সি ফুল বিচাৰি ফুৰিছে।
হোমৰ *নিমিত্তে* হোম খৰি আৱশ্যক হয়।
**কাৰণে ঃ** ভনীয়েকৰ বিয়াৰ *কাৰণে* ডেকা কেইজন বলিয়া হৈ পৰিছে।
দেশৰ *কাৰণে* আত্মত্যাগ মহাপুণ্যৰ কাম।

## ৬.৪.৪ সীমিতকাৰ Limiters

বাক্য বা বাকাংশৰ পূৰ্ণ অৰ্থ প্ৰকাশ কৰোঁতে কিছুমান সৰ্গ ব্যৱহাৰ কৰি কোনো কাৰ্য, কোনো অৱস্থা, কোনো বস্তু এটিক বাক্যত ব্যৱহৃত অন্যান্য কাৰ্য, অৱস্থা, বা বস্তু সমূহৰ পৰা একক কৰি বাচি উলিওৱা হয়। তেনে বোৰ সৰ্গকেই সীমিতকাৰ সৰ্গ Limiters বোলে। অসমীয়া ভাষাত এনে সীমিতকাৰ সাৰ্থ বা উদ্দেশ্য, বিধেয়ৰ আগে - পাচে বহি নাম সাৰ্থটোক বা ক্ৰিয়াপদটোক বিশেষ বাবে বুজাই একক আচুতীয়া কৰি বুজাব পাৰে। এই ক্ষেত্ৰত কিছুমান ক্ৰিয়াভাবসূচক সৰ্গ (Modal Functors) বোৰে আৰু দৃঢ়তা বুজোৱা সৰ্গই বাগ্ ব্যৱহাৰত সীমিতকাৰৰ প্ৰকাৰ্য সাধন কৰে।

নিম্ন প্ৰকাৰৰ সৰ্গই কোনো কাৰ্য, কোনো অৱস্থা, কোনো ভাব বা কোনো বস্তুক অন্যান্য তেনে অৱস্থা, কাৰ্য, গুণ, আৰু বস্তুৰ মাজৰ পৰা একক কৰি বাচি উলিয়াই সীমিতকাৰৰ প্ৰকাৰ্য সমাধা কৰে।

(ক) *কেৱল, খালি, মাথোন, মাথোঁ, মাত্ৰ,* আৰু (জোৰ বুজোৱা সৰ্গ) *হে* বাক্যত ব্যৱহাৰ কৰি নিৰ্দিষ্ট সাৰ্থ বা বাকাংশৰ ভাবৰ বৈশিষ্ট্যখিনি আচুতীয়া একক কৰি প্ৰকাশ কৰে। যেনে -

১ (ক) *মাত্ৰ ( কেৱল, খালি )* মনজ্যোতিয়ে ভালকৈ পঢ়িব জানে।

২ (খ) মনজ্যোতিয়ে *হে মাথো ( মাথোন, কেৱল )* ভালকৈ পঢ়িব জানে।

৩ (গ) ছাত্ৰ সকলৰ মাজত *কেৱল* মনজ্যোতিয়ে *হে* ভালকৈ পঢ়িব জানে।

ভালকৈ পঢ়িব জনা ছাত্ৰ মনজ্যোতিক আন আন ছাত্ৰৰ ভিতৰত আচুতীয়াকৈ উল্লেখ কৰা হৈছে।

৪ (ঘ) মনজ্যোতিয়ে ভালকৈ পঢ়িব *কেৱল* জানে *হে,* লিখিব নাজানে।

(খ) *হে, এই* ঃ জোৰ বুজোৱা বদ্ধ সৰ্গ দুটাইও সীমিতকাৰৰ প্ৰকাৰ্য সাধন কৰে। যেনে -

তন্ময়ী ধুনীয়াহে, কিন্তু গুণী নহয়।

ইয়াত '*হে*' সৰ্গটোৱে দৃঢ়ভাবে আৰু নিৰ্দেশক ভাবে তন্ময়ীক 'ধুনীয়া' বুলি কোৱাৰ উপৰি 'গুণী নহয়' বুলি বিশেষ ভাব প্ৰকাশ কৰিছে।

'ৰামেহে ব্যাকৰণ শিকিছে।' আনে শিকা নাই।

'মই ব্যাকৰণহে ভালকৈ জানো'।

মই *হে* কামটো কৰিলো।

ময়*েই* কামটো কৰিলোঁ।

'ময়েই তাক এইকথা কৈছিলো।' আনে নহয়।

'তায়েই এই কথা জানে।' আনে নাজানে।

এই বাক্য দুটাত আনে কামটো কৰা নাই ভাবৰ উপৰি দৃঢ়তাৰে ম*য়েই* অৰ্থাৎ বক্তাই কামটো কৰা উল্লেখ কৰা হৈছে।

গ) এ ঃ 'মনজ্যোতিয়ে কালিয়ে গুৱাহাটী পালেগৈ'।

'তাই তেতিয়া গুৱাহাটীতে আছে'।

ঘ) ই ঃ 'তুমি কালি যাবাই।' ইয়াত থাকিব নালাগে, আন কাম কৰিব নালাগে।

'সি ব্যাকৰণ শিকিবই।'

ঙ)তো ঃ 'মনজ্যোতিয়েতো এনে কাম নকৰে।'

'সিহঁতে ব্যাকৰণতো শিকিবই, অঙ্কও শিকিবই।'

## ৬.৫ বদ্ধসৰ্গ

বিভিন্ন ভাব প্ৰকাশৰ সুবিধাৰ্থে বাক্যত প্ৰয়োগ হোৱা সাৰ্থৰ লগত এক হৈ যি বোৰ সৰ্গ ব্যৱহাৰ হয় - সেই সৰ্গ বোৰকে বদ্ধ সৰ্গ (**Bound Functors**) কোৱা হয়।

### ৬.৫.১ সংযোগাত্মক অন্তৰ্ভুক্তিকাৰ

### (Combinatory Inclusive) ঃ — *'ও'*

যি সৰ্গই বাক্যত ব্যৱহৃত এটি সাৰ্থ বা সাৰ্থৰ লগত যুক্ত হৈ সেই যুক্ত সাৰ্থ বা সৰ্গৰ ভাবটো বাক্যৰ প্ৰকাশ্য বা অপ্ৰকাশ্য সংশ্লিষ্ট ভাবৰ এক মুখ্য আচুতীয়া অংশীদাৰ কৰি অৰ্ন্তভুক্ত কৰে, তেনে প্ৰকাৰ্য সাধন কৰা সৰ্গকেই যোগাত্মক অৰ্ন্তভুক্তি কাৰ কোৱা হয়। অসমীয়া ভাষাত 'ও' অৰ্ন্তভুক্তিৰ অৰ্থ থকা এনে এটি সৰ্গ। ই বাক্যৰ কৰ্তা, কৰ্ম, ক্ৰিয়া বিশেষণ, সংখ্যাবাচক, মিতিকাৰ (Limiters) বৰ্গীকাৰ (Classifiers), নিৰ্দিষ্টকাৰ (Determiners) আদি কোনো এটিৰ লগ লাগি বাক্যটোৰ প্ৰকাশ্য - অপ্ৰকাশ্য সংশ্লিষ্টভাবৰ অংশীদাৰ ৰূপে অৰ্ন্তভুক্ত হৈ এক আচুতীয়া ভাব প্ৰকট কৰি তোলে।

তলত উদাহৰণ সহ আলোচনা কৰা হৈছে।

ক) উদ্দেশ্য + ও

তালৈ *ৰামো* গ'ল। আন আন লোক সকল যোৱা ঠাইলৈ ৰামো গ'ল।

খ) বিধেয় + ও

ৰামে খালে, কাপোৰ পিন্ধিলে, আৰু *গলো* ।

ইয়াত খোৱা, কাপোৰ পিন্ধা, কাম কৰাৰ উপৰি যোৱা কামটো কৰা কথাও উল্লেখ কৰিছে।

গ) বিশেষণ + ও

তাই সঁচাকৈ গুণৱতী আৰু **ৰূপৱতীও** ।

ঘ) কালবাচক সৰ্গ + ও

মনি *আজিও* নাহিল। আগতে অহা কথা আছিল, অথচ '*আজিও*' নাহিল।

ঙ) স্থানবাচক সৰ্গ + ও

তাই ঘৰলৈ নগ'ল, *ইয়ালৈও নাহিল* ।

তাই ঘৰলৈ যোৱা কথা আছিল, নহলে ইয়ালৈ অহাটো আশা কৰা হৈছিল, কিন্তু '*ইয়ালৈও*' অহা নাই।

চ) নিৰ্দিষ্টকাৰ + বৰ্গীকাৰ + ও

ইয়াত থকা *এইজনো* গ'ল।

আন ঠাইত থকা লোক সকল যোৱাত ইয়াত থকা জনো গ'ল। অথচ যাব নালাগিছিল।

ছ) মিতিকাৰ + বৰ্গীকাৰ + ও

ঘৰলৈ *এজনো* নাহিল।

একাধিক মানুহ অহা কথা আছিল - কিন্তু এজনো নাহিল।

জ) সংখ্যাবাচক + বৰ্গীকাৰ + ও

শ্ৰেণীত আজি *পাঁচজনো* ছাত্ৰ নাই।

মানে পাঁচজনৰ কম ছাত্ৰ আছে।

কোঠাত আজি *দহজনীও* ছাত্ৰী নাছিল।

মানে দহজনী ছাত্ৰীৰ কম ছাত্ৰী আছিল।

ঝ) সংখ্যাবাচক + ও + বৰ্গীকাৰ

ঘৰত আজি *পাঁচোটা* ল'ৰা - ছোৱালী নাই।

ঘৰত মুঠ পাঁচজন ল'ৰা - ছোৱালী আছিল, আজি এজনো নাই।

চোৰ *দুয়োজনক* পুলিচে ধৰিলে।

নিৰ্দিষ্ট চোৰ দুজন আছিল, দুয়োজনক পুলিচে ধৰিলে।

ঞ) Ordinal + বৰ্গীকাৰ + ও

শ্ৰেণীত *প্ৰথমজনো* উপস্থিত নাই।

বাকী ছাত্ৰবোৰ অহাই নাই , প্ৰথমজনো অহাই নাই।

## ৬.৬ অ নিৰ্দেশক সৰ্গ Non - deictic -FunctorS ঃ

### ৬.৬.১ মিতিকাৰ Quantifiers

নিৰ্দেশক সৰ্গবোৰৰ দৰে অসমীয়াত অনিৰ্দিষ্ট বুজোৱা কিছুমান সৰ্গ ব্যৱহাৰ হয়। ইংৰাজীত Indefinite article deictic 'a', 'an' ব্যৱহাৰ কৰাৰ দৰে অনিৰ্দিষ্টকৈ বুজোৱা এক, এ (এক) অসমীয়াতো ব্যৱহাৰ হয়। যেনে -

১। এক ঃ *পষ + এক > পষেক* *মাহ + এক > মাহেক*

*বছৰ + এক > বছৰেক* *শত + এক > শতেক*

এক এ সৰ্গৰ লগত নিৰ্দেশক ডাল, টো, খন, জন, জনী, গৰাকী, খিলা, চটা, চলি, দোখৰ, আদি যোগ কৰিলে অনিৰ্দিষ্টতা বুজায়।

*এক > এ + ডাল - এডাল (অনিৰ্দিষ্ট)*
*~ + টা(টি) এটা, এটি* ”
*~ + খন এখন* ”
*~ + জন এজন* ”
*~ + গৰাকী এগৰাকী* ”
*~ + দোখৰ এদোখৰ* ”
*~ + খিলা এখিলা* ”

সংখ্যাবাচক সাৰ্থৰ লগত এক যোগ কৰিলেও অসমীয়াত অনিৰ্দিষ্টতাৰ ভাব বুজায়। যেনে -

*চাৰি + এক > চেৰেক,*
যেনে - *জনচেৰেক*
*দ্বি + এক > দিয়েক,*
যেনে - *জনদিয়েক, গুটিদিয়েক*

মিতিকাৰ **(Quantifiers)** সৰ্গবোৰ অনিৰ্দিষ্টতা বুজায়। যেনে -

২। মান ঃ *চাৰি + টা + মান> চাৰিটামান অনিৰ্দিষ্ট*
*দুই + টা + মান> দুটামান* ”
*দুই + ডাল + মান> দুডালমান* ”
*দুই + জন + মান> দুজনমান* ”
*এ + খুদ + মান> এখুদমান* ”

৩। *কেই ঃ* *কেই + জন + মান > কেইজনমান*
*কেই + জনী + মান > কেইজনীমান*
*কেই + গৰাকী + মান > কেইগৰাকীমান*

*তেনেকৈ কেইবা, কিছু, কিবা, কোনোবা, প্ৰতি, প্ৰত্যেক, অলপ, অলপমান, কম, তাকৰ, বহু, বেচি, সৰহ, নানা, নানান আটাই*, ইত্যাদি অনিৰ্দেশক সৰ্গ অসমীয়া ভাষাত ব্যৱহাৰ হয়।

### ৬.৬.২ ভাবৰূপসূচক সৰ্গ Modal Functors ঃ

ক্ৰিয়াৰ বিভিন্ন ভাবৰূপ **(Moods)** বুজাবলৈ জোৰ, আদেশ, আনুৰোধ আদি বুজাবলৈ অসমীয়া ভাষাত কিছুমান সৰ্গ ব্যৱহাৰ কৰা হয়। সেইবোৰে ক্ৰিয়াটোৰ ভাবকেই প্ৰকট কৰে কাৰণে ব্যাকৰণত স্বাৰ্থিক প্ৰত্যয় **(Pleonastic suffixes)** বুলি কোৱা হৈছে। প্ৰকৃততে ক্ৰিয়াটোৰ বিভিন্ন ভাবৰূপ **(Moods)** হে স্পষ্ট কৰাত সহায় কৰে কাৰণে ক্ৰিয়াৰ ভাব-ৰূপ প্ৰকাশক সৰ্গহে **Modal Functors**। এই সৰ্গবোৰৰ ব্যৱহাৰ ভাৰতীয় ভাষাবোৰতকৈ আচহুৱা আৰু আচুতীয়া। তলত এনে সৰ্গবোৰ উল্লেখ কৰা হ'ল —

১। *চোঁ, চোন ঃ* অসমীয়া ভাষাত মৃদু, অনুজ্ঞা, আশ্চৰ্য, আশাতীত মনোভাব বুজাবলৈ বিভিন্ন সাৰ্থৰ পাচত ব্যৱহাৰ হয়।

*'কাইলৈ এবাৰ আহিবাচোন'*। (মৃদু অনুৰোধ)
*'তই কালিয়েই গৈছিলিচোন'* (আশ্চৰ্য)

২। *দেখোঁ, দেখোন* ঃ অসমীয়াত মৃদু অনুজ্ঞা, আশ্চৰ্য বুজাবলৈ *'চোন'*সৰ্গৰ দৰে *দেখোঁ, দেখোন,* ব্যৱহাৰ হয়।
*'ঔষধ নোখোৱাতে জ্বৰ এৰিলে দেখোন।'*
*'এতিয়ালৈ একো খবৰ অহা নাই দেখোঁ।'*
*'তুমি দেখোঁ হাবাথুৰি খাই আহিছা ?'*

৩। *দে, দেই* ঃ উপৰিউক্ত *চোন, দেখোঁ, দেখোন* সৰ্গৰ দৰে অসমীয়াত *দে, দেই, মৃদু অনুজ্ঞা, অনুৰোধ, আকাঙ্ক্ষা* আদি বুজায়।
*'ঔষধ খোৱাতো জ্বৰ নেৰিলে দেই।'*
*'কাইলৈ আহিবা দেই।'*
*'তুমি আহিলে ইয়াত খাব পাৰিবা দে (দেই)।'*

৪। *পাই* ঃ অসমীয়াত সন্দেহ, আশ্চৰ্য,বুজাবলৈ 'পাই' ব্যৱহাৰ হ'বলৈ ধৰিছে।
'সি আজিও নাহিল পাই।'

৫। *একা* ঃ আশ্চৰ্যৰ ভাব প্ৰকাশ পায়।
*'তুমি কম ছোৱালী নহয় একা!'*

৬। *হবলা* ঃ সন্দেহ বা সম্ভাব্য বুজাবলৈ 'হবলা' ব্যৱহাৰ হয়।
*'ৰাম আজিও নাহিল হবলা।'*
*'সি হবলা চিলং পালেগৈ।'*

৭। *না, নো* ঃ আধুনিক অসমীয়াত গঢ়িউঠা Modal Functors।
*'ব্যাকৰণ শিকিবলৈ নো কিমান টান।'* *(আশ্চৰ্যসূচক প্ৰশ্ন)*
*'ব্যাকৰণ শিকিবলৈ কিমান নো টান।'* ( „ )
*'এতিয়া কিতাপ পঢ়ানা।'* *(মৃদু অনুৰোধ)*
*'যোৱানা।'* ( „ )

৮। *হি (< আহি)* ঃ অসমীয়া √ *আহ্* ধাতুৰ লগত সংযোজক কৃদন্ত *'ই'* যোগ কৰি *'আহি'* উদ্ভৱ হোৱাত 'আ' লুপ্ত হৈ - *'হি'*কেৱল সমাপিকা ক্ৰিয়াত ব্যৱহাৰ হয়। ভিন্ন ঠাইৰ পৰা উল্লিখিত ঠাইলৈ অহা কাৰ্য সমাধা কৰা বুজায়। যেনে -
*'মোগল সৈন্য পাণ্ডু পালেহি।'*
*'এইমাত্ৰ সিহঁত ঘৰ পালেহি।'*

৯। *গৈ*ঃ অসমীয়া √আহ্ ধাতুৰ দৰে √ গম্ ধাতুৰ পৰা উদ্ভৱ হোৱা 'গৈ' এঠাইৰ পৰা আন ঠাইলৈ গৈ পোৱাৰ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ হয়। যেনে -
*'মোগলৰ সেনাপতি গড়গাওঁ পালেগৈ।'*
*'ইতিমধ্যে নীতা কলেজ পালেগৈ।'*

১০। *হয়, হেঁতেন* ঃ সম্ভাব্য বুজাবলৈ 'হয়' বা 'হেঁতেন' ব্যৱহাৰ হয়।
*'মই গলে সিহঁত আহিল হয় বা আহিলহেঁতেন।'*
*'যদি সি আহিলহেঁতেন, আমি গ'লোহেঁতেন।'*

১১। *হয়তো* ঃ সন্দেহ, সম্ভাব্য বুজোৱা সৰ্গ।
*'ইমান সময়ে নাহিল যেতিয়া, সি হয়তো কিবা বাধা পালে ।' (সন্দেহ)*
*'যদি সি আহিলহেঁতেন, আমি গ'লোহেঁতেন ।' (সম্ভাব্য)*

১২। *জানো, জানোচা* ঃ সম্ভাব্য অৰ্থ বুজোৱা সৰ্গ।
*' সি জানো আজি আহিব ।'*
*' সি জানোচা একোকে খোৱা নাই ।'*

১৩। *বাৰু* ঃ মৃদু অনুমতি বুজাবলৈ ব্যৱহাৰ কৰা হয়।
*'কাইলৈ যাম বাৰু ।' (অনুমতি)*
*'চিলঙলৈ যাবা বাৰু, কিন্তু সাৱধানে থাকিবা ।' ( অনুমতি )*
*' কোনে বাৰু এই কামটো কৰিব । ' ( সন্দেহ)*

১৪। *উচিত, যুগুত* ঃ সমাজৰ ৰীতি- নীতি চলিবলৈ বাধ্য - বাধকতা সূচাবলৈ 'উচিত', 'যুগুত' ব্যৱহাৰ কৰা হয়। সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক তথা ধৰ্মীয় নিয়ম ৰক্ষা কৰা আৱশ্যক বুলি অনুজ্ঞাৰ ভাবসূচক *' উচিত', 'যুগুত'* ব্যৱহাৰ কৰি আদেশ, পৰামৰ্শ, উপদেশ প্ৰকাশ কৰা হয়। যেনে -
*' গণতন্ত্ৰত ভোটাধিকাৰ ৰক্ষা কৰা উচিত ।'*
*' ধৰ্মীয় নিয়ম মানি চলা যুগুত ।'*
*' ভাষা জানিবলৈ ব্যাকৰণ শিকা উচিত ।'*

১৫। *হেনো* ঃ সন্দেহ, সম্ভাব্য আদি ভাবসূচক সৰ্গ ।
*'ৰূপজ্যোতি হেনো ইঞ্জিনিয়াৰ হব ।'*
*'গীতালি অধ্যাপিকা হব হেনো ।' হল নে বাৰু ?'*
*'সি হেনো গ'ল ।' ( সন্দেহ)*

১৬। *যেনিবা* ঃ আকাঙ্ক্ষা, সম্ভবতাৰ মনোবৃত্তি প্ৰকাশক সৰ্গ।
*' সি যেন ৰজাহে, তেনে ভাবত পাগল হৈ আছে ।'*
*' নিপুৰ কথা - বাৰ্তাত সি যেনিবা গাওঁৰ নেতাহে, তেনে দেখুৱায়।'*
*' সি যেন নেতা হওঁক ।'*

## ৬.৬.৩ ইতৰাৰ্থক সৰ্গ (Exclusive Functors )ঃ

অসমীয়া ভাষাত অন্তৰ্ভুক্তিতা বুজাবলৈ যিদৰে ও সৰ্গ ( দ্ৰ ৬.৫) তাৰ বিপৰীত অৰ্থত তেনেকৈ বাহিৰে বা বিনা সৰ্গ দুটা ব্যৱহাৰ হয়। যেনে -

**বাহিৰে ঃ** ৰামৰ বাহিৰে আটাই কেইজন আহা।
ছোৱালী কেইজনীৰ বাহিৰে ল'ৰাবোৰ আঁতৰি যোৱা।
ভাত খোৱাৰ বাহিৰে অন্য একো খাব নোৱাৰা।

**বিনা ঃ** পত্নীৰ পতি বিনা গতি নাই।
মনজ্যোতি বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় হ'ল।

## ৬.৬.৪ লিঙ্গসূচক সৰ্গ Gender Functors ঃ-

লিঙ্গ ঃ - লিঙ্গ শব্দৰ অৰ্থ চিন, (ক) পুংলিঙ্গ (+পুং)
(খ) স্ত্ৰীলিঙ্গ (–পুং) ব্যৱহাৰ হয়।

যিবোৰ সাৰ্থই পুৰুষ জাতিক বুজায় সেইবোৰ পুংলিঙ্গ শব্দ আৰু যিবোৰে স্ত্ৰীজাতিক বুজায় সেইবোৰ স্ত্ৰীলিঙ্গ শব্দ।

| যেনে - | + পুং | — পুং |
|---|---|---|
| | পুৰুষ | নাৰী |
| | মতা | মাইকী |
| | বোন্দা | জাঁই |
| | ডেকা | গাভৰু |
| | পৈ | ঘৈণী ইত্যাদি |

(ক) জাতিবাচক সাৰ্থৰ পাছত 'ঈ' বা 'নী' যোগ হয়। যেনে -

| +পুং | — পুং |
|---|---|
| বান্দৰ | বান্দৰী |
| বাঘ | বাঘিনী |
| শিয়াল | শিয়ালী |
| সিংহ | সিংহিনী |

অসমীয়া স্ত্ৰীজাতিক বুজাবলৈ ঈ, অনী, আৰু ৰী যোগ কৰা হয়। যেনেঃ-

| (খ) ৰী, লী +পুং | — পুং |
|---|---|
| কলা | কালৰী |
| ছাগ | ছাগলী |
| কাক | কাউৰী |
| কজলা | কাজলী,ইত্যাদি |

অসমীয়াত ই আৰু ঈ উচ্চাৰণত পাৰ্থক্য নাই। একে উচ্চাৰণ হয়। গতিকে কিছুমান প্ৰাণীবাচক শব্দৰ পাচত 'ই' দিলে পুংলিঙ্গ আৰু 'ঈ' দিলে স্ত্ৰীলিঙ্গ হয় বোলা কথা অবৈজ্ঞানিক আৰু পৰিত্যাজ্য। যেনে - কাউৰী, ৰান্ধনী, শিপিনী, আদি পুং বা স্ত্ৰী কৰিবলৈ ই - কাৰ বা ঈ - কাৰ যোগ কৰা অনাৱশ্যক। ৰান্ধনী মতা হ'লে ৰান্ধনীটো বা জন হব পাৰে। স্ত্ৰী হ'লে ৰান্ধনীজনী হব। তেনেকৈ শিপিনী - শিপিনীজন, স্ত্ৰীত শিপিনীজনী হব।

ইয়াৰ উপৰিও স্ত্ৰীবোধক সৰ্গসমূহ হ'ল ঃ

| | | |
|---|---|---|
| ঈ - | দমৰা | দামুৰী |
| | ছৱাল | ছোৱালী |
| | বামুণ | বামুণী |
| নী- | বৰুৱা | বৰুৱানী |
| অনী- | ফুকন | ফুকননী |
| | বামুণ | বামুণনী |
| ইনী- | সিংহ | সিংহিনী |
| | বাঘ | বাঘিনী |
| | গোপ | গোপিনী |
| উনী - | ভূত | ভুতুনী |
| | চোৰ | চুৰুণী |
| ৰী - | কোঁৱৰ | কুঁৱৰী |
| | লিগিৰা | লিগিৰী |
| | বেচেৰা | বেচেৰী |
| লী - | অজলা | আজলী |
| | ছৱাল | ছোৱালী |
| অঁতী- | কৰোঁতা | কৰঁতী |
| | পঢ়োতা | পঢ়ঁতী |

## ৬.৬.৫ বহুত্বাৰ্থী সৰ্গ Number ঃ

গণ্য সাৰ্থৰ এক বা একাধিক গোট বা গোটসমষ্টি নিৰূপণ কৰিব পাৰি। অসমীয়া ভাষাত জাতিবাচক নাম বা সাৰ্থ বোৰ প্ৰধানতঃ বহুত্ববোধক। যেনে - মানুহ সাৰ্থটোৱে পৃথিৱীৰ সকলো মানুহকে বুজাৱ পাৰে। তাৰ পিচতহে নিৰ্দিষ্টকৈ এজন ব্যক্তিৰ ধাৰণা লব পাৰি।

'মানুহ মৰে'। অৰ্থাত্ পৃথিৱীৰ সকলো মানুহকে 'মানুহ' সাৰ্থটোৱে সামৰি লৈছে। ইয়াত মানুহ সাৰ্থটো বচন নিৰপেক্ষ যেন লাগিলেও বস্তুতঃ বহুবচন আৰু অনিৰ্দেশক। তেনেকৈ 'জন্তু' বুলিলে দেখাত একবচন যেন লাগিলেও পৃথিৱীৰ সকলো বোৰ জন্তুকেই বুজাইছে, গতিকে বহুবচনৰ সাৰ্থ, কিন্তু অনিৰ্দেশক (Non -deictic) আনহাতে 'আফ্ৰিকাৰ মানুহ ক'লা'। ইয়াত আফ্ৰিকা মহাদেশৰ মানুহবোৰৰহ নিৰ্দেশ কৰিছে। তেনেকৈ ভাৰতৰ 'মানুহ' ক ভাৰতীয় বোলে। এনে ক্ষেত্ৰত বহুবচনৰভাব থাকিলেও অনিৰ্দেশক নহয়, নিৰ্দেশক (deictic)। কাৰণ আফ্ৰিকা আৰু ভাৰতৰ 'মানুহ' জাতিৰ এটি অংশ মানুহকহে ইঙ্গিত কৰিছে।

গণ্য সাৰ্থৰ এটি গোট একবচনৰ। একাধিক হলে বহুবচনৰ। এটি গোটক নিৰ্দিষ্টকৈ বুজাব লাগিলে নৃবাচক সাৰ্থৰ পাচত গণ্যবৰ্গীকাৰ জন বা জনী লিঙ্গানুযায়ী সাৰ্থটোৰ পাচত যোগ কৰি ৰূপ কৰিব লাগে। মানুহৰ এটি গোটক এজন মানুহ আৰু নিৰ্দিষ্টমানুহ হলে মানুহজন হব, একাধিক হলে বহুত্ব নিৰ্দেশক বোৰ, বিলাক, সাৰ্থটোৰ স্বৰূপ অনুযায়ী যোগ কৰিলে সাৰ্থটো বহুবচন হব। যেনে - একবচনত নিৰ্দিষ্ট মানুহজন আৰু বহুবচনত মানুহবোৰ বা মানুহবিলাক। এজনক যেনেকৈ 'মানুহজন' বা 'মানুহটো' বুলি নিৰ্দিষ্ট মানুহ এজনক বুজোৱা হয়, তেনেকৈ কিছুমান নিৰ্দিষ্ট মানুহৰ থুপক 'বোৰ' - 'বিলাক' বহুত্ববোধক সৰ্গ লগ লগাই বহুসংখ্যক বিশেষ মানুহক নিৰ্দিষ্টভাবে বুজোৱা হয়।

অসমীয়া ভাষাত বহুত্ববোধক সৰ্গটি যোগ কৰাত গঢ়ি উঠা বহুত্বাৰ্থী সৰ্গযুক্ত সাৰ্থটোৰ মাজত নিৰ্দিষ্টতা (Definiteness) আৰু বহুত্ববোধক ধাৰণা ভাব নিহিত হৈ থাকে। ইংৰাজী ভাষাত একাধিক বোধক সংখ্যাশব্দৰ পাচত গণ্য সাৰ্থ ব্যৱহাৰ কৰিলে সেই সাৰ্থ বহবচনৰ হোৱাৰ দৰে অসমীয়াত সেই সাৰ্থটো বহুবচনৰ নহয়। যেনে - ইংৰাজীত ' Four boys - boy নহয়। কিন্তু অসমীয়াত চাৰিজন ল'ৰা - ল'ৰাবোৰ নহয়। ইয়ো অসমীয়া ভাষাৰ বৈশিষ্ট্য। অসমীয়া ভাষাত বহুত্ব নিৰ্দেশক সৰ্গৰূপে আমি পাওঁ - বোৰ, বিলাক, হঁত, লোক, সকল। এইকেইটা সৰ্গৰ ব্যৱহাৰ অসমীয়া ব্যাকৰণ সন্মত, য'তে ত'তে যি কোনো এনে সৰ্গ ব্যৱহাৰ কৰিব নোৱাৰি। যোগ্যতা অনুসৰি উপযুক্ত সাৰ্থৰ লগত উপযুক্ত বহুত্বনিৰ্দেশক সৰ্গ ব্যৱহাৰ হব পাৰে। অসমীয়া ভাষাত ব্যৱহাৰত বাধ্য - বাধকতা (Restriction Co-occurrence) আছে।

**বোৰ ঃ** + গণ্য (+COUNT), + প্ৰাণীৰ (+ANIMAT E ), + অমূৰ্ত (+ABSTRACT )
কঠিন(+SOLID) পদাৰ্থবাচক সাৰ্থৰ লগত ব্যৱহাৰ হয়। যেনে -
+ গণ্য (+COUNTABLE ) + প্ৰাণী + অমূৰ্ত, + কঠিন ঃ

মানুহ + বোৰ = মানুহবোৰ,
সেনা + বোৰ = সেনাবোৰ,
ল'ৰা + বোৰ = ল'ৰাবোৰ,
গৰু + বোৰ = গৰুবোৰ,
হাতী + বোৰ = হাতীবোৰ,
কথা + বোৰ = কথাবোৰ,
গল্প + ~ = গল্পবোৰ,
গছ + ~ = গছবোৰ,
শিল + ~ = শিলবোৰ,
কাউৰী + বোৰ = কাউৰীবোৰ,
পখি + বোৰ = পখিবোৰ,
চৰাই + বোৰ = চৰাইবোৰ,
ঘৰিয়াল + বোৰ = ঘৰিয়ালবোৰ,
কিতাপ + বোৰ = কিতাপবোৰ,
চিন্তা + বোৰ = চিন্তাবোৰ,

বিলাক ঃ + গণ্য, +প্ৰাণী, + অমূৰ্ত,

সৈনিক + বিলাক = সৈনিক বিলাক, সৈনিকবোৰ

মানুহ + ~ = মানুহবিলাক , মানুহবোৰ

ল'ৰা + ~ = ল'ৰা বিলাক, ল'ৰা বোৰ

চিন্তা + ~ = চিন্তা বিলাক, চিন্তাবোৰ

গছ + ~ = গছ বিলাক, গছ বোৰ

+ গণ্য, +প্ৰাণী বা ± অ প্ৰাণী বাচক সাৰ্থৰ লগত বোৰ বা বিলাক - ঘৰুৱা, প্ৰিয় অৰ্থত তৃতীয় পুৰুষৰ Status III অত ব্যৱহাৰ হ্ব পাৰে ঃ

| | |
|---|---|
| প্ৰাণী + বোৰ = প্ৰাণীবোৰ, | প্ৰাণী + বিলাক = প্ৰাণী বিলাক, |
| জীৱ + ~ = জীৱবোৰ, | জীৱ + ~ = জীৱবিলাক |
| সৌ + ~ = সৌবোৰ, | সৌ + ~ = সৌ বিলাক, |
| সেই + ~ = সেইবোৰ, | সেই + ~ = সেই বিলাক, |
| এই + ~ = এইবোৰ, | এই + ~ = এই বিলাক, |
| সি + ~ = সি বোৰ | সি + ~ = সি বিলাক, |

হঁত ঃ নৃবাচক ( +HUM) ঘৰুৱা ভাবৰ সাধাৰণ অৰ্থত ব্যৱহাৰ হয় ।

ল'ৰা + হঁত = ল'ৰাহঁত (পৰিচিত অৰ্থত)

কুমাৰ + ~ = কুমাৰ হঁত

কমাৰ + ~ = কমাৰ হঁত

কুলি + ~ = কুলি হঁত

দ্বিতীয় আৰু তৃতীয় পুৰুষ Status II আৰু III অৰ পুৰুষ নিৰ্দেশক ব্যৱহাৰ হয় ।

| | | | |
|---|---|---|---|
| ত+ হঁত | তহঁত | দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থত | + ~ |
| ই + ~ = | ইহঁত | তৃতীয় পু ,, | + ~ |
| সি + ~ = | সিহঁত | তৃতীয় পু ঃ সমানাৰ্থে | + ~ |

কিছুমান সম্বন্ধবাচক শব্দত হঁত ,মৰম , ঘৰুৱা ,আৰু সন্মান ভাবত ব্যৱহাৰ হয় ।

ককাই + হঁত = ককাইহঁত

বোপাই + ~ = বোপাই হঁত

বেটী + ~ = বেটী হঁত

বেটা + ~ = বেটা হঁত

বাচা + ~ = বাচা হঁত

আপা + ~ = আপা হঁত

আপি + ~ = আপি হঁত

যেতিয়া - HUM ঘৰুৱা পৰিচিত প্ৰাণীৰ নামৰ পাচত হঁত , বোৰ ,মখা, জাক, আদি ব্যৱহাৰ হলে নৃবাচক প্ৰাণীৰ প্ৰতি ঘৃণাসূচক
উল্লেখ কৰা হয়। যেনে -

| | | | |
|---|---|---|---|
| হে কুকুৰ হঁত, | কুকুৰ বোৰ, | গৰুহঁত | গৰুমখা |
| পিশাচ হঁত, | পিশাচ বোৰ, | শিয়ালহঁত | ভেৰাজাক |
| গাধ হঁত, | গাধ বোৰ, | | |

লোক ঃ দ্বিতীয় পুৰুষৰ Status I মান্যাৰ্থে আপোনা; Status II সমানাৰ্থে তোমা আৰু তৃতীয় পুৰুষত Status I (B) এওঁ , তেওঁ সৰ্গৰ লগত 'লোক' ব্যৱহাৰ হয়।

দ্বিতীয় পুৰুষৰ মান্যাৰ্থে - আপোনা + লোক = আপোনালোক

সমান্যাৰ্থে - তোমা + ~ = তোমালোক

তৃতীয় পুৰুষৰ **St .I (B)** - এওঁ + ~ = এওঁ লোক

তেওঁ + ~ = তেওঁ লোক

সকল ঃ দ্বিতীয় পুৰুষৰ Status I আপোনা -, তৃতীয় পুৰুষৰ অতি মান্যাৰ্থত এখেত, তেখেত আৰু মান্যাৰ্থত আৰু অতি সন্মানীয় সাৰ্থবোৰত সাধাৰণতে 'সকল' ব্যৱহাৰ হয় । যেনে -

দ্বিতীয় পুৰুষৰ Status I আপোনা + সকল, আপোনাসকল, (অতি মান্যত ) আৰু (মান্যাৰ্থত) আপোনালোক

তৃতীয় পুৰুষৰ Status I (A) অতি মান্যত এখেত সকল

তেখেত সকল

তৃতীয় পুৰুষৰ Status I (B) মান্যাৰ্থত এইসকল

সেই সকল

সন্মানীয় নৃবাচক সাৰ্থত মান্যাৰ্থত - গুৰু + সকল = গুৰুসকল

শিক্ষক + ~ = শিক্ষক সকল

পণ্ডিত + ~ = পণ্ডিত সকল

মন্ত্ৰী + ~ = মন্ত্ৰী সকল

এইবোৰ বহুত্ব নিৰ্দেশকৰ উপৰি শিক্ষিত লোকে আৰ্যভাষাৰ কেইটামান বহুত্ববোধক সাৰ্থ (Words of multitude) সাহিত্যৰ ভাষাত ব্যৱহাৰ কৰে। যেনে —

সমূহ , গণ, বৰ্গ, ৰাজি, মণ্ডলী, বৃন্দ, সব, চয় ইত্যাদি।

## ৬.৬.৬পূৰ্ণতা বোধক সৰ্গ Absolutive আৰু পূৰ্ণত্ববোধক যোজকAbsolutiveConjunctive ঃ

অসমীয়া ভাষাত ক্ৰিয়াৰ বৈশিষ্ট্যপূৰ্ণ পূৰ্ণতাসূচক যোজক ই / i / ব্যৱহাৰ হয়। এই সৰ্গটো অসমীয়া, বঙালী আৰু অন্যান্য নব্যভাৰতীয় আৰ্যভাষা বা দ্ৰাবিৰী ভাষাত ব্যৱহাৰ হয়। (এইটো সৰ্গ বড়ো ভাষাৰ প্ৰভাৱত গঢ়ি উঠা বুলি অনাহক অযুগুত মত এটি সৃষ্টি কৰিছিল।) অসমীয়া ভাষাৰ এই 'ই' / i / সৰ্গ অসমীয়াত দুই প্ৰকাৰে ব্যৱহাৰ হয় ঃ

ক) যোজক Conjunctive হিচাপে

খ) ক্ৰিয়াৰ পূৰ্ণতাসূচক Absolutive হিচাপে

## ক) সংযোগাত্মক পূৰ্ণতাসূচক ঃ

'ই' / i / সৰ্গ সাধাৰণতে ধাতুৰ পাচত ব্যৱহাৰ কৰিলে ধাতুটোৱে বুজোৱা কাৰ্যখিনি সম্পূৰ্ণহোৱা বুজায় আৰু আন ক্ৰিয়াৰ কাৰ্যৰ পূৰ্ণতাৰ ভাবৰ লগত সংযোগ সাধন কৰে। সেই বাবেহে পূৰ্ণতাসূচক যোজক Conjunctive Absolutive কোৱা হয়।

যেনে - ৰামে ভাত খাই স্কুললৈ গ'ল ।

ইয়াত *'খাই'* ক্ৰিয়াটোৱে 'খোৱা' কাৰ্যটো শেষ হোৱা বুজাইছে, অৰ্থাত 'ভাত খালে' আৰু আন এটি ক্ৰিয়াৰ কাৰ্য অৰ্থাত 'স্কুললৈ গ'ল' কাৰ্যটোৰ লগত সংযোগ সাধন কৰিছে। সেইবাবে *'খাই'* ক্ৰিয়াটো পূৰ্ণতা (Completenes) ভাবৰ লগতে আন ক্ৰিয়াৰ *'স্কুললৈ যোৱা'* কাৰ্যৰ লগত সংযোগ (Conjunctive ) ভাবৰ ইঙ্গিত কৰিছে। *'খাই'* ক্ৰিয়াটোৱে কোনো কাৰ্য অসম্পূৰ্ণ হোৱা নুবুজায়, ইয়াৰ কৰ্তাৰ লগত সংশ্লিষ্ট হৈ সঙ্গতি ৰাখি লিঙ্গ, পুৰুষ, বচন, কালত ক্ৰিয়াৰূপ হোৱা নাই। এটা কৃদন্ত অব্যয় সৰ্গ হৈ পৰে। গতিকে *'ই'* যুক্ত পদটি ক্ৰিয়াপদ নহয়, কৃদন্ত পূৰ্ণতাসূচক সৰ্গহে (Absolutive)।

'মই ঘৰলৈ যাম বুলি কৈছিলো যদিও নগ'লোঁ।'

এই বাক্যটিত দুটা পূৰ্ণ বাক্য বা প্ৰধান বাক্য আছে।

'কৈছিলোঁ' আৰু 'নগলোঁ' ক্ৰিয়াপদ দুটাৰ পূৰ্ণ প্ৰধান বাক্য দুটা হৈছে —

**( i ) (মই) 'কৈছিলোঁ' ।**

এটি প্ৰধান বাক্য, ইয়াৰ অপ্ৰধান অধীন বাক্য হৈছে -

**'ঘৰলৈ যাম।'**

*'বুলি'* বোল্ (কোৱা অৰ্থত) + ই > *'বুলি'* এটা পূৰ্ণতা সূচকযোজক সৰ্গ হৈ পৰিছে ।
গতিকে 'ই' - যুক্ত হৈ বোল্ ধাতুৰ পৰা *'বুলি'* এটা কৃদন্ত অব্যয়ৰ সৰ্গত পৰিণত হৈ **সংযোজক** ৰূপে ব্যৱহাৰ হৈছে। ই অসমাপিকা ক্ৰিয়া নহয়। এটি পূৰ্ণতা সূচকযোজক সৰ্গহে।
আৰু **ii** ) *'মই নগ'লোঁ'*
অন্য এটা প্ৰধান বাক্য। *যদিও*, চৰ্ত সাপেক্ষ সৰ্গ। গতিকে *'ঘৰলৈ যাম'* - এটি অপ্ৰধান অধীন বাক্য। *'বুলি'* কৃদন্ত পূৰ্ণতাবাচক যোজক সৰ্গ।
*' মই কৈছিলো'*
(১) প্ৰধান বাক্য, যদিও, চৰ্ত সাপেক্ষ সৰ্গ
*'মই নগলোঁ'*
(২) প্ৰধান বাক্য।
গতিকে দুটা পূৰ্ণ সমাপিকা ক্ৰিয়া থকা ওপৰৰ বাক্যটো দেখাত এটি বাক্য হৈ থাকিলেও প্ৰকৃততে দুটা পূৰ্ণাঙ্গ বাক্যহে। কিছুমানে ভবাৰ দৰে একেটি বাক্য নহয়। ইয়াত *'বুলি'* এটি **পৰ্ণূতাসূচক যোজক** (Absolutive) আৰু *'যদিও'* এটা চৰ্ত সাপেক্ষ মুক্ত সৰ্গ (Conditional free functor)।
১) *'কইনাজনী কেনে দেখি নাজানো।'*
এই বাক্যত *দেখি* (√দেখ্ + ই ) এটি অসমাপিকা ক্ৰিয়া নহয়। কৃদন্ত পৰ্ণূতাসূচক যোজক (Absolutive) সৰ্গহে।
২) *'পাহাৰখন ধুনীয়া দেখি সিহঁত মুগ্ধ হ'ল ।'*
৩) *'কোলাহলত একোকে নুশুনি ।'*
৪ ) *'সুযোগ মিলিলে ৰজাও হব পাৰি।'*
এইবোৰ ১ নং আৰু ২ নং বাক্যত *দেখি*, ৩ নং বাক্যত নুশুনি, 'ই' যুক্ত কৃদন্ত যোজক (Absolutive Conjunctive) সৰ্গ আৰু একোটি অপ্ৰধান অধীন বাক্যৰ সংযোগ সূত্ৰ গঢ়ি তুলিছে। কিন্তু চতুৰ্থ বাক্যত 'পাৰি' পূৰ্ণতাসূচক বাক্য কেইটিও তলত দিয়া ধৰণে সজাব পাৰি।
ক) *'এই পাহাৰখন ধুনীয়া দেখি।'*
খ) *'কোলাহলত একোকে নুশুনি ।'*
এই কেইটা বাক্যৰ *দেখি* আৰু *নুশুনি* ক্ৰিয়াৰ পূৰ্ণতা সূচক সৰ্গহে। বাক্যটোত কৰ্তা পুৰুষ নিৰপেক্ষ ক্ৰিয়াৰ কাৰ্যহে কৰিছে। এনে কেইটামান সীমিত কৰ্মবাচ্যৰ বাক্যত Absolutive পূৰ্ণতাসূচক সৰ্গহে ব্যৱহাৰ হব পাৰে। এই বাক্যত থকা **'মিলিলে'** কৃদন্ত যোজক সৰ্গহে।

## ২ ) পূৰ্ণতা বোধক যোজক সৰ্গ ঃ

## Conclusive Conjunctives ইলে আৰু ইলত ঃ

পূৰ্ণতা সূচক 'ই' সৰ্গৰ দৰে অসমীয়াত আৰু দুটা বিশেষ সৰ্গ প্ৰচলিত আছে। চৰ্ত সাপেক্ষে ধাৰণা জগাই তুলি বাক্য সংযোগ কৰা (ই) ল্ + এ = (ই) লে আৰু (ই) ল্ + অত = (ই) লত সৰ্গ ধাতুৰ লগত লগ লাগি গঢ়ি উঠা ক্ৰিয়াপদটোৰেচৰ্তসাপেক্ষ কাৰ্য পূৰ্ণ কৰাৰ ভাব প্ৰকাশ কৰে। যেনে -

১। **'মই গলে সি আহিব'**

ইয়াত 'মই' শব্দৰ সলনি তই , তুমি, আপুনি, তেওঁ, সি, তাই , সিহঁত, আদি বিভিন্ন পুৰুষ বাচক শব্দ ব্যৱহাৰ কৰিবলৈ গ'লে যোজক সৰ্গৰ একো পৰিৱৰ্তন নহয়, কাৰণ গ'লে লিঙ্গ, কাৰক, পুৰুষ আৰু বচন নিৰপেক্ষ কৃদন্ত যোজক সৰ্গহে।

তেনেকৈ, ২। 'পুথিখন পঢ়া *হলে* প্ৰসাদ দিব।'
৩। 'তুমি *আহিলে* মই যাম।'
৪। 'সুযোগ *ওলালে* কামত সোমাবা।'

ওপৰৰ বাক্যবোৰত (ক) **গ'লে**, (খ) **হলে**, (গ) **আহিলে**, (ঘ) **ওলালে** - এই চাৰিটা সমাপিকা ক্ৰিয়া নহয়। এইবোৰ 'ইলে' সৰ্গযুক্ত পূৰ্ণতা যোজক সৰ্গ। 'ইলে' যুক্ত এনে যোজক সৰ্গই চৰ্ত সাপেক্ষ ভাব এটি আৰোপ কৰে।

১ম বাক্যত মোৰ যোৱা কামটো সম্পূৰ্ণ কৰা হ'লে, তেতিয়াহে সি আহিব।

২য় বাক্যত পুথি পঢ়া কাম শেষ হ'লেহে প্ৰসাদ বিতৰণ কৰা হ'ব।

৩য় বাক্যত শ্ৰোতাজন যেতিয়া আহিব, তেতিয়া বক্তাজন যাব।

৪ৰ্থ বাক্যত শ্ৰোতাজন কামত সোমাব পাৰিব, যেতিয়া সুযোগ ওলাব। অৰ্থাৎ সুযোগ ওলালে শ্ৰোতাজন কামত সোমাব পাৰিব।

আনটি পূৰ্ণতা বোধক যোজক সৰ্গ পূৰ্ববৰ্তী **ই'লে** কৃদন্ত যোজক সৰ্গৰ দৰে, কেৱল *ইল্* + ত বা *'অত'*= ***ইলত*** অধিকৰণ চিন ব্যৱহাৰ হয়।

'বৰষুণ **দিলত** সভা ভাঙিল।'

'সভা ভাঙিল, যেতিয়া বৰষুণ আৰম্ভ কৰিলে।'

'তাই **আহিলত** আমি আঁতৰিলো।'

কওঁতাবোৰ আঁতৰিল, যেতিয়া তাই আহি পালে। তাই আহি পোৱা কামটো হোৱাৰ পাচত বক্তাসকল আঁতৰি গ'ল।

## ৬.৭) ভবিষ্যত কাল ? আকাঙক্ষাসূচক সৰ্গ ঃ

## (Volitional Functors)

ব, ই'ব সাধাৰণতে ভবিষ্যত কালৰ চিন ৰূপে ব্যাকৰণ বোৰত উল্লেখ কৰি আহিছে।

সি কিতাপ লিখিব।
ৰাম কলেজত পঢ়িব।
শঙ্কৰ এজন মন্ত্ৰী হব।
তই কলেজত পঢ়িবি।
মই মন্ত্ৰী হ ম, ইত্যাদি।

লিখিব, পঢ়িব, পঢ়িবি, হব, হম - আদি ক্ৰিয়া পদে ভবিষ্যত কালৰ ভাব প্ৰকট কৰাতকৈ বক্তাই নিজৰ আকাঙক্ষা, ইচ্ছা, অভিলাসহে প্ৰধানকৈ ব্যক্ত কৰিছে। এইবোৰ বাক্য বক্তাই দ্বিতীয়, তৃতীয় পুৰুষৰ ব্যক্তিক কোৱাৰ উপৰি নিজেও নিজৰ ইচ্ছা প্ৰকাশ কৰিছে।

'ইব' প্ৰত্যয়টো প্ৰকৃততে ব্যাকৰণৰ ক্ৰিয়া বিভক্তি নহয়, ধাতুৰ লগত ই যোগ হৈ এটা কৃদন্ত বিশেষ্য শব্দত পৰিণত হয়। নিমিত্তাৰ্থ বুজাবলৈ 'লৈ' বা 'অৰ' যোগত একোটা কৃদন্ত পদত পৰিণত হয়। যেনে -

'পঢ়িবৰ বেলিকা'
ইয়াত √পঢ় + ইব + অৰ > পঢ়িবৰ বেলিকা
'মনত পেলাব নোৱাৰিলো '

'পঢ়িবৰ বেলিকা' বা 'পেলাব' শব্দটোৱে একো ভবিষ্যত কালৰ ইঙ্গিত কৰা নাই। 'ইব' যুক্ত কৃদন্ত বিশেষ্যত 'লৈ' যোগকৰি নিমিত্তাৰ্থত ব্যৱহাৰ কৰা হয়। যেনে -

'কৰিবলৈ মন কৰিছো।'
'যাবলৈ ইচ্ছা হোৱা নাই।'
'ঘৰত পঢ়িবৰ ঠাই নাই।'
'ঘৰৰ বাহিৰে - ভিতৰে শুবলৈ বিচৰা নাই।'

কৰিবৰ আদি 'ইব' সৰ্গযুক্ত কৃদন্ত নাম সৰ্গত পৰিণত হৈছে।

আকৌ 'ইব' বা 'ব' ভবিষ্যত কাল বুজাবলৈ আমি

১। 'তই ভালকৈ পঢ়িবি।'
২। 'তুমি ভালকৈ পঢ়িবা।'
৩। 'সি ভালকৈ পঢ়িব।'
৪। 'মই ভালকৈ পঢ়িম।'
৫। 'আমি ভালকৈ পঢ়িম', আদি বাক্য ব্যৱহাৰ কৰিছে। এই বাক্যবোৰত কওঁতাই নিজৰ বক্তব্য অনুযায়ী বাক্যবোৰৰ মাজেদি কেৱল বক্তাৰ মনৰ ইচ্ছা - আকাঙক্ষাহে প্ৰকাশ কৰিছে। তই পঢ়িছ, তুমি পঢ়িছা, সি পঢ়িছে, তই পঢ়িলি, তুমি পঢ়িলা, সি পঢ়িলে, তই পঢ়িছিলি, তুমি পঢ়িছিলা, সি পঢ়িছিল — আদি বাক্যবোৰত বক্তাই তই, তুমি, সি,আদিয়ে পঢ়া কাৰ্য কৰাৰ কথাকেই বক্তব্য ৰূপে আনৰ আগত প্ৰকাশ কৰিছে। ইয়াত কেৱল (Indicative) নিৰ্দেশক, ভাব-ৰূপ প্ৰকাশ পায়। গতিকে ক্ৰিয়াৰ এটি ভাব-ৰূপ প্ৰকাশ পোৱা ক্ৰিয়াৰ কাৰ্য সমাধা কৰিছে। এইবোৰ ক্ৰিয়াপদ।

অনুজ্ঞাত (আদেশ, অনুৰোধত) তই পঢ়্, তুমি পঢ়া, সি পঢ়ক আদি আদেশ, অনুৰোধ সূচক বাক্য ব্যৱহাৰ কৰো। পঢ়, পঢ়া, পঢ়ক ক্ৰিয়া পদ, বৰ্তমান কালত বক্তাই আদেশ বা অনুৰোধ জনাইছে।

তেনেকৈ পঢ়িবি, পঢ়িবা, পঢ়িব, পঢ়িম, আদি ধাতুৰূপেৰে কেৱল বক্তাৰ মনৰ মাজত গঢ় লৈ উঠা অভিলাষ, ইচ্ছা, তথা আকাঙক্ষাহে প্ৰকাশ পাইছে। 'ইব', 'ব', বা 'ম' যুক্ত কৃদন্ত ৰূপে আকাঙক্ষাসূচক সৰ্গ। বৰ্তমানৰ পিচত ভবিষ্যত কালত কাৰ্য সমাধা কৰা ভাবতকৈ বক্তাৰ ইচ্ছা আকাঙক্ষা প্ৰকাশ কাৰ্য বেচি প্ৰধান, বেচি মুখ্য, বেচি মৌলিক। বক্তা বা প্ৰথম পুৰুষৰ বাদে দ্বিতীয় তৃতীয় পুৰুষত বক্তাই নিজৰ অভিলাষ, নিজৰ ইচ্ছা বা আ কাঙক্ষা প্ৰকট কৰিবলৈ ইদৰে ইব, বম যুক্ত কৃদন্ত আকাঙক্ষা সূচক সৰ্গ ব্যৱহাৰ কৰাটো সাধাৰণ Indicative বা নিৰ্দেশক ভাব প্ৰকাশতকৈ বেচি মুখ্য, বেচি মৌলিক।

গতিকে ইব, ব, ম, যুক্ত কৃদন্ত পদবোৰ ভৱিষ্যত কালৰ ক্ৰিয়াপদতকৈ উপৰি উক্ত দিবৰ বাবে, পঢ়িবৰ, শুবলৈ, শুবৰ বাবে কৰিবলৈ, কৰিবৰ বাবে, আদি কৃদন্ত নাম সৰ্গৰ দৰে ইব, ব, ম, যুক্ত কৃদন্ত আকাঙক্ষাসূচক সৰ্গ। **Volitional**

## ৬.৮ সম্বন্ধী সংযোজক ঃ

## (Relative Conjunctives)

অসমীয়া ভাষাত কেইবা বিধো সংযোজক আছে।

### ক) কার্য - স্থিতিৰ সম্বন্ধীযোজকঃ

### (Relative Conjunctive of Action or State)

এটা কার্য বা স্থিতিৰ পূৰ্বৰ টোৰ ফল ৰূপে বুজাবলৈ আন এটিৰ অবতাৰণা কৰা হয়। যেনে -

*তথাপি, তেও, তবু* - আগৰ এটি কার্যৰ পৰিণামৰ বিপৰীত ভাবত উল্লেখ কৰা হয়।

'তাক বহী - কিতাপ দিয়া হৈছে *তথাপি* লিখা পঢ়া নকৰে।'

'বহিবলৈ আসন আছে *তেও* সিঁহত নবহিল।'

'পঢ়িবলৈ মাকেও কলে, *তবু* সি নপঢ়িলে।'

### খ) সম্বন্ধী কালবাচক যোজকঃ

### (Relative Temporal Conjunctives)

*কেতিয়া (?) - এতিয়া*

*যেতিয়া - তেতিয়া*

'*কেতিয়া* মোকনো মাতিছিলা? *যেতিয়া* কোঠাত সোমাই আছিলা *তেতিয়া*।'

'*এতিয়া* মই কি কৰিব লাগে কোৱা।'

### গ) সম্বন্ধী স্থানবাচক যোজকঃ

### (Relative Spatial Conjunctives)

*ক'ত (?) - অ'ত / ইয়াত*

*য'ত - ত'ত তাত*

*ইয়াত - তাত*

*য'ত* লৰাবোৰ বহে, *তাত* ছোৱালী বহিব নিদিবা।

*ক'ত* কোন বহিব নিৰ্দিষ্ট কৰা হৈছে নেকি?

*য'তে ত'তে* সিহঁতক বহিব নিদিবা, *ইয়াত* তাইক বহিব দিয়া - *তাত* নালাগে।

### ঘ) সম্বন্ধী মিতিবাচক যোজকঃ

### (Relative Quantifier Conjunctives)

গণ্য আৰু অগণ্য বস্তুৰ সংখ্যাআৰু পৰিমান বুজাবলৈ ব্যৱহাৰ হয় ।যেনে -

| | |
|---|---|
| | *সিমান* ( সি + মান) |
| *ইমান* ( ই + মান ) | *সিমান* ( সি + মান ) |
| *তিমান* ( তি + মান ) | *যিমান* ( যি + মান ) |
| *কিমান* ( কি + মান ) | |

কিন্তু ***ভালেখিনি*** অগণ্য পৰিমাণত ( বেচি অৰ্থত ) ব্যৱহাৰ হয়। ***ভালেমান*** ( সংখ্যাত বেচি অৰ্থত ) গণ্য বস্তুত খাটে। ***কেইটিমান***, গণ্যৰ সংখ্যাত একাধিক বস্তু, ***মান*** মিতিবাচক সৰ্গ। *ইমান* চাউল ? *কিমান* লাগিব ? *যিমান* আৱশ্যক হয়, *সিমান* খিনিহে লাগিব। *ইমান* নালাগে। 'আকৌ ***কিমান*** টকা লাগে ?' ***ইমান*** টকা নালাগে। '***যিমান*** টকা দিব খুজিছা দিয়া।' *সিমান* টকাৰে মোক জুৰিব।

## ঙ) সম্বন্ধী গুণবাচক যোজকঃ

## ( Relative Qualifier Conjunctives)

| | |
|---|---|
| *এনে / এনেকুৰা* | *তেনে / তেনেকুৰা* |
| *কেনে / কেনেকুৰা* | *যেনে / যেনেকুৰা* |

*এনে / এনেকুৰা* - এই নিকট, নিৰ্দিষ্ট অৰ্থত বুজোৱা সৰ্গই বিশিষ্ট অমূৰ্ত ভাব, কাৰ্য, অৱস্থা, সংঘটন, বা সাৰ্থৰ সূচকক গুণ - দোষ অৱস্থা আদি বিশিষ্টভাবে স্পষ্ট কৰি দিয়ে।
*(এনে) / এনেকুৰা ~খবৰ, এনেকুৰা পাপ, ~ মহত্ব, ~ উত্সাহ, ৰামৰ ~ অতপালি, সিহঁতৰ এনে / এনেকুৰা কাৰ্য প্ৰশংসাৰ যোগ্য*, ইত্যাদি।

*তেনে / তেনেকুৰা* - সেই (চকুৰ অঁাতৰৰ) অমূৰ্ত ভাব, কাৰ্য, অৱস্থা, সংঘটন, বা সাৰ্থৰ সূচকৰ গুণ, দোষ, অৱস্থা আদিৰ নিৰ্দিষ্ট সম্ভেদ দিয়ে। এনে আৰু এনেকুৰা সৰ্গৰ দৰেই তুলনা কৰে। যেনে -
*তেনে বা তেনেকুৰা মানুহ, তেনে / তেনেকুৰা অপৰাধ, তেনে / তেনেকুৰা আশা, তেনে / তেনেকুৰা সংসাৰ*, ইত্যাদি।

ইয়াৰ উপৰি *কে নে - কেনেকুৰা, যেনে - যেনেকুৰা*, সম্বন্ধী গুণবাচক অসমীয়াত ব্যৱহাৰ হয়। সেইবোৰ *কেনে* মানুহ বা ***কেনেকুৰা*** মানুহ? ***যেনে*** বুলি ভাবা ***তেনে*** মানুহ। ***এনে*** মানুহ দেখাই নাই। ***কেনে*** মানুহ দেখিছা বাৰু ?

*যেনেকুৰা* লোকে সদাচাৰ কৰে *তেনেকুৰা* মানুহহে ভদ্ৰ মানুহ।
***এনে*** সদাচাৰী লোক ***তেনেকুৰা*** ভদ্ৰ হব নোৱাৰে।
তেন্তে ***কেনেকুৰা*** মানুহ ভদ্ৰ বুলি ভাবা?

# সপ্তম অধ্যায়

## ৭.০ জতুৱা ঠাঁচ

মনৰ ভাব প্ৰকাশ কৰিবলৈ বিশিষ্ট শব্দৰ লগত বিশেষ শব্দ বা ধাতু প্ৰচলিত অৰ্থতকৈ বিশেষ অৰ্থত বৰৱহাৰ কৰা হয়, অন্যশব্দৰ সহযোগত শব্দৰ প্ৰচলিত অৰ্থতকৈ অন্য বিশেষ অৰ্থ প্ৰকাশ কৰা খণ্ড বাক্যাংশকেই জতুৱা ঠাঁচ বুলি কোৱা হয়। অসমীয়া ভাষাত বিশিষ্ট অৰ্থ প্ৰকাশক জতুৱা ঠাঁচ সমূহক নিম্ন ভাগত ভগাব পাৰি -

### ক) নামশব্দৰ লগত সহায়কাৰী ক্ৰিয়া যোগ হৈ পৃথক অৰ্থ বুজোৱা যৌগিক ধাতু ঃ

| | | |
|---|---|---|
| যেনে - | আওকাণ কৰ্ | অৱহেলা কৰ্ |
| | আমোদ কৰ্ | উপভোগ কৰ্ |
| | কাঁহ পৰি জীণ যা | নিস্তব্ধ হ |
| | গাল মাৰ্ | হাতৰ মুঠিৰে মুখত দে |
| | ঘোপা কৰ্ | খং কৰি চা |
| | চিলিম ছিগ্ | শেষ আশাও নাইকিয়া হ |
| | জুম বান্ধ্ | একে থুপ হ |
| | টিকি মাৰ্ | চিঞৰি উঠা |
| | ঠেহ পাত্ | আপত্তি কৰি আদৰ জনা |
| | ৰোহ পাত্ | আপত্তি কৰি আদৰ জনা |
| | ডাঙ্কোপ মাৰ্ | গৰ্ব কৰ্ |
| | থানথিত লগা | সুস্থিৰে বাস কৰা |
| | নজৰ দি | লক্ষ্য কৰ্ |
| | ফুটনি মাৰ্ | অহঙ্কাৰ কৰি দেখা |
| | ৰেহ-ৰূপ চা | চাল-চলন চা |
| | সেপ ঢোক | ভাগৰত বা ভয়তথুই গিলা |
| | হাবাথুৰি খা | অতি কষ্টেৰে যত্ন কৰ |
| | লগ ধৰ্ | সাক্ষাত কৰ্, গৈ লগ ধৰ |
| | লগ কৰ্ | থুপ কৰ্, একেলগ কৰ্ ইত্যাদি |

### খ) বিশেষ্য পদৰ বিশেষ অৰ্থত ব্যৱহাৰ হোৱাশব্দ সমূহ ঃ

| | | |
|---|---|---|
| যেনে - | কপাল ফুট | দুৰ্ভাগ্য উপস্থিত হোৱা |
| | কাণ থিয় কৰ্ | শুনিবলৈ আগ্ৰহ কৰ্ |
| | কান সমনীয়া | প্ৰায় সমনীয়া ডেকা |
| | ককাঁল ভাগ | ক্ষমতাহীন হোৱা |
| | আঁঠু ল | সন্মান জনাবলৈ আঁঠু কোচাই বহা |
| | গা ৰাইজাই কৰা | অস্থিৰ হোৱা |
| | মুখৰ ছাঁই গুচা | মৃতকৰ শ্ৰাদ্ধাদি কৰা |
| | দাঁতে ওঁঠে নলগা | সমূলি কাজিয়া নকৰা |
| | হাত ধো | সম্পৰ্ক ত্যাগ কৰ্ |
| | মূৰ পোলোকা মাৰ্ | গা এৰা দি |
| | মনে পতা | কাল্পনিক |
| | মুধা-ফুটা | বিজ্ঞ লোক |
| | পেট মচা | নুমলীয়া |
| | পানীৰ তলৰ কাঁইট | নেদেখা বিপদ |

| | |
|---|---|
| ভাত ঘৰ | মিত্ৰ |
| বাট চা | অপেক্ষা কৰা |
| মাটিৰ মানুহ | সহজ সৰল লোক |
| মাত লগা | সম্বোধন কৰা |
| হাড়ক মাটি কৰ্ | অধিক পৰিশ্ৰম কৰা |
| ঘৰ গোনা | সদায় ঘৰত থকা |
| কথা দিয়া | প্ৰতিশ্ৰুতি দিয়া |
| কাঠ চিতীয়া | নিৰ্দয় হৃদয়, ইত্যাদি |

**গ) ক্ৰিয়া পদৰ বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দ সমূহঃ**

| | |
|---|---|
| যেনে - গছত উঠা ছোৱালী | দুষ্ট ছোৱালী |
| চাউল উঠা | আয়ুস শেষ হোৱা |
| চকু ৰাখ্ | সাৱধান হোৱা |
| মানুহ কৰ্ | উপযুক্ত কৰি গঢ়িতোলা |
| নাকত তেল দি শো | নিৰ্ভাবনা হোৱা, ইত্যাদি |

**ঘ)বিশেষ্য পদৰ লগত ক্ৰিয়া পদৰ বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দ সমূহ ঃ**

| | |
|---|---|
| যেনে -আঁঠুৱা তৰ্ | ঢাপলি মেল্ |
| লাজ পা | আকাৰ ধৰ্ |
| চক্ খা | ক্ষমা কৰ্ |
| জিৰণি ল | ডকাদি |
| হাঁহি মাৰ্, ইত্যাদি | |

**ঙ)বিশেষণ পদৰ বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দঃ**

| | |
|---|---|
| যেনে -গা গধুৰ | এলেহুৱা, শকত |
| কেচা ল'ৰা | বুদ্ধি পুৰঠ নোহোৱা |
| পকা ল'ৰা | বুদ্ধি পুৰঠ নোহোৱা |
| চকু চৰহা | পৰশ্ৰাকাতৰ |
| হাত দীঘল | ক্ষমতাশালী |
| মাটিৰ মানুহ | সহজ সৰল লোক |
| কেঁচা ৰং | অস্থায়ী ৰং |
| পকা ৰং | স্থায়ী ৰং, ইত্যাদি |

**চ)বভিন্ন পদ বা শব্দ সমষ্টিৰ বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দ সমূহঃ**

| | |
|---|---|
| যেনে -চিলিম চিগ্ | মুদা মৰা |
| খাই পাত ফলা | অশলাগী হোৱা |
| বিধি -পথালি কৰা | বাধা জন্মোৱা |
| চুকৰ ভেকুলী | অজ্ঞ লোক |
| নপতা ফুকন | নিজকে বৰ লোক বুলি ভবা |
| বিনা মেঘেবজ্ৰপাত | আকস্মিক বিপদ |
| উনৈশত বা বলা | আনন্দত আত্মহাৰা হোৱা,ইত্যাদি |

## ৭.১ বিপৰীতাৰ্থক শব্দঃ

বিপৰীত অৰ্থ বুজোৱা শব্দক বিপৰীতাৰ্থক শব্দ বুলি কোৱা হয়।

যেনে -

| | |
|---|---|
| বিপদ | সম্পদ |
| ধনী | দুখীয়া |
| উচ্চ | নীচ |
| আৱাহন | বিসৰ্জন |
| গুৰু | শিষ্য |
| লঘু | গুৰু |
| পাপ | পুণ্য |
| সঁচা | মিছা ইত্যাদি |

## ৭.২ সমধ্বনি সূচক শব্দ ঃ

যেনে -

| | |
|---|---|
| অটল | স্থিৰ, লৰচৰ নোহোৱা |
| অতল | গভীৰ, তল পাব নোৱাৰা |
| অণু | সৰু |
| অনু | পাছত |
| আকৰ | খনি |
| আঁকৰ | ডাঙৰকৈ মুখ মেলা |
| আচল | মূল, প্ৰকৃত |
| আঁচল | কাপোৰৰ আগ |
| আটা | ঘেহুৰ গুৰি |
| আতা | মান্যজন, ককা |
| কঠা | মাটিৰ জোখ |
| কথা | বাক্যালাপ |
| কথাঁ | ফটা কাপোৰেৰে তৈয়াৰী গাত লোৱা কাপোৰ |
| কৰ | কাম কৰ |
| কৰ | হাত, খাজানা, শুৰ |
| কলি | নুফুলা ফুল |
| কলী | ক'লা বৰণৰ তিৰোতা |
| কুলি | চৰাই বিশেষ |
| কুলী | বনুৱা |

| | |
|---|---|
| কেৰাহি | কটাক্ষ |
| কেৰাহী | ৰন্ধাৰ পাত্ৰ |
| গঁড় | জন্তু বিশেষ |
| গড় | দুৰ্গ, ওখ ঢাপ |
| গিৰি | পৰ্বত |
| গিৰী | গৰাকী |
| চুটি | চাপৰ |
| ছুটী | অৱসৰ |
| জুৰি | সৰু নৈ |
| জুৰি | বিচাৰ কৰা ঠাই |
| জোৰ | বল, শক্তি |
| জোঁৰ | জুইৰ পোহৰ |
| যোৰ | লগ, হাল |
| নটী | নাচনি |
| নতি | প্ৰণাম |
| ফণি | মূৰ আচোৰা সঁজুলি |
| ফণী | সাপ |
| হাত | শৰীৰৰ অংগ |
| হাট | বজাৰ |
| তৰণি | উকীলৰ মহৰি |
| তৰণী | নাও |
| ধুতি | শুচি |
| ধুতি | চুৰীয়া |
| জ্ঞান | জুৰি |
| যান | বাহন |
| সাৰদা | সৰস্বতী |
| শাৰদা | দুৰ্গা |
| সুৰ | সূৰ্য |
| শূৰ | বীৰ |

| | |
|---|---|
| হাঁহ | হংস |
| হাহ | হহা কাৰ্য |
| শান্তি | সুখ |
| শান্তী | সতী |
| বাহ | চৰাইৰ বাহ |
| বাঁহ | এবিধ গছ |
| ভাট | স্তুতি পাঠক |
| ভাত | অন্ন, ইত্যাদি |

## ৭.৩ সমৰূপ শব্দ ঃ

তত্সম আৰু তদ্ভৱ শব্দ ঃ

অমৰা - ইন্দ্ৰৰ ৰাজধানী
~ - এবিধ গছ

আহাৰ - খাদ্য
~ - বছৰৰ এটি মাহ (যেনেকৈ জুন - জুলাই )

এৰা - এবিধ তেল
~ - হয় অৰ্থত
~ - এৰি যোৱা অৰ্থত

কণা - অন্ধ
~ - বস্তুৰ সৰু অংশ

কল - এবিধ ফল
~ - মেচিন

কলহ - কাজিয়া (কন্দল)
~ - পানী ভৰোৱা এবিধ পাত্ৰ

কলা - কাণেৰে নুশুনা লোক
~ - চন্দ্ৰকলা, চন্দ্ৰৰ ষোল ভাগৰ এভাগ
~ - কৃষ্টি কলা

কলি - ফুলৰ কলি
~ - হিন্দুৰ কলি যুগ

কাতি - হিন্দুৰ কেলেণ্ডাৰৰ সপ্তম মাহ,কাতি মাহ
~ - শৰীৰৰ এটা কাতি ( ইকাতি - সিকাতি)

কাম - ইচ্ছা
~ - কাৰ্য

কালি - কালি ( যোৱা বা অহাকালি )
~ - মাটি জোখৰ পৰিমাণ
~ - চিয়াহি
~ - জৰকালি - জাহ্‌কালি

কৰ - ফুলৰ এটা অংশ
~ - হাতীৰ হাত

খুৰা - দেউতাকৰ ভায়েক
~ - টেবুলৰ - চকীৰ ভৰি
~ - জন্তুৰ ভৰি

খন - এটা অংশ
~ - এটা সময় ( ৰাতি খন, গধুলিখন )
~ - ক্ষণ

ধৰা - পৃথিৱী
~ - ধৃত অৰ্থৰ 'ধৰা'
~ - অস্ত্ৰ ধাৰ কৰোৱা

পাৰ - নদীৰ পাৰ
~ - সমৰ্থ হ 'পাৰ'
~ - বহলাই মেলি দে পাৰ
~ - গছৰ ফল পাৰ
~ - পাৰ চৰাই

বজা - সঙ্গীতৰ বাদ্য বজা
~ - সন্তান জন্মৰ ক্ষমতাহীন

বাৰী - বাগিছা( ফুল - ফলৰ ঠাই )
~ - বিধবা

শ - এশ (সংখ্যা)
~ - জন্তু বা মানুহৰ মৰা শ

কিছুমান আৰবী ফাৰ্চীৰ পৰা আহি অসমীয়া ৰূপ পৰিগ্ৰহ কৰিছে ঃ

চন - বছৰ
~ - ধ্বংস
~ - খেতি নকৰা পথাৰ

আচাৰ - আচাৰ - ৰীতি - নীতি
~ - আচাৰ
~ - জোৰকৈ দলিয়াই পেলোৱা ( ক্ৰিয়া)

কপি - বান্দৰ
~ - কপি কৰা

কমা - পৰ্বৰ মাজত দিয়া বিৰতিৰ চিন
~ - বেচিৰ বিপৰীত কৰা ( কমোৱা)
~ - অচেতন হৈ থকা অৱস্থা
~ - পানীৰ ওপৰত মাছে খেলি থকা
~ - কপাহৰ জোলা ফাটি সূতাবোৰ মেল খোৱা

আঁতৰ - অন্তৰ, আতঁৰ
~ - চেন্ট
~ - আতৰ - গন্ধযুক্ত পদাৰ্থ

কলম - গছৰ ডাল কাটি জোঁৰাই থোৱা
~ - কলম - লিখা সঁজুলি

কুলি - কাম কৰা বনুৱা
~ - কুলি চৰাই

জান - জীৱন
~ - যান - বাহন
~ - নিজৰা
জান ( ক্ৰিয়া)

# অষ্টম অধ্যায়

## ৮.০. গঠনকাৰী সৰ্গ ঃ

প্ৰকৃতি বা মূল বা (Base) অৰ লগত বিভিন্ন অৰ্থত যিবোৰ সৰ্গ যোগ হৈ নতুন নতুন সাৰ্থ গঢ়ি উঠে,তাকেই . গঠনকাৰী সৰ্গ বোলে। তলত গঠনমূলক সৰ্গ সমূহ আলোচনা কৰা হ'ল।

অক - বিশেষণ ভাবে ব্যবহৃত হোৱা এবিধ গৌণ সৰ্গ। যেনে -
বুধি + অক, বুধিয়ক, (চতুৰ, বুদ্ধি)
খেতি + অক, খেতিয়ক
ফন্দি + অক, ফন্দিয়ক (চালাক)

ওঁতা - কৰ্তাবাচক বিশেষ্য আৰু বিশেষণ তৈয়াৰ কৰা এটা মুখ্য সৰ্গ। যেনে -
কৰ্ + ওঁতা, কৰোঁতা (কৰ্তা)
ল + ওঁতা, লওঁতা (গ্ৰহীতা )

অতি - অমূৰ্ত বিশেষ্য তৈয়াৰ কৰে। যেনে -
খজুৱা + অতি, খজুৱতি (খজুৱা কাৰ্য )

অতি - বিশেষ অৰ্থযুক্ত সাৰ্থ তৈয়াৰ কৰে। যেনে -
নাম + অতি, নামতি (নাম গোৱা লোক)
ৰোপ + অতি, ৰোৱতি (ৰুবৰ বাবে সাজু কৰা পথাৰ)
লজ্জা + অতি, লাজেতি (লাজুকী বন)
সখি + অতি, সখিয়তি (গীত গোৱা চৰাই )
বাপ + অতি, বাপতি (বাপতি সাহোন)
লাস + অতি, লাহতি
পুৱা + অতি, পুঁৱতি (পুৱতি নিশা)

অতীয়া - পূৰ্বৱৰ্তী প্ৰত্যয়ৰ বিস্তাৰ অৰ্থত। যেনে -
পক + অতীয়া, পকতীয়া (এবিধ ডাঙৰ খহু )
লাগ + অতীয়া, লাগতীয়া ( লাগতিয়াল , প্ৰয়োজনীয়, আৱশ্যকীয় )

অতিয়াৰ - পৰিকৈত অভ্যস্ত অৰ্থত। যেনে -
সাঁচ + অতিয়াৰ, সাঁচতিয়াৰ (সাঁচোঁতা)
লাগ + অতিয়াল, লাগতিয়াল

অতীয়া - স্থানীয় বিশেষণ তৈয়াৰ কৰে। যেনে -
আগ্ + অতীয়া, আগতীয়া (আগতে হোৱা)
শেষ + অতীয়া, শেহতীয়া (শেষ সময়ৰ)
মাজ + অতীয়া, মাজতীয়া (মাজ সময়ৰ)
তল + অতীয়া, তলতীয়া (অধীনস্থ)

অন - অমূর্ত ভাব কার্য বুজায় , যেনে -

খাৱন, √খা + অন

ভোজন, √ভুজ্ + অন

গজন (গজা কার্য, যিবোৰ গজে, গছ -গছনিকো বুজায়)

বুৰন্ (বুৰা কার্য, জলজন্তুকো বুজায় )

অনা - ই বিস্তাৰিত ৰূপ, অন -ৰ পিচত আ যোগ কৰা হয়। যেনে -

বাজনা, (সঙ্গীতৰ বাদ্য - যন্ত্র ) √বাজ + অনা

ছেনা, (লো কটা সঁজুলি) √ছে + অনা

জপনা, (পদুলিৰ দুৱাৰ ) (জাপ্ + অনা)

অনি - বিশেষ্য গঢ়া হয়। যেনে -

উজনি, (ওপৰ ভাগ) √উজা +অনি

জিৰণি, (জিৰোৱা কার্য ) √জিৰা +অনি

পাতনি, (চিনাক্তকৰণ) √পাত + অনি

নামনি, (তলৰ ভাগ) √নাম + অনি

ৰান্ধনি, (ৰান্ধোতা) √ৰান্ধ + অনি

অন - আছে অর্থত অন প্রত্যয় যোগ হলে গুণবাচক বিশেষ্য হয়। যেনে -

মলি + অন, মলিয়ন

প্রত্যয় + অন, পতিয়ন

অনী - স্ত্রীলিঙ্গ বাচক ৰূপ ৰক্ষিত হৈছে। যেনে -

জাননী, (বিজ্ঞাপন)

নাচনী, (তাঁতৰ শালৰ ব দুবাটি উঠোৱা - নমোৱা কৰি থকা সঁজুলি)

অৰি - অভ্যাস অর্থত ব্যৱহৃত। যেনে -

লগ + অৰি, লগৰি

লাস + অৰি, লাহ্ + অৰি, লাহৰি

লগ + অৰী, লগৰী

অৰীয়া - অভ্যাস বা সম্পর্ক বুজায়। যেনে -

লগৰীয়া, (সমনীয়া, সঙ্গী)

বনৰীয়া, (বনত থকা)

অৰীয়া - অভ্যাস থকা বা পাকৈত থকা অর্থত বুজোৱা হয়। যেনে -

পলৰীয়া, (পলাওঁতা) √পলা + অৰীয়া

অলীয়া - অভ্যাস শব্দৰ সম্বন্ধিত অর্থ প্রকাশ কৰে। যেনে -

গাওঁ + অলীয়া, গাৱলীয়া

মিছা + অলীয়া, মিছলীয়া

মাজ + অলীয়া, মজলীয়া

অৰুৱা - বিস্তাৰিত অৰ্থত। যেনে -

বাট + অৰুৱা, বাটৰুৱা, (পথিক)

আধা+ অৰুৱা, আধৰুৱা, (আধা কৰা)

আঙ - থিৰ + আঙ, থিৰাং

খৰ + আঙ, খৰাং

চোৰ + আঙ, চোৰাং

আ - নিশ্চয়াৰ্থী, সম্বন্ধাৰ্থী, কৰ্তাবাচক, স্বাৰ্থিক।যেনে -

কাণ + আ, কণা, (চকুৰে নেদেখা)

নট + আ, নৰা, (ধানৰ মুঢ়া)

খৰা + নাক + আ, খৰানকা

আ - কালবাচক প্ৰত্যয়। যেনে -

সিদিনা, (সেইদিনত)

ভাটি বেলা, (আবেলি পৰত)

আই - বিশেষ্য আৰু বিশেষণৰ পৰা গঢ়া বিশেষ্য। যেনে -

মুনিষাই, (পুৰুষালি), মনিষ + আই

মিঠাই, মিঠৈ (সুস্বাদু), মিঠাখাদ্য

আই - আদৰ প্ৰকাশ কৰা অৰ্থত , সম্বন্ধ দেখুওৱা আই প্ৰত্যয়ৰ উদাহৰণ। যেনে -

বোপাই, (মোৰ পিতাই) বাপ + আই

মামা + আই, মোমাই, মোৰ আমাৰ মামা (মাতৃৰ ভ্ৰাতৃ)

আইত - নামবাচক ধাতুৰ প্ৰত্যয়ৰ প্ৰকৃতিত কৰ্তৃবাচী কৃদন্ত ৰূপ প্ৰকাশ। যেনে -

অঘাইত, (দুষ্ট লোক), অঘ + আইত

গভাইত, (গোপন সহ অপৰাধী) (গৰ্ভ > গাভ > আইত >গভাইত )

ডাকু + আইত, ডকাইত, (দস্যু)

পক্ক + আইত, পাকৈত, (পাৰ্গত, দক্ষ)

এই প্ৰত্যয়ৰ উদাহৰণ অসমীয়াত বৰ বেচি নাই, পোৱাতী অৰ্থাত্‌ গৰ্ভৱতী তিৰোতা, পোআ - অতি, পোৱাতী

আন - গুণবাচক বিশেষ্য গঢ়িবলৈ ব্যৱহাৰ হয়। যেনে -

শুষ্ক + আন, শুকান (পানী নথকা)

পাত + আন, পতান (শাহ নথকা ধান)

আম - বিস্তাৰিত ৰূপেৰে সৈতে। যেনে -

ফুলাম, (ফুল বছা) (ফুল্ল + কৰ্ম)

আমি - গুণবাচক বিশেষ্য পদ গঠন কৰিবলৈ ব্যৱহাৰ কৰা হয়। যেনে -

দুষ্ট + আমি, দুষ্টামি

শঠ + আমি, শঠামি

ঠগ + আমি, ঠগামি

মূৰ্খ + আমি, মূৰ্খামি
পাগল + আমি, পাগলামি

আৰ - বৃত্তি বুজোৱা অভিকৰণবাচক বিশেষ্য তৈয়াৰ কৰে। যেনে -
কঁহাৰ (কাঁহৰ বাচন নিৰ্মাতা) (কাংস্য + কাৰ)
কুমাৰ (মাটিৰ বাচন নিৰ্মাতা) (কুম্ভ + কাৰ)
চমাৰ (জোতা নিৰ্মাতা) (চৰ্ম + কাৰ)
যুজাৰ্, যুজাৰু (যুজ, যুদ্ধ)

আৰী - কেইটামান শব্দতহে পোৱা যায়। যেনে -
কাণ্ডাৰী (গুৰিয়াল) (কাণ্ডাগাৰ + ইক)
ভঁৰালী (গুদাম ৰখীয়া) (ভাণ্ডাগাৰ + ইক)

আৰু - পাৰ্গতালি বুজোৱা অধিকৰণৰ বিশেষ্য। যেনে -
যুজাৰু, (যোদ্ধা, যুঁজত পাৰ্গত) √যুঁজ + আৰু
লিখাৰু, (লিখোঁতা) √লিখ্ + আৰু
শিকাৰু, (শিকোতা) √শিক্ + আৰু

আল - থকা অৰ্থত ব্যৱহাৰ হয়। যেনে -
নেজাল (নেজ থকা) (লঞ্জ)
ৰস + আল, ৰসাল
নোম + আল, নোমাল
গপ + আল, গপাল
খং + আল, খঙাল
ৰাগ + ই + আল, ৰাগিয়াল

আলী - জোনালী, (জোনাকেৰে ভৰা)
সোণালী, (সোণ বৰণীয়া)

ইয়াল - আছে অৰ্থত। যেনে -
সাহ + ইয়াল, সাহিয়াল
মৰম + ইয়াল, মৰমিয়াল

আল - সম্পৰ্ক, ব্যৱসায়, বৃত্তি বুজোৱা অৰ্থত, যেনে -
গো + আল, গোৱাল, (গৰু ৰখীয়া)
ঘট্ট + আল, ঘাটোৱাল, (ঘাটুৰৈ)
নদী + আল, নদীয়াল
গুৰি + আল, গুৰিয়াল

আলু - আলু অৰ্থত ব্যৱহাৰ হয়। যেনে -
দয়া + আলু, দয়ালু
কৃপা + আলু, কৃপালু

ইয়া - কেইটিমান সাৰ্থতহে প্ৰয়োগ হয়। যেনে-
চৰু + ইয়া, চৰিয়া (ধুবলৈ ব্যৱহাৰ কৰা চৰিয়া বিশেষ)
মাজ+ ইয়া , মজিয়া (মধ্য > মাজ)

ইয়াৰ - বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ হয়। যেনে -
অৰ্ধ + ইয়াৰ, আধিয়াৰ (আধি খোৱা লোক)
ভাগ + ইয়াৰ, ভাগিয়াৰ (অংশ ভাগী)

ইল, ইলি, ইলা - বিশেষ্য আৰু বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ কৰা হয়। যেনে -
ৰং + ইল, ৰঙিল
কাম + ইলা, কামিলা
মাহ + ইলি, মাহিলি

ঈ - বিশেষ্য আৰু বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ কৰা হয়। যেনে -
তাম + ঈ, তামী (তামেৰে প্ৰস্তুত)
কপাহ + ঈ, কপাহী (কপাহেৰে প্ৰস্তুত)
বাঁহ + ঈ, বাঁহী (বাঁহেৰে নিৰ্মিত)
কাঁহ + ঈ ,কাঁহী (কাঁহেৰে তৈয়াৰী)

উৱা - অভ্যস্ত, পাৰ্গত, নাইবা সম্পৰ্ক অৰ্থত ব্যৱহাৰ হয়। যেনে -
ভাত + উৱা, ভতুৱা
এলাহ + উৱা, এলেহুৱা
দাঁত + উৱা, দতুৱা (উচলা দঁতুৱা, আৰু দাঁত লগা লোক অৰ্থত)
পথাৰ + উৱা, পথৰুৱা

ওৱা, উৰৈ - অভ্যস্ত, পাৰ্গত অৰ্থত ব্যৱহাৰ হয়। যেনে -
হাল + ওৱা, হালোৱা
জাল + ওৱা, জালোৱা
ঘাত + উৰৈ, ঘাতুৰৈ
মেল + উৰৈ, মেলুৰৈ

উলা - আছে অৰ্থত ব্যৱহাৰ হয়। যেনে -
পেট + উলা, পেটুলা

ঊ - স্বভাব অৰ্থত ব্যৱহাৰ হয়। যেনে -
ভাত + উ, ভাটৌ
কপোঅ + উ, কপৌ

কুৰি - বিস্তৃত, অতিশয় অৰ্থত ব্যৱহাৰ হয়, যেনে -
হাট + কুৰি, হাটকুৰি
বাট + কুৰি, বাটকুৰি

চ - বিশেষ্য আৰু বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ কৰা হয়। যেনে -

কুণপ + কৰন্ধ + ( ত্য= চ) চ, কুন্ধচ্

আপ + চ, আপোচ

চা, চি, চী, চীয়া - প্ৰকৃত বা তাত হোৱা বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে -

খট + চা, খঘিচা

ৰাৱ + চি, ৰাউচি

টেঙা + চি, টেঙেচি

হাল + চা, হালচা, হালিচা

ৰং + চুৰা, ৰঙচুৰা

আহি - গুণবাচক বিশেষ্য গঠন কৰিবলৈ গঠন কৰা হয়। যেনে -

ফিত + আহি, ফিতাহি

কেৰা + আহি, কেৰাহি

তলী - অঞ্চল বা ঠাইৰ বিস্তৃতি বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে -

ধান + তলী, ধানতলী

সৰিয়হ + তলী, সৰিয়হতলী

কঠিয়া + তলী, কঠিয়াতলী

থলী - যি ঠাইত হয়, সেই ঠাই বুজাবলৈ থলী (স্থলী) ব্যৱহাৰ কৰা হয়। যেনে -

ৰণ + থলী, ৰণথলী

সভা + থলী, সভাথলী

পূজা + থলী, পূজাথলী

বাৰী -

আম + বাৰী, আমবাৰী

বাঁহ + বাৰী, বাঁহবাৰী

কল + বাৰী, কলবাৰী

হাল, শাল, শলা - ঘৰ বা কোনো কাৰ্য কৰা স্থান বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে -

জুহাল (জুই ধৰা ঘৰ)

ঢেকীশাল (ঢেঁকীৰ ঘৰ)

ময় - ব্যাপ্তি বা বিস্তৃতি অৰ্থত ব্যৱহাৰ কৰা হয়। যেনে -

পানী + ময়, পানীময়

বোকা + ময়, বোকাময়

সোণা + ময়, সোণাময়

ধূলা+ ময়, ধূলাময়

ৰ, ৰা, ৰি, ৰী - নাম শব্দৰ পিচত স্বাৰ্থিকভাবে বহে। যেনে -

কাষ - কাষৰ

দমৰা - দামুৰি

নাও - নাওৰা
বোপা - বপুৰা, বপুৰী
বাচা - বেচেৰা, বেচেৰী

ল, লা, লি, লী - নাম শব্দৰ পিচত স্বাৰ্থিকভাবে বহে । যেনে -
আগ - আগলি (অগ্ৰ > আগ + লি )
পীতল, (পীত + ল)
পাত, পাতল, পাতলা ( পত্ৰ > পাত )
অন্ধ - অন্ধলা (অন্ধ + লা )
উচ - উচলা (উচ্চ + লা)
ছাৰা - ছৱাল, ছোৱালী ( শাৱক > ছাৱা + ল)
দীঘ - দীঘল - দীঘলী (দীৰ্ঘ > দীঘ)
ধোঁৱা - ধুঁৱলী (ধূম্র > ধুম + আ > ধোঁৱা- লী)
ছাগল - ছাগলী ( ছাগ + ল)
ভেকোলা - ভেকুলী (ভেক + লী)
বগ - বগলী (বক + লী)
পখ - পখিলা, পখিলী (পক্ষ + লী)
অজলা - আজলী (অজ্ঞ > আজ + লা > অজলা, আজ + লী, আজলী)

অঙ, অঙা - স্বাৰ্থিক প্ৰত্যয় ৰূপে ব্যৱহাৰ হয়। যেনে -
বিপাক - বিপাঙ
ভেলেকা -ভেলেঙা
জোলোঙা
হটঙা

ই - স্বাৰ্থিক প্ৰত্যয় ৰূপে ব্যৱহাৰ হয়। যেনে -
টেমা - টেমি,
ডোবা - ডুবি,
মাদল -মাদলি, মাদুলি

উ, উক,উৰা - স্বাৰ্থিক প্ৰত্যয়। যেনে -
ছল - ছেলু,
নল - নেলু,
খস - খহু,
গৰ্ভ - ৰূপ- গাভৰু,
গো- ৰূপ- গৰু,

হ - স্বাৰ্থিক বা বিশেষণাত্মক প্ৰত্যয়। যেনে -
ৰূপ - শ - ৰূপহ।